নাৰীৰ বাবে স্বামীসেৱাই যে মুখ্য উদ্দেশ্য আৰু কোনোকালেই নাৰী স্বতন্ত্ৰ বা স্বাধীন নহয় — এই মতৰেই প্ৰতিধ্বনি তথা সুৰ শুনা যায় শংকৰদেৱকে ধৰি তেওঁৰ সমসাময়িক আন আন বৈষ্ণৱ কবি সাহিত্যিকসকলৰ ৰচনাৰ মাজতো। তেওঁলোকৰ নাৰী সম্পৰ্কীয় দৃষ্টিভংগীৰ মূল সুৰটো মনুসংহিতাৰপৰাই আহৰিত যেন বোধ হয় যদিও জনজাতি অধ্যুষিত হোৱাৰ বাবে অসমত নাৰী সম্পৰ্কীয় বাধা-নিষেধসমূহ অতিশয় কঠোৰ নাছিল আৰু বৈষ্ণৱ ধৰ্মগ্ৰন্থসমূহতো নাৰীৰ প্ৰতি অত্যাধিক নিষ্ঠুৰতা প্ৰদৰ্শন কৰা দেখা নাযায়। তথাপি 'কোনো কালে নাৰী জাতি নোহে স্বতন্ত্ৰী' অথবা 'স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহা ধৰ্ম'[৩] বুলি শংকৰদেৱে সমসাময়িক সমাজত নাৰীৰ স্থান আৰু মৰ্যাদাৰ অতি স্পষ্ট ইংগিত দাঙি ধৰিছে। আমাৰ আলোচনাত শংকৰদেৱকে ধৰি বৈষ্ণৱ কবিসকলৰ ৰচনাৰাজিৰ মাজেৰে প্ৰকাশ পোৱা নাৰী সম্পৰ্কীয় দৃষ্টিভংগী আৰু ইয়াৰ জৰিয়তে সমসাময়িক সমাজত নাৰীৰ স্থান আৰু মৰ্যাদাৰ বিষয়ে আলোচনা কৰা হৈছে।

প্ৰাচীন কালৰেপৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণত বৃহৎ অসমীয়া সমাজ গঢ়লৈ উঠিছিল। প্ৰাচীন কামৰূপ বা প্ৰাগজ্যোতিষপুৰত বসবাস কৰা নৃগোষ্ঠীসকলৰ মাজত নাৰীক হীন বা তলখাপৰ বুলি অৱমাননা কৰাৰ পৰম্পৰা নাছিল। বৰঞ্চ সমাজ ব্যৱস্থাত সকলো ক্ষেত্ৰতে নাৰীয়ে পুৰুষৰ সমানে অংশ লৈছিল। বহু জনগোষ্ঠীৰ বংশ পৰম্পৰা মাতৃৰ ফালৰপৰা নিৰ্ণয় কৰা হৈছিল। খাচী, কাৰ্বি, তিৱা আদি নৃগোষ্ঠীৰ সমাজ ব্যৱস্থা আছিল মাতৃতান্ত্ৰিক। পৰৱৰ্তী সময়ত আৰ্যসকলৰ আগমনে অসমৰ প্ৰাচীন সমাজ ব্যৱস্থাত ঘাইকৈ নাৰী সম্পৰ্কীয় বিধি ব্যৱস্থাসমূহত প্ৰচুৰ পৰিৱৰ্তন সাধন কৰে। মাতৃতান্ত্ৰিক সমাজক পিতৃতান্ত্ৰিকতাৰ দিশে পৰিৱৰ্তিত কৰি অসমীয়া নাৰীৰ স্বাধীন আৰু মুক্ত বিচৰণৰ অধিকাৰতো হস্তক্ষেপ কৰে।

প্ৰাচীন অসমৰ যিসকল অধিবাসীয়ে আৰ্যসকলৰ বশ্যতা স্বীকাৰ নকৰি মুক্তভাৱে থাকিবলৈ ল'লে তেওঁলোকৰ মাজত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰচলন আজিও দেখা পোৱা যায়। ৰাভাসকলৰ পৰম্পৰা অনুযায়ী সন্তানে সদায় মাকৰ ফৈদ লাভ কৰে।[৪] বড়োসকলৰ মাজত প্ৰচলিত পৰম্পৰা অনুযায়ী ঘৰজোঁৱাই বা 'ঢোকা' (বিধৱা তিৰোতাই স্বামী ৰখাৰ নিয়ম) থকা পুৰুষে নিজৰ পূৰ্বৰ বংশ পৰিচয় ত্যাগ কৰিব লাগে।[৫] খাছী, গাৰো, জয়ন্তীয়া, তিৱা এই সকলো নৃগোষ্ঠী মাতৃপ্ৰধান। ডিমাছাসকলৰ মাজত মাতৃৰ সম্পত্তি কন্যাই লাভ কৰাৰ পৰম্পৰা আছে।[৬] দেখা যায় যে অসমৰ জনগোষ্ঠীয় নাৰীসমাজ পূৰ্বৰেপৰা যথেষ্ট স্বাধীন।

ক্ৰমশঃ অসমৰ আৰ্যীকৃত গোষ্ঠীসমূহৰ নাৰীসকল ক্ৰমশঃ কঠোৰ অনুশাসনৰ মাজত সোমাই পৰে। প্ৰাগজ্যোতিষপুৰত ব্ৰাহ্মণসকলে ৰাজপৃষ্ঠপোষতা লাভ কৰা বুলি জনা যায়। কালিকা পুৰাণৰ মতে



মহাভাৰতৰ যুগতে অসমত ব্ৰাহ্মণসকলক সংস্থাপন দিয়া হৈছিল। গেইটৰ বুৰঞ্জীত প্ৰাপ্ত তথ্য চিলহেটৰ পঞ্চখণ্ড পৰগণাৰ নিধানপুৰত ১৯১২ চনত খান্দি উলিওৱা ভাস্কৰ বৰ্মণৰ ভূমিদান সম্পৰ্কীয় তাম্ৰলিপিৰ পৰা তেওঁৰ দিনৰ ভালেমান কথা জনা যায়। এই অনুদান চাৰিখন তামৰ ফলিত লিখা হৈছিল।[৭] পৰৱৰ্তী কালত সালস্তম্ভ, প্ৰলম্ভ আদি বংশৰ প্ৰায়বোৰ প্ৰতাপী ৰজাই হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। ব্ৰাহ্মণসকলে প্ৰতাপী ৰজাসকলক হিন্দু ধৰ্মত দীক্ষা দি নাইবা তেওঁলোকক কোনো হিন্দু দেৱতাৰ বংশৰ বুলি অভিহিত কৰি এনে নতুন শৰণীয়া ৰজাৰপৰা অনুগ্ৰহ লভাৰ বহু দৃষ্টান্ত পুৰণি ইতিহাসৰ পাতে পাতে পোৱা যায়।[৮]

ক্ৰমশঃ অসমীয়া সমাজ ব্যৱস্থা আৰ্যীকৃত হয় আৰু সমাজ ব্যৱস্থা পিতৃপ্ৰধান হৈ পৰে। ইয়াৰ লগে লগে নাৰী পুৰুষৰ অধীন হৈ পৰে আৰু মনুস্মৃতিৰ বিধান অনুযায়ী সমাজ পৰিচালিত হ'বলৈ আৰম্ভ কৰে। প্ৰতাপ সিংহৰ দিনৰেপৰা আহোমসকলে হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ কথা জনা যায়। ইয়াৰ লগতে সমগ্ৰ ভাৰত জুৰি গঢ় লৈ উঠা নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ অংশ স্বৰূপে অসমতো শংকৰদেৱৰ নেতৃত্বত বিশাল বৈষ্ণৱ আন্দোলন গঢ়ি উঠে আৰু ইয়াৰ জৰিয়তে অসমত আৰ্য সংস্কৃতিৰ প্ৰসাৰণ ঘটে। তথাপি প্ৰাচীন অসমীয়া সমাজ আৰ্য আৰু অনাৰ্য সংস্কৃতিৰ সংমিশ্ৰণ হোৱা বাবে বিশুদ্ধ আৰ্য সমাজৰ নাৰীৰ তুলনাত অসমীয়া নাৰী আছিল মুক্ত।

মধ্যযুগত সমগ্ৰ ভাৰত জুৰি সংঘটিত হোৱা বিশাল ভক্তি আন্দোলনৰ এক প্ৰশাখাস্বৰূপে অসমতো শংকৰদেৱৰ নেতৃত্বত প্ৰবলভাৱে ভক্তি আন্দোলন গঢ়ি উঠে আৰু নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ আৰম্ভ হয়। এই সম্পৰ্কীয় প্ৰায়বোৰ আলোচনাতে ভক্তিৰসে প্ৰাধান্য পোৱাৰ লগতে নিৰ্মোহ নিৰপেক্ষ দৃষ্টিভংগীৰ অভাৱ দেখা যায়। শংকৰদেৱৰ ৰচনাত নাৰী সম্পৰ্কীয় দৃষ্টিভংগীৰ আলোচনা প্ৰসংগত আমি বীৰপূজাৰ ভাব পৰিহাৰ কৰি নিৰ্মোহভাৱে শংকৰদেৱৰ নাৰীৰ প্ৰতি থকা দৃষ্টিভংগী বা তেওঁৰ ৰচনাত নাৰীৰ প্ৰসংগ কিভাৱে উচ্চাৰিত হৈছে সেই বিষয়ে উল্লেখ কৰিম।

পূৰ্বে উল্লেখ কৰা হৈছে যে প্ৰাক্‌শংকৰ যুগৰ অসমত ঘাইকৈ জনজাতি অধ্যুষিত অঞ্চলসমূহত মাতৃপ্ৰধান সমাজ ব্যৱস্থা প্ৰচলিত থকাৰ পৰিপ্ৰেক্ষিতত সমাজত সকলো ক্ষেত্ৰতে নাৰীৰ অংশ গ্ৰহণ আৰু মুক্ত বিচৰণৰ সুবিধা আছিল। ১৬৬২ খ্ৰীষ্টাব্দত অসমলৈ অহা ছিহাবুদ্দিন তালিছ নামৰ লেখকজনে সেই সময়ৰ অসমীয়া নাৰীৰ বিষয়ে লিখিছে — ৰজা বা প্ৰজা কোনো লোকৰ তিৰোতাসকলে ওৰণি বা বোৰ্খা ব্যৱহাৰ নকৰিছিল। হাটে-বজাৰে মূৰ নঢকাকৈ তেওলোক ঘূৰি ফুৰিছিল।[৯] কিন্তু আৰ্যীকৰণৰ ফলশ্ৰুতিত অসমৰ নাৰীৰ চেতনাত আবুৰ আৰু সতীত্ব দুয়োটাই আৰোপিত হ'বলৈ আৰম্ভ কৰে। অসমৰ মাতৃতান্ত্ৰিক সমাজৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থালৈ পৰিৱৰ্তন সামন্তবাদী সমাজৰ উত্থান তথা শংকৰদেৱৰ নেতৃত্বত এই সময়তে অসমত গঢ় লৈ উঠা নৱবৈষ্ণৱ ধৰ্মৰ শক্তিশালী পৰম্পৰাৰ সৈতে অসমীয়া নাৰীৰ সামাজিক স্থিতি আৰু মৰ্যাদাৰ ওতপ্ৰোত সম্পৰ্ক আছে। দৰাচলতে অসমীয়া নাৰীসকল এই সময়তে ব্ৰাহ্মণ নাৰীসকলৰ আদৰ্শৰে পৰিচালিত হ'বলৈ আৰম্ভ কৰা বিষয়টোৱে অসমীয়া সমাজখনক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰা দেখা যায়। গুৰু চৰিত কথাত প্ৰাপ্ত তথ্য অনুযায়ী শংকৰদেৱৰ মাক সত্যসন্ধ্যা সতী হৈছিল[১০] বুলি উল্লেখ আছে যদিও এই কথা গ্ৰহণযোগ্য নোহোৱাৰ থল বেছি। যোগিনীতন্ত্ৰই সতীযোৱা প্ৰথা সমৰ্থন কৰিছে[১১] আৰ্য সংস্কৃতিৰ ধাৰক বাহকসকলে অসমৰ নাৰীক ব্ৰাহ্মণ নাৰীৰ গুণ-বৈশিষ্ট্যৰে বিভূষিত কৰিবলৈ যত্ন

করিছিল যদিও মংগোলীয় নৃগোষ্ঠীৰ আধিপত্য আৰু শংকৰদেৱৰ নেতৃত্বত গঢ়ি উঠা বৈষ্ণৱ ধৰ্ম আন্দোলন সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰপৰা কিছুক্ষেত্ৰত ব্যতিক্ৰম হোৱাৰ বাবে অসমীয়া নাৰীৰ স্বতন্ত্ৰতা বহুক্ষেত্ৰত অক্ষত আছিল।

অসমীয়া নাৰীৰ বাবে ভক্তিধৰ্মৰ দ্বাৰ খোলা আছিল যদিও ধৰ্ম প্ৰচাৰকসকল পুৰুণি নাৰী সম্পৰ্কীয় বাধা-নিষেধ, সংস্কাৰাদিৰপৰা মুক্ত হ'ব পৰা নাছিল; কিন্তু ভাৰতৰ আন বহু প্ৰদেশত ধৰ্ম-কৰ্মৰপৰা নাৰীক সমূলি নিলগাই ৰখা হৈছিল।

শংকৰদেৱে ভক্তিধৰ্ম গ্ৰহণৰ দ্বাৰ তিৰোতাৰ বাবে মুকলি কৰি ৰাখিছিল যদিও মধ্যযুগীয় ধৰ্মীয় সংস্কাৰৰপৰা মুক্ত হ'ব নোৱাৰাৰ বাবেই মহিলাক শৰণ দিবলৈ অস্বীকাৰ কৰিছিল।[১১] সমগ্ৰ নাৰী সমাজৰ প্ৰতি শংকৰদেৱৰ অনাস্থাৰ মনোভাব গুৰু চৰিত কথাৰ উদ্ধৃত বাক্যশাৰীৰপৰা স্পষ্ট হৈ পৰে—

*স্ত্ৰীৰ মিছা বেশ্যাতে সে ৰত, পাপ কৰিও শপত সাহে। দেখিতে তলকাচ নাই। দিব থব পাইলে পতিক বোলে ভাল। হাতে কাণে ৰতি নহ'লে বোলে বোকোণ্ডাৰ বালা আৰু তাৰ কি সৰ্ন্ন?*[১২]

নাৰীৰ প্ৰতি শংকৰদেৱৰ এনে বিৰক্তি তেওঁৰ ৰচনাৰ আন আন ঠাইতো দেখা যায়। শংকৰদেৱে কেতিয়াও সন্ন্যাস গ্ৰহণ কৰা নাছিল। দুবাৰকৈ বিবাহ কৰাই, সতি-সন্ততি জন্ম দি সংসাৰ ধৰ্ম পালন কৰা এগৰাকী কৃতবিদ্য পণ্ডিত পুৰুষৰ এনে নাৰীবিৰাগ সামন্তবাদী সমাজলৈ নকৈ উন্নীত হোৱা এখন সমাজৰ পুৰুষতান্ত্ৰিক বৈশিষ্ট্যৰে স্বতঃস্ফূৰ্ত প্ৰতিফলন বুলিব পাৰি। তীৰ্থভ্ৰমণ কালত সৰ্বভাৰতীয় বৈষ্ণৱ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হোৱা শংকৰদেৱে নাৰীক ধৰ্মৰপৰা নিলগাই নাৰাখিলেও স্ত্ৰী জাতিৰ প্ৰতি সততে বিৰূপ মনোভাব গ্ৰহণ কৰিছিল।

মনুসংহিতাত উল্লেখ আছে যে —

*পিতা ৰক্ষতি কৌমাৰ ভৰ্তা ৰক্ষতি যৌৱনে*
*ৰক্ষতি স্থবিৰে পুত্ৰা নঃ স্ত্ৰী স্বাতন্ত্ৰমৰ্হতি।*[১৩]

অৰ্থাৎ স্ত্ৰী জাতি কোনো কালে স্বতন্ত্ৰ নহয়, জীয়াই থাকিবৰ বাবে এওঁলোক পুৰুষৰ ওপৰত নিৰ্ভৰশীল বা অধীন। একেদৰে শংকৰদেৱেও 'ৰুক্মিণী হৰণ' কাব্যত স্বভাৱতে "তিৰী জাতি নোহে স্বতন্তৰী" বুলি উল্লেখ কৰিছে।

আনহাতে নাৰীসকলৰ যাৱতীয় কৰ্ম আৰু তেওঁলোকৰ একমাত্ৰ ধৰ্ম সম্পৰ্কেও শংকৰদেৱে স্পষ্ট সিদ্ধান্ত দাঙি ধৰিছে। শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধত তেওঁ লিখিছে—

স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম।
পুৰুষক পুযিবা কৰিবা গৃহকৰ্ম।।
যদি কলা জৰা কুব্জা কণা হোৱৈ পতি।
তাহাকো নেৰিব হেন শাস্ত্ৰ সন্মতি।।[১৪]
স্বামীৰ শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম।[১৫]

অৰ্থাৎ নাৰীসকলৰ পতিসেৱাই পৰম ধৰ্ম আৰু গৃহকৰ্মতেই তেওঁলোকৰ পৰম ৰতি হোৱা উচিত। পতি যদি শাৰীৰিক বিকাৰগ্ৰস্তও হয় তেওঁকো ত্যাগ নকৰিবৰ বাবে শাস্ত্ৰত বিধান দিয়া আছে।



ৰাসলীলাৰ বৰ্ণনাক্ৰমত শংকৰদেৱে কৃষ্ণক প্ৰেম নিবেদন কৰা ব্ৰজৰ নাৰীসকলক 'একে স্ত্ৰী বনচাৰী আৰু ব্যভিচাৰী'[১৬] বুলি অভিহিত কৰি ৰাসলীলাৰ যৌনক্ৰীড়াৰ বাবে কেৱল নাৰীসকলক জগৰীয়া কৰিছে আৰু 'তেজস্বীক কিছু পাতকে নপাৰে'[১৭] বুলি কৃষ্ণক এই পাতকৰপৰা মুক্ত কৰিছে। দৰাচলতে ব্ৰজৰ নাৰীসকলৰ স্বাধীন আৰু মুকলিমূৰিয়া জীৱন পদ্ধতিত কোনো সামাজিক অনুশাসনে বাধা দিব পৰা নাছিল। সেই সময়ৰ পটভূমিত নাৰী পিতৃ বা পুৰুষৰদ্বাৰা নিয়ন্ত্ৰিত হোৱাৰ কথাই নাছিল; কিন্তু আৰ্য প্ৰভাৱৰ ফলত মধ্যযুগৰ অসমত নাৰীক বিভিন্ন ধৰণেৰে অনুশাসনৰ মাজত ৰাখিবলৈ চেষ্টা কৰা দেখা যায়। *আদি দশম* নামৰ গ্ৰন্থত শশী শৰ্মাই লিখিছে — ভাগৱতৰ ৰচক ব্যাস আৰু আনকি পৰম বৈষ্ণৱৰূপে সন্মানিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱো এই ক্ষেত্ৰত বিশেষ ব্যতিক্ৰম নাছিল। ভাগৱতৰ কবিৰ অনুকাৰণতে শংকৰদেৱেও আদি দশমত নাৰীৰ প্ৰতি বিতৃষ্ণাৰ ভাৱ প্ৰদৰ্শন কৰি কৈছে — একেস্ত্ৰী বনচাৰী আৰু ব্যভিচাৰী[১৮]।

শিৱনাথ বৰ্মনে উল্লেখ কৰিছে যে — পিতৃতান্ত্ৰিক সমাজত উৎপাদনৰ আহিলাসমূহ ন্যস্ত হয় পুৰুষৰ হাতত। ফলত নাৰীয়ে তেওঁৰ স্বতন্ত্ৰ কৰ্তৃত্ব হেৰুৱাই পেলায় আৰু পুৰুষৰ অধীনা হৈ পৰে। অসমীয়া বৈষ্ণৱ কবিসকলৰ লিখনিত এনে নাৰীশাসক মনোভাব পৰিলক্ষিত হৈছে[১৯]।

দেখাত 'পুৰুষে তিৰিয়ে হৈবা একমতি' বুলি নাৰী-পুৰুষৰ সম অধিকাৰৰ কথা কোৱাযেন লাগে যদিও বৈষ্ণৱ কবি সাহিত্যিক সকলৰ ৰচনাত শূদ্ৰ, চণ্ডাল আদি অন্য জাতিসমূহৰ লগত একে শাৰীতে নাৰীক স্থান দিয়া দেখা যায়। শংকৰদেৱৰ ৰচনাৰপৰা উদাহৰণ দিয়া হ'ল —

স্ত্ৰী শূদ্ৰগণ অধম যবন/আনো জাতি পাপী নৰে...[২০] (ভাগৱত)
স্ত্ৰী শূদ্ৰ বৈশ্য/যত পাপ জাতি[২১] (ভক্তি ৰত্নাকৰ)

সকলো পাপ আৰু অনৰ্থৰ মূল হিচাপে নাৰীক অভিহিত কৰি নাৰী সংগ বৰ্জনৰ বাবে বৈষ্ণৱ কবিয়ে বাৰে বাৰে উপদেশ দিয়া দেখা যায়। উদাহৰণ —

শংকৰদেৱে লিখিছে —
ঘোৰ নাৰী মায়া সব মায়াত কুৎসিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে হৰে চিও।।
দৰশনে কৰে সবে তপ জপ ভঙ্গ।
হেন জানি ৰমণীৰ জ্ঞানী এৰা সঙ্গ।।[২২]

হৰমোহনৰ বৰ্ণনা প্ৰসংগত ঠায়ে ঠায়ে তেওঁ কপট যুৱতীবেশ[২৩] দুস্তা স্ত্ৰী মায়া[২৪] আদি বাক্যাংশও ব্যৱহাৰ কৰিছে।

গোপাল দ্বিজে ভাগৱতত এইবুলি লিখিছে —
স্ত্ৰী সঙ্গে সমস্ত অনৰ্থ মাত্ৰ হয়.
আক মই তযু আগে কৱোহো নিৰ্ণয়।।
... ... ... ...
পৰম বৈৰাগী যিটো মহা যোগীচয়।
নৰকৰ দ্বাৰ বুলি স্ত্ৰীক মানয়।।[২৫]

এনেধৰণৰ নাৰীৰ প্ৰতি অপমান আৰু অৱজ্ঞাসূচক মন্তব্য বৈষ্ণৱ কবি সাহিত্যিকসকলৰ ৰচনাৰ পাতে মাজত বহু ঠাইত পোৱা যায়। ইয়াৰ মাজতো ধৰ্ম আচৰন তথা ভক্তি ধৰ্ম গ্ৰহণৰ দ্বাৰ নাৰীৰ বাবেও মুকলি কৰি দিয়াত অসমৰ বৈষ্ণৱ সমাজত নাৰীৰ প্ৰতি দেখুওৱা উদাৰতা পৰিলক্ষিত হয়।

আমাৰ আলোচনাত ধৰ্মীয় প্ৰসংগৰ প্ৰতি আৰেগ এৰাই চলি শংকৰদেৱ তথা তেওঁৰ সমসাময়িক বৈষ্ণৱ পণ্ডিতসকলৰ ৰচনাত প্ৰকাশ পোৱা নাৰী সম্পৰ্কীয় দৃষ্টিভংগী আৰু সমসাময়িক সমাজত নাৰীৰ স্থান আৰু মৰ্যাদাৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। অসমৰ জাতীয়, ধৰ্মীয় তথা সাংস্কৃতিক জীৱনত শংকৰদেৱৰ ইমান আবেগিকভাৱে সম্পৰ্কযুক্ত যে তেওঁৰ সাহিত্যৰাজিৰ সম্পৰ্কত বহুসময়ত নিৰপেক্ষ আৰু নিৰ্মোহ বিশ্লেষণ দুৰূহ হৈ পৰে। আমাৰ আলোচনাপত্ৰত যথাসম্ভৱ নিৰপেক্ষ দৃষ্টিভংগীৰে বিশ্লেষণ আগবঢ়াই বিষয়ক ন্যায্যতা দিবলৈ যত্ন কৰা হ'ল। আলোচনাৰ অন্তত এই সিদ্ধান্তত উপনীত হোৱা গ'ল যে অসমত শংকৰদেৱদ্বাৰা প্ৰৱৰ্তিত আৰু প্ৰচাৰিত নৱবৈষ্ণৱ ভক্তিধৰ্মৰ দ্বাৰ নাৰীৰ বাবে খোলা আছিল যদিও সমসাময়িক সমাজত নাৰীক পুৰুষৰ সমানে মৰ্যাদা দিয়া হোৱা নাছিল আৰু তথাকথিত নিম্নজাতি বা অন্ত্যজাতিসমূহৰ সৈতে একে শাৰীতে নাৰীৰ প্ৰসংগ উল্লেখ কৰা হৈছিল। অৱশ্যে সৰ্বভাৰতীয় বৈষ্ণৱ পৰিৱেশৰ সৈতে অসমৰ কিছু পাৰ্থক্য আছিল। অসমীয়া বৈষ্ণৱ সমাজত নাৰীৰ প্ৰতি উৎকট অৱহেলা নাছিল। প্ৰথম অৱস্থাত শংকৰদেৱে নাৰীক শৰণ দিবলৈ কুণ্ঠাবোধ কৰিলেও পৰৱৰ্তী সময়ত ছন্দৰী আই আৰু চিলাৰায়ৰ পত্নীসকলক শৰণ দিয়া বুলি চৰিতপুথি সূত্ৰে জনা যায়।

**প্ৰসংগ টীকা**

১। কল্যাণী বন্দোপাধ্যায়, ধৰ্ম ও নাৰী, পৃ. ৩১
২। প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু), মনুসংহিতা, পৃ. ২৩৭
৩। শিৱনাথ ভট্টাচাৰ্য (সম্পা), দশম (শ্ৰী মদ্ভাগৱত দশম), পৃ. ১১৮৯৩
৪। প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (সম্পা), অসমৰ জনজাতি, পৃ. ১৬৮
৫। উল্লিখিত, পৃ. ৬৪
৬। উল্লিখিত, পৃ. ৬
৭। চেনেহী বেগম (অনু), অসম বুৰঞ্জী মূলঃ চাৰ এডৱাৰ্ড গেইউ, পৃ. ২৪
৮। উল্লিখিত, পৃ. ২৭
৯। চেনেহী বেগম, উল্লেখিত, পৃ. ১২৭
১০। গুৰু চাৰিত কথা, পৃ. ২১
১১। উল্লিখিত, পৃ. ১৮৪
১২। উল্লিখিত, পৃ. ১৮৪
১৩। প্ৰফুল্ল নাৰায়ণ বৰুৱা (অনু), পূৰ্বোল্লিখিত পৃ. ২৩৭
১৪। সূৰ্য দাস (সম্পা), শ্ৰীমদ্ভাগৱত, পৃ. ১৬৫
১৫। কীৰ্ত্তন ঘোষা, পৃ. ১৯৮



১৬। সূৰ্য দাস (সম্পা) পূৰ্বোল্লিখিত, পৃ. ১৯৬
১৭। উল্লিখিত পৃ. ৯৮৮

তেজস্বীক কিছু পাতকে নপাৰে
আত কোন দোষ আছে।
যেন সৰ্বভক্ষ অগ্নি তথাপিতো
তাক কোন জনে বাছে।।

১৮। শশী শৰ্মা, আদি দশম, পৃ. ৫১
১৯। শিৱনাথ বৰ্মন, শ্ৰীমন্ত শংকৰদেৱঃ কৃতি আৰু কৃতিত্ব, পৃ. ৮৯
২০। সূৰ্য দাস (সম্পা.), পূৰ্বোল্লিখিত পৃ. ৬০২
২১। মোহনচন্দ্ৰ মহন্ত (সম্পা.), ভক্তি ৰত্নাকৰ পৃ. ৬৪৭
২২। সূৰ্য দাস (সম্পা.), পূৰ্বোল্লিখত পৃ. ৬৯৯
২৩। উল্লিখিত পৃ. ০৪
২৪। উল্লিখিত পৃ, ১৭০
২৫। উল্লিখিত পৃ. ২৩৭

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


ডেকা, সৰকাৰ, আলপনা, *ঊনবিংশ শতিকাৰ পটভূমিত অসমীয়া নাৰী,* অসম পাব্লিছিং কোম্পানী, প্ৰথম প্ৰকাশ, ২০১৬

দত্তবৰুৱা, জ্যোতিন্দ্ৰ নাৰায়ণ (প্ৰকাশক), *যোগিনীতন্ত্ৰ,* দত্তবৰুৱা পাব্লিছিং কোম্পানী, গুৱাহাটী, তৃতীয় প্ৰকাশ, ২০১০

নেওগ, মহেশ্বৰ (সম্পা.), *কীৰ্ত্তনঘোষা আৰু নামঘোষা,* লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, পঞ্চম তাঙৰণ, ১৯৬৭

বৰুৱা, প্ৰফুল্ল নাৰায়ণ (সম্পা.), *মনুসংহিতা,* কৌস্তুভ প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০৩

বৰ্মণ, শিৱনাথ, *শ্ৰীমন্ত শংকৰদেৱ ঃ কৃতি আৰু কৃতিত্ব,* পুথিতীৰ্থ প্ৰকাশন, গোলাঘাট, তৃতীয় প্ৰকাশ, ১৯৯৭

বেগম, চেনেহী (অনু.) *অসম বুৰঞ্জী মূল ঃ* এডৱাৰ্ড গেইট লয়াৰ্ছ বুকষ্টল, গুৱাহাটী, দ্বিতীয় প্ৰকাশ ১৯২৬

ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ (সম্পা.) ঃ *অসমৰ জনজাতি,* লয়াৰ্ছ বুকষ্টল, তৃতীয় সংস্কৰণ ১৯৯৭

মহন্ত, মোহনচন্দ্ৰ (সম্পা.), *ভক্তি ৰত্নাকৰ* (ৰাজচৰণ ঠাকুৰ অনুদিত), যোৰহাট ১৮৭১ (আনুমানিক)

শৰ্মা, শশী, *আদি দশম,* মহাবাহু ছপাশাল, নলবাৰী, প্ৰথম প্ৰকাশ, ১৯৯৩

হাজৰিকা, সূৰ্য (সম্পা.) *শ্ৰীমদ্ভাগৱত (সম্পূৰ্ণ),* বাণীমন্দিৰ, গুৱাহাটী, তৃতীয় সংস্কৰণ, ২০১৬

বাংলা ঃ

বন্দোপাধ্যায়, কল্যানী, *ধৰ্ম ও নাৰী ঃ সেকাল ও একাল,* এলাইড পাবলিশাৰ্স, প্ৰথম সংস্কৰণ, ১৯৯৮

# The Practice of Weaving Among Assamese Women in Colonial Times

***Jyotimonjuri Kalita***

**Abstract**

Handloom weaving has a great importance in the socio-economic life of Assam since early times. The custom of spinning and weaving is universal among Assamese women. In the art of rearing silk worms and weaving of the silk clothes, Assamese women had earned reputation from ancient times. Women from almost every community in Assam indulged in spinning and weaving. With the establishment of the British rule, Assamese people, who were once self-dependents in the matter of cloth, began to use cheap, mill made imported garments and rejected their tradition of spinning and weaving. But during the time of the Indian Independence Movement the tradition of home spinning and weaving in Assam regained popularity. As one of the oldest crafts of Assam, weaving is famous for its unique charm and simplicity. Techniques of handloom weaving are handed down from one generation to another. From a very young age Assamese girls acquired knowledge of weaving clothes.

**Key Words** : Colonial Assam, Weaving, Spinning, Weaving Loom, Silk, *Khadi*

**Introduction**

Assam is the eastern most part of India. In early days Assam was known as Pragjyotisha and Kamrupa. In the early Indian literature like the Hindu epics, the Puranic and Tantric literature there are references of Pragjyotisha and Kamrupa. Assam is situated between the ranges of the Himalayas, Patkai and Naga hills. Assam at present holds an area of 78,438 sq. km.

Weaving is a way of life in Assam. It is one of the brightest parts of Assamese culture and heritage. Assamese woman can weave excellent floral and geometrical designs in clothes. Almost every Assamese household had one or more looms for weaving clothes of various designs and categories. By rearing silk worms and producing silk thread from the cocoons of these worms Assamese women wove clothes. They also produced thread also from cotton. Skill in the art of spinning and weaving was considered the highest attainment of an



Assamese woman and when a marriage proposal was made the first question asked regarding the eligibility of a girl was whether she knew the *bowa-kota* i.e. spinning and weaving.[1]

The main objective of my research paper is to study the weaving culture among the women of Colonial Assam and its socio-economic importance in historical perspective. This paper will also study the weaving, dyeing, silk rearing technology used by Assamese women in colonial times and will also analyse the impact of British colonial rule upon Assamese weaving culture.

The methodology used in this study is historical. The study is based on both primary and secondary data. The primary data has been collected from British official records, contemporary books, autobiographies of colonial Assam, *Buranjies*, contemporary photographs etc. As sources of secondary data, books, research papers, articles, journals etc. have been used.

**Weaving in Assam through the Ages**

The art of sericulture and the rearing of different silk worms for manufacturing different kinds of silk clothes were known to the people of Assam from time immemorial. Ramayana mentions "the country of the cocoon rearers."[2] This country of cocoon rearers is believed to be kamarupa. The Arthasastra of Kautilya mentioned a place named Suvarna kundya which produced various silk garments such as *ksauma, dukula* and *patrorna*. Historians are of the opinion that Suvarna Kundya is the Sonkudiha of modern Kamarupa.[3] *Kshauma, dukula* and *patrorna* cloths may be taken to mean the *eri, muga, pat* silk of Assam. Francies Hamilton noted in the early nineteenth century that, "The native women of all castes, from the queen downwards, weave the four kinds of silk that are produced in the country, and with which three-fourths of the Assamese people are clothed…… There may be one loom for every two women; and in great families there are eight or ten, which are wrought by slave girls. The raw materials are seldom purchased; each family spins and weaves the silks which it rears, and petty dealers go round and purchase for ready money."

The credit of making weaving a universal practice among all class and caste of people in Assam goes to Momai Tamuli Barbarua, the minister of Ahom king Pratap Singha (1603-1641). He passed an order that everyday all capable women had to spin two copses of yarn before they went to sleep. Besides it, every household had to contribute to the royal stores annually one seer of home spun silk. These orders had far reaching effect of ensuring the self sufficiency of Assamese people in the matter of cloth. The Ahom kings had a large number of looms within the royal campus for production and supply of various kinds of clothes. For supplying yarn and other raw materials for the looms of the royal palace, under the Raidangia queen the Raidangia Phukan and Raidangia Barua and under Parbotia Queen Parbatia Phukan and Parbotia Barua were appointed. Some of the Ahom queens were in charge of looking after the activities of royal looms. Ahom King Siva Singha's (1714-1744) queen Sarbeswari opened a school of weaving within the royal palace to teach the girls of

the neighbouring areas the art of weaving. She admitted there girls from every community and caste. She imported specimen of floral designs and brocades for the borders of the clothes from different parts of India to improvise Assamese weaving industry.

Assamese military generals or commanders of the time of monarchy had a special custom of wearing an evil-averting cloth known as *kavach kapor.* The yarns for spinning this cloth must be made and spun the cloth within a single night.[4] It is believed that if a woman can give such cloth to her husband, he can escape death in the battle field.

The tribes of Assam had their own traditions of clothing. Women from all the tribes of Assam weave clothes with various colourful and attractive designs and they conciliated each other by presents of their hand spanned cloths.

**Impact of British Colonial Rule upon Assamese Weaving Tradition**

Establishment of the British colonial rule brought revolutionary changes to Assamese clothing trends and textile industry. Till the pre-British times, the clothing requirement of the Assamese society was fulfilled by the hand loom productions of Assamese women and there was little trade in clothes. During the colonial period imported mill made cloth became easily obtainable in Assam at a cheap rate. So Assamese women began to neglect the hard working practice of spinning and weaving and started wearing imported clothes. As these products were much finer and smoother than the Assamese handloom clothes, they easily attracted the people. Though the interior parts of Assam, the tradition of weaving continued, spinning and dyeing became extinct due to the competition from British and Indian machine spun yarn. Even in rural areas women began to weave clothes from mill made yarns.

But all people were not economically sound to buy clothes from the markets. On the other hand there were some socio-religious prohibitions in using western clothes in the Assamese society. Some of the Assamese people did not use imported clothes as they considered it anti-nationalist. So these people wore clothes by weaving clothes from hand spun threads. The best of Manchester products could not hold down the native *pat, muga* and *eri* weaving industry, as there were no substitutes for these products.[5]

**Weaving Technology Used in Assam**

In the Assamese *Bihunam, Bianam* or wedding songs, ballads etc. ample evidence can be found about the works of spinning and weaving with the help of *jatar* and *takuri*, winding threads on to the reels, weaving in looms, rearing silks etc. Assamese handloom industry was a cottage industry in which spinning, weaving and other processes were done by the same person. Weaving technology remained almost same during the colonial period in Assam like the medieval times.

Weaving looms, that were used by Assamese weavers during the colonial period can be classified under two groups- handlooms and power looms. Two types of handlooms were used in Assam; *Mati sâl* or throw shuttle loom and *kokâlot bondha sâl* or loin loom. *Mati sâl* or throw shuttle loom was used in the plain areas of Assam. In this kind of loom



shuttle is thrown across the thread by hand. The production of this kind of loom is low but it can weave many specialized fabrics. This loom is fitted to four posts fixed on the ground. *Kokalot bandha sâl* or loin loom is a kind of primitive loom used by the people of the hilly areas of Assam. They are also called 'Back Strap' loom because this type of loom is attached to the body of the weaver with a back strap. These looms have no any permanent fixture or heavy frames. Fly shuttle loom was invented by John Key in 1733 in Britain which revolutionised the weaving technology and make it less laborious than before. But this loom was not popular in Assam during the colonial times. Assamese weavers were not interested in these looms and preferred traditional looms as they did not liked to leave their age old practice.

**Dyeing**

Before the yarns produced by modern textile factories became easily obtainable, Assamese weavers used to dye their threads by indigenous dyeing process. In Assam people did not have the habit of dyeing cloth but they used to dye threads and large varieties of dye stuffs were used for dyeing. Barks, leaves, fruits and roots of different trees like *Achchugach, Majathi, Palash, Chandan, kujithekera, Borthekera, Tepartenga,* Turmeric, *Bhamrati, Jarath, Urahi, Leteku, Jammu, Bharathi, Silikha, Amlakhi, Madhuriam,* lemon, *kendu* fruits, pomegranate and lac, indigo, vermilion etc. were used as dyeing materials in Assam.

**Silk Rearing**

Assamese handloom industry was basically silk oriented. Three kinds of silk worms are commonly reared in Assam - the mulberry silk worm (*Bombyx moriL.*), the *muga* (*Antheraea assamensis*) and the *eri* (*Attacusricini*). The mulberry silk worms are fed on the leaves of mulberry plants. In Assamese they were called *Pat palu*. This type of worm is of two kinds, one is *Bar pat* and the other is *Saru pat*, i.e. big and small respectively. *Saru pat* worms can be reared from two to six generations a year. But generally two generations are reared in the Assamese months of *Kati* and *Jeth*, respectively known as *Katia* and *Jethua*. Bar pat worms are reared in the month of *Chot* and known as *Chotua*. The *Muga* silk are produced from *muga* silk worms. *Muga* is not only charming and beautiful, but also durable and strong. These worms are generally fed on the leaves of the *Som* trees (Machilus bombycina). Sometimes the worms are fed on the leaves of *Dighlati, Patisonda, Domlati* and *Soalu* trees. Best qualities of *muga* silk *Chapa-patia* and *Mejankuri* are produced from the worms which are fed on the leaves of the *Champa* and *Adakari* trees respectively. *Muga* worms are reared five times in a year. The *Eri* is a warm natural yarn found in Assam. These worms are fed on the leaves of *Eri* but it also feed on the leaves of *Kecheru* tree. In a year up to seven generation of eri worms can be reared. Of all the four varieties of fabrics of Assam, *eri* was the cheapest and the most common for daily use during winter seasons. Another kind of silk, called *tusser* (Antheraea paphia) was also produced in Assam. This variety of silk was produced from the worms which feed on the leaves of *Kutkuri, Phutuka*

and *Bogori* tree. Though the people of Assam reared these worms during the days of the Ahom monarchy, later they abandoned this practice.

Cotton was collected in Assam from the trees called *Kapah, Simalu, Akan, Maduri* and *Chhewa*. But with the availability of high quality cotton in the markets and the easy access of cheap mill which made cotton thread, Assamese people gradually left cotton cultivation.

**Ornamentation in fabric**

Traditionally Assamese women ornamented clothes through loom embroidery. Assamese people used *guna* in embroidery works. *Guna* is a kind of gold and silver thread and the colour of *guna* threads are white and golden. Different coloured threads were also used in embroidery work. In Assam textile motifs and designs are inspired by rich biodiversity of this region. Natural objects of aesthetic appeal such as flowers, birds, animals and geometric patterns and some religious motifs find expression in the fabrics.

**Ideology of *Khadi* and its Impact upon Assamese Weaving Tradition**

In the struggle for Indian independence, ideology of using *Khadi* or *khaddar* or hand woven cloth made from hand spun threads was an important part of Indian nationalism. The idea of *Khadi* gained popularity in Assam and it spread to every region of Assam. During that time the custom of spinning and weaving regained popularity all over again in every household of Assam. The idea of hand spinning and weaving was not a new concept for Assamese people. But the *Khadi* movement spread the idea of hand spinning and weaving not only as a household daily work, but also as a nationalist ideology. Earlier spinning and weaving were considered in Assamese society as only women's work, but in the national struggle for freedom both man and woman spun and weaved clothes. Weaving schools were established in different parts of Assam. These schools and weaving teachers taught Assamese people improved weaving techniques like 'flying shuttle looms' to enhance the production. Weaving was included in the nationalist schools as a part of school curriculum. C F Andrews wrote in an article named 'Khaddar in Assam' (Published in 'Young India', 11 June 1925) that Assamese ladies were clothed from head to foot in Khaddar. He said that if this custom of using clothes woven by own hands could spread to the other provinces of India, at least among Congress households it would be a glorious achievement.[6]

**Economic Importance of Weaving in Colonial Assam**

Weaving was not only a part of Assamese culture and heritage; it was also the largest indigenous economic activity of Assamese people after agriculture. Many Assamese families have been saved from economic collapse by their women folk's labor in weaving looms. Sometime clothes were exchanged for goods which were not individually and locally produced. Handloom weaving had provided almost whole of the clothing requirements of Assam till the pre-British times. Commercialisation of clothing started in Assam only after the coming of the British into Assam. The Colonial rule led to urbanization, commercialization,



western education system and migration etc in Assam and they in turn introduced new clothing practices and desires among the people of the Brahmaputra valley. With the growing popularity of smoother, finer and cheaper machine made clothes of Indian and Manchester mills, Assamese weavers began to produce only special varieties of clothes mainly for women and for some social and religious occasions. From the end of the 19th century the domestic use of Assamese silk became restricted because of the growth of demand for it outside Assam.[7] Assamese silk, mainly *muga* had a very high demand in Europe and it formed the main item of trade of the East India Company during the 18th and early 19th centuries.[8]

Employment of handlooms in Assam was considered a spare time employment and so the output of handlooms in Assam was not comparably high. Though there were enough raw materials available for the development, endogenous weaving industry did not developed in Colonial Assam. Assamese people were not interested in doing sericulture works in organized and commercial way.

**Conclusion**

Assamese women considered weaving as one of their daily works. Earlier Assamese society was self- dependent in fulfilling its clothing requirements. But during the colonial period, spinning and weaving lost popularity. Though weaving is continued till today with some ups and downs, spinning and dyeing have become 'things of history'. Assamese weaving technology and weaving equipment have remained same as that of the colonial period and earlier. During the Indian independence movement, Assamese weaving culture regained strength. After his first visit to Assam, Mahatma Gandhi commented that Assamese women weave fairy tales in cloth and every Assamese woman is a born weaver. [9] But traditional weaving 'culture' could not be successful in becoming a profitable 'profession' in colonial Assam and it remained only a spare time activity.

**References**


A. J. Moffatt Mills. *Report on the Province of Assam*. Guwahati: Publication Board Assam, 1984.

Bahadur, K.P. *Caste, Tribe & Culture of India: Assam* .New Delhi: Ess Ess Publications. 1977.

Barpujari, H.K. *Assam in the days of company* (1826-1858). Guwahati: Spectrum Publications. 1980.

Baruah, B.K. *A Cultural History of Assam*. Guwahati : Bina Library.2011.

Barua, Malaya Khound. (ed). *Eri Thoi Aha Dinbor*, Guwahati: Lawyer's Book Stall.1993.

Baruah, Swarna Lata. *A Comprehensive History of Assam*. New Delhi: Munshiram Manoharlal Publishers Pvt. Ltd 2009.

Bhattacharjya, Gaurishankar. *Sabinoy Nibedon*. Guwahati : Sahitva Prakash.1999.

Bhattacharji, Mahua. *Silken Hues, Muted Voices*. Guwahati:DVS Publishers .2014.

Bhuyan, Surya Kumar. *Studies in the History of Assam*.1965.

Bordoloi, Nirmalprova. *Jiwan Jiwan Anupom*. Guwahati : Jyoti Prakashan.2004.

Choudhury, P. C. *The History of Civilization of the People of Assam to the Twelfth Century.* Guwahati : Department of Historical and Antiquarian Studies in Assam.1966.

Cosh, John M. (. *Topography of Assam*. Delhi: Sanskaran Prakashak.1957.

Das Gupta, Rajatananda.*Art of Medieval Assam*. NewDelhi: Cosmo Publications. 1982.

Das, Jugal. *Asamar Lokakala*. Guwahati : Publication Board Assam.1968.

Dev, Citra. *Aborone Abhorone Bhratiya Nari*. Calcutta.1989.

Devi, Nalinibala. *Eri Aha Dinbor*.1st edition, Guwahati.1976.

Gait, Edward. *A History of Assam*, Guwahati : EBH Publishers.2008.

Gogoi, Lila. *Asamar Sanskriti*. Jorhat :Bharati Prakasan.1982.

Gogoi, Lokeswar. *Asomar Loka Sanskriti*. Bhupal.2007.

Gogoi Nath, Jahnabi. *Agrarian System of Medieval Assam*. New Delhi: Concept Publishing Company.2002.

Goswami, Pratap Chandra. *Jiwon Smriti Aru Kamrupi Samaj*. Guwahati .2008.

Goswami, Priyam. *Nationalism in Assam*. Delhi :New Mittal Publications.2008.

Hamilton, Francis Buchanon. *An Account of Assam*. Guwahati: Department of History and Antiquarian Studies (1940)

Hunter, William. *A Statistical Account of Assam.* Calcutta: Trubner & co.1879

Kakati, Satish Chandra (ed). *Discovery of Assam.* Calcutta.1964.

Moore, P.H. *Twenty Years in Assam.* Guwahati Western Book Depot .1901

Nath, Dambarudhar. *Assam Buranji*. Guwahati : Student Stores.1988.

Samman, H.F. *Cotton Fabrics of Assam*. Calcutta.1897.

Saikia, Rajen. *Social and Economic History of Assam* (1853-1921), New Delhi: Manohar Publishers & Distributors.2001.

Sarma, S.N. *A Socio- Economic and Cultural History of Medieval Assam (1200-1800)*. Guwahati : Bina Library.2001.

Sarma, Minmoy k. *Traditional crafts of Assam*, Anshah Publishing house.2008.

Sarma, Benudhar. (. *Kangrecar Kanciali Rodat*, Guwahati : Asam Jyoti.1971.

Sharma, H. *Bastrasilpar Itibritta*. Guwahati : Publication Board Assam. 1961.

Rajguru, Sarbeswar *Medieval Assamese Society*, Nogaon :Asami.1988.

Robinson, William. *A Descriptive Account of Assam*, Calcutta: Sanskaran Prakashan. 1841.

Wade, J. P. *An Account of Assam*, edited by Benudhar Sharma. Guwahati : Assam Jyoti publishers.1972.


**Footnotes**

[1] Gait, E, *A History of Assam*, EBH Publishers, Guwahati, 2008, p.271

[2] Rajguru, S, *Medieval Assamese Society*, Asami, Nagaon,1988, p.293

[3] *Ibid*

[4] Bhuyan, Suryya Kumar, *Studies in the History of Assam*, Guwahati, 1965, p 67

[5] Saikia, R, *Social and Economic History of Assam*, New Delhi, 2000, p.68

[6] Bhuyan, S. K. ,*op.cit*, p. 68

[7] Saikia, R, *op.cit*, p.71

[8] Gait, E, *op.cit*. p. 271

[9] Kakati, Satis Chandra (ed), *Discovery of Assam*, Calcutta, 1964, p. 5



# সবিতা গোস্বামীৰ আত্মজীৱনী ‘মন গংগাৰ তীৰত’ ঃ সময়, সমাজ আৰু নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস

*ড° জ্যোতিৰেখা হাজৰিকা*


**সাৰাংশ**

আত্মজীৱনী হ’ল সময়, জীৱন মন্থন কৰি লিখি উলিওৱা এক মনোজ্ঞ সাহিত্য-কৰ্ম। যি কোনো ব্যক্তিয়ে লিখা নিজ জীৱনৰ কাহিনীয়েই সাহিত্য হ’ব নোৱাৰে, যদিহে তাত সময়, সমাজ আৰু ব্যক্তিত্ব বাংময় হৈ নুঠে। এই ক্ষেত্ৰত বি বি চিৰ অসমৰ অনাতাঁৰ সাংবাদিক হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰাৰ লগতে ‘দ্য উইক’, ‘ব্লিট্‌জ’ আদি আলোচনীত কৰ্মৰত আৰু এ এফ পি, এ পি আদি আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ লগত জড়িত আৰু ‘দ্য নৰ্থ-ইষ্ট টাইম্‌ছ’ আৰু ‘ৰাজধানী বাতৰি’ নামৰ সাপ্তাহিক অসমীয়া বাৰ্তালোচনীৰ মূল দায়িত্ব পালন কৰাবৰ্ষীয়ান সাংবাদিক সবিতা গোস্বামীৰ ‘মন গংগাৰ তীৰত’ এখন ব্যতিক্ৰমী আত্মজীৱনী। গ্ৰন্থ্ একোখনক উত্তীৰ্ণ তথা মহৎ কৰি তোলে তাৰ মাজত অন্তৰ্নিহিত হৈ থকা ৰচয়িতাৰ অন্তৰ্দৃষ্টিৰ গভীৰতা আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ সাৰমৰ্মক আত্মস্থ্ কৰি ল’ব পৰা শক্তিশালী ব্যক্তিত্বই—এই মন্তব্য সকলো প্ৰকাৰ গ্ৰন্থ্‌ৰ ক্ষেত্ৰতেই প্ৰযোজ্য; আত্মজীৱনীৰ ক্ষেত্ৰত ই অধিক পৰিমাণে প্ৰযোজ্য। গোস্বামীৰ গ্ৰন্থ্‌খন পঢ়ি যাওঁতে এই মন্তব্যৰ সত্যতা সঘনে উপলব্ধি হয়।


**সূচক শব্দ ঃ** বাল্য বিবাহ, স্ত্ৰীশিক্ষা, আধুনিকতা

**‘মন গংগাৰ তীৰত’—সময় আৰু সমাজ জীৱনৰ বাস্তৱ প্ৰতিফলন**

‘দৈনিক জনমভূমি’ৰ সাপ্তাহিক ‘বসুন্ধৰা’ ৰ পাতত ছোৱা ছোৱাকৈ প্ৰকাশ পাই ২০০৯ চনত অন্বেষাৰ উদ্যোগত গ্ৰন্থাকাৰে প্ৰকাশ পোৱা বৰ্ষীয়ান সাংবাদিক সবিতা গোস্বামীৰ আত্মজীৱনী ‘মন গংগাৰ তীৰত’ক অসমীয়া ভাষাত প্ৰকাশ পোৱা এখন উৎকৃষ্ট আত্মজীৱনী হিচাপে অভিহিত কৰিব পাৰি। একোখন সাৰ্থক আত্মজীৱনীত মূৰ্ত হৈ উঠে তদানীন্তন সময় আৰু সমাজ জীৱন। সবিতা গোস্বামীয়েও তেওঁৰ আত্মজীৱনীত অতি বাস্তৱসন্মতভাৱে অসমৰ স্পৰ্শকাতৰ এছোৱা সময়ক জীৱন্ত ৰূপ দিবলৈ সক্ষম হৈছে আৰু ইয়াতেই আত্মজীৱনীখনে কৃতিত্ব দাবী কৰিব পাৰে।

আত্মজীৱনীখনত ১৯৬২ চনৰ পৰা প্ৰায় ২০05 চনলৈকে এই সময়ছোৱাত সংঘটিত বিভিন্ন সামাজিক আৰু ৰাজনৈতিক ঘটনাৱলী মূৰ্ত হৈ উঠিছে। বিশেষতঃ ১৯৬২ চনৰ চীনৰ ভাৰত আক্ৰমণৰ

বৰ্ণনা, চীনা সৈন্যই মেকমোহন লাইন অতিক্ৰম কৰাৰ লগে লগে বমডিলা আৰু তেজপুৰবাসীক এৰি থৈ ভাৰতীয় সৈন্যৰ পলায়ন, ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে 'My heart goes to the people of Assam' বুলি কোৱা শেষ বাণী, শেহত যুদ্ধ বিৰতিৰ চুক্তি আদি পৰিঘটনা, ১৯৬৮ চনত অসমত অনা-অসমীয়াৰ প্ৰব্ৰজনৰ সমস্যা, দেশৰ জৰুৰীকালীন অৱস্থা, কলিকতাৰ নক্সাল আন্দোলন, ১৯৭৮ চনৰপৰা অসমত বিভিন্ন সংগঠনৰ জন্ম যেনে—সামাজিক-সাংস্কৃতিক মঞ্চ 'অসম পৰিষদ', 'সদৌ অসম ছাত্ৰ সন্থা' আৰু 'অসম গণ সংগ্ৰাম পৰিষদ'ৰ জন্ম আৰু ১৯৭৮ চনৰ জুলাই মাহৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ সূচনা, বিদেশী নাগৰিক চিনাক্তকৰণৰ সময়সীমা লৈ হোৱা বিতৰ্ক, অসমৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানত আশী শতাংশ ভূমিপুত্ৰৰ নিযুক্তিৰ দাবীত সত্যাগ্ৰহ, পিকেটিং,অসম আন্দোলনৰ পশ্চাদপটত ১৯৭৯ চনৰ ৬ এপ্ৰিল তাৰিখে স্বাধীন অসম গঠনাৰ্থে সশস্ত্ৰ সংগঠন 'আলফা'ৰ জন্ম, গণ হত্যা, ছাত্ৰ আন্দোলন, স্কুল-কলেজ বন্ধ হোৱাৰ ফলস্বৰূপে হোৱা শৈক্ষিক দিশত বৃহত্তৰ ক্ষতি, উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৰাজ্যকেইখনৰো ছাত্ৰশক্তি একত্ৰিত হৈ 'নৰ্থ-ইষ্টাৰ্ণ ৰিজিয়ন ষ্টুডেণ্টছ্ ইউনিয়ন' (নাৰছু) গঠন, ক্ষোভত জন্ম হোৱা অসমৰ বিভিন্ন জনগোষ্ঠীয় সংগঠন, লাচিত সেনাৰ জন্ম, উত্তৰ-পূৰ্বাঞ্চলত অন্যান্য উগ্ৰবাদী সশস্ত্ৰ সংগঠনৰ জন্ম, অসমৰ বিশৃংখল ৰাজনৈতিক পৰিৱেশ, অসমত কংগ্ৰেছ চৰকাৰৰ উত্থান-পতন, ১৯৮৩ চনৰ অসমত অনুষ্ঠিত হোৱা ৰক্তাক্ত নিৰ্বাচন, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ সন্দৰ্ভত হোৱা ব্যাপক খেলিমেলি, ছাত্ৰ সন্থাৰ অহিংস আন্দোলনৰ আঁৰত হিংসাৰ চেকা, 'আলফা দমনৰ নামত ভাৰতীয় সেনা অভিযান আৰু আলফাৰ আত্মসমৰ্পণ, অসম আন্দোলনৰ ফলশ্ৰুতিত 'অসম গণ পৰিষদ'ৰ জন্ম, অগপ চৰকাৰ গঠন আৰু পতন, পুনৰগঠন আদি ঘটনাৰ নিখুঁত বৰ্ণনা এই আত্মজীৱনীখনত বিবৃত হেছে। বিশেষকৈ আত্মজীৱনীখনত মূৰ্ত হৈ উঠা অসমৰ ৰাজনৈতিক অস্থিৰতাৰ চিত্ৰ খন অসমৰ ৰাজনৈতিক ইতিহাস অধ্যয়নত বিশেষ সহায়ক হ'ব। সবিতা গোস্বামীৰ ভাষাত ঃ

"১৯৭৯ চনৰ ডিচেম্বৰৰ ১১ তাৰিখৰ পৰা ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখলৈকে এৰাধৰাকৈ তিনিবাৰ অসম ৰাষ্ট্ৰপতিৰ শাসনৰ অধীনত আছিল। প্ৰথমবাৰ যোগেন্দ্ৰনাথ হাজৰিকাৰ চৰকাৰ বৰ্খাস্ত কৰি ১৯৭৯ চনৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখৰপৰা ১৯৮০ চনৰ ৬ ডিচেম্বৰত আনোৱাৰা টাইমূৰে চৰকাৰ গঠন কৰালৈকে। পুনৰ কেশৱ গগৈয়ে ১৯৮২ চনৰ জানুৱাৰী মাহৰ ১৩ তাৰিখৰপৰা মাৰ্চ মাহৰ ১৯ তাৰিখলৈকে চৰকাৰ চলালে। ১৯৮২ চনৰ মাৰ্চৰপৰা ১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ ২৬ তাৰিখলৈকে ৰাষ্ট্ৰপতিৰ শাসন আছিল।"[১]

নেলীৰ হত্যাকাণ্ড, আশীৰ দশকৰ শেহৰ ফালে কোক্ৰাঝাৰ অঞ্চল আৰু তাৰ আশে পাশে বসবাস কৰা বড়ো আৰু অবড়ো, মুছলমান আৰু আদিবাসীৰ মাজত সঘনাই হোৱা ভাতৃঘাতী সংঘৰ্ষক 'মাটি আৰু ৰাজনীতিৰ খেল' বুলি ক'বলৈ কুণ্ঠাবোধ নকৰা সবিতা গোস্বামীয়ে ছাত্ৰসন্থাৰ সমসাময়িকভাৱে উত্তৰ-পূৰ্বাঞ্চলত গঢ় লৈ উঠা বিভিন্ন ছাত্ৰ সংগঠন আৰু উগ্ৰপন্থী সংগঠনৰ এখন ছবিও সুস্পষ্টভাৱে দাঙি ধৰিছে। বিশেষকৈ উগ্ৰপন্থী সংগঠনবোৰৰ জন্মৰ নেপথ্য-কথা আত্মজীৱনীকাৰে এইদৰে লিখিছে ঃ

"উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰত্যেকটো উগ্ৰপন্থী সংগঠনেই নিজ ৰাজ্যবোৰ ভাৰতৰাষ্ট্ৰৰ লগত সংযোজনৰ বিৰোধিতাৰ মাজেৰে জন্ম হোৱা। প্ৰত্যেক ৰাজ্যৰে ভূমিপুত্ৰৰ সৰ্বস্ব হেৰুওৱাৰ বেদনাত সংগঠনসমূহে শিপা মেলে—ৰাজনৈতিক দলে তাত সাৰ-পানী দিয়ে।"[২]



অৱশেষত ৰাজীৱ গান্ধী আৰু ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ মাজত ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। 'অৰাজনৈতিক নেতা' ৰাজনৈতিক আকাংক্ষা লৈ ৰাইজৰ মাজত থিয় হ'ল। জন্ম হ'ল আন এটা ৰাজনৈতিক দল—অসম গণ পৰিষদ'। অসম আন্দোলনৰ প্ৰতি সহানুভূতি আৰু সমৰ্থন থকা সত্বেও পিছলৈ মোহভংগ হৈ এই অসম চুক্তিক 'উকমুকৰ পোৱালি' (মনেৰে কল্পনা কৰি লোৱা বস্তু) বুলি ক'বলৈ কুণ্ঠাবোধ নকৰা গোস্বামীয়ে মুকলিকৈ 'অসমবাণী' কাকতত লিখিলে ঃ

"... অসম চুক্তিয়ে আৱেগপ্ৰৱণ অসমীয়া জাতিৰ কোনো উন্নতি-উৎকৰ্ষ নাসাধিলে। বৰঞ্চ জাতিটোৰ মেৰুদণ্ড ভাঙি অসমীয়া জনজীৱন থানবান কৰিলে। অসম আন্দোলনে জন্ম দিয়া 'ফ্ৰাংকেন্‌ষ্টাইন'-এ অসমীয়া লোকক অসমতে নিৰাপত্তাহীন কৰি তুলিলে।"[৩]

প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন নতুন চৰকাৰ গঠন, যুৱ নেতাৰ চিন্তাৰ অপৰিপক্বতাৰ ফলত অগপ চৰকাৰৰ কক্ষচ্যুতি, কংগ্ৰেছ চৰকাৰৰ পুনৰ উত্থান, অগপৰ পুনৰ শাসনভাৰ দখল আদি পৰিঘটনাৰ পুংখানুপুংখ বৰ্ণনা আত্মজীৱনীখনত বৰ্ণিত হৈছে। এগৰাকী নিৰ্ভীক সাংবাদিক হৈ অগপ চৰকাৰৰ বিষয়ে তেওঁ আগ বঢ়োৱা নিৰ্মোহ বিশ্লেষণ মন কৰিবলগীয়া ঃ

"অনভিজ্ঞ যুৱ-চৰকাৰ বুলি প্ৰথম দুটা বছৰ ৰাইজে অগপ চৰকাৰৰ দোষ-দুৰ্ব্যৱহাৰ-মইমতালি আদি ক্ষমা কৰি দিছিল। কিন্তু দলীয় দম্ভালি অগপৰ সমৰ্থকসকলৰো সহ্যৰ অতীত হ'ল। লাহে লাহে। ৰাইজৰ মোহভংগ ঘটিল। কংগ্ৰেছ আটাইৰে বাবে 'চিনাকি অশুভ শক্তি' বুলিয়েই পৰিচিত আছিল; কিন্তু অগপ 'অচিনাকি অশুভ শক্তি' বুলি প্ৰমাণিত হ'ল। ক্ৰমান্বয়ে কিছুমান অসৎ কামত অগপই কংগ্ৰেছকো চেৰ পেলালে। ৰাজ্যখনৰ উন্নয়নৰ অৰ্থে তেওঁলোকে লেশমানো কাম নকৰিলে। ..."[৪]

ঐতিহাসিক অসম চুক্তি যে আজিও কেৱল ভেঁকো-ভাওনাহে হৈ ৰ'ল, সেই কথা আত্মজীৱনীখনত স্পষ্টৰূপত প্ৰকাশ পাইছে। ভাৰত-বাংলা-অসম সীমান্তৰ উন্মুক্ত অৱস্থাৰ কথা তেওঁ এইদৰে লিখিছে ঃ "...আমি কমাণ্ডেণ্টৰ গাড়ীৰে গৈ ভাৰত-বাংলা-অসম সীমান্তৰ পথ অঞ্চল নিৰীক্ষণ কৰি সমীক্ষা কৰিছিলোঁ। মোৰ মনত আছে সেইদিনা এখন বিয়া আছিল। কইনা বাংলাদেশৰ আৰু দৰা অসমৰ। কুলাত হালধি, তেল, শাৰী আদি 'আশীৰ্বাদ'ৰ সৰঞ্জাম লৈ অসমৰ দৰাৰ সম্বন্ধীয়া মানুহ বাংলাদেশৰ কইনা-ঘৰলৈ খোজ কাঢ়ি পাৰ হৈ গৈছিল।... ।"[৫] উল্লেখ্য যে এই সীমান্ত আজিও উন্মুক্তপ্ৰায় হৈয়েই ৰ'ল।

এনেদৰে আত্মজীৱনীখনত বিংশ শতিকাৰ ষাঠীৰ দশকৰ পৰা শতিকাৰ শেষ দশকলৈকে প্ৰায় চাৰিটা দশকৰ অসমৰ ৰাজনৈতিক, সামাজিক জীৱনৰ উত্থান-পতনৰ চিত্ৰ প্ৰতিভাত হৈ উঠিছে।

**'মন গংগাৰ তীৰত'—নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস**

বৰ্তমান জীৱনৰ বিয়লি বেলাত ভৰি দিয়া সবিতা গোস্বামী এক আশ্চৰ্যকৰভাৱে বৈচিত্ৰ্যপূৰ্ণ জীৱন আৰু এক ঈৰ্ষণীয়ভাৱে শক্তিশালী ব্যক্তিত্বৰ গৰাকী। গ্ৰন্থখনৰ মাজেৰে চিত্ৰিত হৈ উঠা তেওঁৰ কৰ্মময় আৰু সংঘাতময় জীৱনটোক কেৱল প্ৰচণ্ড ধুমুহাৰ মাজেদি কোনোবা অজান ঠাইলৈ কৰা এক নিঃসংগ যাত্ৰাৰ সৈতেহে তুলনা কৰিব পাৰি। বিবাহৰ সময়ছোৱালৈকে আমি তেওঁক দেখা পাওঁ জীৱনৰ বৰ এটা আওভাও

নোপোৱা আলসুৱা অথচ তীব্র আত্মসন্মানবোধসম্পন্ন এজনী ছোৱালী হিচাপে—যাৰ দুচকুত পতিৰ সৈতে তেওঁৰ বিবাহে এক ৰহস্যময় অছেদ্য বান্ধোন হৈ ধৰা দিছিল। ঠিক এইখিনি সময়তে তেওঁৰ জীৱনত বিপৰ্যয়ৰ ক'লীয়া ডাৱৰে দেখা দিয়ে—এই যে এবাৰ দেখা দিলে, সেই কলীয়া ডাৱৰৰ ওপৰত সময়ে চামে চামে অধিক ক'লীয়া ডাৱৰ জমা কৰিলেহি আৰু তেওঁ গোটেই জীৱনজুৰি তিতি-বুৰি জুৰুলি-জুপুৰি হৈ থাকিল নিৰৱচ্ছিন্নভাৱে। মাজে মাজে এছমকা ৰ'দ আহি আচম্বিতে জীৱনটো পোহৰাই তোলে ; কিন্তু পিছমুহূৰ্ততে হেৰাই যায়।

সবিতা গোস্বামীৰ জীৱনলৈ অহা বিপৰ্যয়বিলাকৰ মূলতে দুটা দিশ দেখা যায়—প্ৰথম, তেওঁৰ পতিৰ (আৰু পতিৰ পৰিয়ালৰ) ফালৰপৰা অহা উৎপীড়ন আৰু দুৰ্যোগ; দ্বিতীয়, তেওঁৰ সাংবাদিকতা বৃত্তিৰ ফালৰপৰা অহা অনিশ্চয়তা, ভাবুকি আৰু বিপৰ্যয়।

**পাৰিবাৰিক জীৱন আৰু ভূলুণ্ঠিত নাৰীৰ মৰ্যাদা**

এগৰাকী নাৰীৰ আত্মানুসন্ধানৰ বিশাল অংশ আৱৰি ৰাখে 'বিবাহ' নামৰ সামজিক স্বীকৃতিয়ে। অথচ এই স্বীকৃতি কেতিয়াবা কোনোবা নাৰীৰ বাবে হৈ পৰে অভিশাপস্বৰূপ। ভালপোৱাৰ পৱিত্ৰ বন্ধনেৰে বিবাহ বন্ধনত বান্ধ খোৱা সবিতাৰ জীৱনলৈ বিবাহৰ পিছতে নামি আহিছিল উপৰ্যুপৰি অথন্তৰ। আত্মজীৱনীখনৰ ক'তো এবাৰো নাম উল্লেখ নকৰা স্বামীৰ পৰা পোৱা শোষণ-নিৰ্যাতন, স্বামীৰ পৰিয়ালৰপৰা পোৱা লাঞ্ছনাই তেওঁক শিকাইছিল হলাহল পান কৰি নীলকণ্ঠী হোৱাৰ মন্ত্ৰ। এগৰাকী নাৰীৰ বাবে বিবাহিত জীৱনটোৰ পৰা বিচাৰিব পৰা প্ৰধান উপকৰণ হ'ল স্বামীৰ ভালপোৱা। কিন্তু এগৰাকী উচ্চ শিক্ষিতা নাৰীৰ সমগ্ৰ অধিকাৰ, স্বাভিমান পতিৰ দ্বাৰা বাৰম্বাৰ ভূলুণ্ঠিত হোৱাৰ কথা অকপটে লিখিছে সবিতা গোস্বামীয়ে। বিবাহিত জীৱনত তেওঁ পালেই বা কি? বিবাহোত্তৰ তেওঁৰ মনটোৰ বিষয়ে তেওঁ নিজেই এইদৰে লিখিছে ঃ "মোৰ মনটোৱে বন্দী বিহংগৰ দৰে ছাটি-ফুটি কৰি থাকে। মাজে-মাজে খুব কান্দো। সিপাৰৰ পোহৰ নেদেখা সুৰংগ এটাৰে যেন অন্তহীন অকলশৰীয়া যাত্ৰা আৰম্ভ কৰিছোঁ।"[৬] ভাবী পতিৰ বন্ধুমহলৰ আড্ডাত বিবাহপূৰ্বে 'এগৰাকী অভাৰ স্মাৰ্ট ছোৱালী'ৰূপে আলোচিত হোৱা সবিতাক বিবাহ নামৰ সম্পৰ্কৰ নামতে নাকী লগাই শাসন-শোষণ কৰিবলৈ যত্ন কৰাৰ ভয়াৱহ ঘটনা-পৰিঘটনাৰ বৰ্ণনা আত্মজীৱনীখনত স্পষ্টভাৱে প্ৰকাশ পাইছে। বি এ পৰীক্ষা দিয়াৰ আগতেই বিবাহপাশত আবদ্ধ হোৱা সবিতাৰ ফুলশয্যাৰ পিছদিনাৰ পৰাই আৰম্ভ হ'ল এক অবাঞ্ছিত জীৱন। এগৰাকী নাৰী নাৰীৰ দ্বাৰাই হ'ল নিপীড়িতা। তেওঁৰ ভাষাত,

> "...পিছদিনাৰ পৰা গতানুগতিক জীৱন। কইনা চোৱা মানুহৰ অহা-যোৱা। আটাইকে তললৈ মূৰ কৰি কপাল ঢাকি ওৰণি লৈ (শাহুআই'ৰ নিৰ্দেশ মতে) তামোল-চাহ দিয়া, ইটো-সিটো ভাল নোপোৱা মন্তব্য শুনা আৰু নিশা কোঠালৈ যোৱা। মোৰ গৃহস্থৰ অঙহী-বঙহীৰ ঘৰলৈ গৃহস্থৰ বৰ বায়েকে শুদা ভৰিৰে খোজ কঢ়াই উজান বজাৰৰ মাজেদি মোক লৈ যোৱাত বৰ বেয়া পাইছিলোঁ মই। গৃহস্থৰ লগত ওলাই গ'লেও চেণ্ডেলযোৰ গে'টৰ মুখতহে পিন্ধিব পাৰিছিলোঁ। উভতি আহোঁতেও গে'টৰ পৰা হাতেৰে আনিব লাগে।..."[৭]

১৯৬২ চনৰ ২৩ নৱেম্বৰ তাৰিখে দাম্পত্য জীৱনৰ পাতনি মেলা সবিতা গোস্বামীয়ে বিবাহৰ পিছতে হেৰুৱাই পেলাইছিল নাৰী হিচাপে পাবলগীয়া আত্মমৰ্যাদা আৰু গৰিমা। পতিৰ ঘৰৰপৰা পোৱা



দুঃব্যৱহাৰৰ লগতে প্ৰেমিক পতিৰপৰা পোৱা ব্যৱহাৰে তচ্‌নচ্‌ কৰি পেলাইছিল সবিতাৰ বিবাহিত জীৱনৰ আলফুলীয়া সপোন। বিবাহিত জীৱনত সন্মুখীন হোৱা বিপদসংকুল পৰিঘটনাৰ দুটিমান লোমহৰ্ষক বৰ্ণনা ঃ

> "১৯৬৪ চনৰ কথা। কাৰোবাৰ পত্নীয়ে জীৱনত এনে অভাৱনীয় পৰিস্থিৰ সন্মুখীন হৈছে নে নাই নাজানো। কিন্তু সেই পৰিৱেশ আৰু ঘটনাৰ বিষয়ে মনত পৰিল এতিয়াও মই বাকৰুদ্ধ হৈ পৰোঁ। সেইদিনা আছিল দুৰ্গা পূজাৰ অষ্টমী। মোৰ পতিয়ে মোৰ কোলাৰপৰা আমাৰ সন্তানটোক নি কেঁচুৱা-ৰখীয়া ছোৱালীজনীৰ হাতত দি মোক হাতত ধৰি শোৱনি-কোঠালৈ লৈ গ'ল। মই হতভম্ব হৈছিলোঁ। কোঠাটোলৈ নি তেওঁ মোক ক'লে, 'তুমি ভয় নাখাবা।—তুমি মোৰ গোসাঁনী। অষ্টমীৰ দিনা তোমাক মই পূজা কৰিম।' তাৰ পাছত মোক চকী এখনত বহুৱাই দিলে। কাষৰ টেবুলখনত জ্বলি থকা এগছ চাকি, ধূপদানিত ধূপ আৰু থাল এখনত সেন্দূৰ আৰু ফুল থোৱা আছিল। মই ভীষণ ভয় খাইছিলোঁ। তাৰপৰা ওলাই অহাৰ সাহস নাছিল। মোৰ গৃহস্থক বাধা দিয়াৰ ফল কিমান ভয়ানক আৰু অবৰ্ণনীয় হ'ব পাৰে অইনে অনুমান কৰিব নোৱাৰে। তেনে অভিজ্ঞতা ইতিমধ্যেই মোৰ হৈছিল। মোৰ দুচকুৰে অবিৰাম চকুলো ওলাবলৈ ধৰিলে। গৃহস্থই খঙেৰে ক'লে, 'চকুপানী মচা।' চকুলো মচি লোৱাৰ আগতেই থালখন দাঙি লৈ তেওঁ আৰতি আৰম্ভ কৰিলে। মই উশাহটো বুকুৰ ভিতৰত ধৰি ৰাখিছিলোঁ, যেন বুকুখন ফাটি এতিয়াই ওলাই আহিব। ...১৯৯২ চনলৈকে গৃহস্থই দুৰ্গা পূজাৰ অষ্টমীৰ দিনা মোৰ বুকুৰ ভিতৰখন কুৰুৰি কুৰুকি খান্দিছিল।"[৮]

> " ... এদিন তেওঁ অতিৰিক্ত মদ পান কৰি নিশা এক বজাৰ পিছত ঘৰলৈ আহোঁতে মই কাজিয়া কৰিছিলোঁ। মোক সৈমান কৰিবলৈ তেওঁ দা এখন উলিয়াই বাওঁ হাতৰ তৰ্জনী আঙুলিটো ঘপিয়াই কাটি পেলাইছিল। কটা আঙুলিটোৰ পৰা পিচকাৰি মৰাৰ দৰে ওলোৱা তেজে মোক বিতত কৰি তুলিছিল। তেওঁৰ কাষলৈ যাবলৈকো সাহস গোটাব পৰা নাছিলোঁ। ঘৰত এটা দুৰ্ঘটনা হৈছে আৰু বেগতে আহিব লাগে বুলি গুৱাহাটীতে থকা মোৰ দাদাক ফোন কৰি মাতি আনিছিলোঁ। দাদা আগি গৃহস্থক তেতিয়া পাণবজাৰত থকা হাস্পতাললৈ লৈ গৈছিল। তেতিয়াৰ পৰাই মই গৃহস্থক দ্বিতীয়বাৰ যিকোনো কথা সুধিবলৈ ভয় কৰিছিলোঁ।"[৯]

এগৰাকী সহজ-সৰল ছোৱালী বিবাহ বন্ধনৰ নামত কেনেকৈ প্ৰেমিক পতিৰ হাততে দিশহাৰা হৈ পৰিব পাৰে সবিতা গোস্বামীৰ আত্মজীৱনীৰ উল্লিখিত কথাংশই প্ৰমাণ। আত্মজীৱনীখনৰ এঠাইত তেওঁ লিখিছে—"আচৰিত লাগে ভাবিলে, মানৱ-জীৱনৰ আটাইতকৈ গভীৰ সম্বন্ধটো কেনেকৈ ইমান জটিল আৰু প্ৰতিহিংসামূলক হ'ব পাৰে।" [১০] এই বাক্যটোৰ প্ৰতিটো শব্দতে তেওঁৰ পতিৰ সৈতে যুগ্ম জীৱনটোৰ সাৰমৰ্ম অন্তৰ্নিহিত হৈ আছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে তেওঁ আৰু পতিৰ মাজৰ দ্বন্দ্ব-সংঘাতবোৰ কোনো ক'লা-বগা বিভাজন ঠুকি নোপোৱা গভীৰতম আনুভূতিক দ্বন্দ্ব। প্ৰতিভাসম্পন্ন ব্যক্তিত্বশালী হোৱা সত্ত্বেও

তেওঁৰ পতি আচৰিতধৰণেৰে খামখেয়ালি আৰু ল'ৰামতীয়া আছিল, যাৰ বাবে নিজৰ জীৱনৰ লগত পত্নীৰ জীৱনলৈ বাৰম্বাৰ নামি আহিছিল দুৰ্যোগ আৰু দুয়োৰে মাজলৈ নামি আহিছিল বাৰে বাৰে মীমাংসিত হৈও অমীমাংসিত হৈ ৰোৱা দ্বন্দ্ব। তেওঁৰ (সবিতা গোস্বামীৰ) পতিৰ চাৰিত্ৰিক অস্থিৰতাৰ প্ৰমাণ এটা তথ্যৰেই দিব পাৰি— বিভিন্ন সৰু-বৰ অজুহাতত সৰ্বমুঠ ঊনচল্লিছবাৰ চাকৰি সলাইছিল। তেওঁ নিজৰ সাংবাদিকতা বৃত্তিৰে এটা সময়ত আৰ্থিকভাৱে নিজক চম্ভালিব পৰা নোহোৱালৈকে পতিৰ এই প্ৰকৃতিয়ে তেওঁক কিদৰে অহৰহ যন্ত্ৰণাৰ মাজত ৰাখিছিল আৰু নিজে স্বাৱলম্বী হৈ উঠাৰ পাছতো কিদৰে এই প্ৰকৃতিয়ে দুই কন্যা সন্তানসহ পৰিয়ালটোৰ মাজত বিপৰ্যয়ৰ সূচনা কৰিছিল, সেয়া আত্মজীৱনীখনত লেখিকাই মুকলিকৈ উল্লেখ কৰিছে। তদুপৰি অতিমাত্ৰা মদ্যপান আৰু মদ্যপানজনিত উদ্ভণ্ডালি পতিৰ চৰিত্ৰৰ এৰাব নোৱৰা অংগ আছিল; কিন্তু তেওঁৰ পতিৰ মাজত সহানুভৱতাও আছিল যি উদাৰচিত্তে নিজলৈ চিন্তা নকৰাকৈ আনক সহায় কৰিছিল। —গোস্বামীৰ জীৱনৰ বৈচিত্ৰ্যপূৰ্ণতাৰ এফাল অধিকাৰ কৰি আছে তেওঁৰ পতিয়ে; বাৰেবাৰে অতিষ্ঠ কৰি তুলিও পতিয়ে তেওঁক প্ৰকৃততে সমৃদ্ধ কৰি তুলিছিল গভীৰ জীৱনবোধেৰে। হাড়ৰ কেন্সাৰত ভূগি মৃত্যুৰ অৱশ্যম্ভাৱী আগমনক সমুখত লৈ থকা পতিৰ সৈতে তেওঁ জীৱনৰ শেষ যুগ্ম নিশাটো যেতিয়া কটাইছিল, পাৰ হৈ অহা সকলো ধুমুহাৰ কথা মনত লৈও দুয়ো হ'ব পাৰিছিল অন্তৰেৰে একাত্ম—"আমাৰ যুগ্ম জীৱনৰ শেষ নিশাটোৰ অতীতৰ দুখ, ক্ষোভ, ক্লেশ, দ্বেষ সকলো ম্লান কৰি তোলালে। আমাৰ জীৱন যেন পূৰ্ণ হৈছিল এনিশাত।"[১১]

সংঘাতপূৰ্ণ জীৱনটোৰপৰা গোস্বামীয়ে লাভ কৰিলে সুগভীৰ এক ট্ৰেজিক জীৱনবোধ। বৃদ্ধাৱস্থাৰ সমাহিত মনেৰে তেওঁ আজি উভতি চায় জীৱনটোৰ ইমূৰৰপৰা সিমূৰলৈ—

> "জীৱন-গংগাৰ তীৰত ৰৈ লিখি যাওঁতে জীৱনৰ এৰি অহা দিনবোৰত পুনৰ জী উঠোঁ। কেতিয়াবা ঘাত-প্ৰতিঘাতত, কেতিয়াবা অনাদৰ-অৱমাননাত, কেতিয়াবা সংগ্ৰাম-অভিজ্ঞতাত, কেতিয়াবা উৎকণ্ঠা-অনিশ্চয়তাত, কেতিয়াবা বিষাদ আৰু হতাশাত, কেতিয়াবা আনন্দৰ সপোনত, কেতিয়াবা শোচনীয় মুহূৰ্তৰ ব্যাকুলতাত।"[১২]—ইয়াৰ প্ৰতিটো শব্দৰ আঁৰতে লুকাই আছে তেওঁৰ জীৱনৰ কঠোৰ-মধুৰ বাস্তৱতা; কিন্তু সেই সকলোৰে অন্তত তেওঁ অনুভৱ কৰিছে যে তেওঁ এক পূৰ্ণ নাৰী। গ্ৰন্থখনৰ সামৰণিৰ বাক্যটোত তেওঁ লিখিছে—"মোৰ আজি কোনো ক্ষোভ নাই!"[১৩]

দুজনী কন্যাৰ মাতৃ হৈয়ো জীৱনৰ প্ৰতি মোহ-মায়াহীন হৈ এবাৰ আত্মহত্যাৰ প্ৰয়াস কৰি ৪৫ টা নিদ্ৰাৰ বড়ি খাই দুদিন অচেতন হৈ থকা সবিতাই পিছলৈ বুজি পাইছিল মৃত্যুতকৈ জীৱন মহান, যুঁজি যাব পৰাটোতেই জীৱনৰ প্ৰকৃত সফলতা। এগৰাকী নাৰী হিচাপে নহয়, এগৰাকী ব্যক্তি হিচাপে সেয়েহে তেওঁ বাৰে বাৰে নিজকে ভাঙি ভাঙি গঢ়িছিল আৰু ইয়াতেই লুকাই আছিল তেওঁৰ জীৱনৰ প্ৰকৃত সফলতা। দুখ-যন্ত্ৰণাৰ মাজেৰেই সবিতা গোস্বামীয়ে আত্মানুসন্ধান কৰিছিল আৰু অৱশেষত তেওঁ সফলতা লভিবলৈ সক্ষম হৈছিল। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ আত্মমৰ্যাদা সুপ্ৰতিষ্ঠিত কৰিবলৈ অহৰহ অহোপুৰুষাৰ্থ কৰিছিল তেওঁ। "নাৰী শূদ্ৰ। ব্ৰাহ্মণৰ ঘৰত জন্ম ল'লৈও শূদ্ৰ"[১৪] বুলি শৈশৱতে পুৰোহিতে কোৱা কথাৰ তীব্ৰ প্ৰতিবাদ



কৰি সবিতাই উচ্চ স্বৰত উচ্চাৰণ কৰিছিল গায়ত্ৰী মন্ত্ৰ। কিয়নো পুৰোহিতৰ কথাৰ বিপৰীতে তেওঁৰ পিতৃৰ ভাষ্য আছিল ঃ "জ্ঞানৰ অধিকাৰ সকলো মানুহৰে আছে। পুৰুষ-নাৰীৰো সমান অধিকাৰ আছে।"[১৫]

এইখিনিতে গ্ৰন্থখনৰ 'মোৰ ক'বলগীয়া'ত জীৱন পথত গোস্বামীয়ে লগ পোৱা বিভিন্নজনৰ বিষয়ে লিখা এষাৰ কথা উপলব্ধি কৰাটো প্ৰয়োজনীয়—"কোনোবাই যদি উৎসাহ, উদগনি দিছে; অইন কোনোবাই প্ৰতিবন্ধকতা সৃষ্টিৰ চেষ্টা কৰিছে। মানৱ-মনৰ এনে অনুভূতিয়ে মোক আগ বাঢ়ি যাবলৈ দৃঢ়প্ৰতিজ্ঞ কৰি তুলিছে।"[১৬]—বিভিন্ন ব্যক্তিয়ে জীৱনৰ বিভিন্ন সময়ত তেওঁৰ প্ৰতি কৰা অবিচাৰ-অন্যায়, সেই ব্যক্তিসকলৰ চাৰিত্ৰিক সীমাবদ্ধতাই তেওঁৰ জীৱনটোক বিপৰ্যস্ত কৰিলেও তেওঁৰ মনটোক ভাঙিব পৰা নাছিল, আনকি তেওঁক সংশ্লিষ্ট ব্যক্তিসকলৰ প্ৰতি প্ৰতিশোধপৰায়ণো কৰি তোলা নাছিল; বৰং কৰি তুলিছিল সকলো অতিক্ৰম কৰাৰ সাহসেৰে দৃঢ়প্ৰতিজ্ঞ। এই চাৰিত্ৰিক দৃঢ়তাৰেই তেওঁ জীৱনৰ পাৰিবাৰিক আৰু বৃত্তিগত, দুয়োধৰণৰ বিপৰ্যয়ক অতিক্ৰম কৰিব পাৰিছিল।

সবিতা গোস্বামীৰ জীৱন-যাত্ৰাত নৈসৰ্গিক প্ৰকৃতিয়ে সঞ্জীৱনীসুলভ ভূমিকা পালন কৰি আহিছে। সংগ্ৰামী জীৱন-পথত তেওঁ যেতিয়াই নিৰাশ হৈ ভাগৰি পৰিছে, প্ৰকৃতিৰ সন্মোহনী সৌন্দৰ্যই সেই মুহূৰ্ততে তেওঁৰ বুকুৰপৰা ৰহস্যময়ভাৱে কিছু সময়ৰবাবে হ'লেও সমস্ত দুখ নাইকিয়া কৰি জীৱন-বাসনাৰে তেওঁক ওপচাই পেলাইছে, যেতিয়াই সমুখত আন্ধাৰ দেখি অসহ্য বেদনাত ছাটিফুটি কৰিছে, সেই মুহূৰ্ততে প্ৰকৃতিয়ে তেওঁৰ মাজত জগাই তুলিছে সকলো বাধা-বিঘিনি অতিক্ৰমৰ সবল উৎসাহ। স্বাভাৱিকতেই নৈসৰ্গিক প্ৰকৃতিৰ কাব্যিক বৰ্ণনাই গ্ৰন্থখনৰ এক বৃহৎ অংশ অধিকাৰ কৰি আছে—গ্ৰন্থখনৰ সাহিত্যিক মান উন্নীতকৰণত ই অৰিহণা যোগাইছে।

**অসম আন্দোলন আৰু নাৰীৰ ভূমিকা**

জনগণৰ আন্দোলন হিচাপে অভিহিত হোৱা অসম আন্দোলন অৰ্থাৎ বিদেশী বহিষ্কাৰ আন্দোলনত অসমৰ নাৰীসমাজৰ বৃহৎ অংশই মুখ্য ভাগ লৈছিল যদিও তেওঁলোকৰ ভূমিকা প্ৰায় উপেক্ষিত হৈ ৰোৱাৰ কথা আত্মজীৱনীখনত পোৱা যায়। এই বিষয়ে সবিতা গোস্বামীৰ স্পষ্ট অভিমত ঃ

> "অসম আন্দোলনৰ নেতৃত্বৰ দুৰ্বলতাৰ বাবে জনগণৰ আন্দোলনলৈ ৰূপান্তৰিত হ'ব নোৱাৰিলে আৰু মহিলাই অংশগ্ৰহণ কৰি সমৰ্থকৰ সংখ্যা বঢ়াইছিল যদিও কোনো গুণাত্মক উৎকৰ্ষ সাধন কৰাত ব্যৰ্থ হ'ল। আন্দোলনৰ নেতৃত্ব বা পিছত অগপ হৈ চৰকাৰ গঠন কৰোঁতেও তাত মহিলাৰ প্ৰতিনিধিত্ব আছিল প্ৰাধান্যহীন আৰু নগণ্য। মহিলা মাথোঁ শ্ল'গান দিয়া সমৰ্থক হৈ ৰ'ল।" [১৭]

**সাংবাদিকতা, অৰ্থনৈতিক সুৰক্ষা আৰু নাৰীৰ আত্মমৰ্যাদা**

এগৰাকী নাৰীৰ আত্মমৰ্যাদা নিৰ্ভৰ কৰাৰ সাঁচাৰকাঠী হ'ল অৰ্থনৈতিক সুৰক্ষা। আৰ্থিকভাৱে কাৰো ওচৰত হাত নপতাকৈ নিজৰ ভৰিৰ ওপৰত নিজে থিয় হোৱাটোত লুকাই থাকে স্বাধীন সত্তা। বিবাহিত জীৱনত বাৰম্বাৰ ঠেকা খাই সবিতা গোস্বামীয়ে নিজক শিলৰূপে গঢ় দিবলৈ আগ বাঢ়িছিল। বিবাহৰ পাছত অতি কষ্টেৰে স্নাতক হোৱাৰ পাছত দুজনী ছোৱালীৰ মাতৃ সবিতাই স্বামীৰ অমনোযোগিতাত পৰিয়াললৈ নামি অহা অভাৱনীয় অৰ্থসংকট আঁতৰাবলৈ অৰুণাচলৰ বমডিলা স্কুল আৰু পাছলৈ ইটানগৰৰ নাহৰলগনত আৰু পিছলৈ গুৱাহাটীৰ ডি-এ-ভি স্কুলত কম দৰমহাত অতি কষ্টকৰ শিক্ষকতা-জীৱন অতিবাহিত কৰিছিল। পিছলৈ সাংবাদিকতাৰ আদিপাঠ

গ্ৰহণ কৰি বি বি চিৰ অসমৰ অনাতাঁৰ সাংবাদিক হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহ কৰাৰ লগতে গোস্বামীয়ে 'দ্য উইক', 'ব্লিট্জ', 'দি ডেইলী' আদি ৰাষ্ট্ৰীয় আলোচনীত কাম কৰিছিল আৰু এ এফ পি, এ পি আদি আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থাৰ লগত জড়িত আছিল। তেওঁৰ পতিয়ে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰা 'দ্য নৰ্থ-ইষ্ট টাইম্‌ছ' আৰু 'ৰাজধানী বাতৰি' শীৰ্ষক সাপ্তাহিক বাতৰিৰ তেওঁ মূল দায়িত্ব পালন কৰিছিল। সাংবাদিকৰ কোনো সপক্ষ-বিপক্ষ নাই। সেয়েহে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ 'জনক্ৰান্তি' নামৰ কাকততো তেওঁ সংবাদ যোগান ধৰিছিল। সাম্প্ৰতিক সময়ৰ দৰে সাংবাদিকৰ বাবে ইলেক্টনিক যন্ত্ৰপাতি আৰু যাতায়াত-যোগাযোগৰ সা-সুবিধা নথকা অৱস্থাতে সবিতা গোস্বামীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চুকে-কোণে, হাবিয়ে-বননিয়ে, পৰ্বতে-পাহাৰে ঘূৰি-পকি সংগ্ৰহ কৰিছিল বিচিত্ৰ সংবাদ। প্ৰাকৃতিক প্ৰতিকূলতা, যাতায়াতৰ সমস্যা, বিভিন্ন পক্ষৰ ভাবুকি তথা বিভিন্ন ন্যস্তস্বাৰ্থৰ পৰা সম্ভাব্য বিপদৰ সংশয়, ঘৰত নিঃসংগ দুই কন্যা, লগতে অতিকৈ গুৰুত্বপূৰ্ণভাৱে—নাৰী হোৱাৰ বাবে ভুগিব লগা অতিৰিক্ত ৰিস্ক আৰু বিভিন্ন পক্ষৰ উদাসীনতাঃ এই ধৰণৰ হেজাৰটা আপদ-সংশয়েৰে পৰিপূৰ্ণ তেওঁৰ ঘটনাবহুল সাংবাদিক জীৱন। সাংবাদিকতাৰ মাধ্যমেৰে তেওঁ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এছোৱা দীঘলীয়া সময়ৰ সমাজজীৱন আৰু ৰাজনৈতিক জীৱনক আত্মস্থ কৰিবলৈ সক্ষম হৈছে; সেইবাবে স্বাভাৱিকতেই সমসাময়িক সামাজিক-ৰাজনৈতিক ঘটনাৱলীৰ অন্তৰ্দৃষ্টিসম্পন্ন আৰু বিতং বৰ্ণনাই গ্ৰন্থখনৰ এক বৃহৎ অংশ অধিকাৰ কৰি আছে। অসম আন্দোলনৰ আগছোৱাৰ পৰা প্ৰায় সাম্প্ৰতিক সময়লৈকে অসমৰ সমাজজীৱনৰ উত্তপ্ত সময়ছোৱাৰ সমাজ আৰু ৰাজনীতিৰ এক ঘনিষ্ঠ পৰ্যবেক্ষক হিচাপে গোস্বামীক অভিহিত কৰিব পাৰি। অসম আন্দোলনৰ বিক্ষিপ্ত আৰু বিস্তৃত ঘটনাৰাজি, বিভিন্ন দলৰ চৰকাৰৰ অহা-যোৱা আৰু কাৰ্য-কলাপ, উগ্ৰপন্থী সমস্যাৰ উদ্ভৱ আৰু বিভিন্ন পৰ্যায়, ভাৰত তথা কেন্দ্ৰৰ সৈতে অসমৰ সম্পৰ্ক আদি বিভিন্ন সংঘটন আৰু বিষয় তেওঁ নিচেই ওচৰৰ পৰা জীৱন্ত ৰূপত প্ৰত্যক্ষ কৰিবলৈ পাইছিল আৰু তেওঁৰ নিৰাবেগ-যুক্তিনিষ্ঠ দৃষ্টি-ভংগীয়ে সমসাময়িক ঘটনাৰ প্ৰকৃত তাৎপৰ্য অনুধাৱন কৰাত সহায় কৰিছিল।

উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যসমূহৰ জনজীৱন, ৰাজনীতি, বিশেষকৈ সন্ত্ৰাসবাদৰ উত্থানৰ সবিতা গোস্বামী হ'ল এক সূক্ষ্ম পৰ্যবেক্ষক। চুলিৰ আগত জীউ লৈ, কত ভাবুকি সত্ত্বেও কাৰো সৈতে আপোচ নকৰি তেওঁ সাংবাদিক জীৱনটোৰ প্ৰথমৰ পৰা শেষলৈকে সাহসেৰে চলাই নিছিল। এই যাত্ৰাপথত তেওঁ ঈৰ্ষণীয়ভাৱে বিস্তৰ অভিজ্ঞতা আহৰণৰ লগতে সন্মুখীন হৈছিল বহুজনৰ চাৰিত্ৰিক সংকীৰ্ণতা-সীমাবদ্ধতা-ভণ্ডামিৰ ; কিন্তু নিজৰ মাজত থকা প্ৰচণ্ড সাহসেৰে তেওঁ এই সকলোবোৰকে জীৱন-পথৰ প্ৰেৰণালৈ ৰূপান্তৰিত কৰি গ্ৰহণ কৰিছিল। এই দীৰ্ঘদিনীয়া সংগ্ৰামৰ পাছতো জীৱনৰ বিয়লি বেলাত তেওঁ উপলব্ধি কৰিছে সাংবাদিকতাৰ চৰম ট্ৰেজেডিটো—

> "আৰু সাংবাদিকতা? মোৰ জীৱন-সংগ্ৰামৰ মূল আহিলা আছিল। মোৰ বাবে তীব্ৰ আকৰ্ষণ হৈ উঠিছিল। উভতি চাই বিস্মিত হওঁ যে আমি কৰা বৃত্তিগত প্ৰচেষ্টাই সমাজ, চৰকাৰ আৰু ৰাজনীতিকৰ দৃষ্টিভংগীত কোনো প্ৰভাৱ পেলাব পাৰিলে জানোঁ আমাৰ বাতৰি, প্ৰতিবেদনসমূহ মাথোঁ পাৰ হৈ যোৱা কিছু ঘটনা-প্ৰৱাহ হৈ ৰৈ গ'ল। কাৰো মানসিকতাত কোনো প্ৰভাৱ নেপেলালেনেহ্লু এনে অনুভূতিয়ে মনটো অৱসাদেৰে ভৰাই তোলে।"[১৮]



**উপসংহাৰ**

একোখন সফল আত্মজীৱনীত বাংময় হৈ উঠে তদানীন্তন কালৰ সময়, সমাজ আৰু ব্যক্তিগত জীৱনাদৰ্শ। সবিতা গোস্বামীৰ 'মন গংগাৰ তীৰত' পঢ়ি উঠাৰ পাছত এই কথা স্পষ্ট হৈ পৰে যে, ব্যক্তিগত জীৱনটোৰ বিচিত্ৰ কথা অতি কৌশলেৰে আগ বঢ়াই নিয়াৰ মাজতে আত্মজীৱনীকাৰে তেওঁৰ জীৱনকালৰ সিংহভাগ সময়ত স্ব-চক্ষুৰে দেখা পোৱা সমাজ জীৱনক নিৰপেক্ষভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে। বিংশ শতিকাৰ সত্তৰ-আশী দশকতে এগৰাকী নাৰী হিচাপে নহয়, এগৰাকী ব্যক্তি হিচাপে কোনো ক্ষেত্ৰতেই পৰিস্থিতিৰ স'তে আপোচ নকৰি এগৰাকী নিৰ্ভীক সাংবাদিকৰূপে আত্ম প্ৰতিষ্ঠা কৰাটো সবিতা গোস্বামীৰ জীৱনৰ আটাইতকৈ উল্লেখযোগ্য দিশ। কাহিনীবিন্যাসৰ ভাষাত ক'তো আউল নলগা উপন্যাসোপম আত্মজীৱনীখন সেয়েহে উচ্চ পৰ্যায়ৰ সাহিত্যলৈ উন্নীত হৈছে বুলি নিঃসন্দেহে ক'ব পাৰি। কেৱল সেয়েই নহয়, এগৰাকী সাহসী নাৰীৰ জীৱন-কাহিনী হিচাপে এই আত্মজীৱনীখনক সময়, সমাজ আৰু নাৰীৰ আত্মানুসন্ধানৰ ইতিহাস বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

**মুখ্য সমল**

১। গোস্বামী, সবিতা ঃ *মন গংগাৰ তীৰত*। প্ৰথম প্ৰকাশ ঃ ২০০৯, অন্বেষা প্ৰকাশন, গুৱাহাটী।

**পাদটীকা**

১। গোস্বামী, সবিতা ঃ *মন গংগাৰ তীৰত* , পৃ ঃ ১০৩-১০৪
২। পূৰ্বোক্ত, পৃ ঃ ১৪৪
৩। পূৰ্বোক্ত, পৃ ঃ ১৬২
৪। পূৰ্বোক্ত, পৃ ঃ ১৬৭
৫। পূৰ্বোক্ত, পৃ ঃ ১৩১
৬। পূৰ্বোক্ত, পৃ ঃ ৬
৭। পূৰ্বোক্ত, পৃ ঃ ৬
৮। পূৰ্বোক্ত, পৃ ঃ ১
৯। পূৰ্বোক্ত, পৃ ঃ ১৮
১০। পূৰ্বোক্ত, পৃ ঃ ২০৫
১১। পূৰ্বোক্ত, পৃ ঃ ২৩১
১২। পূৰ্বোক্ত, পৃ ঃ ২৩৪
১৩। পূৰ্বোক্ত, পৃ ঃ ২৩৪
১৪। পূৰ্বোক্ত, পৃ ঃ৫৩
১৫। পূৰ্বোক্ত, পৃ ঃ ৫৩
১৬। পূৰ্বোক্ত, পৃ ঃ ০.৯
১৭। পূৰ্বোক্ত, পৃ ঃ ১৮১
১৮। পূৰ্বোক্ত, পৃ ঃ ২৩৪

# মহিলা সাংবাদিকৰ দৃষ্টিভংগীত অসম আন্দোলন
# (নিৰুপমা বৰগোহাঞি আৰু সবিতা গোস্বামীৰ আত্মজীৱনীৰ আধাৰত)

*পঞ্চানন হাজৰিকা*

**সাৰাংশ**

স্বাজোত্তৰ কালৰ অসমৰ সমাজ - ৰাজনৈতিক ইতিহাসত অসম আন্দোলন ( ১৯৭৯-১৯৮৫) এক গুৰুত্বপূৰ্ণ পৰিঘটনা । সমগ্ৰ অসম জুৰি প্ৰবল গণজাগৰণ সৃষ্টি কৰা এই আন্দোলন স্বাজোত্তৰ ভাৰতৰ ইতিহাসৰো অন্যতম বৃহত্তম গণতান্ত্ৰিক আন্দোলন। অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন হিচাপে বিখ্যাত হৈ পৰা এই গণজাগৰণত ছাত্ৰ-যুৱক- নাৰী-পুৰুষ- অধিকাংশ জনগণই স্বতঃস্ফূৰ্ত যোগদান কৰিছিল। এই আন্দোলনৰ উদ্দেশ্য, পন্থা, পৰিসৰ, ফলাফল আৰু অসমৰ সমাজ জীৱনত পৰা ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ সম্পৰ্কে বহু লেখক, সাংবাদিক, ৰাজনৈতিক নেতা আৰু সমাজ বিজ্ঞানীয়ে আলোকপাত কৰিছে। আশীৰ দশকৰ সামাজিক প্ৰত্যাহ্বান আৰু ৰাজনৈতিক জটিলতাৰ মাজত সাংবাদিকতা কৰা মহিলা সাংবাদিকসকলৰ দৃষ্টিভংগীত অসম আন্দোলন আচলতে কি আছিল? অসম আন্দোলন, পুৰুষ নেতৃত্ব, আন্দোলনত মহিলাৰ অংশগ্ৰহণ, আৰু আন্দোলনকালীন সময়ত ভুক্তভোগীসকলৰ অৱস্থা সম্পৰ্কে অসমৰ মহিলা সাংবাদিকে কি কৈ গৈছে? নিৰুপমা বৰগোহাঞি আৰু সবিতা গোস্বামী আছিল এই সময়ৰ সক্ৰিয় সাংবাদিক। এই দুয়োগৰাকী সাংবাদিক তথা লেখিকাৰ আত্মজীৱনীৰ আধাৰত অসম আন্দোলনৰ এক মূল্যায়ন আগবঢ়াবলৈ এই আলোচনা পত্ৰত যত্ন কৰা হৈছে।

**সূচক শব্দ ঃ** অসম আন্দোলন, আত্মজীৱনী, মহিলা সাংবাদিক।

১৯৭৯-৮৫ চনলৈকে চলা ছবছৰীয়া অসম আন্দোলন আছিল অসমৰ সমাজ জীৱনত এক ঐতিহাসিক পৰিঘটনা । অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন বা বিদেশী খেদাৰ আন্দোলন হিচাপে জনপ্ৰিয় হৈ উঠা এই বিৰল জনজাগৰণৰ মাজেৰে অসমীয়া জাতিয়ে বিচিত্ৰ কিছু জাতীয় অভিজ্ঞতাৰ মুখামুখি হৈছিল। এফালৰ পৰা এই আন্দোলনে অসমীয়া জাতীয় সত্তাক একত্ৰিত কৰাত সফল হৈছিল, আনফালৰ পৰা নেতৃত্বৰ দুৰ্বলতা আৰু স্পষ্ট কৰ্মসূচীৰ অভাৱে এই সংগ্ৰামক ক্ষয়ংকৰী কৰি তুলিছিল। অসমীয়া সমাজ গাঁঠনিৰ একতা, সহিষ্ণুতা, সমন্বয়ৰ দৰে প্ৰমূল্যবোৰত এই আন্দোলনে ভাঙোন আনিছিল। যদিও এই আন্দোলন মূলতঃ আৰম্ভ হৈছিল জাতিটোৰ ঐতিহাসিক আৰু ৰাজনৈতিক পৰিচয় ৰক্ষা কৰাৰ স্বাৰ্থতেই , কিন্তু পৰৱৰ্তী সময়ত এই আন্দোলনে উগ্ৰ জাতীয়তাবাদী, সাম্প্ৰদায়িক আৰু গোষ্ঠীবিদ্বেষী ৰূপ লোৱাৰ অভিযোগ উঠিছিল।



অসম আন্দোলনে সৃষ্টি কৰা নৈৰাজ্য আৰু অস্থিৰতাৰ প্ৰসংগত হীৰেন গোহাঁইয়ে কৈছে- “ যুক্তিতকৈ আৱেগৰ ওপৰত বেছি আস্থা ৰখা বাবে অসম আন্দোলনে প্ৰায়ে নৃশংস ঘটনাৰ জন্ম দিছে, সংখ্যালঘু সকলৰ বিৰুদ্ধে হিংসাৰ উদগ্ৰীৰণ সি বন্ধ কৰিব পৰা নাই। তাৰ ফলত অসমীয়া জাতিৰ ঐক্য বিপন্ন হৈছে , বিভেদকামী শক্তিবোৰৰ প্ৰকাশ হৈছে, সুস্থ গণতান্ত্ৰিক চিন্তাধাৰা অন্তৰ্হিত হৈছে ।” (গোহাঁই, ‘মই আন্দোলনৰ মূল্যায়ন সলনি কৰিছো,’ *নিবেদন*, পৃষ্ঠা ঃ ৮৮ )।

অসম আন্দোলনৰ বিচাৰ বিশ্লেষণ আৰু নিৰ্মোহ আলোচনাৰ বাবে সেই সময়ৰ প্ৰত্যক্ষ অংশীদাৰ আৰু আন্দোলনৰ নেতৃত্ব কৰ্মী আৰু সমৰ্থকৰ মন্তব্য আৰু বিশেষভাৱে সাংবাদিক সকলৰ সংবাদ বিৱৰণ আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। এই আন্দোলন মুলতঃ পুৰুষ নেতৃত্বৰে পৰিচালিত আৰু নেতৃত্বত আছিল বৰ্ণ হিন্দু প্ৰাধান্য। এই আন্দোলনত মহিলাৰ অংশগ্ৰহণ কেনেকুৱা আছিল? এই আন্দোলনে সৃষ্টি কৰা বিবাদ আৰু সংঘৰ্ষকালীন সময়ছোৱাত আটাইতকৈ বেছিকৈ ভুক্তভোগী হৈছিল শিশু আৰু মহিলাসকল । নেলী অথবা চাউলখোৱাৰ নৃশংস গণহত্যা আছিলে তাৰেই উদাহৰণ। এই আন্দোলনৰ সংবাদ বুটলিবলৈ যোৱা মহিলা সাংবাদিক সকল আন্দেলনৰ সমৰ্থক বা বিৰোধীৰ পৰা কেনে ব্যৱহাৰৰ সন্মুখীন হৈছিল? মহিলা সাংবাদিকৰ দৃষ্টিভংগীৰে অসম আন্দোলনৰ আলোচনা কৰিবলৈ যাওঁতে নিশ্চিতভাৱে এনে কিছু প্ৰশ্নক সন্মুখত লৈয়ে আগবঢ়া যায়। আশীৰ দশকৰ অসমৰ সমাজ জীৱনত মহিলাৰ বাবে সাংবাদিকতাৰ বৃত্তিটোৱেই আছিল প্ৰত্যাহ্বানমূলক। বহু বিৰোধ আৰু প্ৰত্যাহ্বানৰ মুখামুখি হৈয়ো এই সময়ছোৱাত সাংবাদিকতা কৰি অসমৰ এক জ্বলন্ত সময়ক উন্মোচন কৰা মহিলা সাংবাদিকসকলৰ ভিতৰত নিৰুপমা বৰগোহাঞি আৰু সবিতা গোস্বামী অন্যতম। অসম আন্দোলনৰ সংঘৰ্ষকালীন সময়ছোৱাত নিৰুপমা বৰগোহাঞি ‘সাপ্তাহিক নীলাচল’ কাকতত কৰ্মৰত হৈ আছিল। অসম আন্দোলনৰ উগ্ৰ আৰু হিংসাত্মক ৰূপটোৰ বিৰুদ্ধে মাত মাতি তেওঁ নিজে তেৰবছৰ কৰি থকা চাকৰিটো হেৰুৱাব লগা হৈছিল। আনহাতে অসমে মুখামুখি হোৱা উত্তাল সময়ছোৱাত সবিতা গোস্বামী আছিল বি বি চি ৰ অসমৰ অনাতাঁৰ সাংবাদিক। তদুপৰি ‘দ্য উইক’, ‘ব্লিটজ’ আদি ৰাষ্ট্ৰীয় কাকতৰো তেওঁ আছিল সংবাদদাতা ।

নিৰুপমা বৰগোহাঞি আৰু সবিতা গোস্বামীয়ে তেওঁলোকৰ আত্মজীৱনী ক্ৰমে ‘বিশ্বাস আৰু সংশয়ৰ মাজেদি’ আৰু ‘মন গংগাৰ তীৰত’ এই দুই গ্ৰন্থৰ পাতত অসম আন্দোলনকেন্দ্ৰিক অজস্ৰ অভিজ্ঞতা সাংবাদিকৰ নিৰ্মোহ নিৰপেক্ষ দৃষ্টিভংগীৰে লিপিবদ্ধ কৰি গৈছে। এই দুই আত্মজীৱনী সেয়ে কেৱল এগৰাকী নাৰীৰ সংগ্ৰাম সংঘৰ্ষৰ প্ৰেৰণাদায়ক কাহিনীয়েই নহয়, বৰঞ্চ ই অসমৰ এছোৱা জ্বলন্ত সময়ৰ আলোচনাৰ বাবে নিৰ্ভৰযোগ্য সমলো।

অসম আন্দোলনে সৃষ্টি কৰা উত্তাল অভাৱনীয় সময়ছোৱাত অসমৰ অধিকাংশ ৰাইজ, নাগৰিক সমাজ আৰু মূলসূতিৰ অসমীয়া সংবাদ মাধ্যমৰ স্থিতি আছিল বিদেশী বিতাড়ন আন্দোলনৰ সপক্ষত। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কীৰ্ত্তিনাথ হাজৰিকা, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, দেৱপ্ৰসাদ বৰুৱা, নগেন শইকীয়া, বিশ্বেশ্বৰ হাজৰিকা, অৰূপ কুমাৰ দত্ত আদি বৌদ্ধিক ব্যক্তিত্বই স্মৰণীয় জাতীয়তাবাদী ভূমিকাৰে অসম

আন্দোলনৰ দিক্ নিৰ্ণয় কৰিছিল। সৰ্বাধিক প্ৰচাৰিত অসমীয়া বাতৰি কাকত 'দৈনিক অসমে' অসম আন্দোলনৰ সমৰ্থনত শক্তিশালী স্থিতি লৈছিল। মুনীন্দ্ৰ নাৰায়ন দত্তবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'সাপ্তাহিক নীলাচলতো' আন্দোলনৰ সপক্ষত বিভিন্ন লেখা প্ৰকাশ পাইছিল। সেই সময়ত নিৰুপমা বৰগোহাঞি আছিল সেই কাকতৰ সহকাৰী সম্পাদক হিচাপে কৰ্মৰত।

১৯৮০ চনত উত্তৰ কামৰূপৰ গোষ্ঠী সংঘৰ্ষ হোৱা অঞ্চলবোৰ পৰিভ্ৰমণ কৰি নিৰুপমা বৰগোহাঞিয়ে অনুভৱ কৰিছিল অসমৰ সংবাদ মাধ্যমৰ পক্ষপাতিত্বমূলক আচৰণ। সেই সময়ত অসমৰ বাতৰি কাকতবোৰে যে সত্যানুসন্ধানৰ নীতি আদৰ্শ মানি চলা নাছিল , সেই বিষয়ে নিজৰ আত্মকথা 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' ৰ পাতত নিৰুপমা বৰগোহাঞিয়ে লিখিছে এনেদৰে -

"১৯৮০ চনত গোলমাল আৰম্ভ হোৱাৰ পিছত অসমৰ প্ৰায়বোৰ বাতৰি কাকততেই এই খবৰ পঢ়িবলৈ পাইছিলো যে উত্তৰ কামৰূপ অঞ্চলত বাংলাদেশী সকলৰ অবাধ অনুপ্ৰৱেশ ঘটিছে প্ৰবল গতিত। কেৱল সেয়ে নহয় সিহঁতৰ অত্যাচাৰত খিলঞ্জীয়া অসমীয়া ঘৰ বাৰী এৰি পলাবলগীয়া হৈছে। যেন মানৱ দিনৰ প্ৰত্যাবৰ্তন। পিছে বাতৰি কাকতৰ সেই সংবাদবোৰ কিমান মিছা বা অতিৰঞ্জিত আছিল, মই সিদিনাই গম পাই গৈছিলোঁ।" (নিৰুপমা বৰগোহাঞি, *বিশ্বাস আৰু সংশয়ৰ মাজেদি*, পৃ ঃ২৮৭)

অসম মহিলা সংঘৰ সভানেত্ৰী হেনা বৰাৰ লগত নলবাৰীলৈ যাওঁতে নিৰুপমা বৰগোহাঞি বাংলাদেশীৰ নামত বহু সংখ্যালঘু লোকৰ ওপৰত চলা অত্যাচাৰ উৎপীড়নৰ চাক্ষুষ অভিজ্ঞতাৰ সন্মুখীন হৈছিল। অসম আন্দোলন যে সাম্প্ৰদায়িক হিংসা আৰু গোষ্ঠী উন্মাদনাৰ চৰম পৰ্য্যায়লৈ গুচি গৈছিল, নিৰুপমা বৰগোহাঞিয়ে এই অভিজ্ঞতাৰ মাজেৰে সেই কথাত পতিয়ন গৈছিল। খিলঞ্জীয়া মানুহৰ ওপৰত অনুপ্ৰৱেশকাৰীয়ে আক্ৰমণ চলোৱাৰ খবৰ অসমৰ বাতৰি কাকতে ছপাই থকাৰ বিপৰীতে মূল সত্য ছবিখন আছিল সম্পূৰ্ণৰূপে ওলোটা। সেনাবাহিনীৰ দ্বাৰা অসমীয়া মহিলা ধৰ্ষিতা হেৱাৰ বাতৰি লবলৈ গৈ নলবাৰী চহৰতে বৰগোহাঞিয়ে দেখিছিল - কেনেকৈ বিশ্বাস উপাধিৰ পৰা বৈশ্য হৈ পৰা বঙালী মানুহৰ গাঁওবোৰত অসমীয়াসকলে অস্ত্ৰ-শস্ত্ৰ লৈ মৰা কটা কৰিছে। ঘৰবাৰী, সা-সম্পত্তি জ্বলাই লুটপাত কৰিছে। নলবাৰীৰ পিছত মুকালমুৱাৰ আশ্ৰয় শিৱিৰতো লেখিকাই মানৱতাৰ একেই বিপৰ্যয়ৰ মুখামুখি হৈছিল। মুকালমুৱাৰ আশ্ৰয় শিৱিৰত কৰা চৰজমিন অধ্যয়নৰ মাজেৰে লেখিকাই আন্দোলনটোৰ বহু অমানৱীয় নৃশংস দিশৰ লগত পৰিচয় হৈছিল। সেই আশ্ৰয় শিৱিৰৰ অধিবাসীসকল আছিল মুছলমান। তেওঁলোকে লেখিকাক জানিবলৈ দিয়ামতে তেওঁলোকৰ অঞ্চলত অসমীয়া স্কুলৰ বাহিৰে আন মাধ্যমৰ স্কুল নাছিল। অসম আন্দোলনে সৃষ্টি কৰা সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়ংকৰ ধাৰা বিৱৰণী সাংবাদিক নিৰুপমা বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে এনেদৰে --

" তাৰে ভিতৰত আবেদ আলী বোলা এজন ডেকাই কোৱা কথা আজিও কাণত বাজি থাকে- "মোৰ মা-বাবাক কাটিছে, দাদা-বৌ আৰু তেওঁলোকৰ সৰু ল'ৰাটোকো কাটিছে, এজন ভতিজা এতিয়া হাস্পাতলত।" (নিৰুপমা বৰগোহাঞি, *বিশ্বাস আৰু সংশয়ৰ* মাজেদি, পৃ ঃ ২৯৪)

মুকালমুৱাৰ সেই শিৱিৰটোতে দুষ্কৃতিকাৰীয়ে জুইত জাপি দিয়া পিঠিত দগদগীয়া ঘা লৈ থকা ছমহীয়া কেচুৱা এটাও নিৰুপমা বৰগোহাঞিয়ে আৱিষ্কাৰ কৰিছিল। উভতি অহাৰ পথত জুনিয়ৰ ডক্টৰৰ ছাত্ৰ



সন্থাৰ বাছখন লগ পাওঁতে বৰগোহাঞিয়ে নলবাৰী আৰু মুকালমুৱাৰ কেম্প দুটাত তেওঁলোকে সাহায্য দিলেনে বুলি প্ৰশ্ন কৰাত সেইটো বাংলাদেশীৰ কেম্প বুলি জুনিয়ৰ ডাক্টৰ সকলৰপৰা চৰম উষ্মাৰে প্ৰত্যুত্তৰ আহিছিল। এই কথাত বৰগোহাঞি ক্ষুদ্ধ হৈছিল আৰু ডাক্তৰৰ মানৱীয় ধৰ্মৰ সম্পৰ্কে জুনিয়ৰ ডাক্টৰৰ দলটোক সোঁৱৰাই দিছিল। পিছত বাংলাদেশীক সহায় কৰিবলৈ অহাৰ অভিযোগত বৰগোহাঞি আৰু তেওঁৰ সহযোগী উঠা গুৱাহাটীগামী বাছখন জুনিয়ৰ ডাক্টৰৰ দলটোৱে ঘেৰাও কৰি অশ্লীল বাক্যৰে ককৰ্থনা কৰি থৈ যোৱাৰ কথা বৰগোহাঞিয়ে তেওঁৰ আত্মজীৱনীত লিপিবদ্ধ কৰি থৈ গৈছে। অসম আন্দোলনৰ এই তিক্ত অভিজ্ঞতা সুঁৱৰি আত্মজীৱনীত আন্দোলনৰ নেতাসকলক বৰগোহাঞিয়ে সমালোচনা কৰিছে এনেদৰে—

" এই যে আপোনালোকৰ প্ৰৰোচনাত কিছুমান মানুহ হত্যাকাৰীত পৰিণত হ'ল (তাৰ বিনিময়ত তেওঁলোকে প্ৰতিশ্ৰুত সোণৰ অসমো নাপালে ) , তাৰ দায়-দায়িত্বই আপোনালোকৰ বিবেকক চিৰজীৱনলৈ কোঙা কৰি নাৰাখিবনে?" ( নিৰুপমা বৰগোহাঞি , *বিশ্বাস আৰু সংশয়ৰ* মাজেদি, পৃষ্ঠা ঃ ২৯৫)

নলবাৰীৰ পৰা উভতি অহাৰ পিছত গুৱাহাটীৰ জজ খেলপথাৰৰ মহিলাৰ এক ৰাজহুৱা সভাত বাংলাদেশীক সাৰ্হায্য দিয়াৰ অভিযোগ আনি নিৰুপমা বৰগোহাঞিক ধিক্কাৰ দিয়া হৈছিল। তেওঁৰ ৰাজনৈতিক স্থিতিক 'অসম বিৰোধী' নাম দি সভাৰ সকলো মানুহ জাঙুৰ খাই উঠিছিল। ইফালে উপস্থিত মহিলাসকলে তেওঁৰ ওপৰত লাঞ্চনা বা অত্যাচাৰ চলোৱাৰো আশংকা কৰা হৈছিল। ইয়াৰ পিছতে নীলাচল কাকতৰ নীতিক অৱমাননা কৰাৰ অভিযোগ তুলি 'সাপ্তাহিত নীলাচল'ৰ চাকৰিৰপৰাও তেওঁক বৰ্খাস্ত কৰা হ'ল।

অসম আন্দোলনৰ উগ্ৰ আৰু অগণতান্ত্ৰিক স্বৰূপটোৰ বিৰোধিতা কৰা বাবেই 'বদন' আখ্যা পাই 'বয়কট' হোৱাৰ লগতে বৰগোহাঞিয়ে নিজৰ চাকৰিও হেৰুৱাব লগা হ'ল। সেই সময়ত আন্দোলন বিৰোধী সকলক দেশদ্ৰোহী আখ্যাৰে নৃশংস অত্যাচাৰ কৰা হৈছিল। কংগ্ৰেছৰ বাহিৰে কমিউনিষ্ট সকলেই মূলতঃ আন্দোলনটোৰ স্বেচ্ছাচাৰী প্ৰকৃতিৰ বিৰোধিতা কৰিছিল বাবে যিসকল অকমিউনিষ্ট গণতান্ত্ৰিক মানুহেও নিজৰ প্ৰতিবাদৰ কণ্ঠ সোচ্চাৰ কৰিছিল, তেওঁলোকক চি পি এম নামেৰে অভিহিত কৰা হৈছিল । বৰগোহাঞিয়ে ব্যক্তিগত অভিজ্ঞতাৰ আলমত এই কথা সবিস্তাৰে লিখিছে যে, কেনেকৈ চি পি এম খোৱা নে কাণত পিন্ধা বস্তু নজনা সকলেও আন্দোলন বিৰোধীসকলক চি পি এম বুলিয়ে অভিহিত কৰি লাঞ্ছনা কৰিছিল।

অসম আন্দোলনৰ এই অগণতান্ত্ৰিক চৰিত্ৰক সমালোচনা কৰি বৰগোহাঞিয়ে তীক্ষ্ণ ভাষাৰে লিখিছে-

"অসম আন্দোলনৰ সময়ত,গণতান্ত্ৰিক বাতাবৰণ প্ৰায় নোহোৱা হৈ গৈছিল। আন্দোলন বিৰোধীসকলৰ মত প্ৰকাশৰ স্বাধীনতা নোহোৱা হৈ গৈছিলেই। এনেকি সেই মতামতৰ মূল্য দিবলগা হৈছিল নানাধৰণৰ শাৰিৰীক আৰু মানসিক অত্যাচাৰেৰে, এনেকি এইদৰে, 'দেশদ্ৰোহী' আখ্যা পোৱা সকলৰ বহুতক নৃশংস অত্যাচাৰ কৰি হত্যাও কৰা হৈছিল" (নিৰুপমা বৰগোহাঞি, *বিশ্বাস আৰু সংশয়ৰ মাজেদি*, পৃঃ ৩০১)

জৰুৰী অৱস্থাৰ সময়ত থকা চিন্তাৰ স্বাধীনতাও এই সময়ত নোহোৱা হৈ গৈছিল বুলি বৰগোহাঞিয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি থৈ গৈছে। এই সময়ৰ চিন্তাশীল প্ৰগতিবাদী বুদ্ধিজীৱী সকল লগ হৈ 'গণ সংস্কৃতি বিকাশ' সমিতি গঠন কৰা আৰু জনজীৱন কাকতখনৰ মাজেৰে যুক্তিসহ আন্দোলনটোৰ অসাৰতা ৰাইজক বুজাই দিয়াৰ বিষয়ে 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' ত তথ্য পোৱা যায়। সাংবাদিক হিচাপে দেখিবলৈ পোৱা

অসম আন্দোলনৰ নৃশংস আৰু অমানৱীয় ৰূপটোৰ বিষয়ে ১৯৮০ চনৰ ‘সাপ্তাহিক কলা খাৰ’ ৰ প্ৰথম বছৰৰ ষষ্ঠ সংখ্যাত নিৰুপমা বৰগোহাঞিয়ে ‘নিজৰ কাণক বিশ্বাস নহয়’ শীৰ্ষক এখন আলোড়নকাৰী ৰচনা লিখিছিল।

অসম আন্দোলনৰ পিছত বৰ্তমান তিনিটা দশক পাৰ হৈ গ’ল। পুৰণি প্ৰজন্মটোৰ বাবে এতিয়া কিছু কথা স্মৃতিত থাকিলেও নতুন প্ৰজন্মটোৰ বাবে অসম আন্দোলন এতিয়া এক জনশ্ৰুতি মাথোঁ। অসম আন্দোলন সম্পৰ্কে নিৰুপমা বৰগোহাঞিৰ এতিয়াৰ স্থিতিও একেবাৰে স্পষ্ট আৰু নিৰ্মোহ। শেহতীয়াভৱে এটা সাক্ষাৎকাৰত বৰ্ষীয়ান লেখিকা আৰু এসময়ৰ সাংবাদিক গৰাকীয়ে অসম আন্দোলন সম্পৰ্কে নিজৰ সাম্প্ৰতিক দৃষ্টিভংগী জনাইছে এনেদৰে—

“অসমত থাকিও যেতিয়া অসমীয়াই নিজৰ অস্তিত্বৰ বাবে ত্ৰস্তমান হয়, সেয়া জাতিৰ বাবে খুবেই দুখৰ কথা। আন্দোলন এটাৰ প্ৰয়োজন ঠিকেই আছিল, কিন্তু অসম আন্দোলনৰ সমগ্ৰ প্ৰক্ৰিয়া এক আসোঁৱাহপূৰ্ণ আছিল। অসমৰ বেয়া দিন আৰম্ভ হৈছিল দুটা ঘটনাত। প্ৰথমটো উগ্ৰ জাতীয়তাবাদী মন লৈ অসম আন্দোলন আৰু দ্বিতীয়তো আলফাৰ উত্থান। অসম আন্দোলনৰ ভেটিৰে সোণৰ অসম নহয়, সোণৰ সংসাৰ গঢ়া হ’ল। (*নীলকণ্ঠী নিৰুপমা*, পৃষ্ঠা ২৯১)

অজিত কুমাৰ ভূঞাৰ সৈতে হোৱা সাক্ষৎকাৰ এটিতো নিৰুপমা বৰগোহাঞিয়ে এই মত দোহাৰিছে যে ১৯৫১ ৰ দৰে এক অসম্ভৱ ভিত্তিবৰ্ষৰ বাবে অসম আন্দোলনৰ তেওঁ বিৰোধিতা কৰিছিল। (*নীলকণ্ঠী নিৰুপমা*, পৃ ঃ ২৭৯)

অসমৰ ৰাজনৈতিক ইতিহাসত অসম আন্দোলনৰ এক সৰ্বব্যাপী প্ৰভাৱ আছে। আনকি অসমৰ সমাজ ৰাজনীতি আৰু সংস্কৃতিলৈ অহা বহু পৰিবৰ্তন আৰু যোৱা তিনিদশকত জাতীয় জীৱনে মুখামুখি হোৱা বহু দ্বন্দ্বক অসম আন্দোলনৰ প্ৰত্যক্ষ পৰোক্ষ ফলাফল বুলিয়ে কব পাৰি। এনে প্ৰেক্ষাপটত আন্দোলনটোক একেবাৰে সূক্ষ্মভাৱে দেখা আৰু নিৰ্মোহভাৱে বিচাৰ কৰা নিৰুপমা বৰগোহাঞিৰ দৃষ্টিভংগী নিশ্চিতভাৱে অসম আন্দোলনৰ মূল্যায়নৰ প্ৰসংগত গুৰুত্বপূৰ্ণ অনুষংগ ।

সবিতা লহকৰৰ আত্মজীৱনী ‘মন গংগাৰ তীৰত’ অসমীয়া সাহিত্যত এক বিৰল আৰু অসাধাৰণ আত্মজীৱনী হিচাপে স্বীকৃত। বিশেষকৈ দুটা দিশৰ পৰা এই আত্মজীৱনীৰ সামাজিক গুৰুত্ব মন কৰিব লগীয়া। প্ৰথমটো হ’ল - এখন পুৰুষতান্ত্ৰিক সমাজৰ প্ৰত্যাহ্বান নেওচি এগৰাকী নাৰীয়ে কৰা আৱিষ্কাৰ আৰু আত্মউত্তৰণৰ ই এক প্ৰেৰণাদায়ক কাহিনী। দ্বিতীয়তে এই গ্ৰন্থ অসমৰ সমাজ জীৱনৰ বিশেষভাৱে অসম আন্দোলন আৰু আলফাৰ সংগ্ৰামৰ অগ্নিগৰ্ভা সময়ছোৱাৰ এক জীৱন্ত ধাৰাভাষ্য।

বি বি চিৰ অনাতাঁৰ সাংবাদিক হিচাপে কৰ্মৰত হৈ থকা অৱস্থাত সবিতা গোস্বামীয়ে অসম আন্দোলনৰ বিভিন্ন পৰ্যায় আৰু ঘটনাৱলীক একেবাৰে নিকট দুৰত্বত ৰৈ পৰ্যবেক্ষণ কৰিছিল। অসম আন্দোলনেই তেওঁলৈ সাংবাদিকতাৰ সুযোগ আনি দিছিল বুলি গোস্বামীয়ে তেওঁৰ আত্মকথাত উল্লেখ কৰি থৈও গৈছে। অসম আন্দোলন সম্পৰ্কে সাংবাদিক গোস্বামীৰ দৃষ্টিভঙ্গীৰ বিষয়ে আলোকপাত কৰোঁতে প্ৰথমতেই চকুত পৰে যে তেওঁ আন্দোলনটোৰ মূল কাৰণ অৰ্থনৈতিক বুলি ‘ষ্টিটছ’ কাকতত সেই সময়তে প্ৰতিবেদন লিখিছিল। তেওঁৰ এই মতৰ বাবে আন্দোলনৰ নেতৃত্বই গোস্বামীক গণ সংগ্ৰাম পৰিষদৰ কাৰ্য্যালয়লৈ মাতি নি জবাবদিহিও কৰিছিল।



অসম আন্দোলনৰ স্বৰূপ বিচাৰ কৰি আন্দোলন পৰৱৰ্তী সময়ত গোস্বামীয়ে লিখিছে - “অসম আন্দোলনৰ প্ৰতি মোৰো সহানুভূতি আৰু সমৰ্থন আছিল। মূলতঃ ইয়াৰ কাৰণ অৰ্থনৈতিক আছিল বুলি মই প্ৰত্যয় গৈছিলো। কিন্তু আৰ্থ সামাজিক গুৰুত্ব হেৰুৱাই ই চতুৰ ৰাজনীতিক উন্নতিৰ সপোন হৈ পৰিছিল। মই আজিও বিশ্বাস কৰো যে অসম আন্দোলনৰ সময়ত যি গণ জাগৰণ হৈছিল, সি সুস্থ, বিচক্ষণ, নিৰপেক্ষ আৰু দূৰদৰ্শী নেতৃত্বৰ হাতত পৰা হলে অসমৰ প্ৰগতিত প্ৰচুৰ অৰিহণা যোগাবলৈ সমৰ্থ হ’লহেঁতেন। কিন্তু তেনে নহ’ল। অসম আন্দোলনে আৱেগিক অসমীয়াক তেনেদৰেই এৰি থৈ গ’ল।”

(সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ৮৬)

অসম আন্দোলনৰ প্ৰতি সহমৰ্মিতা থাকিলেও আৰু অসম আন্দোলনে তুলি ধৰা অসমৰ জাতীয় সমস্যাবোৰৰ গুৰুত্ব সঠিকভাৱে অনুধাৱণ কৰিলেও বাতৰি প্ৰস্তুত কৰোতে নিজৰ সহানুভূতি বা সমৰ্থন প্ৰকাশ নাপাবৰ বাবে গোস্বামী সতৰ্ক হৈ ৰৈছিল। অসম আন্দোলনৰ সময়ত অসমৰ সংবাদ মাধ্যমৰ মাজত দেখা পোৱা দুটা বিপৰীতমুখী পন্থা আৰু অসমৰ বাতৰিকাকতৰ পক্ষপাতদুষ্ট ভূমিকাৰ কথাও গোস্বামীৰ আত্মজীৱনীৰ পৰা জানিব পৰা যায়। অসম আন্দোলনক যুক্তিহীনভাৱে সমৰ্থন কৰা দৈনিক অসম কাকতত সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ লগত সেই সময়ত হোৱা গোস্বামীৰ কথোপকথন আৰু কাকতখনৰ স্থিতিক তেওঁ স্বয়ং হাজৰিকাৰ সন্মুখতে কৰা সমালোচনাৰ মাজেৰে এই দিশ উন্মোচিত হৈছে।

অসম আন্দোলনৰ দৰে এক বৃহত্তৰ জনজাগৰণত মহিলাৰ অংশগ্ৰহণ আৰু ভূমিকা এক বিশেষ আলোচনাৰ বিষয়। অসম আন্দোলনৰ বৌদ্ধিক দিগদৰ্শক সকলৰ অন্যতম বসন্ত ডেকাই অসম আন্দোলনত মহিলাৰ অংশগ্ৰহণ সম্পৰ্কে লিখিছে- “কোনো ধৰ্ম বা ভাষা বা গোষ্ঠীৰ পৰিচয় নিদিয়াকৈ অসমৰ নাৰীয়ে আন্দোলনটোত ছাত্ৰ যুৱকৰ সমানে অংশীদাৰ হ’বলৈ সিদ্ধান্ত লৈছিল। মহিলাৰ অংশগ্ৰহণে প্ৰতিবাদ পদ্ধতিৰ ৰেহ-ৰূপ সলনি কৰিছিল। তেওঁলোকে ৰাজপথত এটা জনগোষ্ঠী হিচাপে অৰ্থ আৰোপ কৰিছিল। পুলিচ বাহিনীৰ সন্মুখীন হবলৈ নাৰীসকলে আগশাৰীত স্থান লৈছিল। গোটেই ৰাজ্যখনতে অনেক পৰিয়ালে যি ধৰণে সংগঠকৰ যত্ন লৈছিল সেয়া পাহৰিব নোৱাৰা বিধৰ আছিল। অসমৰ মহিলাই আন্দোলনটোৰ উদ্যম বহুগুণে বঢ়াইছিল। তেওঁলোকৰ অংশগ্ৰহণে ছাত্ৰসন্থাৰ লক্ষ্যক শক্তি যোগাইছিল। আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণত নিয়মানুবৰ্তিতা অটুত থকাটো লক্ষণীয় আছিল। সূৰ্যৰ প্ৰখৰ তাপকো নেওচি মহিলাই পিঠিত কেঁচুৱা বান্ধি সভাথলীত উপস্থিত হৈছিলগৈ। ঘৰৰ কাম-কাজৰ দায়িত্ব গৌণ হৈ পৰিছিল। নিশাৰ পিছৰ নিশা পথ ৰুদ্ধ কৰিবলৈ মহিলা সকলে অকণো দ্বিধাবোধ কৰা নাছিল।”

(বসন্ত ডেকা, *অভিসন্ধি প্ৰতাৰণা অসম আন্দোলন*, পৃ- ১০৬)

অসম আন্দোলনত মহিলাৰ এনে সক্ৰিয় অংশগ্ৰহণৰ বিষয়ে ‘টাইম্‌ছ অৱ ইণ্ডিয়াত’ কে .এন. মালিকে লিখা প্ৰতিবেদনৰ পৰাও বসন্ত ডেকাই তথ্য দাঙি ধৰিছে। সবিতা গোস্বামীৰ আত্মজীৱনীৰ পাততো এই আন্দোলনত মহিলা সকলৰ অংশগ্ৰহণৰ বিশদ বিৱৰণ পোৱা যায়। আশীৰ প্ৰাৰম্ভতে এদিন ১৪৪ ধাৰা অমান্য কৰি হাজাৰ হাজাৰ মহিলাই দীঘলীপুখুৰীৰ পাৰত কৰা পথ অৱৰোধ, আন্দোলনৰ নেতাক মহিলা সকলে দিয়া ৰক্ষণাবেক্ষণ আৰু প্ৰতিবাদী মহিলাসকলক আতৰাবলৈ আৰক্ষীয়ে বল প্ৰয়োগ কৰোতে আন্দোলনৰ শীৰ্ষ নেতা এজন সন্দিকৈ কলেজৰ হোষ্টেলত গৈ পলাই থকাৰ নাণ্ঠ সত্যও গোস্বামীয়ে

অকপটে লিখিছে। সেই ঘটনাৰ পিছত 'অসম বাণী'ৰ এটা প্ৰবন্ধত "মাতৃস্নেহ নেকি নাজানো, কিন্তু যুক্তি নিবিচৰাকৈ হাজাৰ হাজাৰ মহিলা নিঃস্বাৰ্থভাৱে মুকলি পথাৰলৈ ওলাই অহাৰ বাবেই আন্দোলনৰ কাৰ্যসূচী সফল হোৱা আৰু নেতা সকল আঁচলৰ আঁৰত থাকে" (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ৯৭) বুলিও গোস্বামীয়ে আন্দোলনৰ নেতৃত্বক কঠোৰভাৱে সমালোচনা কৰিছিল, যাৰ বাবে পিছৰ সময়ত আন্দোলনৰ নেতৃত্বই তেওঁক কটূক্তি আৰু ব্যংগ কৰাৰ কথাও গোস্বামীয়ে লিখি থৈ গৈছে।

অসম আন্দোলন প্ৰকৃততে এক অহিংস আৰু গণতান্ত্ৰিক আন্দোলন হৈ আছিলনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰোতে সবিতা গোস্বামীৰ 'মন গংগাৰ তীৰত' এক জীৱন্ত আৰু জ্বলন্ত সাক্ষ্য হৈ ধৰা দিয়ে। অসম আন্দোলনৰ সময়ত কেনেকৈ অসমৰ শৈক্ষিক পৰিবেশ ভাগি গৈছিল, স্কুল কলেজ বন্ধ হৈ গৈছিল, বন্ধ সংস্কৃতিৰ লগত আপোচবিহীন সম্বন্ধ গঢ়ি উঠিছিল— ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত আন্দোলনে লৈ অনা এই পৰিবৰ্তনবোৰো গোস্বামীয়ে দাঙি ধৰিছে। সাংবাদিক হিচাপে গোস্বামী আছিল ধূলা, নেলী, গহপুৰ আদি অঞ্চলত ১৯৮৩ চনত হোৱা ভয়াবহ গোষ্ঠী সংঘৰ্ষৰ প্ৰত্যক্ষদৰ্শী। নেলীৰ ভয়াবহ বিভীষিকা, সংঘৰ্ষৰ মূল কাৰণ, প্ৰশাসনৰ দায়িত্বহীনতা আদি বিবিধ দিশ সাংবাদিক গোস্বামীয়ে পোহৰলৈ আনিছে। ১৯৮৩ ৰ অভিশপ্ত নিৰ্বাচনৰ আগৰ অসমৰ ৰাজনৈতিক পৰিস্থিতি গোস্বামীৰ কলমত লিপিবদ্ধ হৈছে এনেদৰে—".... কোনেও নিশ্চিতভাৱে ক'ব নোৱাৰে কোনে তেওঁলোকৰ (দুয়োপক্ষৰ) ঘৰত অগ্নিসংযোগ কৰিছে বা আক্ৰমণ কৰিছে। দুয়োপক্ষই 'সিহঁতে' কৰা বুলি উল্লেখ কৰে কোন সিহঁত? ক'ৰবাত যদি অসমীয়া বঙালী, ক'ৰবাত বঙালী, হিন্দু-বঙালী মুছলমান, ক'ৰবাত হিন্দু মুছলমান, ক'ৰবাত আন্দোলন সমৰ্থক নিৰ্বাচন বিৰোধী আৰু আন্দোলনবিৰোধী নিৰ্বাচন সমৰ্থকৰ মাজত সংঘৰ্ষ হৈছে।" (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ১২০)।

আন্দোলনটোক কেন্দ্ৰ কৰি চলা এনে হিংসাত্মক ঘটনা, ভাতৃঘাতী সংঘৰ্ষ আৰু অসমৰ বিভিন্ন ঠাইত হোৱা বাঁওপন্থী নিগ্ৰহে অসম আন্দোলনৰ অহিংস আৰু গণতান্ত্ৰিক চৰিত্ৰ নোহোৱা কৰিছিল। একেদৰে অসম আন্দোলনৰ আধাৰতে অসমত বিচ্ছিন্নতাবাদী সংগ্ৰামৰো অৱতাৰণা হৈছিল। আলফাৰ উত্থান আছিল সেই একেই প্ৰেক্ষাপটৰে সৃষ্ট ঘটনা। গোস্বামীয়ে এই প্ৰেক্ষাপটত অৱলোকন কৰোঁতে এয়াও মন কৰিছে যে সেই সময়তে অসমলৈ আৰ.এছ.এছ. নেতাৰ আগমন হৈছিল যদিও অসমৰ জনগোষ্ঠীয় বিচিত্ৰতাৰ বাবে হিন্দুত্ববাদী ৰাজনীতিৰ সম্প্ৰসাৰণ বৰ সহজে সম্ভৱ হৈ উঠা নাছিল। কিন্তু অসম আন্দোলনৰ নেতা আৰু মূল পৰামৰ্শদাতা সকল আছিল বৰ্ণ হিন্দু মূলৰ, সেই বাবেই অসম আন্দোলন বৰ্ণ হিন্দুৰ আন্দোলন বুলি সেই সময়ত এক প্ৰচাৰ চলিছিল— এই কথাও লেখিকাই উল্লেখ কৰিছে। অসম আন্দোলনৰ সময়ত অসমৰ বুদ্ধিজীৱীৰ সামাজিক ভূমিকাক লৈও সবিতা গোস্বামীয়ে সমালোচনা কৰিছে যে— অসমীয়া সমাজৰ অবাঞ্চিত অৱক্ষয় ৰোধ কৰিবৰ বাবেও অসমৰ বুদ্ধিজীৱীয়ে কোনো গঠনমূলক প্ৰচেষ্টা লোৱা নাছিল। অসম আন্দোলনৰ লগত জনজাতীয় সমাজৰ সম্পৰ্কৰ বিষয়েও গোস্বামীৰ আত্মজীৱনীত তথ্য পোৱা যায়। অসম আন্দোলনত জনজাতি সকলৰ নৈতিক সমৰ্থন আছিল। বড়ো আন্দোলনৰ নেতা উপেন ব্ৰহ্মৰ লগত হোৱা কথা বতৰাৰ প্ৰসংগ আনি গোস্বামীয়ে লিখিছে যে, অগপৰ দায়িত্বহীনতা, সংকীৰ্ণ মনৰ ৰাজনীতিৰ বাবেই বড়োসকলে পৰৱৰ্তী সময়ত আন্দোলনৰ পথ ল'বলৈ বাধ্য হৈছিল।



অসম আন্দোলন যে এক ঐতিহাসিক প্ৰয়োজন আছিল আৰু ই তুলি ধৰা ৰাজনৈতিক প্ৰশ্নবোৰৰ গুৰুত্ব আওকাণ কৰিব নোৱাৰি, তাক সবিতা গোস্বামীয়েও স্বীকাৰ কৰিছে; কিন্তু এই আন্দোলনটোৰ মূল জনশক্তিক নেতৃত্বই সঠিক বাট দেখুৱাব নোৱাৰিলে বুলি লেখিকাই মত পোষণ কৰিছে। ১৯৮১ চনতে নতুন দিল্লীত হোৱা এখন আলোচনা সত্ৰত দিয়া সবিতা গোস্বামীৰ মন্তব্যই অসম আন্দোলনৰ ব্যৰ্থতাৰ আঁৰৰ কাৰণবোৰ উদঙাই দেখুৱায়-

"অসমৰ সমস্যাসমূহ নিৰ্ভেজাল সত্য। কিন্তু ইয়াৰ সমাধান ৰাজনৈতিক স্বাৰ্থৰ ঊৰ্দ্ধত হ'ব লাগিব। অসম আন্দোলনৰ নেতাসকলৰো ৰাজনৈতিক ভৱিষ্যত আন্দোলনৰ লগত সন্নিবিষ্ট হৈ আছে। গতিকে সমস্যাৰ 'সমাধান' ৰাইজৰ পক্ষলৈ যাব বুলি ভবাৰ থল নাই। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ দুৰ্ভাগ্য এয়ে যে আমাৰ দূৰদৰ্শী আৰু বিচক্ষণ নেতা নাই"। (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃ .১০৬)

অসম আন্দোলনৰ পিছৰ পৰাই অসমে আঞ্চলিকতাবাদ, বিচ্ছিন্নতাবাদ, জাতিসত্তাৰ পৰিচয় আদি নতুন কিছু প্ৰশ্নৰ লগত মুখামুখি হ'ব লগা হ'ল। ইফালে নাগৰিকত্বৰ প্ৰসংগত ১৯৫১ ৰ ভিত্তিবৰ্ষৰ চৰ্তত যি আন্দোলন চলিছিল, সেয়া ১৯৭১ বুলি পৰৱৰ্তী সময়ত নেতৃত্বই অসম চুক্তি স্বাক্ষৰ কৰোতে মানিও ললে। তেন্তে ছবছৰীয়া আন্দোলন এটাৰ, যিটো আন্দোলনে অসমৰ সমাজ জীৱনৰ কাঠামো সলাই পেলালে সেই আন্দোলনটোৰ সঁচাকৈয়ে প্ৰয়োজন আছিলনে? এনে প্ৰশ্নবোৰৰ উত্তৰ সন্ধান পৰ্বত "মন গংগাৰ তীৰত" এক নিৰ্ভৰযোগ্য আৰু সাংবাদিকৰ নিৰপেক্ষতাৰে বিচাৰ কৰা প্ৰামাণিক সমল।

অসম আন্দোলনে অসমৰ জাতীয় সমস্যাসমূহক লৈ এক বিশাল গণজাগৰণৰ সূচনা কৰাত আৰু অসমৰ প্ৰায় সমূহ জনসমষ্টিক একত্ৰিত কৰাত সফল হৈছিল। কিন্তু যি অনুপ্ৰবেশ সমস্যাৰ স্থায়ী সমাধানৰ বাবে এই আন্দোলন হৈছিল, সেই সমাধান এতিয়াও সম্ভৱ হৈ উঠা নাই। ১৯৮৫ চনৰ অসম চুক্তিৰ বহু চৰ্ত আৰু দফাৰ কাৰ্যকৰণ নোহোৱা আৰু তাৰ ৰূপায়ণত থকা কাৰিকৰী দুৰ্বলতাই এই আন্দোলনটোকেই অৰ্থহীন কৰি তোলাৰ উপক্ৰম ঘটালে। তাৰ বিপৰীতে এই আন্দোলনৰ পৰৱৰ্তী সময়ত, কোন 'অসমীয়া'- সেই প্ৰশ্নক লৈ বিতৰ্ক আৰু সংশয় বাঢ়ি আহিল। জনজাতীয় ৰাইজৰ লগত অজনজাতীয় সমাজৰ এক মানসিক দূৰত্ব আৰম্ভ হ'ল। জাতিটোৰ ধৰ্ম নিৰপেক্ষ চৰিত্ৰত আঘাত লাগিল। অসমত গোষ্ঠী সংঘৰ্ষ আৰু সাম্প্ৰদায়িক হিংসাৰ এক জঘন্য ইতিহাস অসম আন্দোলনে সৃষ্টি কৰিলে।

তথাপিও ৰাষ্ট্ৰৰ কৰ্তৃত্ববাদী চৰিত্ৰৰ সন্মুখত এক শক্তিশালী প্ৰতিৰোধ থিয় কৰোৱাৰ আৰু জাতীয় প্ৰশ্নবোৰক ৰাজনৈতিক মঞ্চলৈ লৈ যোৱাৰ ক্ষেত্ৰত নিশ্চিতভাৱে অসম আন্দোলনে কৃতিত্ব লব পাৰে। আমাৰ আলোচনাৰ মাজলৈ অহা দুয়োখন আত্মকথাই আন্দোলনটোৰ সমৰ্থন আৰু বিৰোধৰ লগত জড়িত বহু যুক্তি উন্মোচন কৰি দেখুৱায়। অৱশ্যে নিৰুপমা বৰগোহাঞিয়ে আৰম্ভণিৰপৰাই আন্দোলনটোৰ অগণতান্ত্ৰিক চৰিত্ৰৰ বিপৰীত স্থিতিত থিয় হোৱাৰ বিপৰীতে সবিতা গোস্বামীৰ স্থিতি বহু পৰিমাণে সাংবাদিকসুলভ আৰু সাংবাদিকৰ দৃষ্টিভঙ্গীৰে পৰিচালিত। স্কুলীয়া পৰ্যায়তে বাঁও আদৰ্শৰ গ্ৰন্থৰ পঢ়া-শুনা আৰু বন্ধুৰ সান্নিধ্যই এটা পোন ৰাজনৈতিক চৰিত্ৰ নিৰুপমা বৰগোহাঞিক ইতিমধ্যেই প্ৰদান কৰিছিল। সেইবাবে আন্দোলনটোৰ হিংসাত্মক চৰিত্ৰৰ বিৰুদ্ধে বৰগোহাঞিৰ সৰৱতা লক্ষণীয়; কিন্তু সবিতা গোস্বামীয়ে আন্দোলটোৰ বিপথগামিতা আৰু ব্যৰ্থতাৰ বাবে নেতা সকলক তীব্ৰ সমালোচনা কৰিলেও অসম আন্দোলনে তুলি ধৰা ৰাজনৈতিক দাবী

বোৰৰ গুৰুত্ব আৰু প্ৰাসংগিকতাক বহু ঠাইত দোহাৰিছে। ইয়াৰ উ পৰি গোস্বামীৰ স্বামী আৰু পৰিয়াল আৰম্ভণিৰ পৰাই আন্দোলনৰ সমৰ্থক আছিল; কিন্তু দুয়োখন আত্মজীৱনীৰ মাজত প্ৰকাশিত ঐক্যবোধ হ'ল যে দুয়োগৰাকী লেখিকাই অসম আন্দোলনৰ অগণতান্ত্ৰিক আৰু ফেচিবাদী চৰিত্ৰটোক বিৰোধিতা কৰিছে।

দুয়োখন আত্মজীৱনীয়ে অসম আন্দোলনে সৃষ্টি কৰা নৈৰাজ্য আৰু ৰাজনৈতিক ভৱিষ্যতহীনতাত দৃষ্টিপাত কৰাত সফল হৈছে। দুয়োখন আত্মজীৱনীয়ে অসমৰ সংবাদ জগত আৰু আন্দোলনৰ সম্পৰ্ক, আন্দোলনৰ নেতাৰ ভণ্ডামি, ৰাইজৰ আৱেগ আৰু আশীৰ অগ্নিগৰ্ভ সময়ৰ বহু চাঞ্চল্যকৰ ঘটনা উপঘটনাক পাঠকৰ সন্মুখত একেবাৰে অকপটে তুলি ধৰিব পাৰিছে।

'বিশ্বাস আৰু সংশয়ৰ মাজেদি'ত মাত্ৰ ৫৭ ৰ পৰা ৬২ খণ্ডলৈকে অসম আন্দোলন সম্পৰ্কীয় লেখিকাৰ অভিজ্ঞতা বিবৃত হোৱাৰ বিপৰীতে 'মন গংগাৰ তীৰত' গ্ৰন্থত এক বিস্তৃত অংশ অসম আন্দোলন আৰু আলফাৰ সংগ্ৰামে সামৰি আছে। যিহেতু আজীৱন সাংবাদিক হিচাপে কৰ্মৰত সবিতা গোস্বামীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক অস্থিৰতাক একেবাৰে সূক্ষ্ম পৰ্যবেক্ষণ কৰিবলৈ পাইছিল, সেয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ নানা উপলব্ধি আৰু ৰাজনৈতিক সামাজিক অভিজ্ঞতাবোৰ একেবাৰে অবিচ্ছিন্ন হৈ আত্মকথনত ঠাই পাইছে।

**প্ৰসঙ্গপুথি**


গোস্বামী , সবিতা । *মন গংগাৰ তীৰত* । গুৱাহাটী ঃ অসম বুক হাউচ, ২০১৭।

বৰগোহাঞি, নিৰুপমা। *বিশ্বাস আৰু সংশয়ৰ মাজেদি* । গুৱাহাটীঃ আখৰ প্ৰকাশ, ২০১৩।

গোহাঁই, হীৰেন। *তেজৰ আখৰে লেখা*। গুৱাহাটী ঃ লষ্টুডেন্ট ষ্ট'ৰছ, ২০১৭।

ডেকা, বসন্ত । *অভিসন্ধি প্ৰতাৰণা অসম আন্দোলন* । গুৱাহাটীঃ অৰ্কিড প্ৰকাশন, ২০১৭।

বৰুৱা, নবীন (সম্পা)। *নীলকণ্ঠী নিৰুপমা* । গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশন, ২০১৮।

বৰকটকী , অৰিন্দম (সম্পা)। *নিবেদন স্বজন- চিন্তা* । গুৱাহাটী ঃ ক্ৰান্তিকাল প্ৰকাশন, ২০১৬।




# Women Police: Employment Status and Issues of Concern in Nagaon and Golaghat District of Assam.


***Ayousree Dowara***
***Dr Karabi Konch***



**Abstract**

Police is the civil force of a state, responsible for the prevention and detection of crime and the maintenance of public order. It is the official organization that is responsible for protecting people and property, making people obey the law, finding out about and solving crime, and arresting people who have committed a crime. Women police refers to women who is a member of the police force. As the aim of the police force is to promote the welfare of society, it is constantly engaged in creating the conditions in which people can live and pursue their own affairs without interference from thoughtless individuals. The rights of every member in society are protected by the courts through the agency of the police force. Dedicated to the service of society, police personnel are prepared to work under any conditions to protect a person, sometimes even at the risk of losing their own lives. Police departments must foster diversity, inclusion, and equality of opportunity for all within their ranks. In India, women comprise nearly half the population, but are poorly represented in the police across most state. This study is an occasion to understand the situation of women in policing in Assam. In this paper attempt has been made to discuss the representation of women in police force in Assam with reference to women police in Nagaon and Gologhat districts and some of the issues and challenges confronted by them.



**Key Words:** Women Police, Policies, Issues and Challenges, Employment Status


## Introduction

India, like any other developing country, faces diverse challenges due to its geographical dimension, multi-lingual, multicultural and multi-ethnic character. India is also home to almost all the religions of the world and in the present scenario when religious fundamentalism is growing and complicating the problem of the governance, it poses challenges on the agencies that are entrusted with the task of maintenance of law and order.

The police force plays a vital role in the maintenance of law and order in society. The idea of a police force has been conceived centuries ago, when lawless acts were committed everywhere; but it was only in the nineteenth century that steps were taken to build up a strong police force in almost every country. The establishment of the police force, however, has changed the state of affairs in society. As the aim of the police force is to promote the welfare of society, it is constantly engaged in creating the conditions in which people can live and pursue their own affairs without interference from thoughtless individuals. The rights of every member in society are protected by the courts through the agency of the police force, which is therefore a source of inspiration and hope to all law-abiding citizens. Dedicated to the service of society, police personnel are prepared to work under any conditions to protect a person, sometimes even at the risk of losing their own lives.

Police departments must foster diversity, inclusion, and equality of opportunity for all within their ranks. In India, women comprise nearly half the population, but are poorly represented in the police across most states. (Borah, R.R. and A. Hazarika, 2016)

The objectives of the study are to understand the general organizational structure of the police force and to examine the women's representation in the police force in Nagaon and Golaghat district of Assam.

**Methodology**

In this study, both primary and secondary data are collected. The primary data were collected through the field visit to the Office of the Superintendent of Police, Police Reserve Office and police stations of Nagaon and Golaghat districts of Assam.

The sources of secondary data are collected from books, journals, theses and concerned websites.

This study was carried in Nagaon and Golaghat districts of Assam. A descriptive research design with descriptive method and tabulation have been used to analyse the data for the study. This is micro study and therefore conclusions drawn cannot be universal. The study is confined to women police in Nagaon and Golaghat District of Assam.

**Structure of the Police Force**

The state police forces are supervised by centrally-appointed officers belonging to the Indian Police Service, an All India Service which is recruited, trained and managed by the central government. These officers occupy the ranks of Deputy/Superintendent of Police and above and are responsible for overall supervision and management of policing functions within their stipulated jurisdictions. Police positions that are filled by state governments include upper subordinate ranks (Inspectors, Sub-Inspectors, and Assistant Sub-Inspectors) who work generally at the police station level and do much of the crime investigation work, and the police constables which consists of the bulk, i.e., almost 88% of police strength and carry out tasks like patrolling, guard duties, and public order duties. The head of the police force is the Director General of Police who is responsible to the state government for administration of the police force. (Prasad, D. 2016)



**Table 1: The Ranking Structure of the Indian Police**

| Levels | Designations |
|---|---|
| 1 | Director General of Police (IPS) |
| | Additional Director General of Police (IPS) |
| | Inspector General of Police (IPS) |
| | Deputy Inspector General of Police (IPS) |
| | Superintendent of Police (IPS) |
| | Additional Superintendent of Police (IPS) |
| | Assistant Superintendent of Police (IPS) |
| 2 | Deputy Superintendent of Police (SPS) |
| 3 | Circle Officer (SPS) |
| | Inspector |
| 4 | Assistant Sub – Inspector |
| | Head Constable |
| 5 | Constable |

The above table shows the ranking structure of the Indian police from top to bottom in the states and union territories. Indian Police Service (IPS) are recruited and trained at an All India level. State Police Service (SPS) are recruited and trained at the state level. From level 2 to 4 the police personnel are recruited and trained at the state level. It is possible for the SPS officers to be promoted to IPS, till the rank on Inspector General of Police. Level 3 officers can rise to the rank of Level 2-Deputy Superintendent of Police. In metropolitan cities the post of Commissioner of Police exists, equivalent to Assistant Director General of Police or Inspector General of Police in a larger metropolis.

Assam is divided into 34 police districts and 1 Commissionerate.

For further specialization of police work, the Assam Police has 16 branches: 1) Assam Police Radio Organisation, 2) Battalions, 3) Police Commissionerate, 4) Criminal Investigation Department, 5) Village Defence Organisation, 6) Vigilance and Anti-Corruption, 7) Assam Police Housing Corporation Ltd, 8) River Police, 9) The Bureau of Investigation (EO), 10) Border, 11) Special Task Force, 12) Railway Police, 13) Special Branch, 14) Fire and Emergency, 15) Chief Minister's Special Vigilance Cell, and 16) Training and Armed Forces.

The Assam Police is further divided into Armed Branches. Each police district has an Armed Police Reserve unit functioning under the direction of the District Superintendent of Police, which is the armed wing of the district police to "deal with an emergent law and order problem or any violent situation in the district, and for providing security guards or escort of violent prisoners, or such other duties as may be prescribed".[1]

There are also Armed Police Battalions across the state, “to be deployed under specific orders of the Director General of Police, to aid and assist the civil police in dealing with virulent and widespread problems of public disorder or other forms of violence, needing deployment of armed police beyond the resources of the District Police”.[2]

There are some differences in the rank nomenclature of the battalions. A commandant, equivalent in rank to Superintendent of Police, shall head each Armed Police Battalion. The commandant shall be assisted by a Deputy Commandant, equivalent in rank to Additional Superintendent of Police, who will be the Second-in-commandant of the Battalion. Each Battalion shall be divided into an appropriate number of Service Companies and a Headquarters Company, each of which will be headed by an Assistant Commandant, equivalent in rank to Deputy Superintendent of Police.[3]

The traditional but increasingly outdated view of policing as “man’s work”[4] is built on a patriarchal model of policing that views the work as physical, authoritative, forceful, dangerous, and hence inherently unsuitable to the so-called female physique and temperament. These powerful stereotypes persist, despite evidence to the contrary that strongly indicates not just the suitability of women to policing, but also the positive contribution they make.

**National Level Policies for Women Police**

Due to the increased attention on women’s safety in recent years, the Government of India has taken several initiatives emphasising the need for states including Assam to increase the number of women in their police forces. Key among these are:

1. The Ministry of Home Affairs in 2009 proposed 33 percent reservation for women police with the aim of improving the responsiveness of the law and order machinery in dealing with crimes against women and recommended each police station to have at least three women sub-inspectors and ten women police constables to ensure women help-desks are staffed at all times.
2. In 2016,Ministry of Home Affairs, proposed creating Investigative Units for Crimes against Women (IUCAW) at police stations in crime-prone districts across states. The planned 200 units comprising 15 personnel each will be equipped with specialised investigators dealing primarily with crimes against women and at least five of them will be women. The Ministry has laid down that a total of six IUCAWs are to be set up in Assam.
3. Modernisation of State Police Force Scheme: The State Action Plans for the year 2014-2015 under the Modernization of State Police Force Scheme to include
   - ➢ A provision for toilet facilities with adequate water supply, proper lighting and ventilation for women personnel at every police station, outpost and barracks
   - ➢ Provision for portable toilets wherever needed
   - ➢ A clean, secure rest room with proper ventilation and storage facilities for women police in each police station.



4. National Conferences for Women in Police (organized by Bureau of Police Research and Development in collaboration with states):
   a. Recruitment, Training and Posting (with a focus on conflict zones)
   b. Integration and Harmony (Work-Life balance)
      - ➢ Budget for work-life harmony fund with 5 years commitment for appropriate training programmes.
      - ➢ 100% accommodation for women constabulary level.
      - ➢ Mandatory weekly offs.
   c. Creating Gender sensitive work infrastructure and equipment.
      - ➢ Facilities like portable toilets for traffic duties and sanitary pad dispensers
      - ➢ Research to be commissioned on gender related health issues
      - ➢ Stationery duties at the early stage of the motherhood and at the crucial years of children’s education.
      - ➢ Children Care and Maternity Leave as per Central Government.
      - ➢ Policy of couple posting to be strictly implemented.
      - ➢ Separate tribunal to prosecute sexual harassment cases.

**State Level Policies for Women Police**

There are a number of state-level laws, policies and initiatives which directly impact women police in Assam. Please note this is not an exhaustive list of all the initiatives which have been piloted and established.

1. **The Assam Women (Reservation of Vacancies in Services and Posts) Act, 2005 [5]:** This Act provides reservations for women in government services and posts, including all offices of the state government, public sector undertakings, educational institutes, industries, businesses, and/or occupations, owned, controlled, managed, or aided by the state government. The only exception is for posts in the Assam Judicial Service. (Grade I) The Assam Police is thereby bound to reserve vacancies for women under this Act. Section 4 of the Act provides for 30 percent reservation for women against vacancies in all services and posts to be filled up by direct recruitment.

2. **Veerangana Unit:** A special unit within the Assam Police with a specific mandate to police crimes against women, called the Veerangana unit, was established in November 2012. It was created in the aftermath of the widely publicised molestation case on 9 July 2012 in which a gang of men brutally molested a 21-year-old girl outside a pub, in full public view, for over 40 minutes. Notably, the Veerangana unit is not mandated to conduct investigation, but rather, to take action on the spot.

3. **All Women Police Station Guwahati:** There is one more police-led initiative to respond to crimes against women established in Guwahati – the All Women Police Station Guwahati. Established as far back as 1993, the all women police station was established in the office and premises of the Panbazar Police Station and was to draw its all-women staff from

among the women police in Assam. (Borah, R.R. and A. Hazarika, 2016)

4. **Assam Vision Document 2016-2025:** The election manifesto (Assam Vision Document 2016-2025) of the current ruling party in Assam, the Bharatiya Janata Party (BJP), contained notable policy promises towards women's empowerment. Several of these pertain directly to women in policing. These are:

- Reserving 35 percent seats for women in all government services of Assam
- constructing women police stations in every district of Assam
- Ensuring sufficient female police personnel in every police station and district, etc.

**The Numbers and Representation of Women Police in Assam**

As on 1/1/2017, according to the annual statistics published by the Bureau of Police Research & Development (BPR&D), the total strength of police in Assam stood at 55,403, with actual strength of women police comprising of only 3,033 i.e., 5.47% in state police. Unfortunately, Assam ranked one of the lowest in India in terms of representation of women in its police at just about 2.16%.

**Table 2: Number of Police in India and Assam**

| | Actual strength of police (AB+UB) | Actual strength of women police (AB+UB) | Percentage of women police in state. | Percentage of women police in total. (INDIA) |
|---|---|---|---|---|
| ASSAM | 55,403 | 3,033 | 5.47 | 2.16 |
| INDIA | 1,926,247 | 140,184 | 7.28 | 7.28 |

Source: Chapter 12 (Women In Police) of Data on Police Organisations (BPR&D)

Data from the Bureau of Police Research and Development has revealed that women account for only 7.28% of all police personnel. At the top, the numbers are even more dismal, with less than 1% of senior positions being occupied by women. Even as the rate of crimes against women has increased in the past few years, the glaring lack of women police personnel raises important questions not just about effective policing but also about the place of women in society.

**Table 3: Number of women police in Nagaon and Golaghat Districts of Assam**

| | Actual strength of police (AB+UB) | Actual strength of women police(AB+UB) | %of women police in district. |
|---|---|---|---|
| GOLAGHAT | 621 | 72 | 11.59 |
| NAGAON | 1,284 | 145 | 11.29 |

Source: Official data from Police Reserve office of Nagaon and Golaghat.



**Golaghat District Profile**

The name "Golaghat" originated during the mid-part of 20th century from the shops established by the 'Marwari' businessman at the bank of river Dhansiri near present Golaghat Town. The word "gola" means shops and "ghat" means the landing areas of ships and ferry in the river. It is now an administrative district which got its status as district in the year 1987. The geographical area of Golaghat district is 3502.00 Sq. Km with a total Population of 1,066,888 according to 2011 Census. There are a total of 4 sub divisions with 6 circles. There are 12 police stations in Golaghat district with 4 assembly constituencies.

**Table 4: Statement of the Police Force of Golaghat**

| Sl. no. | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1. | S.P. | 1 | 1 | 0 |
| 2. | Addl. S.P. | 1 | 1 | 0 |
| 3. | Dy.S.P. | 3 | 2 | 1 |

Source: Official Data Collected from Police Reserve, Golaghat on 10/05/2018

**Table 5: Statement of Un-Armed Staff of Golaghat**

| Sl. no | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1. | Inspector | 6 | 6 | 0 |
| 2. | Sub-inspector | 39 | 38 | 1 |
| 3. | ASI | 42 | 42 | 0 |
| 4. | Head constable | 31 | 31 | 0 |
| 5. | Naik | 8 | 8 | 0 |
| 6. | Constable | 320 | 259 | 61 |
| 7. | TOTAL | 446 | 384 | 62 |

Source: Official Data Collected from Police Reserve, Golaghat on 10/05/2018

**Table 6: Statement of Armed Staff of Golaghat**

| Sl. no. | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1. | ABI | 1 | 1 | 0 |
| 2. | ABSI | 3 | 3 | 0 |
| 3. | HAVILDAR | 9 | 9 | 0 |
| 4. | NAIK | 3 | 3 | 0 |
| 5. | LANCE NAIK | 6 | 6 | 0 |
| 6. | CONSTABLE | 151 | 141 | 10 |
| 7. | DRIVER CONSTABLE | 2 | 2 | 0 |
| 8. | TOTAL | 175 | 165 | 10 |

Source: Official Data Collected from Police Reserve, Golaghat on 10/05/2018

As on 10/5/2018, according to the data collected from the Police Reserve office, in Golaghat district of Assam, the actual strength of police is 621 both armed and unarmed branch and out of which the women police consist of only 71 i.e., 0.13% of total police in Assam and 11.59% of police force in the district.

**Nagaon District Profile**

Nagaon, is the birth place of the Vaishnavite reformer Srimanta Sankardeva, who brought about a resurrection to the people of Assam. It is an old district which formed by the old British administrators. Nagaon is located in the very heartland of Assam which falls directly at the centre of the entire northeast of India. The geographical area of Nagaon district is 3993 Sq. Km. according to 2011 census the total population of Nagaon District is 2,823,768. There are 10 circles and 2 subdivisions. The total of Police Stations in Nagaon district is 22 and there are 11 assembly constituencies in the whole of Nagaon district.

**Table 7: Statement of the Police Force of Nagaon**

| Sl. no. | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1 | S.P. | 1 | 1 | 0 |
| 2 | Addl. S.P. | 2 | 2 | 0 |
| 3 | Dy. S.P. | 5 | 4 | 1 |

Source: Official Data Collected from Police Reserve, Nagaon on 21/05/2018

**Table 8: Statement of Un-Armed Staff of Nagaon**

| Sl. no. | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1 | Inspector | 6 | 6 | 0 |
| 2 | Sub-inspector | 86 | 84 | 2 |
| 3 | ASI | 79 | 78 | 1 |
| 4 | Head constable | 88 | 88 | 0 |
| 5 | Naik | 39 | 39 | 0 |
| 6 | Constable | 582 | 478 | 104 |
| | TOTAL | 880 | 773 | 107 |

Source: Official Data Collected from Police Reserve, Nagaon on 21/05/2018



**Table 9: Statement of Armed Staff of Nagaon**

| Sl. no. | Categories of post | Actual strength | Men | Women |
|---|---|---|---|---|
| 1 | ABI | 1 | 1 | 0 |
| 2 | ABSI | 7 | 7 | 0 |
| 3 | HAVILDAR | 36 | 36 | 0 |
| 4 | NAIK | 11 | 11 | 0 |
| 5. | LANCE NAIK | 8 | 8 | 0 |
| 6 | CONSTABLE | 311 | 273 | 38 |
| 7 | DRIVER CONSTABLE | 30 | 30 | 0 |
| 8 | TOTAL | 404 | 366 | 38 |

Source: Official Data Collected from Police Reserve, Nagaon on 21/05/2018

As on 21/5/2018, according to the data collected from the Police Reserve office, in Nagaon district of Assam, the actual strength of police is 1284 both armed and unarmed branch and out of which the women police consist of only 145 i.e., 0.26% of total police in Assam and 11.29% of police force in the district. There are a total of 22 police stations and outposts in the district and it is one of the police district of Assam.

**Issues of Concern**

Discussions about writers creating women characters usually centre around male authors. How did Shakespeare create Portia or Lady Macbeth, how did he know the deepest motivations of their psyches, how was he so aware of the inner workings of their minds? How did Tolstoy create the character of Natasha in War and Peace with such stunning verisimilitude? How did Rabindranath Tagore get the character of Charulata, her motivations and her reactions to the world and happenings all around her, so very spot on? How did Birendra Kumar Bhattacharjee, the Gyanpeeth winner from Assam, create the character of the young girl, Mehr, in his unforgettable novel Kobor Aru Phool?

Writing fiction, whether short stories, novels or flash fiction, means that one has to create the microcosm of a world itself. This means that usually male as well as female characters have to be created in order to take the story forward. For the sake of creating that microcosm of the world that can best project the author's vision and take the story forward through interaction of character and incident, both men and women personalities are necessary. IN the interests of the plot and narrative, it may so happen that either gender can be somewhat peripheral. And yet a good writer, whether a man or woman, has to make sure that even these "side" characters are more than cardboard cutouts. They have to be shaded in enough to give them verisimilitude, so that they do not shatter the illusion with a jarring note, or destroy the world that the author is creating so painstakingly, with an unconvincing "tone".

Somewhat surprisingly, though, the reverse is not asked of women writers. How can women create such unforgettable characters as Heathcliff or Indranath? It is never, or hardly ever, asked of them how difficult it was to create these characters. Which, really, is a compliment to their prowess, in a convoluted kind of way! Because it is taken for granted that women can create, in fiction, men and women both, with equal felicity!

It is of course true that till recently, women in general were restricted to the domestic sphere. As a result, the breadth of experience and exposure available to men were denied.

They could not travel beyond the four walls of the house much, that too, hardly ever alone. Accompanied by men of the family, there was a limit to the kind of exposure they must have had. The opportunity to listen to the different cadences in the talk, the conversations between people of varied social spheres, was possibly missing to them. Chances to even get a first hand impression of the concerns of people of a different social milieu from theirs were limited, except, perhaps through the stories and the conversational rhythms of the help around the house.

But even so, one would think, opportunities for observation itself, were not lacking within these parameters. There were the men, who moved freely from the inner to the outer worlds, and vice versa. Through their stories, their conversations, the world outside was brought within the sheltered domain of the educated, middle class woman of the past. Coloured by their imaginations, these often resulted in poetry rather than fiction, as seen in the beautiful songs of Nalini Bala Devi. Often, but not always, these were devotional in character. They were also effulgent outpourings about the beauties of nature around them.

Gradually, though, as Indian women began to move around more freely, notably during and after the freedom struggle, their exposure to the world around them increased greatly. They could also access it through different media, through papers, books and films, and later, through TV. Even those who, for whatever reason, could not or did not venture out much beyond their immediate environments, could be inspired by these stories and images of the outer world. And today, with so many screens, so many audio visual inputs coming in constantly on all sides, there is really no lack of stimulus for any person who wishes to write, man or woman.

Women such as Nirupama Borgohain and Indira Goswami have had a wealth of experience, quite unlike that of the sheltered women of the past. The women in the latter's characters are often rooted in reality, after, of course, having passed through the lenses of her individual perspective, her point of view, and her core values of humanism. The unforgettable character of Damayanti in her short story "Sanskar" is beautifully layered. There is that of a poverty stricken widow, whose only currency is her beauty, which she uses in order to bring up her children. And yet, even in the depths of her penury and her use of her body, the pride she has in her Brahmin lineage overcomes even her maternal or human feelings, as she destroys the foetus within her womb, because it was sired by someone who was not of the same caste, the same lineage as her. This pride in ancestry is the only thing that, for her, gives her dignity even in the squalor of her surroundings and circumstances.

"Point of View" is a concept that is of great importance in the fashioning of a story. It is one of the important tools that a fiction writer uses. From whose point of view will the narrative move forward? The writer has a theme in mind, sometimes several, which need plot, character and incident in order to establish, and move forward. It is notable that many women writers "speak" through the point of view of a woman character. In "Sanskar", the



point of view is that of the protagonist, who had to be a woman. But Indira Goswami was too good a writer to make her men into cardboard figures. The character of the rich Mahajan, Pitambar, too, is delineated with empathy.

It is this inevitability of gender that is seen in many stories of the time. Shaped as they are by a stifling social milieu, they are women who nevertheless rise above them, usually, in their own ways, through the internal logic of the different stories. In "Dontal Hatir Uiyey Khowa Howdah" the character of Giribala rebels and rises above her circumstances by showing, finally, that she is in control of her life, and has the right to end it, or not, according to her own wishes, when she simply refuses to come out of the burning hut into which she is made to go in to "purify" her for her various transgressions as a widow. She claims agency for herself when, instead of simply going in momentarily and coming out unscathed, she prefers to immolate herself.

In Arupa Patangia Kalita's novel Felanee, too, the protagonist, in spite of the many bludgeonings she receives from society and fate, refuses to go under. "And Still I Rise", she could be saying as, in spite of all the many horrors she goes through, she still sees beauty in her rural surroundings, and in friendship.

Often, it is seen that the concept of "Point of View" dictates the choice of the gender of the character, whether a protagonist or antagonist or a comparatively minor character. Through whose eyes is the story to be told? Even in the third person mode, there are limitations. Even before the first word is keyed into the computer, there are of course several decisions to be made, a primary one being : through whose eyes will the narrative unfold? This is one of the most important decisions that a fiction writer has to make, for much of the telling of the story depends on this

To give an example from my own work, I would like to mention here the several false starts I had made while writing my novel, "A Monsoon of Music," all of which centred around the choice of "Point of View." With this was also linked the very tone and tenor of the novel. At first I tried a chapter or two through the eyes of Rahul, since, as a non-musician, it would bring, I thought, an objective point of view to this novel about four professional Shastriya Sangeet musicians. But that, I found almost immediately, was a limitation. I then tried it through the point of view of the Guruma, Sandhya Senapati, since her story and that of Namita, her student, are interwoven. But the tone became too sober, because, possibly, her character was such. Finally, I settled on the narrative voice of Namita herself. I don't think the fact that she is a woman had anything much to do with this choice, since my first option was in any case a man, Rahul. It was just that her place in the story, where she has to make several very important choices, stood for the choices that most committed musicians have to make at an early stage of their careers. This was what was more important to me than the gender of the person through whose eyes we see the narrative unfolding. And towards the end, when I wanted to give an important aspect of Guruma's life, I chose the

device of flashbacks, interspersed with a parallel drama that unfolds in "real time."

Also, then, there is the question of what the story demands. The narrative itself demands that the protagonist should be of a particular gender. For instance, in my short story "The Choice" (in the collection "A Full Night's Thievery") the narrative is a dramatic monologue, told by an unnamed Rudra Veena player, at a critical moment in his life. This very fact of his being a Rudra Veena player, dictated that the protagonist should be a man, because there are very few, if any Rudra Veena players who are women. The decision to make his, the narrative voice, fell into place at that point. And then, just as naturally came the decisions about the form the story should take: a dramatic monologue, related in the first person, with shifts in time.

Indeed, there are several stories in this collection where the central figure is male, though again there are many where there are women at the centre. It is the demands of the story that decide this. And since characters of any gender are fashioned according to the requirements of the story, it is upto the fiction writer to flesh them out, bringing in nuances that are character specific while also bringing in aspects of context, of historicity, of social conditioning and whatever else she feels is important and relevant. It is here that the author's imagination, that aspect of writing that is of vital importance, comes into play. Creating characters who exist only in the mind of the writer, and fleshing them out so that they become vivid, and lifelike, and are, importantly, instrumental in taking the story forward and are within its context, is one of the greatest challenges that a fiction writer faces. From the interaction between judiciously created and placed characters comes incident and plot. The characters have to be "real", not as in being realistic, but as in meshing in with the demands and logic of the story.

Actually, I would think, it is not a question of a specific skill that comes into play when a writer fashions a character who is of a different gender than he or she herself is. Ultimately, it comes down to empathy, to having a clear idea in her head of the kind of character she needs to take the story forward.

There are also questions such as getting right the "tone" of the dialogue that each character is given to speak. In this, observation, experience and imagination too come into play. Once again, Indira Goswami's characters speak in tongues that are absolutely unique. She used the tongue of rural Kamrup for some of her women characters that she situated in sattras and villages, thus giving them an earthiness that no translator can replicate in another language. Yet other characters who are educated and comparatively well travelled speak in tones that are more akin to "Standard Assamese".

Jane Austen whose characters, whether men or women, are all impeccably drawn, never created a scene where there are only men. Always, the perspective is through the eyes of the women. This, it is said, is because she was not familiar with what men might say to each other while alone. Certainly, the times she lived in would not allow for her to study the



conversations or body language of men when they conversed among themselves. And it is true that even today, when there is nobody of the opposite gender in a gathering, when it is solely either men or women taking part in a conversation or an activity, people do tend to talk "differently", and body language too is different, than if it was a mixed gathering.

But perhaps, even so, what was true of Jane Austen's time does not hold not true today, when such strict social mores have changed. Men and women, both, characters are compellingly drawn by women writers. Indira Goswami's Indranath for instance is painted in many shades.

One aspect about women writers creating women characters is perhaps something that may seem a little odd at first. But closer examination will show that there is truth in this. Women, it can be argued, "understand" women. This is sometimes the difficulty. There are so many motivations, so many nuances, so many stimuli that make women behave as they do. Even from the purely physical point of view, a woman will know and understand, say, the mood swings that may be the result of the protagonist's menstrual cycles. These complexities can be daunting to portray, and weave into the fabric of the narrative, though of course it is nobody's case that it has not been done.

The thing about women characters in fiction is that male writers have often been hailed for getting them pitch perfect. It is an amalgam of observation and imagination through which such characters as Somerset Maugham's Mildred in "Of Human Bondage", Hardy's Tess, and so many others were created. And yet when a woman writer creates a memorable female character, she is generally not hailed with so much enthusiasm and wonder. And yet, it takes as much effort to create a memorable character whether the writer is a man or a woman!

As far as my own writings are concerned, again, it is the demands of the narrative that decide whether the protagonist is to be male or female. But I do feel that other things being equal, I do veer towards women and girls as central characters. To take my very first book, a children's story, "Mamani's Adventure", the protagonist could just as easily have been a little boy instead of a six year old girl. The same is true of my second book for the same age group, "Chumki Posts a Letter." The first describes how a little girl in a tea garden in Assam saves their carefully cultivated sugar cane patch from an elephant. This she does with care and love, offering the elephant, too, a piece of the cane as he retreats. The requirements of the story could just as easily have been met if the protagonist was a boy. But while fashioning the story, I instinctively made the protagonist a little girl, even though she did have a brother, Moina. Was it because I felt an affection towards her, that perhaps I would not have, to Moina? A tenderness, even? Yes, this is stereotyping, but even so, male and female characters evoke different feelings in their creators, depending on their characteristics, of course, but also, I would argue, on their gender.

Perhaps, also, women writers, quite aware of the struggles that their own gender has to face in our patriarchal society, instinctively move towards women protagonists in their work, as vehicles that will showcase these injustices and aspects. My character Rukmini, the protagonist of "The Collector's Wife", had to be a woman. Having the Collector himself as the protagonist would not do, for through him I would only be able to give the official point of view. As his wife, she is placed in a position through whose eyes I could give a wide-angle view of what was happening around her at that time. Through her, I could give the "official" point of view as well as that of the students, since she teaches in a local college. Through her, I could give a picture of what was happening in the town, and in the State around her. In my imagination, and through observation of similarly-placed women in such situations, I fleshed her out as a person, rather than as a symbol merely : her loneliness, her need for companionship, her isolation. As events progress, she evolves, displaying a grit in her personal as well as public life that she did not have in the beginning.

Actually, and to reiterate, good writings transcend gender restrictions. It is as difficult, I would think, for a woman writer to create a convincing, unforgettable character, whether male or female, as it is for a man.



# নাৰীবাদী দৃষ্টিভংগীৰে শেহতীয়া চিনেমা ঃ ধৰ্ষণ যেতিয়া বিষয়বস্তু

*মনোজ বৰপূজাৰী*

নাৰীবাদী চিনেমা তাত্ত্বিকসকলৰ অন্যতম ক্লেয়াৰ জনষ্টনে ১৯৭০ৰ দশকতে কৈছিল যে নাৰীৰ এটা 'প্ৰকৃত' ভাবমূৰ্তি আছে যিটো পুৰুষৰ মতাদৰ্শৰে নিয়ন্ত্ৰিত চিনেমাই তুলি ধৰিব নোৱাৰে আৰু এই অভাৱ বা অপূৰ্ণতা পূৰণ কৰিবলৈ নাৰীক নিজৰ ভাবমূৰ্তি চিনেমাৰ জৰিয়তে উপস্থাপনৰ অধিকাৰ দিব লাগিব। তেওঁ ইয়াত "পুৰুষৰ মতাদৰ্শৰে নিয়ন্ত্ৰিত চিনেমা" বুলি কওঁতে চিনেমাৰ নিৰ্মাতাজন কেৱল পুৰুষ বুলি বুজোৱা নাই। কাৰণ নাৰী নিজেও এই মতাদৰ্শৰ নিয়ন্ত্ৰণত থাকিব পাৰে আৰু সেইটোৱেই সচৰাচৰ দেখা যায় পুৰুষতান্ত্ৰিক প্ৰভাৱৰ হেতু। খুব কম সংখ্যক নাৰীহে 'পুৰুষৰ মতাদৰ্শ'ৰ বাহিৰত অৱস্থান কৰিবলৈ সমৰ্থ হয়। সেইদৰে মুষ্টিমেয় পুৰুষেহে এই মতাদৰ্শ বা ধ্যান-ধাৰণাৰ ঊৰ্ধলৈ গৈ নাৰীৰ 'প্ৰকৃত' ভাবমূৰ্তি চিনেমাত তুলি ধৰিব পাৰে। অৰ্থাৎ নাৰীবাদ যদি হাতে-কামে চলচ্চিত্ৰ মাধ্যমত প্ৰয়োগ কৰা হয়, তেন্তে তাৰ প্ৰয়োগকৰ্তা নাৰী হ'ব লাগিব বুলি কথা নাই, বোধৰ শিপা গভীৰলৈ গ'লে পুৰুষ পৰিচালকৰদ্বাৰাও সেইটো সম্ভৱ হয়।

এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথাটো হ'ল 'দৃষ্টি'— যিটো প্ৰসিদ্ধ নাৰীবাদী চলচ্চিত্ৰ তাত্ত্বিক লৰা মালভেই 'Gaze' বুলি কৈছে। ১৯৭৩ চনত আমেৰিকাৰ এখন বিশ্ববিদ্যালয়ত পঠিত তেওঁৰ যুগান্তকাৰী ৰচনা *Visual Pleasure and Narrative Cinema* ঃ তাতেই তেওঁ পৰৱৰ্তী কালৰ বহুচৰ্চিত 'male gaze' ধাৰণাটোৰ যুক্তিগ্ৰাহ্য উপস্থাপন কৰিছিল। ইয়াত তেওঁ দেখুৱায় কিদৰে হলীউডৰ চিনেমাই দৰ্শকক আকৃষ্ট কৰিবলৈ ফ্ৰয়েড কথিত এটা কৌশল ব্যৱহাৰ কৰে। সি হ'ল চাক্ষুষ দৰ্শনৰ দ্বাৰা যৌনসুখ লাভৰ বাসনা (scopophilia)। ফ্ৰয়েডীয় ব্যাখ্যা অনুসৰি স্কপ'ফিলিয়া হ'ল মানুহৰ এটা প্ৰাথমিক প্ৰবৃত্তি, শৈশৱৰ কৌতূহল, গুপ্ত বস্তু চোৱাৰ ঔৎসুক্যৰ লগত যাক সহজে ৰিজাব পাৰি। প্ৰেক্ষাগৃহত দৰ্শকে চাক্ষুষ অভিজ্ঞতাৰে সুখলাভৰ আশা কৰে আৰু এই ক্ষেত্ৰত হলীউডে দৰ্শকৰ প্ৰত্যাশা পূৰণৰ বাবে সবাতোকৈ কাৰ্যকৰী আহিলা হিচাপে ব্যৱহাৰ কৰে নাৰী চৰিত্ৰক। প্ৰভাৱশালী পুৰুষতান্ত্ৰিক ধ্যান-ধাৰণাৰ লগত মূলসুঁতিৰ চিনেমাই দৈহিক সম্ভোগৰ তাড়নাক এনেদৰে মিলায় যে দৰ্শকে সহজে কোনো চৰিত্ৰক যৌন-উদ্দীপক দৃশ্য-বস্তুলৈ ৰূপান্তৰিত কৰি সুখ লাভ কৰে। মালভেই ইয়াক হলীউডী ৰীতিৰ যাদু বুলি কৈছে, যিটো ৰীতিৰদ্বাৰা প্ৰভাৱিত আনবোৰ চিনেমাকো তেওঁ এই ক্ষেত্ৰত সাঙুৰি লয়।

"The magic of the Hollywood style at its best (and of all the cinema which fell within its

sphere of influence) arose, not exclusively, but in one important aspect, from its skilled and satisfying manipulation of visual pleasure. Unchallenged, mainstream film coded the erotic into the language of the dominant patriarchal order."— মালভেই লিখিছিল। [Mulvey 805]

হলীউড ৰীতিৰদ্বাৰা গভীৰভাৱে প্ৰভাৱিত হোৱা হেতুকে ভাৰতৰ মূলসুঁতিৰ হিন্দী চিনেমাক 'বলীউড' বুলি ক'বলৈ লোৱা হৈছিল। ব্ৰিটিছ ভাৰতত নগৰীকৰণ আৰু ঔদ্যোগীকৰণৰ লগে লগে বাঢ়ি অহা দৰ্শক সমাজক ছবিঘৰৰ আন্ধাৰত বিশেষ সুখলাভৰ সুবিধা চিনেমাই দিছিল আৰু তাৰ বাবে চতুৰ ব্যৱসায়ীমহলে নাৰী চৰিত্ৰৰ কাট-আউট আৰু আকৰ্ষণীয় পোষ্টাৰ বজাৰত মেলি দৰ্শকক প্ৰলোভিত কৰিছিল। সেইবাবেই চিনেমাৰ লগত তদানীন্তন স্বাধীনতা সংগ্ৰামী ভাৰতৰ ৰাজনৈতিক নেতৃত্বই আত্মীয়তা অনুভৱ কৰা নাছিল; আনকি গান্ধীজীয়ে চিনেমাক "দুৰাচাৰী প্ৰযুক্তি" (sinful technology) বুলিও অভিহিত কৰিছিল, (বৰপূজাৰী ৭৪) — যদিও গান্ধীজীয়ে নজনা নাছিল যে স্বাধীনতা সংগ্ৰামৰ অংশ হিচাপে অস্পৃশ্যতা বৰ্জন, সাম্প্ৰদায়িক সম্প্ৰীতি, বাল্য বিবাহ প্ৰথা নিৰ্মূল আদি যিবোৰ সামাজিক সংস্কাৰৰ কাৰ্যসূচী হাতত লোৱা হৈছিল সেইবোৰে ছবিনিৰ্মাতাসকলকো প্ৰভাৱিত কৰিছিল, যাৰ ফলশ্ৰুতি আছিল ফ্ৰাঞ্জ অষ্টেন পৰিচালিত ***অচ্ছুত কন্যা*** (১৯৩৬), ভি শান্তাৰামৰ ***দুনিয়া না মানে*** (১৯৩৭) আদিৰ দৰে ছবি। হিমাংশু ৰায়ে বহু চেষ্টা কৰিও ***অচ্ছুত কন্যা*** গান্ধীজীক দেখুৱাব নোৱাৰিলে; জৱাহৰলাল নেহৰুৱে অৱশ্যে ছবিখন চাই মুগ্ধ হয় আৰু মুখ্য চৰিত্ৰত অভিনয় কৰা দেৱিকা ৰাণীলৈ এখন পত্ৰ লিখি অভিনন্দন জনায়। (গৰ্গ ৯৪-৫)

ৰবীন্দ্ৰনাথ ঠাকুৰেও ছোভিয়েট ৰুছিয়াৰ বাস্তৱবাদী ছবি চোৱাৰ আগলৈকে চিনেমাৰ প্ৰতি সম্পূৰ্ণ নেতিবাচক মনোভাৱ পোষণ কৰাৰ লগত (মুখোপাধ্যায় ২৩) হলীউড-বলীউডৰ স্কপ'ফিলিয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ সম্পৰ্ক থকাটো নুই কৰিব নোৱাৰি। কিন্তু লিংগভিত্তিক অসমতাৰ কাৰণে চিনেমাৰ জৰিয়তে এনে সুখলাভৰ ক্ষেত্ৰখনো বৈষম্যপূৰ্ণ হৈ ৰয়। পুৰুষতান্ত্ৰিক সমাজত পুৰুষেই সকলো ক্ৰিয়া-কৰ্মৰ নিয়ন্ত্ৰক, গতিকে ঘৰৰ চৌহদৰ বাহিৰত কৰ্মসংস্থান, শিক্ষা-দীক্ষা, আনকি শিল্প-কলা চৰ্চাতো নাৰীৰ অংশগ্ৰহণ প্ৰায় নিষিদ্ধ আছিল। ক্ৰমাৎ উদাৰনৈতিক শিক্ষাৰ পোহৰতহে নাৰীৰ অধিকাৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। তথাপি এই বৈষম্য আজিও প্ৰভাৱশালী। মালভেৰ আন এটা উক্তি এই সন্দৰ্ভত প্ৰণিধানযোগ্য—

"In a world ordered by sexual imbalance, pleasure in looking has been split between active/ male and passive/female. The determining male gaze projects its phantasy on to the female figure which is styled accordingly. In their traditional exhibitionist role women are simultaneously looked at and displayed, with their appearance coded for strong visual and erotic impact...." (Mulvey 808-9)

স্বাভাৱিকতে, যৌনসুখ-তাড়িত চিনেমাত যেতিয়া পুৰুষসুলভ দৃষ্টি বা male gaze-এ মুখ্য ভূমিকা লয়, তেতিয়া নাৰী চৰিত্ৰ যৌন-দৃশ্যবস্তু বা sexual object হিচাপেই উপস্থাপিত হয়। এই উদ্দেশ্য নিহিত থকা মূলসুঁতিৰ চিনেমাত নাৰীৰ উপস্থিতি অপৰিহাৰ্য, indispensable; আৰু সি গতানুগতিক কাহিনীপ্ৰধান ছবিত [normal narrative film] গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তাত চিনেমাৰ পুৰুষ প্ৰটাগনিষ্ট আৰু প্ৰেক্ষাগৃহত অভ্যস্ত মানসিকতা বা পুৰুষসুলভ দৃষ্টিৰ দৰ্শকসকলৰ দৰ্শনভংগী মিলি যায়। বহু সময়ত একোখন চিনেমাত স্বতন্ত্ৰ হিচাপে প্ৰথমে প্ৰতিষ্ঠা কৰা নাৰী চৰিত্ৰটো ক্ৰমাৎ নিজস্বতাহীন সত্তালৈ পৰিণত হয়, মুখ্য



পুৰুষ চৰিত্ৰটোৰ ইচ্ছাধীন হ'বলৈ ধৰে, আৰু তেতিয়া সেই মুখ্য পুৰুষ চৰিত্ৰৰ সৈতে একাত্ম হোৱা দৰ্শক সমাজেও নাৰী চৰিত্ৰটো নিজৰ আজ্ঞাধীন বা ইচ্ছাধীন বুলি বিবেচনা কৰে। চিনেমাৰ এই ভূমিকাৰ কথা বিশ্লেষণ কৰোঁতে মালভেই প্ৰধানকৈ দৃশ্য-প্ৰতিমাৰ ওপৰতে নিৰ্ভৰ কৰিছিল। কেমেৰা প্ৰযুক্তি আৰু কেমেৰা গতিবিধি ঃ চলচ্চিত্ৰ নিৰ্মাণৰ দৃশ্যকৌশলবোৰ হ'ল কেমেৰাৰ প্ৰযুক্তি (camera technology) আৰু দৃশ্যতঃ উপস্থাপিত কাণ্ড-কাৰখানা হ'ল কেমেৰাৰ গতিবিধি (camera movements)— এই দুটাৰ ওপৰত তেওঁ বিশেষ জোৰ দিছিল আৰু বাস্তৱতাই বিচৰা সংযুক্তি বা সংশ্লেষণৰ কামটো সম্পাদনাই (editing) নিৰ্ধাৰিত কৰে যদিও সম্পাদনাৰ কামটো অদৃশ্য (invisible) বুলি তেওঁ অভিমত দিছিল।

মালভেৰ এই কথাখিনি চিনেমাৰ নাৰীবাদী বাগ্‌ধাৰাৰ ক্ষেত্ৰত মাইলৰ খুঁটি আছিল বাবেই তেওঁৰ উল্লিখিত গৱেষণা-পত্ৰখনিৰ প্ৰাসংগিকতা কেতিয়াও নকমে। ৰচনাখন পঠিত হোৱাৰ দুবছৰ পাছত কিছু হাত ফুৰাই তেওঁ সেইখন প্ৰকাশ কৰে। পিছে লক্ষণীয়ভাৱে তেওঁৰ সেই ব্যাখ্যা-বিশ্লেষণত চিনেমাৰ দৃশ্যমান সম্পদখিনিয়ে গুৰুত্ব লাভ কৰাৰ বিপৰীতে চিনেমাৰ নিৰ্মিতিত আন এক অতিশয় তাৎপৰ্যপূৰ্ণ ভূমিকা লোৱা শব্দ সংযোজনাৰ দিশটো উপেক্ষিত হৈ ৰয়। চিনেমাত ছাউণ্ড ডিজাইনো এটা প্ৰযুক্তিনিৰ্ভৰ উপাদান আৰু স্পষ্টকৈ ক'বলৈ গ'লে শব্দ সংযোজনাও এই দৃশ্য-শ্ৰাব্য মাধ্যমটোত লিংগ বৈষম্যৰ আধাৰ হৈ উঠিব পাৰে। এই সম্পৰ্কীয় তাত্ত্বিক বিশ্লেষণৰ গুৰি ধৰে ১৯৮৮ চনত প্ৰকাশিত *The Acoustic Mirror : The Female Voice in Psychoanalysis and Cinema* নামৰ এখন গ্ৰন্থৰ লেখিকা কাজা ছিলভাৰমেনে। আমেৰিকাৰ এইগৰাকী যশস্বী কলা-বুৰঞ্জীবিদৰ যুক্তিপূৰ্ণ নিৰেদন আছিল এয়ে যে নাৰীবাদী চিনেমা তত্ত্বৰ আলোচনাত দৃশ্যই যিমান গুৰুত্ব লভিছে শব্দ বা ধ্বনিয়ে সিমান গুৰুত্ব পোৱা নাই। দৰ্শকে চিনেমাত দেখা এটা উৎস বা চৰিত্ৰৰ পৰাই শব্দৰ সৃষ্টি হোৱা বুলি ধৰি লয়; কিন্তু নিৰ্মাণৰ কৌশলত দৃশ্য আৰু ধ্বনি গৃহীত হয় পৃথকভাৱে আৰু পৃথক যন্ত্ৰৰ সহায়ত। ছবিত ধ্বনি সংযোজন কৰা হয়, আনকি দৃশ্যাংশ বা ছিকুৱেন্সৰ চূড়ান্ত সম্পাদনা হৈ যোৱাৰ পাছতো পৃথকভাৱে সংগৃহীত বা গৃহীত হোৱা শব্দ-ধ্বনি সংযোজন কৰা হয়।

এই শব্দকল্পৰ (sound image) ক্ষেত্ৰতো বৈষম্য বিৰাজ কৰা দেখা যায়। পুৰুষ হয় কৰ্তৃত্বসুলভ, তেওঁৰ কণ্ঠত দৃঢ় প্ৰতিবাদ আৰু অভয় দানৰ সুৰ ধ্বনিত হয়, আৰু তাৰ বিপৰীতে নাৰীৰ কণ্ঠস্বৰত থাকে অসহায়তা, বিমূঢ়তা, আনকি অগভীৰ স্থূলতা। বহু সময়ত নাৰীকণ্ঠই আঞ্চলিক বৈশিষ্ট্যক প্ৰতিনিধিত্ব কৰে; কিন্তু পুৰুষকণ্ঠই কেন্দ্ৰীভূত ভাষা বা স্বৰক সূচায়। পুৰুষকণ্ঠই সহজে নাৰীকণ্ঠক দমন কৰে, ভৰসা যোগায়, দাবী-ধমকি দিয়ে আৰু পুনৰ মৰমসনা মাতেৰে মন ভুলায়। (জাহ্নু বৰুৱাৰ ***হালধীয়া চৰায়ে বাওধান খায়ত*** পত্নীৰ প্ৰতি কৃষক ৰসেশ্বৰৰ ভিন্ন আচৰণলৈ মনত পেলাব পাৰি।) ছিলভাৰমেনে এনে ব্যাখ্যাৰে অৰ্থাৎ মনঃসমীক্ষণৰদ্বাৰা দেখুৱাব খোজে যে চিনেমা জগতত সাধাৰণতে নাৰীৰ কণ্ঠস্বৰ অৱদমিত, সাতামপুৰুষীয়া আৰু দুৰ্বল, তাত কৰ্তৃত্বৰ সুৰ নাথাকে (যাৰ ওলোটা চৰিত্ৰায়ণ আছিল ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ***অগ্নিস্নান***ৰ চৰিত্ৰ মেনকাৰ পৈণতাপ্ৰাপ্তি)। এটা ভাষাগত নিয়মহে (linguistic rule) যেন ছবিনিৰ্মাতাই মানি চলে যি "dictates that the noun *man* and the third person male pronoun be understood as referring to the entire human race, but the noun *woman* and the third person female pronoun be understood as referring only to the "second sex." (Silverman 117)

নিশ্চিতভাৱে এই পৰ্যৱেক্ষণত পাশ্চাত্যৰ অথবা হলীউডৰ সহজলভ্য চিনেমাবোৰহে হয়তো

লেখিকাগৰাকীয়ে সমল হিচাপে লৈছিল। অথচ হলীউডৰ বাহিৰৰ চলচ্চিত্ৰ জগতখন অত্যধিক আকৰ্ষণীয় আৰু বৈচিত্ৰ্যময়। দূৰলৈ নোযোৱাকৈ এই অসম মুলুকত ১৯৩৫ চনতে নিৰ্মিত *জয়মতী*ৰ মুখ্য চৰিত্ৰটোৰ মৌখিক অভিব্যক্তিলৈকে চালেও নাৰী চৰিত্ৰৰ কৰ্তৃত্বসুলভ আচৰণ প্ৰতিষ্ঠিত হয়, যাৰ বাবে আমি জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই অবিস্মৰণীয় চলচ্চিত্ৰক প্ৰথম ভাৰতীয় নাৰীবাদী চিনেমা বুলি অভিহিত কৰিবলৈ কুণ্ঠাবোধ নকৰোঁ। জেৰেঙা পথাৰত লাঞ্ছিত-নিৰ্যাতিত জয়মতী কুঁৱৰীয়ে ছদ্মবেশেৰে অহা গদাপাণিক কঢ়া সুৰত দূৰ হৈ যাবলৈ দিয়া নিৰ্দেশৰ স্মৰণীয় মুহূৰ্তটোলৈ মনত পেলাওক। অতএৱ ইতিহাস আৰু সংস্কৃতি নিৰ্বিশেষে মানুহৰ মনস্তত্ত্বৰ জটিলতাক সাধাৰণভাৱে কোনো তত্ত্বৰ আৱৰ্তলৈ অনাটো তৰ্কাতীত নহয়। অতি-সৰলীকৰণৰ দোষে যাতে চলচ্চিত্ৰৰ নাৰীবাদী চৰ্চাক স্পৰ্শ নকৰে তালৈ সতৰ্ক দৃষ্টি ৰখা উচিত। একেটা কাৰণতে পুৰুষসুলভ দৃষ্টি আৰু নাৰীসুলভ দৃষ্টিৰ (female gaze) বাহিৰেও যে মানৱীয় দৃষ্টিৰ (human gaze) দ্বাৰাও এটা বাগ্‌ধাৰাৰ বিকাশ হ'ব পাৰে সেই সম্পৰ্কে সজাগ হ'ব পাৰি। চিনেমাৰ Spectatorship Theory অৰ্থাৎ দৰ্শকস্বত্বৰ সূত্ৰ আহিছে মালভেৰ পুৰুষসুলভ দৃষ্টিৰ আঁত ধৰি। তেওঁ নিজেই থিৱাং কৰিছে যে দ্ৰুত প্ৰযুক্তিগত বিকাশৰ পৰিপ্ৰেক্ষিতত তেওঁৰ তত্ত্বৰ পুনৰ্বিবেচনাও অৱধাৰিত। কিয়নো আধুনিকতম কালত ডিভিডি আৰু অতিসম্প্ৰতি ডিজিটেল প্ৰযুক্তিৰ সময়ত চিনেমাৰ নিৰ্মাণত যিদৰে ব্যাপক ৰূপান্তৰ ঘটিছে, তেনেকৈ চিনেমাৰ প্ৰদৰ্শন আৰু দৰ্শনৰ ক্ষেত্ৰটো প্ৰভূত পৰিমাণে পৰিৱৰ্তন আহি পৰে। ডিভিডি সংস্কৃতিৰ ফলশ্ৰুতি হ'ল দৰ্শকে ব্যক্তিগতভাৱে নিজ খেয়াল-খুচিমতে চিনেমাৰ গতি আৰু ৰসাস্বাদন হাতৰ মুঠিলৈ আনিব পৰাটো। দৰ্কাৰ হ'লে ৰখাই দিব (pause), দ্ৰুততৰ কৰিব (forward), পিছুৱাই গৈ (rewind) পুনৰ চাব, ইত্যাদি। ফলত আগতে চিনেমাই যিদৰে তাৎক্ষণিকভাৱে দৰ্শকৰ মনস্তত্ত্বক প্ৰভাৱিত কৰিব পাৰিছিল, তাৰ সলনি এতিয়া কিন্তু দৰ্শক নিজেই চিনেমাৰ গতিৰ নিয়ন্ত্ৰক হৈ উঠিছে।

আধুনিকতম প্ৰযুক্তিয়ে চিনেমাৰ সৈতে মানুহৰ সম্পৰ্কত পেলোৱা প্ৰভাৱৰ বিষয়ে ২০০৬ চনত মালভেই এখন নতুন গ্ৰন্থত বিতংভাৱে আলচ কৰে। তেওঁৰ মতে এই সম্পৰ্কৰ বাবে চিনেমাক এতিয়া 'বিলম্বিত চিনেমা' (Cinema of Delay) বুলি ক'ব পাৰি। গ্ৰন্থখনিত এই বিষয়ক সুকীয়া অধ্যায়ত তেওঁ দেখুৱায় যে চলচ্চিত্ৰৰ তত্ত্ব আৰু সমালোচনাত বিলম্বিতকৰণ হৈছে পাঠ সমীক্ষাৰ এটা আৱশ্যকীয় প্ৰক্ৰিয়া— "delay is the essential process behind textual analysis." এই প্ৰক্ৰিয়াত এটা দৃশ্যৰ গতি প্ৰযুক্তিগত সুবিধাৰ হেতু বিলম্বিত কৰিব পাৰি, এটা দৃশ্য কেইবাটাও মুহূৰ্তত ভাগ কৰি চাব পাৰি, বিশ্লেষণ কৰিব পাৰি, বাৰংবাৰ এই প্ৰক্ৰিয়াটোৰে দৃশ্য বা ছিকুৱেন্সত লুকাই থকা অৰ্থ উদ্ধাৰ কৰিব পাৰি। ডিজিটেল প্ৰযুক্তিৰ আশীৰ্বাদত এখন ছবিৰ এই বিশ্লেষণ প্ৰক্ৰিয়াটো ব্যাপক আৰু সহজসাধ্য হৈ উঠিছে। (Mulvey 144) চলচ্চিত্ৰ সংস্কৃতি পূৰ্বতকৈ অধিক গণতান্ত্ৰিক হৈ উঠিছে আৰু ইণ্টাৰনেটৰ প্ৰসাৰে, লগতে মোবাইল ফোন আৰু পে'নড্ৰাইভে এই পৰিৱৰ্তনটো ত্বৰান্বিত কৰে। ছবিনিৰ্মাতা আৰু বিপণনকাৰীসকলে ক্ৰমাৎ বুজি উঠে যে চলচ্চিত্ৰৰ গ্ৰহণ আৰু ক্ৰয় পূৰ্বৰ দৰে একেসুৰীয়া হৈ থাকিলে নহ'ব আৰু এই উপলব্ধিৰ আন এটা পৰিণতি হ'ল বৰ্ধিত হাৰত স্বতন্ত্ৰ (independent) ছবিৰ নিৰ্মাণ, য'ত নিশ্চিতভাৱে নাৰীসুলভ দৃষ্টি আৰু মানৱীয় দৃষ্টিয়ে প্ৰথাগত পুৰুষসুলভ দৃষ্টিক তীব্ৰ প্ৰত্যাহ্বান জনোৱাৰ সামৰ্থ্য লাভ কৰে।

এই নতুন পৰিৱেশত হলীউডৰ বাহিৰৰ চিনেমাই চমকপ্ৰদ সাফল্য আৰু গুৰুত্ব লাভ কৰাটো অৱশ্যম্ভাৱী



হৈ উঠে। অস্কাৰ বঁটাৰ দৰে অনুষ্ঠান এতিয়াও হলীউডৰ চাহিদা আৰু সম্মোহনৰ (glamour) ওপৰতে নিৰ্ভৰশীল যদিও বিশ্বজুৰি প্ৰধান চলচ্চিত্ৰ মহোৎসৱবোৰে হলীউড-ভিন্ন চিনেমাৰ নান্দনিক আৰু দাৰ্শনিক গুৰুত্ব অনুধাৱন কৰিছে অকৃপণভাৱে। এই পৰিৱেশটোৰ লগত জড়িত হৈ নাৰীবাদী বাগ্‌ধাৰাটোও বৈচিত্ৰ্যপূৰ্ণ আৰু সমৃদ্ধিশালী হৈ উঠিছে। আৰব-বিশ্বত চলচ্চিত্ৰ গুৰুসকলৰ সৃষ্টিয়ে ইয়াত কি ধৰণৰ বৰঙণি যোগাইছে সেইটো আলোচনাৰ পাদপ্ৰদীপলৈ আহিব পাৰে। মেহেৰজুই, মখমলবাফ, কিয়াৰ'ষ্টামি, পানাহি, ফাৰহাডি আদিকে ধৰি অনেকে ইৰানৰ কঠোৰ মৌলবাদী অনুশাসন আৰু বাধা-বিঘিনি উলাই কৰি নাৰী চৰিত্ৰ উপস্থাপনত এটা পৰিৱৰ্তনৰ সূচনা কৰে। তেওঁলোকৰ চৰিত্ৰ অংকনত পুৰুষসুলভ দৃষ্টিৰ কপটতা আৰু অৱদমনৰ ঠাই লয় মানৱীয় দৃষ্টিয়ে, কেতিয়াবা নাৰীসুলভ দৃষ্টিয়ে। ইছলামিক চেন্সৰশ্বিপে নাৰীৰ মুখপৰ্যন্ত ঢাকি ৰখাটো বাধ্যতামূলক কৰাত ইৰানৰ লেখীয়া দেশৰ ছবিয়ে কালক্ৰমত মালভেৰ তত্ত্বকে প্ৰত্যাহ্বান জনায়। হলীউড ষ্টাইল তাত অপাংক্তেয় ঃ নাৰী-পুৰুষৰ দৃষ্টি বিনিময়ো য'ত নিষিদ্ধ, য'ত নাৰীয়ে গোৱা গীত ব্যৱহাৰো নিষিদ্ধ, তাত দৰ্শকে চিনেমা চাই স্কপ'ফিলিয়াৰ মুখাপেক্ষী হোৱাৰো সুযোগ নাই। সেয়েহে কঠোৰ অনুশাসনৰ বিপৰীতে চলচ্চিত্ৰ নিৰ্মাণত আন এক নৱ-তৰংগৰ সূচনা কৰা ইৰানৰ ছবিনিৰ্মাতাই এটা স্বকীয় চলচ্চিত্ৰ ভাষা উদ্ভাৱন কৰে।

হলীউডত যদি নৰ-নাৰী সম্পৰ্কৰ বেলিকা পইণ্ট-অফ-ভিউ শ্বটৰ পয়োভৰ, ইৰানৰ ছবিত আনকি নাৰীৰ ছাঁটোকো নেদেখুৱাকৈ সমগ্ৰ কাহিনী ৰচিত আৰু চিত্ৰায়িত হোৱাও দেখা যায়। তাত অৱশ্যে নাৰীৰ কণ্ঠস্বৰ নেপথ্যৰ শব্দ হিচাপে ব্যৱহাৰৰ কৌশলো নান্দনিকভাৱে সফল আৰু চিত্তাকৰ্ষক; উদাহৰণ হ'ব পাৰে আব্বাছ কিয়াৰ'ষ্টামিৰ ***দি উইণ্ড উইল কেৰী আছ*** (১৯৯৯)। বহু সময়ত নাৰী চৰিত্ৰৰ অদমনীয় প্ৰতিবাদ আৰু দৃষ্টিয়ে নাৰীবাদী বাগ্‌ধাৰাক নতুন উজ্জ্বলতাৰে আলোকিত কৰে। কেলিফৰ্ণিয়াত ছবিনিৰ্মাণৰ শিক্ষা গ্ৰহণ কৰা ইৰানৰ মৰিয়ম শ্বাহৰিয়াৰে ***ডটাৰ্ছ অফ দি ছান*** (১৯৯৯) নামৰ ছবিখনত অৱশ্যে মূল নাৰী চৰিত্ৰটোৰ মুখ সম্পূৰ্ণকৈ দেখুৱাইছিল; কিন্তু সেয়া আছিল পৰিস্থিতিৰ দায়ত পুৰুষৰ দৰেই অধিক উপাৰ্জনৰ আশাত পিতৃয়ে নিজৰ জীয়েকৰ চুলি খুৰাই সম্পূৰ্ণ ল'ৰাৰ ছদ্মবেশত এটা কাৰখানালৈ কাম কৰিবলৈ পঠিওৱাৰ কাহিনী। গতিকে সেই ছবিতো ছোৱালীক ল'ৰা হিচাপেহে দেখুৱাই চলিত অনুশাসন ভংগ নকৰাকৈয়ে ছবিনিৰ্মাতাই সৃষ্টিশীল উপায়েৰে পুৰুষসুলভ দৃষ্টিক প্ৰত্যাঘাত কৰে। লিংগ-বৈষম্যপূৰ্ণ দেশ হিচাপে প্ৰচলিত চিহ্নতাত্ত্বিক ব্যৱস্থা (semiotic system) এইদৰে বিভিন্ন উপায়েৰে ইৰানৰ ছবি নিৰ্মাতাই ভংগ কৰিছে। পাশ্চাত্যৰ দৃষ্টিত এটা আপেল যৌনতাৰ প্ৰতীক, আডম আৰু ইভে খোৱা নিষিদ্ধ ফল; কিন্তু ইৰানৰ ছবিত আপেল হৈ উঠে জীৱনীশক্তি আৰু জ্ঞানৰ প্ৰতীক— উদাহৰণ ছমিৰা মখমলবাফৰ বহুপ্ৰশংসিত *আপেল* (১৯৯৮)। প্ৰতীকটোৰ তাৎপৰ্য এনেদৰেও বিচাৰ্য যে ইৰানত ৰাজনৈতিক অধিকাৰ, বাক্‌স্বাধীনতা আৰু নাৰীৰ অধিকাৰ আদিও নিষিদ্ধ ফলৰ দৰেই। (Sadr 244)

নিশ্চিতভাৱে মালভে, জনষ্টন, ছিলভাৰমেনৰ যুক্তি আৰু সূত্ৰৰ আঁত ধৰি সঞ্চাৰিত হোৱা ন-ন চিন্তাই চিনেমাক বিনোদনমূলক গণমাধ্যমৰ পৰা এটা নাৰীবাদী বাগ্‌ধাৰা হিচাপেও প্ৰতিষ্ঠা কৰে। নাৰী-পুৰুষ নিৰ্বিশেষে অনুভূতিশীল আৰু গুণী ছবিনিৰ্মাতাই মানৱীয় দৃষ্টিৰে নাৰীৰ যন্ত্ৰণা আৰু বোধৰ জগতখন ফুটাই তোলাটো সমানে লক্ষণীয়। কেতবোৰ শেহতীয়া ছবি যদি বিবেচনা কৰা হয়, তেন্তে কথাটো অধিক স্পষ্ট হ'ব। নাৰীৰ

যন্ত্ৰণা ক'ত— সমাজত, পৰিয়ালত, অনুষ্ঠানত, যুদ্ধক্ষেত্ৰত, কৰ্মক্ষেত্ৰত কিদৰে তেওঁলোক আক্ৰান্ত হয়, কিদৰে তেওঁলোকৰ মৰ্যাদা লুণ্ঠিত হয়, সেইবোৰৰ প্ৰতি ছবিনিৰ্মাতাৰ মানৱীয় প্ৰতিক্ৰিয়া কেনেধৰণৰ? দুৰ্ভোগৰ বিচিত্ৰ বিৱৰণীলৈ (narrative) নগৈ নাৰীদেহৰ ওপৰত চলা বলপ্ৰয়োগৰ ঘটনাক চিনেমাৰ পৰিধিলৈ (premise) কেনেকৈ অনা হৈছে, তাৰ কিছু নিদৰ্শন পৰ্যালোচনা কৰিলে দেখা যাব যে সাম্প্ৰতিক চিনেমা এনে প্ৰসংগবোৰত যথেষ্ট সংবেদনশীল, যুক্তিনিৰ্ভৰ, আৰু সি পুৰুষসুলভ দৃষ্টিৰ পৰা আঁতৰি যোৱাৰ প্ৰৱণতাৰে চিহ্নিত। পোলেণ্ডৰ ছবি ***ৰ'জ*** (২০১১) তেনে এখন ছবি। Lodz-ৰ বিখ্যাত শিক্ষানুষ্ঠানত চলচ্চিত্ৰৰ শিক্ষা গ্ৰহণ কৰা ৰ'চিয়েচ স্মাৰজ'স্কিয়ে (Wojciech Smarzowski) পৰিচালনা কৰা ছবিখনে পোলেণ্ডৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত শ্ৰেষ্ঠ ছবি, পৰিচালনা, চিত্ৰনাট্য, অভিনেত্ৰীকে ধৰি মুঠ সাতটা বঁটা অৰ্জনৰ লগতে ৰাৰ্শ্ব' চলচ্চিত্ৰ মহোৎসৱৰ গ্ৰাঁ-প্ৰি অৰ্থাৎ প্ৰধান সন্মানটো লাভ কৰাৰ পৰা বুজা যায় ছবিখনে বিচাৰকমণ্ডলীক কিদৰে মোহিত কৰে আৰু তাৰ কাৰণো কাহিনী তথা নিৰ্মিতি উভয়তে ব্যাপ্ত।

***ৰ'জ*** ছবিৰ প্ৰধান নাৰী চৰিত্ৰটো। পটভূমি হ'ল দ্বিতীয় বিশ্বযুদ্ধৰ অন্তিম সময়ছোৱা, যেতিয়া বিজিত জাৰ্মান বাহিনীৰ পশ্চাদপসৰণৰ লগে লগে পোলেণ্ড ছোভিয়েট ৰুছিয়াৰ প্ৰভাৱাধীন হয়। এটা ভয়ংকৰ দৃশ্যৰে ছবিৰ আৰম্ভণি ঃ এজন মুমূৰ্ষু সৈনিকৰ ক্লজ-আপ, নিচেই কাষতে জাৰ্মান সৈন্যদলৰ অমানুষিক কাণ্ড তেওঁ প্ৰত্যক্ষ কৰিবলগীয়া হৈছে। নেপথ্যত এক নাৰীৰ চেপা আৰ্তনাদ। এজন জাৰ্মান বিষয়াই অধস্তন সৈন্যদলৰ পহৰাৰ মাজতে সেই নাৰীক বলাৎকাৰ কৰাৰ দৃশ্য। ধৰ্ষিতাৰ পিন্ধনতো সৈনিকৰ সাজ। পৈশাচিক কাৰ্য সমাধা কৰিয়ে ধৰ্ষণকাৰী পুৰুষজনে গুলীয়াই সেই নাৰীৰ প্ৰাণনাশ কৰে আৰু নিজৰ টুপীটো পৰিধান কৰি দলে-বলে সেই স্থান ত্যাগ কৰে। লগে লগে কোনোমতে চুঁচৰি সেই মৃত নাৰীৰ কাষ পায়গৈ মুমূৰ্ষু সৈনিকজনে আৰু মৰমেৰে মুখত এটা চুমাৰে শেষ বিদায় জনায়। আসুৰিক সৈন্যদলটো আছিল জাৰ্মান নাজীবাহিনী আৰু ভুক্তভোগী নৰ-নাৰীহাল হ'ল জাৰ্মান দখলৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলা পোল সশস্ত্ৰ বাহিনীৰ সেনানী তথা স্বামী-স্ত্ৰী। ১৯৪৫ চনৰ ঘটনা হিচাপে উপস্থাপিত সেই কাণ্ডত পত্নীক হেৰুওৱা টেডিয়ুজে চৌদিশৰ অবৰ্ণনীয়, নৈৰাজ্যময়, হত্যা-লুণ্ঠনৰ বীভৎস পৰিৱেশৰ মাজেৰে পোলেণ্ডৰ উত্তৰ-পূৰ্বাঞ্চলৰ মাছুৰিয়া অঞ্চল পায়গৈ।



জলাহপূৰ্ণ মাছুৰিয়া অঞ্চলটো তেতিয়া এটা ক্ষুদ্ৰ সংখ্যালঘু জনগোষ্ঠীৰ বাসস্থল হিচাপে পৰিচিত। যুদ্ধোত্তৰ অঞ্চলটো তেতিয়াও ভয়ানক আইন-শৃংখলাহীনতাৰ কবলত। জাৰ্মান বাহিনীৰ প্ৰস্থানৰ পাছত বিজয়ী ছোভিয়েট বাহিনীৰ আতিশয্যৰ মুখত পৰিছে স্থানীয় অধিবাসীসকল। পূৰ্বৰ জাৰ্মানীশাসিত অঞ্চলটো পোলেণ্ডৰ অন্তৰ্ভুক্ত হয় যদিও প্ৰতিশোধপৰায়ণ পোলসকলে মাছুৰিয়াৰ লোকসকলৰ জাৰ্মান-মূলক সন্দেহৰ দৃষ্টিৰে চায়। টেডিয়ুজে তেওঁৰ চিনাকি এজন জাৰ্মান-মূলৰ সৈনিকৰ বিধৱা পত্নী ৰ'জক লগ পায় আৰু তেওঁক মৃত স্বামীৰ শেষ স্মৃতিচিহ্নবোৰ অৰ্পণ কৰে। নিজ নিজ জীৱনসংগীক হেৰুওৱা ৰ'জ আৰু টেডিয়ুজৰ মাজত এটা সাহচৰ্য আৰু পাৰস্পৰিক আশ্ৰয় গ্ৰহণৰ আত্মিক তাগিদাই হ'ল ছবিৰ পৰৱৰ্তী ঘটনাপ্ৰৱাহৰ মূল



অৱলম্বন। কিন্তু আৰম্ভণিৰপৰা শেষলৈ এটা পুনৰাবৃত্ত প্ৰপঞ্চ (leitmotif) হৈ ৰয় দখলদাৰী, আক্ৰমণকাৰী সশস্ত্ৰ দল বা পুৰুষে অসহায় নাৰীক কৰা ধৰ্ষণ। টেডিয়ুজে একাধিকবাৰ ক্ৰমে ছোভিয়েট সেনা আৰু পোলেণ্ডৰ জাতীয়তাবাদী সৈনিকৰদ্বাৰা ধৰ্ষিতা হোৱা ৰ'জৰ ত্ৰাণকৰ্তাৰ ভূমিকা লয়। মৃত স্বামী জাৰ্মান ব্যক্তি হোৱা হেতুকে ৰ'জ কৰ্তৃপক্ষৰ জেৰাৰ সন্মুখীন হয়। বিশ্বযুদ্ধৰ অন্তিম কালৰ চুক্তি অনুসৰি মাছুৰিয়া ইতিমধ্যে পোলেণ্ডৰ শাসনাধীন হৈছিল। টেডিয়ুজে তেতিয়া ৰ'জক নিজৰ সংখ্যালঘু জাতিসত্তাৰ পৰিচয় পাহৰি নিজকে পোল জনগোষ্ঠীৰ বুলি চিনাকি দি আত্মৰক্ষাৰ পৰামৰ্শ দিয়ে। ক'বলৈ গ'লে ছবিখন সংখ্যালঘু জাতিসত্তাৰ অৱদমন আৰু নাৰীৰ ওপৰত চলা চূড়ান্ত নিপীড়নৰ এটা দ্বিমাত্ৰিক ট্ৰেজেডী। ৰ'জ একেসময়তে হৈ উঠিছে সেই দুই নিষ্পেষণৰ প্ৰতীক, দুটা নেৰেটিভৰ প্ৰতিভূ।

অতিশয় মনোকষ্টদায়ক ছবিখনৰ শব্দ সংযোজন আৰু নীলাভ ৰঙৰ বিন্যাসে যেন সামগ্ৰিক পটভূমিৰ নৈৰাশ্য তীব্ৰতৰ কৰি তোলে। কেইবাটাও ধৰ্ষণৰ দৃশ্যৰে নাৰীৰ ওপৰত চলা যুদ্ধকালীন শাৰীৰিক নিপীড়নৰ চিনেমেটিক পৰিচয় ছবিখনে বহন কৰিছে; সেয়া হৃদয়বিদাৰক আৰু পাহৰিব নোৱৰা বিধৰ (haunting)। ৰ'জৰ ঘৰলৈ আহি উপদ্ৰৱ চলোৱা সশস্ত্ৰ লোকেই হওক বা লোকালয়টোত সমূহীয়া ধৰ্ষণ কৰা সৈন্যদলেই হওক— সিহঁতৰ কাৰ্যৰ অনিৰ্বচনীয় ৰূপায়ণ, আনুষংগিক ত্ৰাস আৰু কাৰুণ্যৰ নাটকীয় সংমিশ্ৰণে ***ৰ'জ***ক সম্পূৰ্ণ মানৱীয় দৃষ্টিৰ ছবিৰূপে প্ৰতিপন্ন কৰে। ধাৰাবাহিক ধৰ্ষণৰ বলি হোৱা ৰ'জৰ ভগ্নস্বাস্থ্য ছবিৰ নেৰেটিভৰ এটা অসহনীয় অংশ। ঘটনাবোৰৰ অসহায় সাক্ষী হৈ ৰ'জৰ আত্মগোপনৰত ষোড়শী গাভৰু জীয়েকে কিদৰে নিকৰুণ মনস্তাত্ত্বিক হেঁচাৰ মাজেৰে কি কষ্টেৰে আত্মৰক্ষা কৰিবলগীয়া হয় তাৰ দৃশ্যৰূপ এই (অ)মানৱীয় দৃশ্যকাব্যৰ এটা উপমা হৈ উঠিছিল। এই পাহৰিব নোৱৰা পিৰিয়ড ড্ৰামাৰ প্ৰদৰ্শন ছোভিয়েট-উত্তৰ ৰুছিয়াত নিষিদ্ধ কৰা হৈছে— কেৱল ৰুছ সৈন্যৰ অত্যাচাৰে ইতিহাসৰ এটা অপ্ৰিয় জঘন্য অধ্যায় উন্মোচিত কৰা বাবেই।

যুদ্ধ সদায় বৰ্বৰ আৰু তাত নাৰীৰ ওপৰত আক্ৰমণকাৰী বাহিনীয়ে চলোৱা নাৰকীয় অত্যাচাৰ ইতিহাসৰ অন্যতম গৰ্হিত কাণ্ড হিচাপে চিহ্নিত আৰু নিন্দিত হৈ আহিছে। ***ৰ'জ*** যদি নিকট অতীতৰ এটা অধ্যায়ৰ নাটকীয় দৃশ্যায়ন, অতি সাম্প্ৰতিক কালৰ দৃশ্যৰূপতো নাৰীৰ তদনুৰূপ দুৰ্দশা উত্থাপিত হোৱা এক নিদৰ্শন হ'ল ইৰাকৰ কুৰ্দিশ অঞ্চলভিত্তিক ছবি ***দি ডাৰ্ক উইণ্ড*** (২০১৬)। আগৰখন ছবিত ৰ'জ আৰু টেডিয়ুজৰ সম্পৰ্কই এটা অনুপম বাঞ্ছিত প্ৰেম-আখ্যানৰো জন্ম দিয়ে— তাত পুৰুষসুলভ দৃষ্টিৰ (male gaze) অনুপস্থিতি আছিল তাৎপৰ্যপূৰ্ণ, যাৰ বাবে দুই চৰিত্ৰৰ শাৰীৰিক অন্তৰংগতা চিত্ৰনাট্যৰ বাবে অপ্ৰয়োজনীয় হৈ উঠে, আৰু সি প্ৰথাগত পশ্চিমীয়া বা হলীউডৰ ছবিৰপৰা ***ৰ'জ***ক সুদূৰত অৱস্থান কৰায়। ভয়ানক বিপৰ্যয় আৰু প্ৰতিকূল পৰিৱেশত জীৱন ৰক্ষা কৰাৰ কাহিনীয়ে ***ৰ'জ***ৰ দৰে অন্য এক survival dramaলৈ পৰিণত



কৰিছে ***দি ডাৰ্ক উইণ্ড***ক। কুৰ্দিশ্ব জনগোষ্ঠীৰ অন্যতম হ'ল য়াজিদিসকল আৰু জনগোষ্ঠীটোৰ ওপৰত আইছিছ নামধাৰী মৌলবাদী ইছলামিক শক্তিয়ে কি অত্যাচাৰ চলাইছে সেই বিষয়ে এইখনেই হ'ল ইৰাক তথা বিশ্বৰ প্ৰথমখন কাহিনীচিত্ৰ। কুৰ্দিশ্ব ছবিনিৰ্মাতা হিচাপে পৰিচিত হুছেইন হাছানৰ (Hussein Hassan) এইখন জীৱনৰ তৃতীয় ছবি। সন্ত্ৰাসবাদী আইছিছৰ কবলৰ পৰা তথা যৌন-দাস ব্যৱসায়ীৰ কজ্জাৰপৰা কুৰ্দিস্তানৰ মহিলা সৈনিকৰ দলে উদ্ধাৰ কৰা এগৰাকী তৰুণীৰ জীয়াতু ভোগা কাহিনী মৰ্মস্পৰ্শী ৰূপত তেওঁ ইয়াত উত্থাপন কৰিছে। ছবিখনৰ মূল দৃশ্যাৱলী গৃহীত বা ৰূপায়িত হয় ইৰাকত ৰাষ্ট্ৰসংঘৰ উচ্চায়ুক্তৰ (UNHCR) তত্বাৱধানত থকা শৰণাৰ্থী শিবিৰত। পেৰ' সেই তৰুণী যাৰ অপহৰণৰ পাছতো তাইৰ বাগদত্ত ৰেকোৱে মনোবল নেহেৰুৱাই তাইৰ সন্ধানত নামে। আক্ৰমণকাৰী আইছিছ বাহিনীয়ে আন বহু ছোৱালীৰ লগতে ৰেকোৰ বাগদত্তা পেৰ'ক বন্দী কৰি নিছিল। কেইবামাহৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ ছিৰিয়াত উদ্ধাৰকৃত এদল নাৰীৰ শিবিৰত তাইৰ সন্ধান মিলে। পিছে তাই ইতিমধ্যে গৰ্ভৱতী হোৱা বুলি জনাজাত হোৱাৰ লগে লগে তাইৰ প্ৰতি আত্মীয়-স্বজনে বিৰূপ মনোভাৱ পোষণ কৰিবলৈ লয়; য়াজিদি সৈনিক হিচাপে কৰ্মৰত ৰেকোৱে বিবাহ কৰোৱাৰ ক্ষেত্ৰতো বাধা দিয়ে। পেৰ'ৰ দুৰ্দৈৱই কিন্তু ৰেকোক তাইৰপৰা আঁতৰাই নিনিলে, যিটোক দেখদেখকৈ আৰব-বিশ্বৰ দুৰ্ঘোৰ পুৰুষতান্ত্ৰিক মানসিকতাৰ বিপৰীত আচৰণ বুলিব লাগিব।

অপহৃতা, তাকো যুদ্ধবন্দী হিচাপে কেইবামাহ ধৰি যৌনভাৱে শোষিত-লাঞ্ছিত নাৰীক অৱজ্ঞাৰ দৃষ্টিৰে চোৱা সংস্কাৰৰপৰা সমাজ মুক্ত নহয়। নিজ সম্প্ৰদায়ৰ বহুতে তাইৰ দৰে দুৰ্ভগীয়া নাৰীক সহজভাৱে নোলোৱাটোৱেও তাইক মানসিকভাৱে বিধ্বস্ত কৰি পেলায়। আত্মঘাতী হোৱাৰ পৰা তাইক ৰেকোৱেহে উদ্ধাৰ কৰে। প্ৰকৃততে নিজ পিতৃ আৰু শহুৰেকৰ সৈতেও পেৰ'ক বিয়া কৰোৱাৰ প্ৰশ্নত আপোচহীন সংঘাতত লিপ্ত হোৱাটো ৰেকোৰ বাবে আছিল মৌলবাদী ধ্যান-ধাৰণাৰ সৈতে অন্যভাৱেও যুঁজত অৱতীৰ্ণ হোৱাৰ লেখীয়া। পেৰ'ৰ কাষত সহৃদয়তা আৰু অবিচল চেনেহেৰে থিয় হোৱা ৰেকো লিংগ-বৈষম্য দূৰীকৰণৰ যুঁজতো নামে। নিজ সমাজৰ প্ৰগতিশীল, মানৱীয় দিশটোৰ সি সক্ষম প্ৰতিনিধি। পেৰ'ৰ মাতৃকো ছবিখনত সহানুভূতি আৰু বিবেকৰ প্ৰতিমূৰ্তি হিচাপে দেখুওৱা হৈছে। বিব্ৰত-বিমৰ্ষ পেৰ'ৰ মংগলৰ বাবে তেওঁ য়াজিদিসকলৰ পূজা-অৰ্চনাৰ শৰণ লয়— এয়া তেওঁলোকৰ সেই সুকীয়া পৰম্পৰা, য'ত অগ্নিপূজাও পৰম্পৰাগত ধৰ্মাচাৰৰ অবিচ্ছেদ্য অংগ, যি তেওঁলোকৰ দুৰ্বলতা (যাৰ বাবে মৌলবাদী ইছলামিক শক্তিৰ দ্বাৰা আক্ৰান্ত) আৰু শক্তিৰো স্থল (বিশ্বাসজনিত)। পেৰ'ক লৈ পৰিয়ালে য়াজিদিসকলৰ এটা উপাসনাস্থলত উপস্থিত হওঁতে হঠাতে কাষৰ লাউডস্পীকাৰত আজানৰ ধ্বনি উঠে আৰু সেই ধ্বনিয়ে ইতিমধ্যে কিছু স্বাভাৱিক অৱস্থালৈ অহা পেৰ'ৰ মনত পুনৰ ভীতিভাব জগায়। ধৰ্মাচাৰ ইয়াত যেনেকৈ ত্ৰাসৰ কাৰণ, তেনেকৈ ধৰ্মীয় আচৰণসম্ভূত অন্তৰ্দ্বন্দ্বৰ ৰূপো ইয়াত দৃশ্যমান। কিন্তু সেয়া ন্যূনতম দৃশ্যবস্তুৰ দ্বাৰাই সূক্ষ্মভাৱে উপস্থাপিত হয়; পৰিচালক তথা চিত্ৰনাট্যকাৰে সেই ক্ষেত্ৰতো ছবিৰ কাহিনীত যথেষ্ট সুযোগ থকা সত্বেও হলীউডৰ ৰীতি অথবা ব্যৱসায়িক জালৰ ফান্দত ভৰি নিদিলে। কেন্দ্ৰীয় বিষয় আছিল যৌন-শোষণ আৰু লিংগ-বৈষম্য ঃ কিন্তু তাৰ উপস্থাপন নাট্য আৰু দৃশ্য-গঠনৰ ফালৰ পৰা সূক্ষ্ম-দৃষ্টিসম্পন্ন। গ্ৰাফিক ডিটেইলছৰ হলীউডধৰ্মী প্ৰলোভন, বিশ্বজোৰা male gaze নাকচ কৰাৰ আত্মপ্ৰত্যয় তাত ফুটি উঠে।

আনহাতে, পেৰ'ৰে ৰক্তক্ষয়ী যুদ্ধৰপৰা ৰক্ষা পোৱাই নহয়, যৌন-দাসত্বৰ পৰাও বাচি আহিছে, অৰ্থাৎ



একেলগে war survivor আৰু rape survivor, তাৰ লগতে সামাজিক সংস্কাৰৰপৰা বাচি থাকিবলগীয়া অৱস্থাত পৰিছে (survivor of social taboos)। গতিকে ছবিখন এফালে এটা স্নিগ্ধ প্ৰেমকাহিনী, আনফালে এক যুদ্ধসম্বলিত কাহিনী, কিন্তু স্বকীয়তাৰ গুণত সি হৈ উঠিছে এখন বিশ্বাসযোগ্য survival drama— তাত ৰোমাণ্টিকতাৰ স্থান নাই, নাৰীদেহৰ দৃশ্যগত ব্যৱহাৰ (exploit) নাই অথচ অতিসাম্প্ৰতিক প্ৰসংগ আৰু তাৎপৰ্যৰে বাংময়। সেই হিচাপে হলীউড আৰু ইউৰোপীয় ধাৰণাৰ survival genre-তকৈ ***দি ডাৰ্ক উইণ্ড***ৰ বৈশিষ্ট্য বেলেগ— সি মালভেৰ দৃষ্টিসূত্ৰক— gaze theory, অৰ্থাৎ পুৰুষ দৰ্শকে নাৰীৰ শৰীৰক যৌন-সম্ভোগৰ বস্তু হিচাপে গণ্য কৰা কাৰ্য-কাৰণসম্ভূত সূত্ৰ তথা আলোচনাক— নতুন আয়তন, নতুন মাত্ৰা দিবলৈ সক্ষম।

ইয়াত আমি দেখুৱালোঁ যুদ্ধকালীন অথবা যুদ্ধৰ পটভূমিত নিৰ্মিত ছবিত মানৱীয় দৃষ্টি প্ৰয়োগৰ দুটা নিদৰ্শন। আনহাতে ভূ-ৰাজনৈতিকভাৱে যুদ্ধহীন পৰিৱেশত, অৰ্থাৎ আপেক্ষিকভাৱে শান্তিৰ সময়ত নাৰীৰ দুৰ্ভোগৰ কাহিনী দৃশ্য-শ্ৰাব্য মাধ্যমত কিদৰে প্ৰতিফলিত হৈছে? ভাৰতীয় দৃশ্যপটলৈকে চকু দিব পাৰি। বিবিচি চেনেল ফ'ৰ তথ্যচিত্ৰ ***ইণ্ডিয়াজ ডটাৰ*** (২০১৫)। 'নিৰ্ভয়া কাণ্ড' ভাৰতীয় সমাজৰ দুৰ্নাম, এটা মচিব নোৱৰা চেকা। দিল্লীত এগৰাকী ছাত্ৰী নিশা ঘৰলৈ ওভতাৰ পথত চলন্ত বাছত দলবদ্ধ ধৰ্ষণৰ বলি হৈ চিকিৎসালয়ত প্ৰাণত্যাগ কৰা ঘটনাটো কোনেও পাহৰিব নোৱাৰে। প্ৰশ্ন উঠে যে ভাৰতীয় পুৰুষ কিয় ইমান নৃশংস, হিতাহিত জ্ঞানশূন্য, লম্পট হ'ব পাৰে? এই প্ৰশ্নৰে সমিধান বিচাৰি সাক্ষাৎকাৰ লোৱা হয় তিহাৰ জে'লত থকা দোষী লম্পটকেইটাৰ, লগতে সিহঁতৰ হৈ আদালতত ওকালতি কৰা অধিবক্তাৰো; আৰু অবিশ্বাস্যভাৱে তাৰ জৰিয়তে বাস্তৱিক ক্ষেত্ৰত পুৰুষসুলভ দৃষ্টিৰ জঘন্যতম দিশটো ফটফটীয়াকৈ ওলাই পৰে। ভাৰতীয় সংস্কৃতিত নাৰী-বন্দনাৰ সমান্তৰালকৈ নাৰী-নিষ্পেষণ অব্যাহত থকাৰ কেৰোণটো যে ধৰ্মীয় কুসংস্কাৰৰ ফল সেই বিষয়ে ছবিখনে একো নক'লেও ধৰ্ষণ কাৰ্যক নিৰ্দোষিতা প্ৰদান কৰাটো যে হিন্দু পশ্চাদগামী, মনুবাদী পুৰুষতান্ত্ৰিকতাৰ পৰিচায়ক সেইটো বুজাত অসুবিধা নহয়। আৰু পৰিতাপৰ কথা, তথ্যচিত্ৰখন আদালতে ভাৰতত প্ৰদৰ্শনৰ বিৰুদ্ধে স্থগিতাদেশ জাৰি কৰে আৰু তাত চৰকাৰৰ অলিখিত হুকুম থকা বুলিয়ে ধাৰণা কৰিব পাৰি। কিয়নো ছবিখন ইউটিউবত উপলব্ধ হোৱাৰ পাছতে কেন্দ্ৰীয় চৰকাৰে ইউটিউবক ছবিখন 'ব্লক' কৰিবলৈ নিৰ্দেশ দিছিল।

***ইণ্ডিয়াজ ডটাৰ*** ব্ৰিটিছ মানৱাধিকাৰ কৰ্মী, অভিনেত্ৰী, পৰিচালিকা লেছলী আডউইনৰ (Leslee Udwin) ৫৮ মিনিট দৈৰ্ঘ্যৰ ছবি, বিবিচিৰ এলানি বিশেষ তথ্যচিত্ৰৰ অন্যতম। 'নিৰ্ভয়া' আচলতে চিকিৎসা সম্পৰ্কীয় পাঠ্যক্ৰমৰ ছাত্ৰী জ্যোতি সিং। ঘটনাটো ঘটে ২০১২ চনৰ ১৬ ডিচেম্বৰত জ্যোতিয়ে এজন বন্ধুৰ লগত নিশা ঘৰলৈ ওভতা এখন বাছত। দুয়োকে প্ৰহাৰ কৰাৰ লগতে জ্যোতিক উপৰ্যুপৰি ধৰ্ষণ কৰি কামোন্মাদ পুৰুষকেইটাই দিল্লীৰ হাড়কঁপোৱা শীতৰ নিশা নগ্ন অৱস্থাৰে বাছৰপৰা পেলাই থৈ যায়। ১৩ দিন ধৰি চিকিৎসাৰ অন্তত জ্যোতিয়ে মৃত্যুৰ সৈতে যুঁজত হাৰ মানে। গ্ৰেপ্তাৰ কৰা ছটা কাপুৰুষৰ এটাই কাৰাগাৰত আত্মহত্যা কৰে, এটা ১৭ বছৰীয়া কিশোৰ হোৱা বাবে কেৱল তিনি বছৰৰ কাৰাদণ্ড আৰু বাকী চাৰিটাই মৃত্যুদণ্ডাজ্ঞা লাভ কৰে। ছবিখনত দোষী খলনায়ককেইটাৰ যি মনস্তত্ত্ব প্ৰকাশ পাইছে সি যিকোনো বিবেকবান লোককে হতভম্ব, ব্যথিত কৰিবলৈ যথেষ্ট। ছোৱালীজনীয়ে সিহঁতক পাৰ্যমানে বাধা দিছিল, সেয়েহে সিহঁতেও তাইক

শাৰীৰিকভাৱে প্ৰহাৰ কৰে; তাই বাধা নিদিয়া হ'লে কেৱল বলাৎকাৰ কৰিয়েই হেনো তাইক এৰি দিলেহেঁতেন। এটা পাষণ্ডৰ মতে ধৰ্ষণকাৰীতকৈ এনে ছোৱালীহে দোষী, নিশা ৯-০০ বজালৈকে ঘৰৰ বাহিৰত থকাটো হেনো তাইৰ অপৰাধ, গৃহস্থালি চম্ভালি ঘৰত থকাই বোলে নাৰীৰ একমাত্ৰ কাম হোৱা উচিত আৰু সেয়ে নহ'লে এনে ধৰ্ষণ ছোৱালী বা মহিলাৰ প্ৰাপ্য। সাক্ষাৎকাৰত বিবাদীপক্ষৰ উকীলৰ ভাষ্য তাতোকৈ নীচ আৰু অবিশ্বাস্যভাৱে মমতাহীন। ইয়াৰ বিপৰীতে জ্যোতিৰ পিতৃ-মাতৃৰ বক্তব্যই মৰ্মান্তিক দুখ আৰু কাৰুণ্যৰ উদ্ৰেক কৰে। নাৰী কেৱল অবাধ যৌন-শোষণ, পৈশাচিক সম্ভোগৰ আহিলা বুলি মান্ধাতাযুগীয় শাস্ত্ৰাদিত বিবৃত হোৱা আৰু তাকেই একবিংশ শতিকালৈকে প্ৰয়োগৰ সপক্ষে মত দিয়া ধুৰন্ধৰ ৰাজনৈতিক আৰু ধৰ্মীয় সংগঠনবোৰৰ মুখপাত্ৰবোৰে ***ইণ্ডিয়াজ ডটাৰ*** প্ৰদৰ্শনৰ নিষেধাজ্ঞাত হয়ভৰ দি আৰু লগতে তথ্যচিত্ৰখনিয়ে ভাৰতৰ মৰ্যাদা হেয় কৰা বুলিহে ক'বলৈ লোৱাৰপৰাই স্পষ্ট হয় নাৰী-নিগ্ৰহক সংস্কৃতিৰ অভ্যন্তৰত কিদৰে প্ৰতিপালন কৰি অহা হৈছে।

সাধাৰণ দণ্ডবিধি মতেও যিবোৰ অপৰাধ গৰ্হিত আৰু শাস্তিযোগ্য বুলি বিচাৰ্য হ'ব লাগে সেইবোৰকো ধৰ্ম আৰু সংস্কাৰৰ আঁৰ-বেৰ দি ন্যায্য বুলি প্ৰতিষ্ঠা কৰাটো কোনো সভ্য সমাজৰ লক্ষণ নহয়; অথচ এনে অমানৱীয় কাৰবাৰকে জোৰকৈ জীয়াই ৰখা হৈছে— গতিকে ইয়াৰ বিৰুদ্ধাচৰণ কৰা নাৰীবাদী বাগ্‌ধাৰা অৱলীলাক্ৰমে মানৱীয় ধ্যান-ধাৰণাৰ সৈতে একাত্ম হৈ পৰিবলৈ বাধ্য। এই দৃষ্টিৰেই ***ইণ্ডিয়াজ ডটাৰ*** মানৱীয় দৃষ্টিৰ (human gaze) এক উজ্জ্বল দৃষ্টান্ত হৈ পৰে। জ্যোতিৰ পিতৃ-মাতৃয়ে কন্যা শিশুৰ জন্মৰ লগে লগে আত্মীয়-কুটুমক মিঠাই বিলোৱা কাৰ্যত বহুতে আচৰিত হৈ সুধিছিল ছোৱালী জন্ম হোৱা সত্ত্বেও কিয় সেইটো তেওঁলোকে কৰিছে, ল'ৰা জন্ম হ'লেহে কৰে! পিতৃ-মাতৃৰ স্পষ্ট উত্তৰ যে ছোৱালীয়েও পঢ়াশুনা কৰি ঘৰ উজলাব পাৰে। সংস্কৃতিৰ গভীৰলৈ প্ৰোথিত লিংগ-বৈষম্যক নুই কৰি তেওঁলোকে জ্যোতিক ডাঙৰ-দীঘল কৰিছিল, পৈতৃক সম্পত্তি বেচি ডেৰাডুনত চিকিৎসা শিক্ষানুষ্ঠানত পঢ়াৰ খা-খৰচ যোগাৰ কৰিছিল। জ্যোতিয়ে কৈছিল, তোমালোকে মোৰ বিয়াৰ কাৰণে যিখিনি সাঁচি থৈছা সেইখিনি মোৰ পঢ়াশুনাতে খৰচ কৰা। জীৱন নিৰ্বাপিত কৰা ঘটনাটোৰ আগে আগে চূড়ান্ত শিক্ষাবৰ্ষ সমাপ্ত কৰি তাই ঘৰলৈ আহিছিলহে মাত্ৰ। জ্যোতিৰ ঘৰুৱা শিক্ষকৰ মতে তাই হেনো ভাৰতৰ প্ৰধান সমস্যা মানুহৰ মানসিকতা বুলিয়ে জ্ঞান কৰিছিল, যি মানসিকতাই শৈশৱৰেপৰা সন্তানক ল'ৰা আৰু ছোৱালী বুলি পৃথকভাৱে বিবেচনা কৰি অহাটোক প্ৰশ্ৰয় দিয়ে, সমাজত বহু সমস্যা যিটোৱে জীয়াই ৰাখিছে। ইণ্টাৰকাট্ কৰি দেখুওৱা হয় কাৰাদণ্ড ভোগ কৰা এক ধৰ্ষণকাৰীক যাৰ মতে ল'ৰা আৰু ছোৱালী কেতিয়াও সমান নহয়।

সাক্ষাৎকাৰসমূহত থকা বিশেষজ্ঞ, আৰক্ষী, চিকিৎসক আদি সকলৰ কথাতো যিখিনি বিৱৰণ প্ৰকাশ পাইছে, সেইখিনি অতি কষ্টদায়ক, অন্তৰাত্মা কঁপাই তুলিবলৈ যথেষ্ট। এজনে নিশা ওলাই যোৱাটো নাৰী এগৰাকীয়ে কৰা অক্ষমনীয় ভুল বুলি কয়, তাৰ বিপৰীতে ৰাষ্ট্ৰীয় ধৰ্ষণ পৰ্যালোচনা কমিটিৰ (National Rape Review Committee) জ্যেষ্ঠ সদস্যা এগৰাকীয়ে কয় যে নিশা আঠ বজাটোত একো দেৰি হোৱাৰ কথা নাহে, সি ঘৰলৈ ওভতাৰ বাবে স্বাভাৱিক সময় পুৰুষ-নাৰী উভয়ৰ বাবে। এটা অপৰাধ সংঘটিত হ'লে ছোৱালীজনী অৰ্থাৎ ভুক্তভোগীকহে দোষ দিয়া কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰে জ্যোতিৰ হতভগীয়া মাতৃয়ে। দৃষ্টিভংগীৰ এই বৈপৰীত্যৰ মাজত ঘটনাৰ পাছদিনাই দিল্লী কঁপাই তোলা হেজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰী, মুনিহ-



তিৰোতাৰ সমাৱেশ, ন্যায়ৰ দাবীত তোলা শ্লোগানে সামাজিক স্থিতাৱস্থা আৰু নাৰীৰ প্ৰতি পোষণ কৰা এলান্ধুকলীয়া মনোভাবৰপৰা মুক্তিৰ আকাংক্ষা প্ৰতিধ্বনিত কৰাটো আছিল সমানে লক্ষ্যণীয়। অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ এগৰাকী বুৰঞ্জীবিদে সঠিকভাৱে আঙুলিয়াই দিয়ে যে বিগত দুটা দশকত ভাৰতত হোৱা অৰ্থনৈতিক পৰিৱৰ্তনে বহু অকলশৰীয়া নাৰীক অপৰম্পৰাগত কৰ্মস্থলত আত্মনিয়োগৰ সুবিধা দিয়ে আৰু সি মানুহৰ দৈনিক ৰুটিনৰো সাল-সলনি ঘটায়, কিন্তু সেই অনুপাতে সমাজৰ মানসিকতা যেন একে ঠাইতে ৰৈ আছে। এনে পৰিৱেশত অসহায় নাৰী বলি হোৱাটো তৰুণ প্ৰজন্মই সহ্য কৰা টান ঃ তেওঁলোকৰ প্ৰতিবাদী কণ্ঠত ধ্বনিত এটা শব্দ— "আজাদী, আজাদী, ...."!

'নিৰ্ভয়া কাণ্ড'ক লৈ প্ৰতিবাদী মিছিলত যোগ দিয়া সংগঠক আৰু সচেতন নাৰী সমাজে দেশত অন্যান্য স্থান-কালত ধৰ্ষণৰ বলি হোৱা যুৱতী-মহিলাৰ গোচৰসমূহতো দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰা দেখা যায় তথ্যচিত্ৰত সংযোজিত ফুটেজত। সেয়া আছিল স্বতঃস্ফূৰ্ত প্ৰতিবাদ ঃ পুলিচৰ লাঠি, কন্দুৱা গেছ, জল-কামানৰ সন্মুখীন হ'বলৈ কোনেও ভয় কৰা নাছিল। এমাহৰো অধিক তেওঁলোকৰ নিৰৱচ্ছিন্ন প্ৰতিবাদে কাৰ্যপালিকা আৰু ন্যায়পালিকাক গা লৰাবলৈ বাধ্য কৰে। চৰকাৰে গঠন কৰি দিয়া ভাৰ্মা কমিটীৰ প্ৰতিবেদনৰ পাছত ফৌজদাৰী আইনত সংশোধনী অনাৰ পথ মুকলি হয়, ধৰ্ষণ সম্পৰ্কীয় সংজ্ঞাও সময়োপযোগীকৈ সলনি কৰা হয়। সমাজখনেই জগৰীয়া, কাৰণ ধৰ্ষণ কৰাটো পুৰুষৰ অধিকাৰৰ ভিতৰত পৰে বুলি ভবাটো নাৰী সম্পৰ্কে বিৰাজ কৰা নেতিবাচক সাংস্কৃতিক মূল্যবোধৰ পৰিণতি ঃ এই মত ফুটি উঠিছিল এজন মনোবিশাৰদৰ বক্তব্যত। তথ্যচিত্ৰখনিত ভাৰতীয় সমাজৰ লিংগ-বৈষম্য আৰু অসাম্যক প্ৰতিনিধিত্ব কৰে নিম্ন পৰিয়ালৰ, সাধাৰণ কাম কৰি জীৱিকা নিৰ্বাহ কৰা কেউটা ধৰ্ষণকাৰী তথা অভিযুক্তই আৰু তাৰ বিপৰীতে 'নিৰ্ভয়া কাণ্ড'ই কঁপাই তোলা অসংখ্য নাৰী-পুৰুষে এনে সামন্তীয় ধ্যান-ধাৰণাৰ শিকলি ছিঙাৰ বাসনা প্ৰতিফলিত কৰে। ইয়াত ছবিনিৰ্মাতাৰ নাৰীবাদী দৃষ্টিভংগী প্ৰকট হ'ব পাৰে, কিন্তু তাত নিহিত আছে গভীৰ মানৱীয় দৃষ্টি।

'নিৰ্ভয়া কাণ্ড'ই সৃষ্টি কৰা প্ৰতিক্ৰিয়া আছিল সুদূৰপ্ৰসাৰী, সি আন্তৰ্জাতিক স্তৰতো আলোড়ন সৃষ্টি কৰাৰ প্ৰমাণ হ'ল বিবিচিৰ তথ্যচিত্ৰখন। নাৰীৰ ওপৰত চলা বলাৎকাৰে আপাততঃ শান্তিৰ পৰিৱেশতো সামাজিক অস্থিৰতা সৃষ্টি কৰাৰ প্ৰতি আনকি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ কাৰ্যালয়ো সজাগ হৈ উঠিছিল। ভিন্ন ৰাষ্ট্ৰত অনুৰূপ বিষয়বস্তু লৈ নিৰ্মিত চলচ্চিত্ৰয়ো বিশেষ গুৰুত্ব লাভ কৰা দেখা গ'ল। তেনে এখন ছবি হ'ল ইজৰাইলৰ মিচাল আভিয়াডৰ (Michal Aviad) ছবি ***ইনভিজিবল*** (২০১১)। ইপিনে স্বতন্ত্ৰ ছবিৰ (indie film) কথাই নাই, ব্যয়বহুল আৰু তাৰকাসমৃদ্ধ বলীউডতো বিষয়বস্তুটোৱে বহুতক ছবি নিৰ্মাণৰ বাবে প্ৰেৰণা দিয়ে। অমিতাভ বচ্চনৰ দৰে তাৰকাক লৈ নিৰ্মিত এনে এখন ছবি হ'ল *পিংক* (২০১৬)। ছবিখনৰ ভৌগোলিক পটভূমি হিচাপে বৃহত্তৰ দিল্লী অঞ্চলক বাছি লোৱাটো তাৎপৰ্যপূৰ্ণ, কাৰণ নাৰীৰ শালীনতা ৰক্ষাৰ ক্ষেত্ৰত দিল্লীয়ে অদ্বিতীয় কুখ্যাতি অৰ্জন কৰাটো সৰ্বজনবিদিত। সংবাদ মাধ্যমে আনকি 'rape capital of India' বুলিও দিল্লীক অভিহিত কৰে। কিন্তু ধৰ্ষণৰ চিৰাচৰিত প্লটৰ সলনি ধৰ্ষণৰ ব্যৰ্থ প্ৰচেষ্টা, তাৰ লগত জড়িত দিল্লীৰ প্ৰভাৱশালী পৰিয়ালৰ যুৱক আৰু পৰিয়ালৰ ফোঁপোলা চৰিত্ৰ, পুলিচৰ সন্দেহজনক ভূমিকা, ন্যায়ালয়ত যুঁজ, সমগ্ৰ বিষয়টোৰ লগত সাঙোৰ খাই থকা সামাজিক বৈষম্য আৰু সংস্কাৰৰ স্বৰূপ উন্মোচন কৰা হেতুকে

ছবিখনৰ চিত্ৰনাট্য অগতানুগতিক মৌলিকতাৰে ধন্য হৈছিল। পৰিচালক তথা যৌথ চিত্ৰনাট্যকাৰ অনিৰুদ্ধ ৰায় চৌধুৰীয়ে মেল'ড্ৰামা-ৰোমাঞ্চ-নাচ-গানৰ যথেচ্ছাচাৰ প্ৰয়োগ নকৰা সত্ত্বেও ছবিখনে বাণিজ্যিক সাফল্য লাভ কৰিছিল আৰু বলীউডৰ বাবে এটা নতুন স্থিতিচিহ্ন (benchmark) স্থাপন কৰিছিল। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ প্ৰতিযোগিতাত *পিংক* সামাজিক বিষয়ৰ শিতানত বছৰটোৰ শ্ৰেষ্ঠ ছবিৰ ৰজত কমললেৰে ধন্য হয়। ফিল্মফেয়াৰ, ষ্টাৰ স্ক্ৰীন, ষ্টাৰডাষ্ট, জী চিনে এৱাৰ্ডৰ বহুকেইটা বঁটাও লাভ কৰাটো তথা বক্স-অফিচতো ভাৰতত প্ৰায় ৭০ কোটি টকা আয় কৰাটোৱে আন এটা কথা সাব্যস্ত কৰে যে চিনেমায়ো প্ৰচলিত কুসংস্কাৰ আৰু পুৰুষসুলভ দৃষ্টিৰ আৱৰ্ত ভাঙিব পৰা এটা পৰিৱেশ সৃষ্টি হৈছে।

এজন বয়সস্থ আইনজীৱীৰ চৰিত্ৰ ৰূপায়ণ কৰা অমিতাভ বচ্চনে আদালতত নিৰ্যাতিতা তিনি যুৱতীৰ হৈ আৰু বিপক্ষৰ সাক্ষীবাদীক কৰা জেৰাৰ সময়ত দাঙি ধৰা যুক্তিবোৰ প্ৰকৃততে আপোচহীন সামাজিক সমালোচকৰ তীক্ষ্ণতাৰে সজ্জিত। দেশখনত যুৱতীৰ চৰিত্ৰ নিৰ্ণয় হয় ঘড়ীৰ কাঁটালৈ চাই— তেওঁ কৰ্মক্ষেত্ৰৰ তাগিদাত কি ধৰণৰ কষ্ট কৰি আছে তালৈ সমাজৰ একাংশই নাচায় ঃ এয়া ছবিখনত আইনজীৱীজনৰ এক শ্লেষোক্তি। নাৰীৰ ক্ষেত্ৰত আচৰণবিধিৰ এখন হাতপুথি অলিখিতভাৱে থকাটোক লৈও তেওঁ তীব্ৰ শ্লেষপূৰ্ণ বক্তব্য দাঙি ধৰে— পুৰুষৰ লগত হাঁহি বিনিময় কৰিলেও আনে ভুল ব্যাখ্যা কৰিব পাৰে, স্বতন্ত্ৰভাৱে বৈধ উপাৰ্জনৰ পথ ল'লেও আনে সন্দেহৰ চকুৰে চায়, শিক্ষা-দীক্ষাৰ বেলিকাও নাৰী পদে পদে বাধাৰ মুখত পৰে, ইত্যাদি বিভিন্ন ব্যংগমিহলি বাক্যৰে তেওঁ বিপক্ষৰ যুক্তি আৰু ভুৱা প্ৰমাণৰ প্ৰত্যুত্তৰ দি সামাজিক কপটতাৰ মুখা খুলি দিয়ে। দামী, আধুনিক, দেখনিয়াৰ সাজ-পোছাক পৰিহিত অৱস্থাপন্ন যুৱকৰ চিন্তাত লিপিট খাই থকা সামন্তীয় চেতনাক তেওঁ কটাক্ষ কৰি কয় যে নাৰীৰ ক্ষেত্ৰত কিন্তু সামান্য পোছাককে ধৰি সৰু-সুৰা কথাক লৈয়ে চৰিত্ৰ নিৰ্ধাৰণ কৰাটো মুঠেই ৰুচিসন্মত আৰু গ্ৰহণযোগ্য কথা নহয়। বলীউডৰ বাণিজ্যসৰ্বস্ব চলচ্চিত্ৰ ৰীতিত যিবোৰ উপাদান অপৰিহাৰ্য সেইবোৰ *পিংক*ৰ ছবিনিৰ্মাতাই অৱজ্ঞা কৰিছে। অৱশ্যে আদালতৰ দীৰ্ঘ ছিকুৱেন্সবোৰ চিত্ৰনাট্য, সংলাপ আৰু সম্পাদনাৰ জোৰত উপভোগ্য হ'লেও নাটকীয়তাৰপৰা সম্পূৰ্ণ মুক্ত নাছিল, তথাপি নিৰ্মাতাই স্কপ'ফিলিয়ালৈ পিঠি দি নিৰ্যাতিত, বিপদাপন্ন নাৰী চৰিত্ৰৰ প্ৰতি দৰ্শকৰ সহানুভূতি আদায় কৰাৰ দক্ষতাক সাধুবাদ দিব লাগিব।

প্ৰকৃতপক্ষে *পিংক* আৰু *ইনভিজিবল*ৰ দৰে ছবিয়ে পুৰুষৰ দৰ্শকামী (voyeuristic) স্বভাৱৰ বিৰুদ্ধে এক দৃঢ় বাগ্‌ধাৰাৰ চৰ্চাত সহায় কৰিছে। তেল আভিভ বিশ্ববিদ্যালয়ত চলচ্চিত্ৰ পাঠ্যক্ৰমৰ প্ৰবক্তা তথা ইজৰাইলৰ প্ৰবীণ তথ্যচিত্ৰনিৰ্মাতা মিচাল আভিয়াড সাংস্কৃতিক-ৰাজনৈতিকভাৱে এগৰাকী সচেতন মহিলা। *ইনভিজিবল* তেওঁ পৰিচালনা কৰা প্ৰথমখন কাহিনীচিত্ৰ। তেওঁ যে নাৰীৰ নিৰাপত্তা বিষয়ত যথেষ্ট চিন্তা-ভাৱনা কৰে তাৰ প্ৰমাণ দিয়ে তেওঁ লিখা এটা সুদীৰ্ঘ প্ৰবন্ধই। দিল্লীৰ 'নিৰ্ভয়া কাণ্ড'ৰ পাছতে *ইনভিজিবল* ছবিখনৰ নিৰ্মাণৰ আঁৰৰ কথা আৰু ছবিখন চাই নিজৰ দুৰ্ভোগ ব্যক্ত কৰিবলৈ সাহ গোটোৱা বহু খ্যাত-অখ্যাত মহিলাৰ বিষয়ে লিখা এই প্ৰবন্ধটোত তেওঁ ধৰ্ষিতাৰ মনোকষ্ট বৰ্ণনা কৰে। ছবিখনৰ প্ৰধান দুটা চৰিত্ৰ হ'ল এগৰাকী বাঁওপন্থী কৰ্মী লিলি আৰু এগৰাকী টেলিভিশ্যন সাংবাদিক নিৰা। পেলেষ্টাইনীসকলৰদ্বাৰা সংঘটিত এটা শান্তিপূৰ্ণ বিক্ষোভস্থলত দুয়োৰে অকস্মাৎ সাক্ষাৎ হয়, তাৰপাছত বন্ধুত্বই গঢ় লয়। স্বামী, পুত্ৰ-কন্যাৰে আপাত দৃষ্টিত সুখী সংসাৰৰ গৰাকী লিলি; কিন্তু তেওঁক অহৰহ পীড়া দিয়ে নিকট অতীতত এজন ব্যক্তিৰদ্বাৰা



ধৰ্ষিত হোৱাৰ স্মৃতিয়ে, আনকি সংসাৰৰ সুখতো বিঘিনি জন্মায়। বৰ্তমান অকলশৰীয়া মাতৃ নিৰাৰ লগত এই সম্পৰ্কে কথা পাতোতে এটা কথা আৱিষ্কৃত হয় যে নিৰাও এসময়ত এজন লোকৰদ্বাৰা ধৰ্ষিত হৈছিল আৰু এই ধৰ্ষণকাৰী পুৰুষজন দুয়োৰে ধৰ্ষণকাৰীৰ স্বভাৱ-চৰিত্ৰৰ লগত হুবহু একে। মিঠা কথাৰে বন্ধুত্ব গঢ়ি তুলি অৱশেষত বহু নাৰীক ধৰ্ষণ কৰা এজন লোকৰ বিষয়ে ইতিমধ্যে তদন্ত চলিছিল, সংবাদ প্ৰকাশ পাইছিল। কাকতালীয়ভাৱে সেইজন লোকেই নিৰা আৰু লিলি উভয়ৰে ধৰ্ষণকাৰী। ১৯৭৮ চনত ইজৰাইলত ধৰা পৰা ধাৰাবাহিক ধৰ্ষণকাৰী (serial rapist) এজনৰ সঁচা ঘটনাৰ আলম লৈ নিৰ্মিত এই ছবিখন ঃ টেলিভিশ্যন সংবাদৰ ফুটেজ, ধৰ্ষিতা কেইবাগৰাকী নাৰীৰ জবানবন্দী আদিৰ সহায় লৈ ইয়াত বাস্তৱৰ ঘটনা আৰু গল্পকথনৰ ভাৱোদ্দীপক সংমিশ্ৰণ ঘটাইছিল ছবিনিৰ্মাতাই।

*ইনভিজিবল* সন্মানীয় বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱ আৰু ইজৰাইলতো বহুকেইটা বঁটা লাভ কৰা ছবি। তাত নাই কোনো চমক সৃষ্টিকাৰী উপাদান। পৰিচালকে ধৰ্ষণৰ দৰে এটা স্পৰ্শকাতৰ বিষয়ক নিশ্চিতভাৱে ৰাজনৈতিক দৃষ্টিকোণেৰে উত্থাপন কৰাটো ইয়াত পুৰুষসুলভ দৃষ্টিৰ (male gaze) প্ৰতি আছিল সবল প্ৰত্যাহ্বান। তাৰ লগতে ভুক্তভোগী নাৰীৰ অসহনীয় মানসিক পীড়ন আৰু ইজৰাইলী সেনাবাহিনীয়ে নিৰস্ত্ৰ পেলেষ্টাইনী জনতাৰ ওপৰত চলাই থকা নিয়মমাফিক উৎপীড়নৰ দৃশ্যগত প্ৰতিষ্ঠাপনে (juxtaposition) ছবিখনৰ নেৰেটিভত এটা অৰ্থপূৰ্ণ তৰপৰ সংযোগ সাধন কৰে। ৰাজনৈতিক বাধ্যবাধকতাৰে ৰাষ্ট্ৰয়ো উৎপীড়িত জনতাৰ মৰ্যাদাৰ ওপৰত বলাৎকাৰ কৰে— এয়া পুৰুষৰ মইমতালিৰ (male chauvinism) পৰা কিমাননো বেলেগ? নিৰ্যাতনৰ মহা-বিৱৰণীয়ে এনেদৰেই যেন সংঘবদ্ধ অপৰাধ আৰু ব্যক্তিমূলীয় অপৰাধক এটা বিন্দুত একাকাৰ কৰে। ছিমন দ্য বুভোৱাই এনেই কোৱা নাছিল যে নাৰীৰ ওপৰত চলা যৌন নিপীড়নক কেৱল জীৱতত্ত্বৰ দৃষ্টিকোণেৰে ব্যাখ্যা কৰিব নালাগে, বৰঞ্চ আৰ্থিক, সামাজিক, অস্তিত্ববাদী দৃষ্টিকোণেৰে চাব লাগে। প্ৰণয়-বান্ধোনত আবদ্ধ নাৰীও পুৰুষৰ আধিপত্যকামী মানসিকতাৰ বাবে নিজতকৈ অন্যৰ সুখপ্ৰাপ্তিত উৎসৰ্গিত হয় আৰু পৰিস্থিতিয়ে দাম্পত্যৰ সুখো নাৰীৰ হাতৰ মুঠিৰপৰাই কাঢ়ি নিয়ে বুলি বুভোৱাই কৈছিল। চলচ্চিত্ৰত এই সমস্ত দিশবোৰ সময়ে সময়ে উত্থাপিত হৈছে। স্বনামধন্য জাহ্নু বৰুৱাৰ শেহতীয়া ছবি *ভগা খিৰিকী* (২০১৮) এই ক্ষেত্ৰত এটা উপযোগী সমল হ'ব পাৰে। মানুহৰ মনস্তত্ত্ব আৰু আচৰণৰ গভীৰলৈ শিপাই থকা এটা অভ্যাস বা স্বভাৱ হ'ল নাৰীসংগীৰ প্ৰতি পোষণ কৰা অৱদমনৰ (repression) মনোভাব। এই অসাম্য আঁতৰোৱাত ছোৱিয়েট বিপ্লৱো সফল হোৱা নাছিল যেতিয়া সাধাৰণ বিদ্ৰোহী কোন কুটা! নাৰীবাদী বাগ্‌ধাৰাৰ পথ প্ৰদৰ্শক বুভোৱাৰ আক্ষেপ—

"A world where men and women would be equal is easy to visualize, for that precisely is what the Soviet Revolution promised.... But is it enough to change laws, institutions, customs, public opinion, and the whole social context, for men and women to became truly equal?" [Beauvoir 733-4]



অসমৰ কোনো সশস্ত্ৰ সংগঠনৰ নেতাৰ লগত

ঘৰৰ অমতত বিবাহ সম্পন্ন কৰা যুৱতী তগৰ ***ভগা খিৰিকী***ৰ কেন্দ্ৰীয় চৰিত্ৰ। আত্মগোপনকাৰী কনচেঙক বিচাৰি অহা ভাৰতীয় সেনাবাহিনীৰ জোৱানে তগৰক ঘৰত অকলে পাই ধৰ্ষণ কৰে। তাৰ ফলত তাই গৰ্ভধাৰণ কৰিবলগীয়া হ'ল। কনচেঙক তাই এই কথা জনায় আহত-ক্ষুব্ধ মনক প্ৰবোধ দিবলৈ, এটা নিৰ্ভৰতা আৰু মানসিক আশ্ৰয় পাবলৈ। পিছে কনচেং খঙত উতলা হৈ সংগঠনৰ শিবিৰলৈ আথে-বেথে লৈ যোৱা তগৰক আধাবাটৰ পৰাই উভতি যাবলৈ নিৰ্দেশ দিয়ে। ভগ্ন মনোৰথ হৈ উভতি অহা তগৰৰ বাবে আন এক বজ্ৰাঘাত হৈ উঠে সেনাৰ গুলীত কনচেঙৰ মৃত্যু। তীব্ৰ দুখ-ক্ষোভৰ জ্বালাত তাই এটা সময়ত উন্মাদৰ দৰে বকিবলৈ ধৰে—

"এক পাষণ্ডই বিচাৰে মই মোৰ জীৱনটো তাৰ চৰ্তত দিব লাগে, আন এটাই সন্ত্ৰাসবাদীৰপৰা দেশ ৰক্ষা কৰিবলৈ আহি মোক ধৰ্ষণ কৰে! তই এখন সুন্দৰ পৃথিৱী গঢ়াৰ সপোন দেখ', কিন্তু যেতিয়া মোৰ আটাইতকৈ বেছি তোক প্ৰয়োজন হয়, তেতিয়া মোক এৰি গুচি যাৰ! ক, এতিয়া মই কি কৰোঁ!"

এই সৰৱ স্বগতোক্তিৰে তগৰে পুৰুষতান্ত্ৰিক মনোভাৱক ধিক্কাৰ দিয়াটো পৰিস্ফুট হয়। হাতত যি পায় তাকে আচাৰি তাই নিজৰ প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰে কেৱল তাইৰ দুৰ্ভাগ্যৰ বিৰুদ্ধে নহয়— সেয়া আছিল লিংগ-বৈষম্যভিত্তিক শাসন, মনন আৰু সমাজৰ প্ৰতিও বিষোদগাৰ। কিয়নো তাইৰ ক্ষোভৰ লক্ষ্য কেৱল ধৰ্ষণকাৰী সৈনিক আৰু সশস্ত্ৰ উগ্ৰপন্থীৰ মনোভাৱেই নাছিল, লগতে কনচেঙৰ বিষয়ে গোপনে সেনাবাহিনীক খবৰ দিয়া নিজৰ পিতৃও আছিল, যিজনে কথাইপতি পত্নীক হুটা মাত দিবলৈ, গাত হাত তুলিবলৈ সংকোচ নকৰে, যিজন হাড়ে-হিমজুৰে এটা সামন্তীয় চৰিত্ৰ। ছবিখনত তগৰ আৰু তাইৰ মাতৃ দুয়ো নাৰীৰ ওপৰত চলা অবিচাৰৰ অন্তৰ্নিহিত অৰ্থক (connotation) প্ৰতিনিধিত্ব কৰে।

যদিহে ধৰ্ষণৰ আপাত (manifest) আৰু অন্তৰ্লীন (latent) সাৰবস্তু বিচাৰৰ তুলাচনীত জোখা হয়, তেন্তে এটা কথা নিশ্চিতভাৱে ক'ব পাৰি যে ই এটা ব্যাধিৰ বহিঃপ্ৰকাশ— তাৰ মূল বহু গভীৰ আৰু সেইকাৰণে ধৰ্ষণক লৈ সামাজিক সংস্কাৰৰ শিপা উভালি পেলোৱাটো সহজসাধ্য নহয়। যুদ্ধত সৰ্বস্ব অথবা কিঞ্চিৎ ত্যাগ কৰা সৈনিক বা সৈনিকৰ পৰিয়ালক ৰাষ্ট্ৰ আৰু সমাজে বীৰৰ মৰ্যাদা দিবলৈ কিঞ্চিতো হেলা নকৰে, কিন্তু যুদ্ধকালীন অত্যাচাৰ-লাঞ্ছনাৰ চিকাৰ হোৱা নাৰীক ক্ষতিপূৰণ দিবলৈ কোনোৱে সহজে আগবাঢ়ি নাহে, মৰ্যাদা দিয়াটো দূৰৰ কথা, আনকি তেনে ধৰ্ষিতা মহিলাৰ পৰিয়ালকো দুৰ্ভাগ্যজনকভাৱে হীন দৃষ্টিৰে চোৱা দেখা যায়। বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত অগণন নাৰী পাকিস্তানৰ সেনা আৰু সহযোগী বাহিনীৰদ্বাৰা ধৰ্ষিত হোৱাৰ তথ্য আছে। তদানীন্তন পূৱ পাকিস্তানত চলা গণহত্যা আৰু নিৰ্যাতনৰ পৰৱৰ্তীকালত যেতিয়া নতুন ৰাষ্ট্ৰ হিচাপে বাংলাদেশ ভূমিষ্ঠ হয়, তেতিয়া মুক্তিযুদ্ধৰ সকলো সেনানীয়ে প্ৰাপ্য স্বীকৃতি আৰু সন্মান লাভ কৰে; কিন্তু যিসকল নাৰী চৰম অপমান আৰু নিষ্পেষণৰ বলি হৈছিল তেওঁলোক অৱহেলিত আৰু অনাদৃত হৈয়ে ৰয়। তেওঁলোকৰ বহুতৰে নাতি-নাতিনীলৈকে তেনে নাৰীৰ পৰিয়ালৰ বুলি লঘু-লাঞ্ছনাৰ সন্মুখীন হয় ঃ যৌনভাৱে শোষিত নাৰী মান্ধাতাযুগীয় সংস্কাৰৰ বলি হোৱাৰ পাৰ্শ্বক্ৰিয়াও যে থাকে এয়া হৈছে তাৰেই এটা নমুনা। সেইসকল নাৰীৰ বিষয়ে এখন নাটক লিখিছিল জন্মসূত্ৰে বাংলাদেশৰ, বৰ্তমান লণ্ডনবাসী নাট্যকৰ্মী লীজা গাজিয়ে (Leesa Gazi)। তাৰপাছত নাটখন তেওঁ বিভিন্ন ঠাইত প্ৰদৰ্শন কৰিছিল ব্ৰিটেইনৰ এটা নাট্যগোষ্ঠীৰ জৰিয়তে। নাটখন লিখাৰ সময়তে সমল বিচাৰি তেওঁ বাংলাদেশৰ সেইসকল



দুৰ্ভগীয়া নাৰীৰ বহুতক সাক্ষাৎ কৰে। তেওঁলোকৰ কোনোৱে বা ঢাকাত, কোনোৱে বা কলকাতাত, অথবা ভাৰত-বাংলাদেশৰ প্ৰত্যন্ত গাঁৱত জীৱনৰ বিয়লি বেলা পাৰ কৰিছে।



মুক্তিযুদ্ধৰ জীৱন্ত ক্ষতচিহ্নস্বৰূপ সেইসকল নাৰীৰ অকথিত কাহিনী লৈ লীজা গাজিয়ে এখন সুদীৰ্ঘ তথ্যচিত্ৰ নিৰ্মাণ কৰে। বাংলাদেশ, ভাৰত, ব্ৰিটেইনৰ যৌথ প্ৰযোজনা হিচাপে নিৰ্মিত ছবিখন হ'ল ***ৰাইজিং ছাইলেন্স*** (২০১৮)। ৭৫ মিনিট দৈৰ্ঘ্যৰ ছবিখনত পৰিচালিকা নিজেই সাক্ষাৎগ্ৰহণকাৰীৰ ৰূপত অৱতীৰ্ণ হয়। অতিশয় সহানুভূতিৰে, অকৃত্ৰিম অন্তৰংগতাৰে তেওঁ সেইসকল নাৰীৰ মতামত আদায় কৰাটো সহজে বোধগম্য; কিন্তু যথেষ্ট সাৱধানতাৰে সম্পাদিত কৰি তেওঁ এখন মৰ্মস্পৰ্শী দলিল হিচাপে ছবিখন যুগুতাইছে। দক্ষিণ এছিয়াৰ নৈতিকতা-তাড়িত আৰু সামাজিকভাৱে দায়বদ্ধ ছবিৰ ইতিহাসত ***ৰাইজিং ছাইলেন্স*** এক সবল সংযোজন হৈ উঠিছে মূলতঃ পৰিচালিকাই সম্পূৰ্ণ মানৱীয় দৃষ্টিৰে নিৰ্মাণ কৰা হেতুকে— য'ত পুৰুষসুলভ দৃষ্টি আৰু বাণিজ্যকেন্দ্ৰিক চমক দিয়াৰ অকণো হাবিয়াস দৃষ্টিগোচৰ নহয়। আনকি ভুক্তভোগী নাৰীৰ স্বীকাৰোক্তি সন্নিবিষ্ট কৰোঁতেও সম্পূৰ্ণ শালীনতা আৰু কঠোৰ সম্পাদনা ৰীতি প্ৰয়োগ কৰা হৈছে, দৰ্শকৰ মনোৰঞ্জনৰ বাবে লোৱা নাই কোনো চাঞ্চল্যকৰ কৌশলো, যিটো হলীউড বা অন্যান্য পশ্চিমীয়া ৰীতিৰ অনুগত ছবিনিৰ্মাতাই নকৰিলেহেঁতেন। উল্লেখ্য যে বাংলাদেশৰ বৰ্তমান প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই মুক্তিযুদ্ধকালীন নিপীড়িতাসকলক অলপতে 'বীৰাংগনা' আখ্যা দিয়ে আৰু সেইমৰ্মে প্ৰাপ্য সন্মানো প্ৰদান কৰে। ২০১৯ৰ জানুৱাৰীত অনুষ্ঠিত ঢাকাৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ছবিখন নাৰী ছবিনিৰ্মাতাৰ শাখাত শ্ৰেষ্ঠ তথ্যচিত্ৰৰূপে পুৰস্কৃত হয়। মহোৎসৱৰ সমাপ্তি অনুষ্ঠানত বঁটা গ্ৰহণ কৰোঁতে পৰিচালিকাগৰাকীয়ে এটা উষ্ম ভাষণ দিয়াৰ লগতে ছবিখনত স্থান লভা দুগৰাকী 'বীৰাংগনা'ক মঞ্চলৈ মাতি আনি সম্বৰ্ধনা জনোৱাৰ সময়ত পূৰ্ণ প্ৰেক্ষাগৃহৰ দৰ্শকে থিয় হৈ হাতচাপৰিৰে অভিবাদন জনোৱাটো এই সময়ৰ এটা স্মৰণীয় পৰিঘটনা— কাৰণ এই স্বীকৃতি এখন দেশৰ প্ৰচলিত ৰাজনৈতিক আৰু সামাজিক দৃষ্টিভংগীত এটা পৰিৱৰ্তনৰ সূচক, লগতে নাৰীয়ে প্ৰাপ্য মৰ্যাদা অৰ্জনত দৃশ্য-শ্ৰাব্য মাধ্যমৰ সদৰ্থক ভূমিকাৰ এটা প্ৰকাশ।

কোৱা বাহুল্য, নাৰীৰ দুৰ্ভোগ, পৰিচয়ৰ প্ৰশ্ন, ধৰ্ষণ আৰু নানান মৰ্যাদা হানিকৰ বিষয়বস্তুক লৈ দুই ধৰণৰ ছবি নিৰ্মিত হৈ আহিছে— চলচ্চিত্ৰৰ নাৰীবাদী বাগ্‌ধাৰাৰ উদ্দেশ্যই হ'ল এই বৈপৰীত্যৰ সম্যক অধ্যয়ন। চলচ্চিত্ৰ তত্ত্বসমূহে মাধ্যমটোৰ অধ্যয়নত বৰঙণি যোগোৱাৰ লগতে এনেবোৰ স্পৰ্শকাতৰ আৰু উপেক্ষা কৰিব নোৱৰা বিষয়ত দাৰ্শনিকসকলৰ ব্যাখ্যাত প্ৰভূত পৰিমাণে সহায় কৰি গৈছে। বৰ্তমান উচ্চতৰ শিক্ষানুষ্ঠানত সাহিত্য আৰু দৰ্শনৰ অন্তৰ্গত হিচাপে চলচ্চিত্ৰ অধ্যয়নক সাঙুৰি লোৱা হৈছে। দৃশ্যকলাৰ দাৰ্শনিকসকলে (বেৰীজ গাউটে কোৱা "philosophers of film") বিভিন্ন বিষয়ত যিদৰে দৃষ্টিনিক্ষেপ কৰিছে সি মানুহৰ মন আৰু চেতনাক সমৃদ্ধ আৰু শুদ্ধ কৰা বুলিও ক'ব পাৰি। চলচ্চিত্ৰৰ তাত্ত্বিক আৰু দাৰ্শনিকসকল পৰস্পৰৰ দ্বাৰা প্ৰচুৰ উপকৃত হৈছে। যদিও চলচ্চিত্ৰৰ দৰ্শন (philosophy of film) ফটোগ্ৰাফিক ফিল্ম আৱিষ্কাৰৰ সমানে পুৰণি, তথাপি ১৯৭০ৰ দশকৰ পৰা চিনেমাই দাৰ্শনিক অধ্যয়নক ব্যাপক হাৰত আকৃষ্ট কৰিবলৈ

লয়। (Gaut 3) নাৰীৰ দুৰ্ভোগক লৈ নিৰ্মিত ছবিয়ে এই অধ্যয়নক প্ৰচুৰ সাৰপানী যোগাইছে; আৰু ধৰ্ষণক কেন্দ্ৰ কৰি হোৱা ছবিৰ দাৰ্শনিক মাত্ৰাও লেখত ল'বলগীয়া।

সন্দেহ নাই, আজিৰ ভোগবাদী পৃথিৱীত দুৰ্বল লোকসকলেই সৰ্বাধিক বিপদাপন্ন আৰু শ্ৰেণী নিৰ্বিশেষে নাৰী সমাজ পদে পদে লাঞ্ছিত হোৱাৰ প্ৰধান কাৰণ হ'ল চৰম লিংগ-বৈষম্যৰ প্ৰভাৱ। প্ৰশ্ন হয় লিংগ-বৈষম্য আৰু যৌন আক্ৰমণৰ বলি হোৱা নাৰীৰ প্ৰতি সমাজৰ দৃষ্টিভংগী কেনে হোৱা উচিত? এই প্ৰশ্নৰ এটা সন্তোষজনক উত্তৰ দিয়াৰ চেষ্টা কৰিছে মেঘালয়ৰ ছবিনিৰ্মাতা প্ৰদীপ কুৰবাহে তেওঁৰ ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত ***অনাটা অফ দি আৰ্থ*** (২০১৫) নামৰ ছবিখনত। চহৰৰ এটা বিত্তবান পৰিয়ালৰ সহজ-সৰল যুৱতী অনাটা অপহৃত আৰু ধৰ্ষিত হয়। অপৰাধীকেইটা ধৰা পৰে আৰু বিচাৰত দোষী সাব্যস্ত হৈ কাৰাদণ্ডিত হয়; কিন্তু এটা দুৰ্বহ অভিজ্ঞতাই অনাটাৰ স্বাভাৱিক জীৱন বিষময় কৰি তোলে। পিতৃ-মাতৃয়ে তাইৰ মনৰ এটা পৰিৱৰ্তন বিচাৰি দূৰণিবটীয়া খাছি গাঁৱত থকা আত্মীয়ৰ ঘৰলৈ তাইক কিছুদিনলৈ পঠিয়াই দিয়ে। প্ৰকৃতি আৰু জীৱনযাত্ৰাৰ মনোৰম ছন্দয়ো তাইৰ মন প্ৰকৃতিস্থ কৰিব পৰা নাছিল যদিও এজন বয়সস্থ অন্ধ লোকে তাইক সৰু সৰু কথাৰ মাজেৰে জীৱনৰ দৰ্শন, অবাৰিত সক্ষমতা আৰু সৌন্দৰ্যক নকৈ উপলব্ধি কৰিবলৈ ভৰসা যোগায়। তদুপৰি এজন কৰ্মঠ, সৰল যুৱকে তাইৰ নিকট অতীতৰ সকলো কথা জানিও অনাটাক যি ধৰণে নিঃচৰ্ত চেনেহ আৰু সাহচৰ্য দিয়ে, সিও তাইৰ বাবে জীৱনটো নতুন সত্যৰে বুজাৰ প্ৰেৰণা হৈ উঠে। দুখন পৱিত্ৰ মানৱীয় হৃদয়ে যেন জীৱনৰ প্ৰতি তাইৰ বিশ্বাস ঘূৰাই আনে।



***অনাটা অফ দি আৰ্থ*** হ'ল ধৰ্ষিতা নাৰীয়ে নিজৰ অজ্ঞাতেই সামাজিক প্ৰতিকাৰৰদ্বাৰা দুৰ্ভাগ্যৰ সৈতে যুঁজত নমাৰ কাহিনী। ছবিনিৰ্মাতাজন ইয়াত আইনী যুঁজৰ জীৰ্ণ নেৰেটিভ অথবা প্ৰতিশোধপূৰণৰ বাণিজ্যগন্ধী প্ৰতিৰূপ (image) সৃষ্টিৰ বাবে লালায়িত নহ'ল। আজিৰ দিনত ভোগ্যপণ্যবাদে কেনেদৰে বিশৃংখলা, অত্যধিক লোভ, নৈতিক স্খলনৰ জুইত আহুতি দিছে, আৰু এই পণ্য-সংস্কৃতিত ভোল গৈ মূলসুঁতিৰ চিনেমাই কিদৰে এটা দুষ্টচক্ৰ প্ৰতিপালনত অহিৰণা যোগাইছে সেইবোৰ ব্যাখ্যা নকৰিলেও চলে। এই দুষ্টচক্ৰই আনকি মাতৃতান্ত্ৰিক পৰম্পৰাৰে চালিত খাছী সমাজতো যে অশুভ প্ৰভাৱ পেলাইছে, তাৰেই বাৰ্তা বহন কৰিছে প্ৰদীপ কুৰবাহৰ এই সময়োপযোগী দৃশ্যকাব্যই। এটা কদৰ্য স্মৃতিৰ বোজা আঁতৰাবলৈ যিখিনি যুঁজাৰু মানসিকতা পুনৰ্গঠনৰ প্ৰয়োজন সেইখিনি অনাটাই ক্ৰমাৎ আত্মস্থ কৰি যায়, কিন্তু সেই যুঁজৰ ৰূপ কোনোমতে মেল'ড্ৰামা অথবা পুৰুষসুলভ দৃষ্টিৰ মুখাপেক্ষী নহয়। নাৰীবাদী চলচ্চিত্ৰ তত্ত্বৰ পৰিসৰ এনে ছবিয়ে প্ৰসাৰিত কৰে। সেইটো আজিৰ পটভূমিত খুবেই জৰুৰী। অবাধ ভোগবাদ, অন্তঃসাৰশূন্য বিনোদন, যৌনতাৰ ছলনাই সমাজৰ গৰিমাময় বাগ্ধাৰাবোৰ (discourses) আপাততঃ নিৰৰ্থক আৰু অকাৰ্যকৰী কৰি তুলিছে। মানৱীয় প্ৰমূল্য, বিবেচনা শক্তি, পৰোপকাৰৰ ধাৰণাবোৰ এই পৰিৱেশত চূড়ান্তভাৱে আক্ৰান্ত হৈছে। এইধৰণৰ সৰ্বগ্ৰাসী প্ৰৱণতা ৰোধ কৰিবলৈ চিনেমাই এটা ফলপ্ৰসূ উপায় দিব পাৰে। ততোধিক



কাৰ্যকাৰিতা আশা কৰিব পাৰি নাৰীসুলভ আৰু মানৱীয় দৃষ্টিৰে নিৰ্মিত শিল্পকলাৰপৰা। তাৰ বাবে 'দৰ্শন'ৰ নতুন ব্যাকৰণ আৰু নন্দনতত্ত্ব প্ৰয়োগো বাঞ্ছনীয় হৈ উঠিব পাৰে। সেইটো অৱশ্যে নিৰ্ভৰ কৰিব সামাজিক-ৰাজনৈতিক বাস্তৱতাৰ ওপৰত। তাৰ কেইটামান শেহতীয়া নিদৰ্শনহে এই নাতিদীৰ্ঘ আলোচনাত স্থান দিয়া হৈছে। আন্তৰ্জাতিক চলচ্চিত্ৰৰ বিস্তৃত ক্ষেত্ৰত এনে উদাহৰণ বহু পোৱা যাব। সেইবোৰৰ সমুচিত অধ্যয়নৰ প্ৰতি সামান্য আগ্ৰহ সঞ্চাৰিত কৰিব পাৰিলেহে এই আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণ হ'ব।

**প্ৰবন্ধ/গ্ৰন্থপঞ্জী**


Mulvey, Laura "Visual Pleasure and Narrative Cineme", in *Film Theory and Criticism*, ed. Gerald Mast and Marshall Cohen, Oxford U.P., 1985

বৰপূজাৰী, মনোজ *জ্যোতিপ্ৰসাদৰ পৰা জাহ্নু-জাংদাও আৰু অন্যান্য*, অসম প্ৰকাশন পৰিষদ, ২০১৬

Garga, B. D. *The Art of Cinema*, Penguin, 2005

মুখোপাধ্যায়, চণ্ডী *সিনেমায় রবীন্দ্রনাথ রবীন্দ্রনাথের সিনেমা*, প্ৰতিভাস, ২০১৫

Silverman, Kaja *The Acoustic Mirror : The Female Voice in Psychoanalysis and Cinema*, Indiana U.P., 1988

Mulvey, Laura *Death 24x a Second : Stillness and the Moving Image*, Reaktion Books, 2006

Sadr, Hamid Reza *Iranian Cinema : A Political History*, I. B. Tauris, 2006

Beauvoir, Simone de *The Second Sex*, Picador, 1988

Gaut, Berys *A Philosophy of Cinematic Art*, Cambridge U.P., 2010


**চলচ্চিত্ৰপঞ্জী**


অষ্টেন, ফ্ৰাঞ্জ ***অচ্ছুত কন্যা***, ১৯৩৬

শান্তাৰাম, ভি ***দুনিয়া না মানে***, ১৯৩৭

বৰুৱা, জাহ্নু ***হালধীয়া চৰায়ে বাওধান খায়***, ১৯৮৭

শইকীয়া, ড° ভবেন্দ্ৰনাথ ***অগ্নিস্নান***, ১৯৮৫

আগৰৱালা, জ্যোতিপ্ৰসাদ ***জয়মতী***, ১৯৩৫

কিয়াৰ'ষ্টামি, আব্বাছ ***দি উইণ্ড উইল কেৰী আছ***, ১৯৯৯

শ্বাহৰিয়াৰ, মৰিয়ম ***ডটাৰ্ছ অফ দি ছান***, ১৯৯৯

মখমলবাফ, ছমিৰা ***আপেল***, ১৯৯৮

স্মাৰজ'স্কি, ৰ'চিয়েচ্চ ***ৰ'জ***, ২০১১

হাছান, হুছেইন ***দি ডাৰ্ক উইণ্ড***, ২০১৬

আডউইন, লেছলী ***ইণ্ডিয়াজ ডটাৰ***, ২০১৫

আভিয়াড, মিচাল ***ইনভিজিবল***, ২০১১

চৌধুৰী, অনিৰুদ্ধ ৰায় ***পিংক***, ২০১৬

বৰুৱা, জাহ্নু ***ভগা খিৰিকী***, ২০১৮

গাজি, লীজা ***ৰাইজিং ছাইলেন্স***, ২০১৮

কুৰবাহ, প্ৰদীপ ***অনাটা অফ দি আৰ্থ***, ২০১৫

# মৌচুমী কন্দলীৰ দুটা চুটিগল্প ‘লামবাদা নাচৰ শেষত’ (১৯৯৭) আৰু ‘ৰা-বাঁহৰ চিক্‌মিকনি’ (২০১০)-ৰ আধাৰত জনগোষ্ঠীয় জীৱনবোধৰ দ্বন্দ্বাত্মক দৃষ্টিভংগীৰ স্বৰূপ বিচাৰ

*স্বামিম নাছৰিন*

**সাৰাংশ**

অসমীয়া চুটিগল্পৰ শেহতীয়া ধাৰাটো অন্যতম শ্ৰেষ্ঠ গল্পকাৰ মৌচুমী কন্দলীয়ে বিগত তিনিটা দশকত সংখ্যাত কম হ’লেও বহুকেইটা সফল গল্প ৰচনা কৰিছে। তেওঁৰ গল্পত আধুনিক জীৱন-দৃষ্টি, চিন্তা-চেতনা আৰু প্ৰকাশভংগীৰ স্বাক্ষৰ দেখিবলৈ পোৱা যায়। অন্যান্য দিশৰ লগতে তেওঁ বিশেষকৈ উত্তৰ ঔপনিৱেশিক তাত্ত্বিক বিচাৰ-ধাৰাৰে অসমৰ জনগোষ্ঠীয় জীৱনলৈ আহি পৰা বিভিন্ন সমস্যা আৰু দ্বন্দ্বৰ দিশবোৰক গল্পৰ জৰিয়তে প্ৰকাশ কৰিছে। এইখন আলোচনা পত্ৰৰ জৰিয়তে তেওঁৰ গল্পসমূহৰ মাজৰ পৰা নিৰ্বাচন কৰা দুটা বিশেষ গল্পৰ আধাৰত বিগত প্ৰায় অৰ্দ্ধশতিকাত অসমৰ পৰ্বতীয়া জনগোষ্ঠীসমূহৰ আৰ্থ-সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বৰ্হিজগতৰ ক্ৰমবৰ্দ্ধমান প্ৰভাৱ আৰু তাৰ ফলত সৃষ্টি হোৱা দ্বন্দ্বাত্মক চেতনাৰ বিশ্লেষণ কৰিবলৈ যত্ন কৰা হৈছে। এই ক্ষেত্ৰত সংশ্লিষ্ট জনগোষ্ঠীৰ অন্তৰ্গত বিভিন্ন প্ৰজন্মৰ লোকসকলৰ মাজৰ দৃষ্টিভংগীগত পাৰ্থক্যৰ লগতে আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত কৰি থকা বিকল্প পথৰ সন্ধানৰ বিষয়েও আলোচনা কৰা হৈছে।

**সূচক শব্দ ঃ** উত্তৰ ঔপনিৱেশিক, জনগোষ্ঠী, সমস্যা, দ্বন্দ্ব, আৰ্থ-সামাজিক-সাংস্কৃতিক, আত্ম প্ৰতিষ্ঠা।

বিংশ শতিকাৰ আশীৰ দশকৰ পৰা যোৱা তিনিটা দশক সামৰি থকা কালচোৱাৰ অসমীয়া সাহিত্যৰ, বিশেষকৈ চুটিগল্প চৰ্চাৰ শেহতীয়া ধাৰাটোৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ ৰূপে মৌচুমী কন্দলীৰ এটা বিশিষ্ট পৰিচয় আছে। বৰ্তমান তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগত অধ্যাপনা কৰি থকা মৌচুমী কন্দলীয়ে বিগত আশী আৰু নৱৈৰ দশকত যথাক্ৰমে দৰ্শন, মনস্তত্ত্ব আৰু কলা-ইতিহাস বিষয়ত কৰা সুগভীৰ অধ্যয়নৰ জৰিয়তে এক সুকীয়া জীৱনদৃষ্টিৰ অধিকাৰী ৰূপে পৰিচিত হৈছে। ইয়াৰ লগতে বিশ্বসাহিত্যৰ বিভিন্ন শেহতীয়া ধাৰাৰ সৈতে থকা নিবিড় পৰিচয়ে তেওঁৰ মাজত এক বিৰল সাহিত্যবোধৰ জন্ম দিছে। তেওঁৰ সৃষ্টিকৰ্মৰ মাজেদি এই উভয় দিশৰে বিচিত্ৰ প্ৰকাশ লক্ষ্য কৰা যায়।



কথা সাহিত্যিক ৰূপে মৌচুমী কন্দলীৰ পৰিচয়ৰ দুটা স্তৰ আছে, যথাক্ৰমে—চুটিগল্পকাৰ আৰু কলা-সমালোচক। উভয়ক্ষেত্ৰতে তেওঁ অভিনৱ বৈশিষ্ট্য প্ৰকাশৰ জৰিয়তে নিজস্বতা প্ৰদৰ্শন কৰি সফলতা অৰ্জন কৰিছে। সময়ৰ লেখেৰে কথা-সাহিত্যিক মৌচুমী কন্দলীৰ আত্মপ্ৰকাশ হৈছিল আজিৰ পৰা মাথো তিনিটা দশকৰ পূৰ্বে। এতিয়ালৈকে তেওঁৰ প্ৰকাশিত হোৱা গল্প সংকলন কেইখন হৈছে—‘লাম্‌বাদা নাচৰ শেষত’ (প্ৰকাশ কাল ১৯৯৮ চন), ‘তৃতীয়ত্বৰ গল্প’ (প্ৰকাশ কাল ২০০৭ চন), ‘মকড্ৰিল’ (প্ৰকাশ কাল ২০১০ চন) আৰু ‘ফ্ৰেমৰ বাহিৰৰ জোনাকী পৰুৱাবোৰ’ (প্ৰকাশ কাল ২০১৫ চন)। আনহাতে কলা-সমালোচনা বিষয়ক গ্ৰন্থ হৈছে—‘ভাৰতীয় চাৰুকলাৰ ৰেঙনি’, ‘বিষয় কলা...’ আৰু ‘অসমৰ আধুনিক শিল্পকলা’ (প্ৰকাশ কাল ২০১১ চন)। ইয়াৰ উপৰিও তেওঁ বিশিষ্ট শিল্পী চালভাদৰ দালিৰ আত্মজীৱনী ‘ডায়েৰী অব এ জিনিয়াছ’-খনক ‘এজন ধীমানৰ জীৱনপঞ্জী’ নামেৰে অসমীয়া ভাষালৈ অনুবাদ কৰিছে। সাহিত্যচৰ্চাৰ বাবে তেওঁ ইতিমধ্যে কেইবাটাও উল্লেখযোগ্য বঁটাৰ দ্বাৰা সন্মানিত হৈছে, সেইসমূহৰ ভিতৰত ২০০০ চনত ‘মুনীন বৰকটকী বঁটা’, ২০০৫ চনত ‘ৰাষ্ট্ৰীয় ভাষা পৰিষদৰ বঁটা’ আৰু ২০০৭ চনত ‘একা এবং কয়েজকজন’ আলোচনীয়ে আগবঢ়োৱা ‘সাহিত্য সংস্কৃতি সন্মান’ উল্লেখযোগ্য।

মৌচুমী কন্দলীয়ে চুটিগল্পকাৰ ৰূপে যোৱা তিনিটা দশকজুৰি সক্ৰিয় হৈ আছে আৰু বহুকেইটা উল্লেখযোগ্য চুটিগল্প ৰচনাৰে অসমীয়া চুটিগল্পৰ ৰচনা বৈচিত্ৰ্যৰ দিশত অৰিহণা আগবঢ়াইছে। প্ৰায় প্ৰতিটো চুটিগল্প ৰচনাৰ ক্ষেত্ৰতে তেওঁ সুচিন্তিত আৰু সুপৰিকল্পিতভাৱে বিষয় আৰু আঙ্গিক নিৰ্বাচন কৰাৰ লগতে সম্ভৱস্থলত নিজকে অতিক্ৰম কৰি যোৱাৰ প্ৰয়াস চকুত পৰে। সেইবাবে এহাতে যেনেকৈ তেওঁৰ ৰচনাৰ সংখ্যা যথেষ্ট কম, ঠিক সেইদৰে প্ৰায় প্ৰতিটো গল্পৰেই ইটোৰ লগত সিটোৰ সুস্পষ্ট পাৰ্থক্য চকুত পৰে।

মৌচুমী কন্দলীৰ প্ৰথমখন চুটিগল্প সংকলন ‘লামবাদা নাচৰ শেষত’। ১৯৯৮ চনত প্ৰকাশিত সংকলনখনত ১৯৯২ চনৰ পৰা ১৯৯৮ চনলৈ ৰচিত আৰু প্ৰকাশিত দহোটা গল্প সংকলিত হৈছে। মনকৰিবলগীয়া যে প্ৰথম আৰু দ্বিতীয়খন সংকলনৰ প্ৰকাশৰ মাজত প্ৰায় ন বছৰৰ এছোৱা দীঘলীয়া সময়ৰ ব্যৱধান লক্ষ্য কৰা যায়। কেৱল সেয়াই নহয়, তেওঁ ১৯৯৮ চনৰ পৰা ২০০৩ চন, এই পাঁচ বছৰৰ ভিতৰত ৰচনা কৰা গল্পসমূহ সংকলনবদ্ধ কৰা দেখা নাযায়। এইক্ষেত্ৰত গল্পকাৰে স্পষ্টকৈ ক’তো একো কথা উল্লেখ কৰা দেখা নাযায় যদিও সম্ভৱত গল্প ৰচনাৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষাৰ স্বাৰ্থত আৰু অভিনৱ গল্প কথন শৈলী এটাৰ সন্ধানৰ বাবেই এনে কৰিছিল বুলি অনুমান কৰিব পাৰি। যিয়েই নহওক প্ৰথমখন সংকলন প্ৰকাশৰ প্ৰায় এটা দশকৰ পাছত প্ৰকাশিত মৌচুমী কন্দলীৰ দ্বিতীয়খন চুটিগল্প সংকলন ‘তৃতীয়ত্বৰ গল্প’ সংকলনখনত ২০০৩ চনৰ পৰা ২০০৭ চনলৈ ৰচিত আৰু প্ৰকাশিত আঠোটা গল্প সংকলিত হৈছে। সংকলনৰ গল্পকেইটা বহুকেইটা দিশৰ পৰা উল্লেখযোগ্য। সংকলনখনৰ গল্পসমূহৰ জৰিয়তে তেওঁ কেৱল নিজৰ গল্পকথকতাৰ ক্ষেত্ৰতেই যে পৰিৱৰ্তন আনিছিল তেনে নহয়, সামগ্ৰিকভাৱে অসমীয়া চুটিগল্পৰ সংশ্লিষ্ট দিশটোকো বহুপৰিমাণে নতুনত্বৰ পৰশ দান কৰিবলৈ সক্ষম হৈছিল। সাধাৰণ বিচাৰত সংকলনখনৰ গল্পসমূহ হৈছে গল্পকাৰৰ সমকালীন সময়ৰ গল্প। ইয়াত তেওঁ নিজৰ চৌপাশৰ সমকালীন জীৱনধাৰাকেই দাঙি ধৰিবলৈ যত্ন কৰিছে। অৱশ্যে তাকে কৰিবলৈ গৈ তেওঁ পৰোক্ষভাৱে বিংশ শতিকাৰ নৱৈৰ দশকৰ সূচনাৰে পৰা পৰৱৰ্তী দুটামান দশকৰ বিশ্বৰ সামাজিক-সাংস্কৃতিক ইতিহাসক প্ৰেক্ষাপটৰূপে গ্ৰহণ কৰিছে। তেওঁ দেখুৱাইছে যে, এই সময়ছোৱাত

সমগ্ৰ বিশ্বৰ, বিশেষকৈ অসম তথা ভাৰতৰ দৰে তৃতীয় বিশ্বৰ অন্তৰ্গত দেশবোৰত যি হাৰত মানবীয় মূল্যবোধ, বিশ্বাস, ধ্যান-ধাৰণাৰ ভেঁটি খহিবলৈ লৈছিল তাৰ ফলস্বৰূপে সমাজ জীৱনৰ পূৰ্বৰ স্থিতি চিনিব নোৱাৰাকৈ ওলট-পালট হৈ পৰিছিল। এই পৰিৱৰ্তনৰ ধামখুমীয়াত পৰি মানুহৰ ব্যক্তিসত্তাৰ স্থিৰতাৰ ধাৰণাটোৱেই একেসময়তে প্ৰশ্ন আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হবলৈ ধৰে। এই সৰ্বগ্ৰাসী সংশয়ৰ বাবে ইমানদিনে যি বৈজ্ঞানিক চেতনা, বস্তুনিষ্ঠতা, সত্যবোধৰ ওপৰত মানুহৰ জীৱন নিৰ্ভৰশীল আছিল, সেইবোৰে প্ৰচণ্ড আক্ৰমণৰ মুখামুখি হ'বলগীয়া হয়। উদাহৰণ স্বৰূপে, সংকলনখনৰ 'ৱাৰণ_১০২০ @ ফেণ্টাছী কম'—শীৰ্ষক গল্পটোৰ জৰিয়তে তেওঁ 'বৰ্তমানৰ এই ফেণ্টাছীৰ বিভ্ৰমতাৰে ভৰা পৃথিৱীত কিমান সময়লৈ মানুহে নিজকে আত্মগোপন কৰি ৰাখিব পাৰে?'—এনে এটা বিশেষ মানবীয় প্ৰশ্ন উত্থাপন কৰিছে।

প্ৰথম আৰু দ্বিতীয় গল্প সংকলনৰ মাজত থকা উল্লেখযোগ্য ব্যৱধানৰ বিপৰীতে যথাক্ৰমে তিনি আৰু পাঁচ বছৰৰ সীমিত ব্যৱধানত তেওঁৰ তৃতীয় আৰু চতুৰ্থ গল্প সংকলন দুখন প্ৰকাশিত হৈছে। ইয়াৰে 'মকড্ৰিল' নামৰ তৃতীয় সংকলনখনত ২০০৭ চনৰ পৰা ২০১০ চনৰ মাজত ৰচিত আৰু প্ৰকাশিত দহোটা গল্প আৰু 'ফ্ৰেমৰ বাহিৰৰ জোনাকী পৰুৱাবোৰ' নামৰ চতুৰ্থ সংকলনখনত ২০১৩ চনৰ পৰা২০১৫ চনৰ ভিতৰত লিখিত আৰু প্ৰকাশিত দহটা গল্প সংকলিত হৈছে। সামগ্ৰিক বিচাৰত এইকেইখন সংকলনতো তেওঁৰ যথাক্ৰমে ২০০৬-০৭ চন (এবছৰ) আৰু তেওঁ ২০১০-১৩ চন (তিনি বছৰ)— সময়চোৱাৰ ভিতৰত ৰচনা কৰা গল্পসমূহ সংকলনবদ্ধ কৰা দেখা নাযায়। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত পুনঃপৌণিকতাৰ ঠাইত অভিনৱত্বৰ সমাৱেশৰ প্ৰতি থকা সচেতন দৃষ্টিকেই এইক্ষেত্ৰত ঘাই কাৰণ বুলি ধৰিলে সমসাময়িক অন্য বহুতো গল্পকাৰৰ সৈতে মৌচুমী কন্দলীৰ এটা পাৰ্থক্য দেখিবলৈ পোৱা যায়। বিশেষকৈ তেওঁ একেসময়তে সাহিত্যৰসিক আৰু সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰাৰ পাছতো নিজৰ সৃষ্টিকৰ্মকলৈ এনেদৰে পৰীক্ষা-নিৰীক্ষাত আত্মনিয়োগ কৰাৰ জৰিয়তে নিজৰ সাহিত্যিক ব্যক্তিত্বক এক অন্য মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

মৌচুমী কন্দলীৰ প্ৰথমখন গল্প সংকলনৰ শিৰোনাম নিৰ্দিষ্ট 'লামবাদা নাচৰ শেষত' নামৰ চুটিগল্পটো ১৯৯৭ চনৰ মে মাহৰ 'গৰীয়সী' আলোচনীখনত প্ৰথমবাৰৰ বাবে প্ৰকাশিত হৈছিল। সেইফালৰ পৰা গল্পটো তেওঁৰ গল্পচৰ্চাৰ প্ৰথমটো দশকৰ এক উল্লেখযোগ্য নিদৰ্শন স্বৰূপ। সাধাৰণ দৃষ্টিত গল্পটোৰ জৰিয়তে পৰম্পৰাগত কাহিনীকথন শৈলীৰে প্ৰকাশ হোৱা যেন লাগে যদিও এইটো এটা সৰল বৰ্ণনাধৰ্মী গল্প নহয়। ইয়াত আমি কাহিনীৰ প্ৰভাৱ বা নিয়ন্ত্ৰণ বৰকৈ অনুভৱ নকৰোঁ।

সাধাৰণ বিচাৰত গল্পটো আৰম্ভ হৈছে কেন্দ্ৰীয় চৰিত্ৰ 'ফি'য়ে কৰা এটা যাত্ৰাৰ বৰ্ণনাৰে। তেওঁ এগৰাকী কাৰ্বি জনগোষ্ঠীয় আদহীয়া মহিলা। গল্পটোত 'হাংমিজি' নামৰ তেওঁৰ একমাত্ৰ নাতি ল'ৰাটোৰ বাহিৰে অন্য কোনো জীৱিত পৰিয়াল-পৰিজনৰ উল্লেখ পোৱা নাযায়। সেইফালৰ পৰা গল্পটোৰ কাহিনীভাগে এই আইতাক-নাতিয়েক যুগলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক বন্ধন আৰু বিচাৰ-বোধৰ বৈপৰিত্যৰ মাজতেই পৰিণতি লাভ কৰিছে। যিহেতু তেওঁলোকৰ মাজত ইতিমধ্যেই একপ্ৰকাৰৰ 'প্ৰজন্মৰ ব্যৱধান' মূলক চিন্তা-চৰ্চা আৰু দৃষ্টিভংগীৰ পাৰ্থক্য গঢ়ি উঠিছে সেয়ে আমি গল্পটোৰ মাজত চৰিত্ৰ দুটাৰ মাজত কোনো নিবিড় আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ আভাস দেখিবলৈ নাপাওঁ।

জোনাকী পৰুৱা এটাৰ দৰে সেই তিৰোতাজনীয়েও তাইৰ সৰল ৰৈখিক ভাবনাৰে, সেই প্ৰকৃতিৰ



মাজত উপবিষ্ট তাইৰ জীৱনৰ পৰা, আত্মলব্ধ পোহৰৰ দ্যুতিৰে ভৰি থকা কেতবোৰ সৰু সৰু সত্য আহৰণ কৰিছিল। আৰু তাইৰ কাষে কাষে লৰৰি ফুৰা, হাংমিজি নামৰ এটা তজবজীয়া ল'ৰাই তাই কৈ থকা কথাবোৰ শুনি আছিল। গছত ফল লগাৰ গুপুত ৰহস্যৰ কথা, ৰংবোৰত নিহিত থকা অৰ্থবোৰৰ কথা, গছৰ ফেৰেঙণিত পাতল মকৰাজালত লাগি ধৰা চৰাইৰ কথা—। কথাবোৰ তন্ময় হৈ শুনি থকাৰ মাজে মাজে সি একোবাৰ অন্যমনস্ক হৈ পৰে। মানসিক অৱস্থাৰ জোখত, সি বৰ্তমান সেই অংশতে ৰৈ আছে, য'ৰপৰা দুই মেৰুলৈ সমান দূৰত্ব। এফালে আৰণ্যক ৰহস্যময়তাৰ নিভাঁজ নৈসৰ্গত সেই তিৰোতাজনী আৰু আনটো মেৰুত, ধাতৰ পাৰিপাৰ্শ্বিকতাত বৈদ্যুতিক পোহৰ আৰু ইলেকট্ৰনিক চিম্ফনীৰে মুখৰিত উচ্ছল উন্মাদ যান্ত্ৰিক দৃশ্যাৱলী। এটা দুৰ্বাৰ ইচ্ছা, দুটামান সপোন আৰু দ্বিধা-দ্বন্দ্বৰ কেইটামান বোধৰ টনা-আঁজোৰাত অস্থিৰ হৈ সি সেই দুটা মেৰুৰ মধ্যবিন্দুত ৰৈ আছে। [মৌচুমী কন্দলী, 'লাম্বাদা নাচৰ শেষত', পৃ° ১১-১২]

গল্পটোৰ সামগ্ৰিক কাহিনীভাগ সমকালীন বাস্তৱত কিমানখিনি ঘটিছে আৰু কিমানখিনি একপ্ৰকাৰৰ স্বপ্ন-বাস্তৱতাৰ মাজত ঘটিছে ভাবি চাবলগীয়া। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ 'ফি' যদিও সমকালীন বৰ্তমানত জীয়াই আছে, কিন্তু তেওঁৰ সত্তাৰ সৰহভাগ নিহিত হৈ আছে অতীতৰ এক শক্তিশালী পৰম্পৰা আৰু ঐতিহ্যৰে ভৰপূৰ কাৰ্বি জনজীৱনৰ সীমাহীন জীৱনবোধৰ মাজত। এই দ্বিধাবিভক্ত জীৱন-চেতনাক গল্পকাৰে উত্তৰ-ঔপনিৱেশিক চিন্তাৰ আধাৰত আৰু আধুনিকতাই জনজাতীয় জীৱনধাৰালৈ আনি দিয়া বৈপৰিত্যবোধ আৰু সংকটচেতনাৰ প্ৰেক্ষাপটত সৰল-সহজ অথচ শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

দুৰ্গম পাহাৰীয়া বাটেৰে, নিশ্ছিদ্ৰ অৰণ্যত এটা আদিম জনগোষ্ঠীৰ মাজত ঘূৰি ফুৰা সেই মিছনেৰি চাহাব দুজন! কিহৰ তাড়নাত সেই মিছনেৰী চাহাবে হাজাৰটা পাহাৰৰ সিপাৰে থকা সিহঁতৰ দেশৰ পৰা আহি এনেদৰে ভ্ৰমি ফুৰিছিল, সহজ-সৰল আখৰ পঢ়িব নজনা মানুহবোৰক শিক্ষাৰ পোহৰ বিলাইছিল—ভাবিলে তাই আচৰিত হৈ যায়। ৰ'প্লাক্‌পি নামৰ জটায়ু পক্ষীটিয়ে পৰা কণীৰপৰাই ভিন ভিন জাতিবোৰৰ উৎপত্তি হৈছিল। হয়, হয়, সকলো মানুহটো একেটি চৰাইৰ কণীৰ পৰাই জন্মিছে। সেই কাৰণেই সকলোৰে অন্তৰবোৰ, এখনৰ পৰা ইখনলৈ কিছুমান নেদেখা সূতাৰে বান্ধি থোৱা থাকে। বৈঠালাংচুৰ কাষৰ টিকা পাহাৰৰ নামনিত মাটিকপৌৰে আৱৰি থোৱা এটা শিলৰ তলত হটন চাহবৰ কবৰটো এতিয়াও আছে। মুকিন্দৰ পাহাৰটো পাওঁতে হটন চাহাবে বাৰু কাচাৰ্হে তিৰোতাৰ কৰুণ বিননিটো শুনা পাইছিলনে! [মৌচুমী কন্দলী, 'লাম্বাদা নাচৰ শেষত', পৃ° ৯]

'ফি' চৰিত্ৰটোৱে সকলোসময়তে নিজৰ বৰ্তমানৰ সংকটবোধ আৰু জীৱনৰ জটিলতাক অতীতৰ পৰা চলি অহা নীতিবোধ, ভাবাদৰ্শ আৰু মূল্যবোধৰ আধাৰত বিচাৰ কৰি চাইছে আৰু তাৰ পৰা সমাধানৰ ইংগিত বিচাৰিছে। তেওঁৰ ব্যক্তিত্বৰ এই বিশেষ বৈশিষ্ট্যৰ নেপথ্যত আমি আধুনিকতাৰ অভিঘাতত বিপৰ্যস্ত হৈ পৰা জনজাতীয় জীৱনবোধৰ যাবতীয় সংকটগ্ৰস্ত স্বৰূপকে উপলব্ধি কৰিবলৈ সক্ষম হওঁ। সেয়ে আধুনিক চিন্তা-দৰ্শন আৰু যুক্তিবোধৰ বিপৰীতে পৰম্পৰাগত সহজাত অভিজ্ঞতা আৰু সমাজ জীৱনক প্ৰভাৱিত কৰি ৰখা মিথ-পুৰাকথা-সাধুকথাৰ পৰা পোৱা শিক্ষাৰ আধাৰত তেওঁৰ জীৱন প্ৰবাহিত হৈছে। এনে এটা প্ৰেক্ষাপটত আমি 'ফি'-য়ে সততে তেওঁৰ সত্তাৰ সৈতে অতীত আৰু বৰ্তমানক একেডাল সূতাৰে গাঁথিলোৱা দেখিবলৈ

পাওঁ। ফলস্বৰূপে অন্য যিকোনো উত্তৰ-ঔপনিৱেশিক সাহিত্যৰ উল্লেখযোগ্য চৰিত্ৰৰ দৰে সেইবাবে তেওঁৰ চেতনা আৰু ভাৱনাৰ মাজলৈ অতীত আৰু বৰ্তমানৰ সকলোবোৰ প্ৰসঙ্গই হেলাৰঙে অহা-যোৱা কৰি থাকে। অৱশ্যে সেইবুলি 'ফি' চৰিত্ৰটো সামাজিক পৰিৱৰ্তন আৰু ঔপনিৱেশিক ইতিহাসৰ আঁতধৰি দেশীয় জীৱন প্ৰবাহলৈ আহি পৰা পৰিৱৰ্তনবোৰৰ প্ৰতি একেবাৰে সচেতন নহয় বুলি ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ তথাকথিত 'মূলভূমি'ৰ সামাজিক পৰিৱৰ্তনৰ অভিলেখৰ পৰা নিলগত থাকিলেও কাৰ্বি আংলংৰ মাজলৈকো বিভিন্ন সূত্ৰত ধীৰ গতিৰে হলেও যিবোৰ আধুনিকতাৰ উপাদান সোমাই আহিছিল আৰু যিবোৰৰ প্ৰভাৱত কাৰ্বি জনজীৱনৰ মাজলৈকো এক দীৰ্ঘস্থায়ী আৰু ব্যাপক পৰিৱৰ্তন আহিছিল, সেইবিষয়ে 'ফি'ৰ সজ্ঞান প্ৰতিক্ৰিয়া লক্ষ্য কৰা যায়। 'ফি'ৰ সৈতে আধুনিকতাৰ পৰিচয় হৈছে মিছনেৰীসকলৰ কাৰ্যকলাপৰ জৰিয়তে। তেওঁ বুজিছে যে ধৰ্মবিস্তাৰৰ উদ্দেশ্যৰে আহিলেও তেওঁলোকৰ মাজত থকা মানৱতাবোধ আৰু উদাৰ চিন্তা-চেতনাই কাৰ্বিজনজীৱনৰ ওপৰত সদৰ্থক প্ৰভাৱ পেলাইছে। এইক্ষেত্ৰত মিছনেৰীসকলৰ উৎসৰ্গীকৃত মানসিকতাৰ পৰিচয় লাভ কৰাৰ বাবে তেওঁলোকৰ প্ৰতি 'ফি'ৰ মনৰ মাজত এটা উচ্চ ধাৰণাৰো সৃষ্টি হৈছে। সেয়া তেওঁ সামগ্ৰিকভাৱে কাৰ্বিসকলৰ কল্যাণ আৰু উত্তৰোত্তৰ বিকাশৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰিছে। দৰাচলতে ঔপনিবেশিকতাৰ বৃহত্তৰ আঁচনিৰ অন্তৰ্গত হলেও এই কাৰ্যকলাপসমূহৰ মাজত নিহিত হৈ থকা একপ্ৰকাৰৰ মানৱীয় চৰিত্ৰই সৰল-সহজ কাৰ্বিজনসমাজৰ মাজত বিশ্বাস আৰু আস্থাবোধৰ সৃষ্টি কৰিব পাৰিছিল আৰু নিজৰ পৰম্পৰা আৰু ঐতিহ্যবোধৰ সৈতে ধীৰ গতিত হলেও এই নতুন অভিজ্ঞতাক ঠাই দিবলৈ আৰম্ভ কৰিছিল। হয়তো এই প্ৰক্ৰিয়া অব্যাহত থাকিলে সময়তগৈ এনে প্ৰান্তীয় জনজীৱনৰ মাজলৈকে সোমাই অনা নতুনত্বই এক প্ৰকাৰৰ দীৰ্ঘস্থায়ী পৰিৱৰ্তন সৃষ্টি কৰিলেহেঁতেন। হয়তো সেয়া গ্ৰহণীয়ও হৈ উঠিলগৈ হেঁতেন। কিন্তু গল্পটোৰ কাহিনীভাগৰ মাজত বৰ্ণনা কৰা আৰু শেহতীয়াকৈ কাৰ্বি সমাজলৈ হঠাতে সোমাই অহা বাণিজ্যিক দৃষ্টিভংগীৰে পৰিচালিত প্ৰৱল পৰিৱৰ্তনৰ প্ৰবাহটোৱে 'ফি'ক উদিগ্ন কৰি তুলিছে। তেওঁ এই সৰু-সুৰা গোষ্ঠীনিৰ্ভৰ সাংস্কৃতিক জীৱনবোধক ওফৰাই প্ৰতিষ্ঠা কৰিব বিচৰা পুঁজিবাদী মানসিকতাৰ বহল ভোগবাদীসমাজচেতনাৰ প্ৰকৃত স্বৰূপটোক উপলব্ধি কৰিব পৰা নাই। কিন্তু তাৰ মাজত একপ্ৰকাৰৰ অসহজবোধ আৰু অমংগলৰ আশংকা প্ৰকাশ কৰিছে।

গল্পটোৰ দ্বিতীয়ভাগত 'ফি'ৰ নাতি 'হাংমিজি'য়ে গুৰুত্ব লাভ কৰিছে। নতুন প্ৰজন্মৰ প্ৰতিনিধিৰূপে তেওঁৰ মাজত আধুনিকতাৰ বিভিন্ন আকৰ্ষণীয় সমলবোৰে চমকৰ সৃষ্টি কৰিছে। আধুনিকতাৰ বিশেষকৈ ভোগবাদী চেতনাই আনি দিয়া অপৰিচিত নানাপ্ৰকাৰৰ উপভোগৰ পথৰ সন্ধান লাভ কৰাৰ জৰিয়তে এনে জীৱনধাৰাৰ প্ৰতি এটা অপ্ৰতিৰোধ্য আকৰ্ষণ বোধ কৰিছে। সেইবাবে সমনীয়া বন্ধু চেমচনৰ লগতে হওক বা দিল্লীৰ পৰা অহা একালৰ বন্ধু চমাঙৰ লগতে হওক মানসিকস্তৰত ঐক্যবোধ কৰিছে।

ঠিক সেইদৰে গল্পটোৰ পৰিণতিটোও গল্পকাৰে পৰম্পৰাগত কাহিনীধৰ্মী গল্পৰ মাজত দেখিবলৈ পোৱা 'সামৰণি' বা 'শেষ হৈয়ো শেষ নোহোৱা বহু সম্ভাৱনাপূৰ্ব অসম্পূৰ্ণ সামৰণি'ৰ স্তৰলৈ নিয়া নাই। ইয়াৰ বিপৰীতে বৰঞ্চ একপ্ৰকাৰৰ ইংগিতধৰ্মীতাৰ জৰিয়তেহে গল্পটোৰ পৰিণতি নিৰ্দেশ কৰা হৈছে। সেইফালৰ পৰা গল্পটোৰ পৰিণতিয়ে সমাধানধৰ্মীৰূপত এটা স্বস্তি প্ৰদান কৰাতকৈ পাঠকৰ মনত এটা প্ৰশ্ন বা জিজ্ঞাসাৰ 'অস্বস্তি'কৰ বোধৰ জন্ম দিয়া লক্ষ্য কৰা যায়। এইক্ষেত্ৰত গল্পকাৰে দুটা প্ৰজন্মৰ মাজত প্ৰকাশিত দ্বন্দ্বক



কেন্দ্ৰীয় গুৰুত্ব প্ৰদান কৰিছে। এফালে যেনেকৈ 'ফি'য়ে কাৰ্বি সমাজলৈ আহি পৰা ক্ষতিকাৰক দৃষ্টিভংগী, ভোগবাদৰ স্বাৰ্থত উগ্ৰতা, হিংস্ৰতাৰ কথাবোৰ প্ৰত্যক্ষ কৰি উদিগ্ন হৈ পৰিছে। তেওঁৰ মনত সৃষ্টিহোৱা ভয় আৰু উদিগ্নতাৰ পৰা পৰিত্ৰাণ পাবলৈ ব্যাকুলতাৰে সৈতে পৰমশক্তিৰ ওচৰত প্ৰাৰ্থনা জনাইছে। কিন্তু একেসময়তে এইবোৰক সাময়িক সংকট বুলি ভাবি নতুন চামৰ মাজত শুভবুদ্ধিৰ উদয়ৰ জৰিয়তে তাৰ পৰা উদ্ধাৰ পোৱাৰ আশাও প্ৰকাশ কৰিছে। তেওঁ নিজৰ সীমিত শক্তি আৰু সীমাহীন স্নেহৰ পৰশেৰে 'হাংমিজি'হঁতৰ মনৰ মাজত একালত মিছনেৰীসকলে কঢ়িয়াই অনা আধুনিকতাৰ সহনশীল আৰু মানৱীয় ধাৰাটোৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়াস চলাইছে। দৰাচলতে 'ফি'ৰ মাজত থকা এই প্ৰচণ্ড শুভবোধে নাতি 'হাংমিজি'কো স্পৰ্শ নকৰাকৈ থকা নাই।

> ধুঁৱলি-কুঁৱলি চিন্তাৰ পাক লগা টনাটনিৰ মাজত ওৰে নিশা সাৰে থকাৰ পিছত, শেষ ৰাতি তাৰ টোপনি আহিল। আৰু সি এটা সপোন দেখিলে—দুটা পথৰ আলি দোমোজাত, এটা পাহাৰৰ নামনিত সি ৰৈ আছে। এটা বাট সোঁফালে গৈছে, আনটো বাওঁফালে। এনেতে ভঙা দোতোৰাৰ ৰেপণিৰ দৰে এটা কৰুণ সুৰ ভাহি আহিছে। তাৰ ফীজনীয়ে ক'ৰবাৰ পৰা কাচাৰ্হেৰ বিননিৰ সুৰত যেন ধীৰে ধীৰে গাইছে—
>
> "হে পবিত্ৰ আত্মা,  
> তুমি গৈ গৈ মুকিন্দন পাহাৰটো পাবা  
> তাৰ নামনিতে দুয়োফালে দুটা বাট  
> বাওঁফালে নেযাবা  
> বাওঁফালে নেযাবা  
> সেইফালে নৰকৰ বাট—" [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ১৬]

সেইবাবে কাৰ্বি পাহাৰ এৰি, কাৰ্বি সমাজ জীৱনক পৰিত্যাগ কৰি আধুনিকতাৰ মাজত আত্মজাহ দিবলৈ ওলায়ো হাংমিজিয়ে এবাৰ থমকি ৰৈছে। এইক্ষেত্ৰত 'ফি'ৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ বাবেই হওক বা নিজৰ মাজত ঐতিহ্যবোধৰ প্ৰতি থকা আকৰ্ষণৰ অৱশেষৰ বাবেই হওক তেওঁৰ মাজত চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ বেলিকা এটা দ্বন্দ্বৰ সৃষ্টি হৈছে। ক'বলৈ গ'লে সেয়াই গল্পটোৰো মূল দ্বন্দ্ব। যিটোক গল্পকাৰে সুকৌশলেৰে সকলো পাঠকৰ মাজলৈ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।

আলোচ্য প্ৰথমটো গল্প ৰচনাৰ প্ৰায় তেৰ বছৰৰ পাছত, ২০১০ চনৰ এপ্ৰিল মাহৰ 'প্ৰকাশ' আলোচনীত প্ৰকাশিত আৰু মৌচুমী কন্দলীৰ তৃতীয়খন গল্প সংকলনত সন্নিৱিষ্ট হোৱা 'ৰা-বাঁহৰ চিক্‌মিকনি' নামৰ চুটিগল্পটো বিষয়বস্তু, চৰিত্ৰচিত্ৰণ আৰু সৰ্বোপৰি জনগোষ্ঠীয় জীৱনদৃষ্টিৰ দন্দাত্মক উপস্থাপৰ দিশৰ পৰা অন্য এক উল্লেখযোগ্য নিদৰ্শন। কিছুমান বিশেষ ধৰণৰ সাদৃশ্যৰ ভিত্তিত পাঠকৰ গল্পদুটাক পাৰস্পৰিকভাৱে সম্পৰ্কীত আৰু দ্বিতীয়টোক প্ৰথমটোৰ সম্প্ৰসাৰণ বুলিও অনুভৱ হয়।

গল্পটোৰ কাহিনীভাগৰ মাজেদি আপাত জটিল বৰ্ণনাত্মকশৈলীৰে দুটা বিশেষ সামাজিক প্ৰেক্ষাপটত বিকশিত হোৱা দুটা কাহিনীৰ অগ্ৰগতি দেখুওৱা হৈছে, যি গল্পটোৰ শেষলৈ আহি এটা নিৰ্দিষ্ট বিন্দুত লগ হোৱাৰ জৰিয়তে দ্বন্দ্বৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে গল্পকাৰে এই দ্বন্দ্বক একেসময়তে বৰ্হিদ্বন্দ্ব আৰু

অৰ্ন্তদ্বন্দ্ব—উভয়ৰূপতে প্ৰতিষ্ঠা কৰাৰ জৰিয়তে কাহিনী আৰু চৰিত্ৰৰ উপস্থাপনে এটা আকৰ্ষণীয় ৰূপ পৰিগ্ৰহণ কৰিছে।

ইয়াৰে এটা কাহিনী, গল্পকাৰে সুস্পষ্টকৈ উল্লেখ কৰা নাই যদিও, অসম বা উত্তৰ-পূৰ্বাঞ্চলৰে কোনো এটা আপাত দুৰ্গম অঞ্চলত আজিৰ পৰা বেচ কিছু বছৰ পূৰ্বে আৰম্ভ হৈছিল। কাহিনীটোৰ কেন্দ্ৰত থকা চৰিত্ৰটো হৈছে—ম'ম'ক' নামৰ এগৰাকী আদিম জনগোষ্ঠীয় মহিলা। কোনোধৰণৰ আধুনিকতাৰ পৰশ নোপোৱা চৰিত্ৰটোৰ জীৱনবোধ আৰু বিশ্বাসৰ মাজত আমি পৰম্পৰাগত সামাজিক আৰু আধ্যাত্মিক চেতনাৰ শক্তিশালী প্ৰভাৱ দেখিবলৈ পাওঁ।

> জোনাকী পৰুৱা এটাৰ দৰেই ম'ম'ক' নামৰ তিৰোতাজনী। প্ৰকৃতিৰ মাজত উপৱিষ্ট তাইৰ জীৱন আৰু তাইৰ সৰলৰৈখিক ভাবনাবোৰ। সেই জীৱনৰ পৰাই তাই আত্মলব্ধ পোহৰৰ দ্যুতিৰে ভৰি থকা কেতবোৰ সৰু সৰু সত্য আহৰণ কৰিছিল। সৰু সৰুতো নহয়। ডাঙৰ ডাঙৰ সত্য। অৰণ্যৰ ৰহস্যময়তাৰ নিভাঁজ নৈসৰ্গতহে হয়তো সেইবোৰ সত্যৰ সন্ধান সম্ভৱ। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫২]

সৰল-সহজ আৰু একপ্ৰকাৰৰ স্বাভাৱিক 'প্ৰাকৃতিক' জীৱনচৰ্যাৰ মাজেদি আগবঢ়া ম'ম'ক'ৰ জীৱনলৈ পৰিৱৰ্তন আহিছিল, তেওঁৰ স্বামীৰ মৃত্যুৰ জৰিয়তে। তেওঁৰ স্বামীক কোনোবা এটা অসতৰ্ক মুহূৰ্তত বাঘে চোঁচৰাই নি নেফানেফ কৰি পেলোৱাৰ পৰাই ম'ম'ক'ই একেসময়তে বৰ্হিজগতত 'স্বাভাৱিক' আৰু অৰ্ন্তজগতত 'যন্ত্ৰণাজৰ্জৰ' জীৱন কটাবলগীয়া হৈছিল। তেওঁৰ জীৱনচৰ্যাত আমি বাহিৰৰ পৰা দেখিবলৈ পোৱা স্বাভাৱিকতাৰ নেপথ্যত ক্ৰিয়াশীল হৈ আছে শক্তিশালী সামাজিক পৰম্পৰাৰ বলিষ্ঠ উপস্থিতি। কিন্তু সেই সামাজিক চেতনাই তাইৰ মনটোক সকলো সময়তে নিয়ন্ত্ৰণ কৰি ৰাখিব নোৱাৰে। এনেধৰণৰ জটিল সময়বোৰত তাই অন্তৰভেদি ওলাই অহা কান্দোনে কিছুমান গীতৰ ৰূপত প্ৰকাশ লাভ কৰে। তাৰে কিছুমান তাইৰ নিজৰ সৃষ্টি আৰু কিছুমান পুৰুষানুক্ৰমে চলি অহা তাইৰ নিচিনা কোনোবা যন্ত্ৰণাজৰ্জৰ মনৰ উপলব্ধিৰ নিদৰ্শন।

> হয় বাঘে চোঁচৰাই নিয়া মানুহ এটাৰ ঘৰণী তাই। বাঘে চোঁচৰাই নিয়া আত্মাৰ বাবে কোনেও চকুপানী নুটুকে। বাঘ পবিত্ৰ দেৱতা। পূৰ্বজন্মৰ পাপৰ প্ৰায়শ্চিত্তৰ বাবেহে বাঘে মানুহক চোঁচৰাই নি নেফানেফ কৰে। সেই মৃত্যুত কান্দিব নাপায়। কিন্তু নিজৰ মানুহটোৰ বাবে নাকান্দি থাকিব পাৰিনে? নিজৰ প্ৰিয় মানুহজন কেতিয়াবা পাপী হ'ব পাৰেনে? দুকুৰা জুমৰ জুই জ্বলোৱাৰ পাছতেই প্ৰেতলোকৰ মুকিন্দৰ পাহৰটোত দেখা তাইৰ পাটীৰ মানুহটোৰ বাবে তাই নাকান্দি পাৰেনে? সেইবাবেই ম'ম'ক'ই গান গায়। সযতনে সাঁচি থোৱা পূৰ্বপুৰুষসকলৰ গানবোৰো ম'ম'ক'ই কলিজাৰ তেজ ঢালি জীয়াই ৰাখে... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫২-৩]

সেইফালৰ পৰা ম'ম'ক'ৰ গান, তেওঁৰ স্বাভাৱিকভাৱে প্ৰকাশ কৰিব নোৱৰা দুখবোধ আৰু কান্দোনৰে অন্যধৰণৰ প্ৰকাশ মাথোন। এফালে সামাজিক বাধাৰ বাবে তেওঁ নিজৰ দুখ-বেদনাক কান্দি-কাটি প্ৰকাশ কৰিব নোৱাৰে। আনহাতে হয়তো তেওঁৰ সেই দুখ সেইখন সমাজৰ বাবে কোনো অভিনৱ প্ৰকৃতিৰ বা একক ধৰণৰ অভিজ্ঞতাৰ প্ৰকাশ নহয় বাবে হিয়া ঢাকুৰি, চকুপানীবোঁৱাই দীৰ্ঘদিনলৈ কাৰোবাৰ পৰা শান্ত্বনা বা সমবেদনা লাভ কৰাও সম্ভৱ নহয়। সেয়ে তেওঁৰ বাবে গীতে আত্মশান্ত্বনাৰ ৰূপ লৈছে বা কেতিয়াবা একপ্ৰকাৰে 'কেথাৰচিচ'ত পৰিণত হৈছে। এনেদৰে গীত 'ৰচনা কৰা' আৰু গোৱা কামটোক আমি কোনোপধ্যেই পেছাগত



সংগীতচৰ্চাৰ অন্তৰ্গত 'গীতৰ নিৰ্মাণ আৰু পৰিৱেশন'ৰ লগত ৰিজাব নোৱাৰোঁ।

গল্পটোত ম'ম'ক'ৰ গানগোৱাৰ এটা বিশেষ ঘটনাৰ উল্লেখ কৰা হৈছে। এফালৰ পৰা এই বিশেষ পৰিস্থিতিত গোৱা গানৰ ঘটনাটোৱেই গল্পটোৰ দ্বিতীয়টো ঘটনাৰ সূত্ৰপাতত ঘাই ভূমিকা গ্ৰহণ কৰিছে। এবাৰ ম'ম'ক'ই তেওঁলোকৰ সেই দুৰ্গম পাহাৰীয়া অঞ্চলৰ গুহাবোৰত এটা মেগালিথৰ সন্ধান কৰিবলৈ অহা এজন ডেকা প্ৰত্নতাত্ত্বিক বিষয়াৰ দলটোক বাট দেখুৱাই লৈ ফুৰিছিল। দিনটো একা-বেকাঁ শিলাময় বাটেৰে খোজকাঢ়ি ঘূৰি ফুৰি দলটোৰ ভাগৰ লগাত সন্ধিয়া পৰত বহিলৈ জিৰণি লৈছিল। এনে এটা বিশেষ পৰিস্থিতিত ডেকা প্ৰত্নতাত্ত্বিক বিষয়াজনে ম'ম'ক'ৰ সেই অচিন-অবুজ গান শুনিবলৈ পাইছিল।

> ম'ম'ক'ই শিল এছটাত হেলান দি পাটত বহা বেলিৰ ৰঙা পৰা মুখখন চাবলৈ ধৰিছিল। বেলিৰ ৰঙা পৰা মুখৰ মুনিচুনি পোহৰত ম'ম'ক'ৰ মুখখন যেন এপাহ ৰঙিয়ালফুলৰ দৰে তেজাল! ৰঙিয়াল ফুলপাহিয়ে পিছে ৰঙচুৱা বেলিটোৱে আকাশত ঠেং মেলাৰ খেলখন চোৱাতহে মগন। বেলিটোৱে ঠেং মেলি মেলি আকাশত চিক্‌মিক্ চিক্‌মিক্ ৰা-বাঁহবোৰ আঁকি আঁকি গৈ থকাৰ সেই খেলখন চাই থাকোঁতেই ম'ম'ক'ই কাপোৰ এখনেৰে গাত বান্ধি লোৱা পোৱালিটোৱে কাৎকৈ হঠাৎ দেদাউৰিয়াবলৈ ধৰিছিল। তেতিয়াই পোৱালিটোক বুকুলৈ টানি আনি, তাইৰ বুকুৰ বগা ধক্‌ধকীয়া শংখফুল এপাহৰ পৰা বগা-মিঠা মৌবোৰ চুহি চুহি খাবলৈ দি ম'ম'কই গাবলৈ ধৰিছিল এটা গান...লেনিয়াই লেনিয়াই বৈ বৈ কাহানিও নুশুনা কাহানিও নজনা—অচিন অদেখা এক ৰহস্যঘন পতংগৰ দৰে গভীৰ কৰুণ ঝমঝম মাত এটাৰে আদিম প্ৰাৰ্থনাৰ দৰে এটা গান। ভঙা কলিজাৰ নে ভগ্ন আত্মাৰ অপাৰ-অনন্ত বিননি এটাহে যেন সৰকি আহিছিল তাইৰ নিমখীয়া ওঁঠেৰে আৰু সন্ধিয়াৰ বিচিত্ৰ গোন্ধবোৰৰ স'তে পাক লাগি লাগি পাহাৰৰ সিপাৰলৈ বিস্তাৰিত হৈ যাবলৈ ধৰিছিল—সাগৰীয় ঢৌৰ দৰে গভীৰ নাদৰ উত্তাল ধ্বনিৰ সেই সুৰে যেন গোটেই অৰণ্য, পাহাৰবোৰ আৰু শিলাময় গুহাবোৰ বুৰাই পেলাইছিল। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৪৯]

ইতিমধ্যে অচিন প্ৰকৃতিৰ পৃষ্ঠভূমিত আকৰ্ষণীয় নৈসৰ্গিকতাক উপভোগ কৰি আৰু চহৰৰ আধুনিক সমাজ জীৱনত 'মেক্‌আপৰ বহুতৰপীয়া প্ৰলেপত ঠন ধৰি উঠা স্মাৰ্ট-ছেভি' মুখবোৰৰ বিপৰীতে তেওঁৰ আদিম জনগোষ্ঠীয় মুখখনৰ মাজত দেখা বৈচিত্ৰ্যক অনুধাৱন কৰি মুগ্ধহৈ পৰা প্ৰত্নতাত্ত্বিকজনে ম'ম'ক'ৰ গীতৰ কথা নুবুজিলেও প্ৰকাশভংগীৰ আন্তৰিক-অমোঘ প্ৰভাৱত শিঁহৰিত হৈ উঠিছিল। নিজৰ তাৎক্ষণিক সেই মুগ্ধতাক স্থায়ী কৰাৰ মানসেৰেই 'ছবি আৰু গান বন্দী কৰা যন্ত্ৰদুটাৰে' সেই গানটো আৰু গানগাই থকা মুখখনৰ প্ৰতিচ্ছবি গ্ৰহণ কৰি লগত লৈ গৈছিল। এনেদৰে আধুনিক যান্ত্ৰিক ব্যৱস্থাৰ মাধ্যমত স্থায়ীহৈ যোৱা ম'ম'ক'ৰ গানটোৱে সংগীত ৰসিকজনৰ ব্যক্তিগত সংগ্ৰহত কিছুকাল পৰি থকাৰ পাছত, এজন জিজ্ঞাসু সংগীত গৱেষক মিউজিকেলজিষ্টৰ জৰিয়তে 'আদিম জনগোষ্ঠীয় লোক-সংগীতৰ মৌখিক পৰম্পৰা' শীৰ্ষক ৰাষ্ট্ৰসংঘৰ বিশ্ব ঐতিহ্যৰ গীতৰ আৰ্কাইভলৈ, সেই আৰ্কাইভৰ পৰা মিউকেলজিষ্টজনৰ অধীনত গৱেষণা কৰা এজন ছাত্ৰৰ ব্যক্তিসংগ্ৰহলৈ, তাৰ পাছত ছাত্ৰজনৰ বন্ধু এজন গায়ক-বাদ্যযন্ত্ৰীৰ সংগ্ৰহলৈ আৰু তেওঁৰ পৰা গৈ তেওঁৰ গুৰু সংগীতজ্ঞৰ ওচৰ পালেগৈ। এনেদৰে এটা 'চেইন ৰিয়েকচনযুক্ত' প্ৰক্ৰিয়াৰ মাজেদি গৈ থকাৰ মাজেদি গানটোৱে কেতিয়াবা কাৰোৱাৰ মনত অচিন শিঁহৰণ জগাই তুলিলে, কাৰোবাৰ মনত মাকৰ

চিনাকি মাতৰ নিচুকনি গীতৰ পৰশ জগালে আৰু শেষত ই প্ৰফেছনেল সংগীতগুৰুজনৰ হাতত পৰি এটা বিশেষ পেকেজিঙৰ মাজেদি আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত খলকনি তুলিবলৈ সক্ষম হ'ল। গানটোৰ এই নৱজন্মৰ প্ৰক্ৰিয়াটোক গল্পকাৰে সুন্দৰকৈ বৰ্ণনা কৰিছে। যাৰ মাজেদি কলা-শিল্পৰ জগতত চলি অহা 'আৱিষ্কাৰ আৰু আধুনিকীকৰণ প্ৰকল্প' সমূহৰ অন্তঃসাৰশূন্য আৰু অমানৱীয় স্বৰূপ প্ৰকাশিত হৈছে।

> ষ্টুডিঅ'ৰ মজিয়াত গানটোক তিনিটা নতুন সাজ পিন্ধোৱা হ'ল। ম'ম'ক'ৰ উকা কণ্ঠৰ নিৰাভৰণ গানটোক প্ৰথমে পিন্ধোৱা হ'ল ডিজিটেল সংগীতৰ সাজ আৰু অলংকাৰ। দ্বিতীয় মেকঅ'ভাৰত ম'ম'ক'ৰ গানটোৰ আশে-পাশে আৰু দূৰ নেপথ্যত আৰু কিছুমান স্বৰৰ সন্মিলিত সুৰ বিন্যাস প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। ডিজিটেল বাদ্যযন্ত্ৰৰ লগতে সন্মিলিত সুৰৰ এটা স্বৰ বিন্যাসত ম'ম'ক'ৰ গানটো কিছু সংকুচিত হৈ পৰিল। যেন মেঘ গৰ্জনত ভয়তে কোঁচ খাই পেঁপুৰা লগা এটা চৰাইৰ নিঃস্বকণ্ঠস্বৰ! আৰু তৃতীয় সংস্কৰণত, ম'ম'ক'ৰ সেই কোঁচ-মোচ ভংগিমাৰ গানটো শব্দৰ তৰংগৰ অজস্ৰ কোলাহলৰ ঘূৰ্ণিত ক্ৰমাৎ হেৰাই যোৱাৰ উপক্ৰম হ'ল। বনৰীয়া পতংগৰ দৰে অজস্ৰ কোলাহলৰ ঘূৰ্ণিত ক্ৰমাৎ হেৰাই যোৱাৰ উপক্ৰম হ'ল। বনৰীয়া পতংগৰ দৰে ম'ম'ক'ৰ ৰহস্যঘন গম্ভীৰ মনটোক আন কিছুমান স্বৰৰ উপৰিপাতনে হেঁচা মাৰি ধৰিলে—দিক্‌বিদিক্ হেৰুৱাই ম'ম'ক'ৰ মনটো শব্দ ঘূৰ্ণিৰ পকনীয়াক কক্‌বকাই থাকিল। তাৰ ৰংচঙীয়া ৰংবিৰঙৰ তৃতীয়যোৰ সাজৰ আবেষ্টনীত ম'ম'ক'ৰ গানটোৰ আত্মাটো যেন মৰি গ'ল—শূন্যত পৰি থাকিল কেৱল তাৰ কায়িক ভেল। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫০-১৫১]

গল্পকাৰৰ ভাষাৰে 'প্ৰব্ৰজন নে বিতাড়ন প্ৰক্ৰিয়াৰে' আধুনিক বিশ্বলৈ বুলি ওলাই গৈ 'উদ্বাস্তু দেশহাৰা' হৈ পৰা গানটোৰ সৈতে জড়িত পৰৱৰ্তী কাহিনীভাগকলৈ গানটোৰ উৎসস্বৰূপ ম'ম'ক'ৰ কোনো সম্পৰ্ক নাই। গানটোৰ বিজ্ঞাপন আৰু আন্তৰ্জাতিক পেকেজিঙৰ বাবে গোটেই বিশ্বতে জনপ্ৰিয় কৰি তোলাৰ স্বীকৃতি স্বৰূপে 'আধুনিক ৰূপদাতা' সংগীত গুৰুক পৃথিৱীৰ সবাতোকৈ আধুনিকতম ব্যস্ততম মহানগৰীত আয়োজিত 'বিশ্ববিখ্যাত জকমক স্পেক্টাকল'ত ৰঙা কাৰ্পেটৰ ওপৰেদি আগবঢ়াই নি সন্মান প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। আনহাতে সেই অনুষ্ঠান টেলিভিছনৰ জৰিয়তে বিশ্বজুৰি পোনপটীয়াকৈ সম্প্ৰচাৰ হৈ থকাৰ পৰতে গানটোৰ প্ৰকৃত 'স্বত্বাধিকাৰী ম'ম'ক'ৰ ছবি, সাক্ষাৎকাৰ আৰু গান পৰিৱেশন কৰি সংগীত গুৰুৰ 'চৌৰ্য বিদ্যা আৰু প্লেগাৰিজিম' উন্মোচন কৰাৰ বাবে প্ৰতিদ্বন্দ্বী চেনেলটোৰহৈ এজন দুৰ্ধৰ্ষ সাংবাদিকে নিজৰ প্ৰচেষ্টা আৰম্ভ কৰিলে। এই কথা জানিব পাৰি সংগীতগুৰুৰ হৈ তেওঁৰ সোঁহাত স্বৰূপ বাদ্যযন্ত্ৰী গায়কজনে, যি এদিন বন্ধুৰ সংগ্ৰহৰ পৰা নি গানটো গুৰুৰ চৰণত অৰ্পণ কৰিছিল, যেনেতেনে হলেও ম'ম'ক'ক মেনেজ কৰাৰ দায়িত্ব গ্ৰহণ কৰিলে। নিজৰ নিজৰ উদ্দেশ্য পূৰণৰ বাবে দুয়োজনেই সুদূৰ মহানগৰৰ কৰ্মক্ষেত্ৰৰ পৰা 'অবৰ্ণনীয় দুৰ্গম একা-বেঁকা পাহাৰিয়া বাটেৰে গৈ' পোৱা গন্তব্য স্থানত উপস্থিত হৈছে। তেওঁলোক দুয়ো নিজৰ নিজৰ উদ্দেশ্য পূৰণৰ বাবে উদয়াস্ত চেষ্টা কৰাৰ পাছত যিমান বিচাৰে সিমান ধন দিয়াৰ বাবে সাজু হ'ল। সেই সময়ত ইমানপৰে নিৰ্বাক হৈ থকা ম'ম'ক'ই এনে এটা বক্তব্য আগবঢ়ালে যে তেওঁলোকৰ ইমানদিনৰ বোধ আৰু বিশ্বাসৰ জগতখনেই একপ্ৰকাৰে চূড়মাৰ হৈ গ'ল।

> 'যিমান বিচাৰোঁ সিমান দিব'—এই প্ৰথম ম'ম'ক'ৰ মুখৰ মাত শুনা গ'ল। দূৰৰ নীলা-কজলা পাহাৰবোৰ,শাৰী শাৰী সৰলবোৰ আৰু বিস্তাৰিত আকাশখনৰে চৌপাশৰ সেই অপৰূপ নৈসৰ্গৰ ওপৰেদি দৃষ্টি লেহন কৰি ম'ম'ক'ই যেন স্বগতোক্তিহে কৰিলে...মই যিমান গান বিচাৰো সিমান গান মোক প্ৰকৃতিয়ে দিব—জিলিবোৰে দিব, সৰলৰ মাজে মাজে সোঁ সোঁকৈ কাঁড়ৰ দৰে পাখি মেলি উৰি যোৱা বতাহবোৰে দিব, ভেকুলী আৰু পাটবেংবোৰে দিব—মোৰ গানৰ কি অভাৱ? আৰু গানৰ অভাব নাই যেতিয়া তহঁতৰ পইচাৰে মই কি কৰিম? অভাৱ তহঁতৰহে। মোৰতো নহয়, পইচা তহঁতকহে লাগিব। গান কিনিবলৈ।...আৰু শুন—তোৰ ছবি তোলাৰ যন্ত্ৰৰ আগত থিয় হৈ মই গান নাগাওঁ দে, বেয়া নাপাবি, কোনোবাই যদি মোৰ গানটো নিজৰ বুলি গাইছে গাওঁক দে, সি দুখীয়া বাবেহে তেনে কৰিছে, গানটো মই তাক দান দিলো বুলি ধৰ আৰু মই গান মোৰ মনে বিচাৰিলেহে গাওঁ আৰু কাৰোবাৰ প্ৰাণে শুনিবলৈ হাহাকাৰ কৰিলে। এইবোৰ পবিত্ৰ জীৱ—আলৈ-আথানি কৰিব নাপায়। লোভত পৰি এইবোৰ পবিত্ৰ জীৱ বেচিব মই নোৱাৰো দেই। [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৬-১৫৭]



ম'ম'ক'ৰ এই বক্তব্যৰ আঁৰত নিহিত হৈ আছিল পৰম্পৰাগত বোধ বিশ্বাসে গঢ়ি তোলা এটা বিশেষ সাংস্কৃতিক বীক্ষা। য'ৰ পৰা তেওঁ শিকিছে জীৱনটোৰ অস্থায়ী, ক্ষণভংগুৰ স্বৰূপ, অনুভৱ কৰিছে ক্ষণিকৰ প্ৰাপ্তি-অপ্ৰাপ্তি, সুখ-দুখ, আনন্দ-বেদনাবোধৰ উৰ্দ্ধলৈ উঠি লাভ কৰা এটা শ্বাশ্বত সত্যৰ উপলব্ধি। তেওঁৰ সেই অনুভৱৰ একান্ত 'আঞ্চলিক' আৰু বিশিষ্ট ৰূপৰ 'আধ্যাত্মিক' অভিব্যক্তিৰ সৈতে সেয়ে আমাৰ ঔপনিৱেশিক ঐতিহ্যই সৃষ্টি কৰা তথা বৰ্তমানৰ বিশ্বায়নৰ প্ৰেক্ষাপটত সৰ্বাত্মকভাৱে বিস্তাৰ লাভ কৰা চেতনাৰ প্ৰত্যক্ষ সংঘাত পৰিলক্ষিত হয়। এই সংঘাতৰ শেষত কাৰ জয়লাভ হ'বগৈ সেই কথাকলৈ গল্পটোৰ কাহিনীভাগে আন এক বিস্তাৰ লাভ কৰিছে। সেই আলোচনা অলপ পিছলৈ থৈ এইখিনিতে এটা কথা স্পষ্টকৈ উল্লেখ কৰি থ'ব বিচাৰিছোঁ। আধুনিক জগতৰ পৰা আহি নিজৰ নিজৰ 'গেম প্লেন' আৰু 'অৰ্থনৈতিক যুক্তিবোধ'ক প্ৰতিষ্ঠা কৰিব নোৱাৰি প্ৰাচীন ঐতিহ্যৰ প্ৰতীকস্বৰূপ ম'ম'কৰ সমুখত বিমূঢ়হৈ থকা ব্যক্তিদুজনক তেওঁ নিতান্ত সহজ-সৰল ভংগীৰে দিয়া বুজনিৰ মাজতে নিজৰ শক্তিৰ আধাৰস্বৰূপ বিশ্বাসৰ গভীৰতা প্ৰতিপন্ন হৈছে।

> মাকে কোলাৰ কেঁচুৱাক পোনপ্ৰথমবাৰৰ বাবে ৰামধেনু দেখুৱাদি, ম'ম'ক'ই চৌপাশে বহি থকা অবোধ বালককেইটিক ওপৰলৈ আঙুলিয়াই আকাশখন দেখুৱালে—চাচা সৌবোৰ কি দেখিছ—দেখিছ কেনেকৈ বেলিয়ে ঠেং মেলিছে, দেখিছ কেনেকৈ বেলিয়ে ঠেং মেলি আকাশত ৰা-বাঁহবোৰ আঁকিছে, দেখিছ কিমান জিক্‌মিক্ জিক্‌মিক্ ৰা-বাঁহবোৰ! কিন্তু জাননে—ৰা-বাঁহৰ চিক্‌মিকনি থাকে কেতেপৰ? মাত্ৰ দুপলক। বেলি বুৰ যোৱাৰ লগে লগেই সকলো শেষ। শেষ ৰা-বাঁহৰ চিক্‌মিকনি, শেষ তাৰ ক্ষন্তেকীয়া পোহৰৰ চমক, তাৰ পাছত সকলো আন্ধাৰ... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৭]

এইখিনিতে মনকৰিবলগীয়া যে, ম'ম'ক'ৰ বিচাৰধাৰা আৰু চেতনা, সামগ্ৰিভাৱে জনগোষ্ঠীয় চিন্তা-চেতনাৰে প্ৰতিভূ যদিও সেয়া অক্ষয়-অব্যয় নহয়। প্ৰজন্মৰ পৰিৱৰ্তনৰ লগে লগে এইক্ষেত্ৰত বহুবোৰ নতুন নতুন চিন্তা-ভাৱনাৰ সমাৱেশ হোৱাৰ লগতে পূৰ্বৰ ধ্যান-ধাৰণাসমূহক সন্দেহ, সমৰ্থনহীনতাৰ আৱৰ্তৰ মাজলৈ

আগবঢ়াই নিয়া হৈছে। গল্পকাৰে তেৰ বছৰৰ পূৰ্বে ৰচনা কৰা প্ৰথমটো গল্পত নতুন প্ৰজন্মৰ মাজত পৰিলক্ষিত এক ধৰণৰ দ্বন্দ্বৰ স্বৰূপ অংকন কৰি এনেদৰে লিখিছিল—

> বাঁহৰ চাঙত অকলশৰে পৰি থকা হাংমিজিৰ টোপনি অহা নাই। ধুঁৱলী-কুঁৱলি চিন্তাৰ, গধূৰ গধূৰ পাকলগা কিছুমান দ্বিধা-দ্বন্দ্বৰ বোধৰ টনা আঁজোৰাত সি আকৌ সেই দুই মেৰুৰ মধ্যবিন্দুত অস্থিৰ খোজেৰে থিয় দিছে। দুই মেৰুৰ মাজৰ দৈৰ্ঘ্যৰ শূন্যতাত ৰছী টনা খেলৰ গাঁঠিটোৰ দৰে দুটা বিপৰীত শক্তিৰ টনাটনিত সি ক্ৰমে বিধ্বস্ত হৈ পৰিছে? এটা মেৰুত, সেই নীৰৱ নৈসৰ্গত ৰৈ থকা তিৰোতাজনী, তাইৰ নিচুকনি গীতবোৰ, চমাংকান, মুছেৰাকেহিৰৰ পবিত্ৰ মন্ত্ৰৰ অৰণ্য আৰু পাহাৰবোৰৰ মাজত এটা প্ৰাচীন জনগোষ্ঠী, যি ক্ৰমে বিৱৰ্তিত হ'ব ধৰিছে এখন অন্য সংমিশ্ৰিত ৰূপলৈ অথবা কোনো পৰ্যটন কোম্পানীয়ে প্ৰস্তুত কৰা বিশেষ আঁচনিৰ প্ৰতিলিপিত, যি ক্ৰমে হৈ পৰি এক পণ্য commodity আৰু—আৰু—এনে অনেক ধূসৰ ছায়াছবি—। আৰু আনটো মেৰুত, ধাতৱ চিকমিকনি, বৈদ্যুতিক পোহৰ, আৰু ইলেক্টনিক চিম্ফনীৰ উচ্ছলতা আৰু চাক্‌চিক্যৰে ভৰা একযান্ত্ৰিক দৃশ্যাৱলীৰ উজ্জ্বল ৰঙীন ছায়াছবি! [মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', পৃ° ১৬]

সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই দুদোল্যমানতাৰ পৰা নৱপ্ৰজন্ম যেন ওলাই আহিছে। তেওঁলোকে নিজৰ বাবে এটা নিৰ্দিষ্ট পথৰ সন্ধান কৰিছে। এই পথ নতুনকৈ কাটি উলিওৱা পথ। তাত্ত্বিকভাষাৰে হয়তো তাকেই উত্তৰ-ঔপনিৱেশিক চিন্তাৰে ৰঞ্জিতহৈ নিজৰ অতীত আৰু ভৱিষ্যতৰ মাজত গঢ়ি তোলা নতুন পথ বুলিয়েই চিহ্নিত কৰিব লাগিব। সেই অতীতটোক ধাৰণ কৰি প্ৰথমটো গল্পত থকা 'ফি' গৰাকীয়ে দ্বিতীয়টো গল্পত ম'ম'ক'ৰ ৰূপত আকৌ এবাৰ উদ্ভাসিত হৈছে আনহাতে 'ফি' নাতি ল'ৰা হাংমিজিয়ে ইয়াত ম'ম'ক'ৰ দ্বিতীয় পুত্ৰৰ ৰূপত প্ৰকাশ লাভ কৰিছে। যাৰ সিদ্ধান্তৰ ভেঁটিত প্ৰাচীন জনগোষ্ঠীটোৱে নিজৰ ভৱিষ্যত ৰচনাৰ বাবে এটা বিশেষ বাটৰ সন্ধান কৰিছে।

> সি আজিলৈকে কাহানিও বাওঁফালৰ বাটটো লোৱা নাই। কাহানিও লোৱা নাই। কিন্তু হে' পবিত্ৰ পিতা, হে' হৃদয়ৰ মাতামহী—হে' হেম্ফু দেৱতা, অ'ফী—মৃতকৰ পৃথিৱীখনতকৈয়ে যে আৰু বহুত বেছি ভয়াবহ জীৱিতসকলৰ এই পৃথিৱী! জীৱিতসকলৰ এই পৃথিৱীত সত্যক ধৰি ৰাখিবলৈ যে কেতিয়াবা আৰু এটা বাট কাটি লোৱাৰ প্ৰয়োজন হয়। বাওঁফালৰ বাট আৰু সোঁফালৰ বাটৰ মাজেৰেওটো আৰু এটা বাট থাকিব পাৰে। হয় সাৱধানী খোজেৰে আকুলতা আৰু দায়বদ্ধতাৰে সি এতিয়া খুপি খুপি সেই তৃতীয়টো কাঁইটীয়া বাটেৰেই খোজ পেলাব লাগিব, যাতে ম'ম'ক'ৰ গানটো হেৰাই নাযায়। ম'ম'ক'ৰ পৃথিৱীখন আৰু তাইৰ গানটো যাতে পৃথিৱীৰ সকলোৱে আত্মপৰিচিতিৰ প্ৰকৃত নামেৰেই চিনিব পাৰে—সেইবাবে। গানটো যেন আৰু বহুদূৰ বাট গৈ থাকে—সেইবাবে। এৰা—আৰু, আৰু বহুদিন আৰু বহু ৰাতিৰ অন্তহীন প্ৰবাহেৰে যেন অনন্তকাললৈ বৈ থাকিব পাৰে ম'ম'ক'ৰ সেই গানটো—সেইবাবেই... [মৌচুমী কন্দলী, 'মকড্ৰিল', পৃ° ১৫৯]


**আকৰ গ্ৰন্থ**

মৌচুমী কন্দলী, 'লাম্‌বাদা নাচৰ শেষত', প্ৰথম সংস্কৰণ, নৱেম্বৰ ১৯৯৮, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী।

মৌচুমী কন্দলী, 'মক্‌ড্ৰিল', প্ৰথম সংস্কৰণ, ডিচেম্বৰ ২০১০, বনলতা, গুৱাহাটী।




# অসমীয়া ভাষাত কন্যা শিশুৰ মানসিক উৎকৰ্ষ সাধনৰ দিশত শিশু-সাহিত্যৰ চৰ্চা আৰু ভূমিকা

*আকাশ দীপ্ত ঠাকুৰ*


## সাৰাংশ

সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ ভিতৰত এটি অপৰিহাৰ্য অংগ হৈছে শিশু-সাহিত্য। শিশুসকলৰ অপৈণত, কোমল মানসিকতাৰ সৈতে একাত্ম হ'ব পৰাকৈ আৰু তেওঁলোকৰ মনস্তত্ত্বৰ বিভিন্ন দিশসমূহ সূক্ষ্মাতিসূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি বিভিন্ন সময়ত ভিন ভিন পৰিবেশৰ সৈতে খাপ খাই পৰাকৈ অভিজ্ঞ সাহিত্যিকসকলে সৃষ্টি কৰা সাহিত্য আৰু এনে সাহিত্যৰ প্ৰতি স্বভাৱগতভাৱে আকৰ্ষিত হৈ অনুসন্ধিৎসু মন আৰু স্বকীয় প্ৰতিভাৰে শিশুসকলে নিজে সৃষ্টি কৰা সাহিত্য—প্ৰধানতঃ এই দুই প্ৰকাৰৰ সাহিত্যৰে শিশু-সাহিত্যসমূহক শ্ৰেণী বিভাজন কৰিব পাৰি যদিও পৃথিৱীৰ বিভিন্ন ভাষাৰ সাহিত্য অধ্যয়নৰ যোগেদি এটা বিষয় প্ৰতীয়মান হয় যে সাধাৰণতে অভিজ্ঞ সাহিত্যিকসকলে শিশুসকলৰ উপযোগীকৈ সৃষ্টি কৰা সাহিত্যসমূহকহে প্ৰধানকৈ শিশু-সাহিত্যৰ অধ্যয়ন তথা সমালোচনাৰ আওতালৈ আনিব বিচৰা হয়; কিয়নো এইসমূহ সাহিত্যৰ অধ্যয়ন তথা প্ৰভাৱ বিস্তাৰৰ ফলশ্ৰুতিতহে শিশুসকল সাহিত্যসৃষ্টিৰ প্ৰতি আগ্ৰহী হৈ পৰে। মূলতঃ এই বিষয়টোকে আধাৰস্বৰূপে লৈ বৈষ্ণৱ যুগত শ্ৰীধৰ কন্দলীৰ দ্বাৰা ৰচিত 'কাণ-খোৱা' শীৰ্ষক নিচুকনি গীতৰ পুথিখনকে প্ৰথম অসমীয়া শিশু- সাহিত্য বুলি অভিহিত কৰি বৰ্তমান সময়লৈকে বিভিন্ন সময়ত চিৰ স্মৰণীয় সাহিত্যিকসকলকে ধৰি ন-পুৰণি বিভিন্ন সাহিত্যিকৰ কলমেৰে সৃষ্টি হোৱা মনোৰঞ্জনৰ সমলেৰে পৰিপূৰ্ণ তথা চালুকীয়া বয়সৰ জ্ঞানবৰ্ধক সাধুকথাৰ পুথি, গল্প, উপন্যাস, কবিতা, অনূদিত সাহিত্য, বিজ্ঞানভিত্তিক সাহিত্য, শিশু আলোচনী আদিসমূহৰ এটি বিস্তৃত পৰ্যবেক্ষণ এই পত্ৰখনিত সন্নিৱিষ্ট কৰিবলৈ প্ৰয়াস কৰা হৈছে। অন্যহাতে আমাৰ এই পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শিশু অৱস্থাৰেপৰা বহু অভিভাৱকে কন্যাসকলক কিছুমান নিয়ম-শৃংখলা, ৰীতি-নীতি-পৰম্পৰাৰ বিষয়ে অৱগত কৰাবলৈ যত্নপৰ হোৱা পৰিলক্ষিত হয়। ধৰ্ম তথা ভাষাৰ আলমত অদৃশ্য সূতাৰে বিভক্ত হৈ থকা সমাজখনত এনে প্ৰয়াসৰ কিছু তাৰতম্যও নথকা নহয়। এইখন সমাজতে এটা পৰ্যায়ৰ পাছৰপৰা কন্যা শিশুসকলৰ মানসিকতাৰ ওপৰত বিভিন্ন ধৰণৰ সামাজিক বাধ্যবাধকতাই প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে ক্ৰিয়া কৰে। তদুপৰি শৈশৱ, কৈশোৰ পাৰ হৈ যৌৱনৰ দুৱাৰডলিত ভৰি দিয়ালৈকে সৈতে অনেক কন্যা শিশু বিভিন্ন ধৰণৰ যৌন-নিৰ্যাতনৰ চিকাৰ হোৱা ঘটনাবোৰতো আছেই। এনে ধৰণৰ দিশসমূহ চালি-জাৰি চালে সাম্প্ৰতিক সময়তো

আমাৰ সমাজখনত কন্যা শিশুৰ মনস্তত্ত্বৰ ভিন্নসুৰীতা পুৰুষ শিশুতকৈ পৃথক ধাৰণাৰে গঢ় লোৱা বিষয়টো নুই কৰিব নোৱাৰি। অনস্বীকাৰ্য যে তাহানিৰেপৰা আজিৰ এই পৰ্যায়লৈকে কন্যা শিশুৰ মানসিক উত্তৰণৰ দিশত তেওঁলোকৰ স্বভাৱগতভাৱে সৰল মনবোৰৰ সৈতে একাত্ম হৈ পৰিব পৰা যিকোনো উৎকৃষ্ট সাহিত্যই যি ভূমিকা গ্ৰহণ কৰিব পাৰে, সেয়া অন্য যিকোনো মাধ্যমে গ্ৰহণ কৰিব পৰা ভূমিকাতকৈ নিঃসন্দেহে শ্ৰেষ্ঠ। এই লেখাটোত বিভিন্ন মনীষীসকলৰ অসমীয়া ভাষাত শিশু-সাহিত্য চৰ্চাৰ এটি সম্যক বিৰৰণৰ লগতে কন্যা শিশুৰ মনস্তত্ত্বৰ সৈতে ৰজিতা খুৱাই শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাৰ বিভিন্ন দিশসমূহ সাঙুৰি এটা সময়সাপেক্ষ বিশ্লেষণ আগ বঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ** শিশু সাহিত্য, কন্যা শিশু, মানসিকতা, উত্তৰণ

**প্ৰস্তাৱনা**

অসমীয়া সাহিত্যৰ অন্যতম গুৰুত্বপূৰ্ণ অংগ শিশু-সাহিত্যৰ বিভিন্ন দিশসমূহ সাঙুৰি আপাতঃ দৃষ্টিত এইসমূহক দুটা ভাগত বিভক্ত কৰিব পৰা যায়—শিশুসকলৰদ্বাৰা সৃষ্ট সাহিত্য আৰু শিশুসকলৰ বাবে সৃষ্টি কৰা সাহিত্য। ইয়াৰে আকৌ প্ৰথম ভাগটো অৰ্থাৎ শিশুসকলৰ দ্বাৰা সৃষ্টি হোৱা সাহিত্যসমূহ পৰোক্ষভাৱে হ'লেও দ্বিতীয় ভাগটোৰ ওপৰত বিশেষকৈ নিৰ্ভৰশীল বুলি ক'ব পাৰি। কিয়নো, শিশুসকলৰ মনবোৰ সাধাৰণতে এখন কল্পনাপ্ৰৱণ জগতত বিচৰণ কৰি ফুৰে; যাক আমি 'অতি বাস্তৱ' জগত বুলি অভিহিত কৰিব পাৰোঁ। কোনো কোনো ক্ষেত্ৰত অৱশ্যে অভিজ্ঞ অথবা বয়স্ক ব্যক্তিসকলো সময় সাপেক্ষে নিজৰ অজ্ঞাতেই এনে এখন 'অতি বাস্তৱ' জগতৰ বাসিন্দা হৈ পৰাৰ উদাহৰণো নোহোৱা নহয়। যেনে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কত সদা-সৰ্বদা সন্দিহান দৃষ্টিভংগী লৈয়ো ব্যক্তিগত কিছুমান সংকীৰ্ণ পৰিস্থিতিত পৰি ঈশ্বৰৰ কৰুণাৰ ওপৰতে একমাত্ৰ নিৰ্ভৰশীল হৈ পৰা ব্যক্তিও আজিৰ সমাজত সততেই দৃষ্টিগোচৰ হয়। শিশুসকলৰ ক্ষেত্ৰত কিন্তু এই 'অতি বাস্তৱ' বুলি অভিহিত কৰিব বিচৰা জগতখনেই বহুক্ষেত্ৰত একান্ত আপোন হৈ পৰি তেওঁলোকৰ কোমল-অপৈণত মনবোৰত আবেগ, অনুৰাগ ইত্যাদি বিভিন্ন অনুভূতিৰ সঞ্চাৰ কৰিব পাৰে, যাৰ ফলত অপৰ্যাপ্ত অনুসন্ধিৎসাৰ জন্ম হৈ সময়ত সেয়া সৃষ্টিৰ তাড়নালৈ পৰ্যবসিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। শিশুমনবোৰে নিজৰ অজানিতেই চৌপাশৰ প্ৰকৃতি-পৰিবেশক আপোন কৰি লয়; চৰাই-চিৰিকতি, ফুল, পখিলা ইত্যাদিবোৰৰ সৈতে কথা পাতিব বিচাৰে। তেনেস্থলত এনে কৌতূহলী মনোবৃত্তিৰ সৈতে ৰজিতা খোৱাকৈ, তেওঁলোকৰ মানসিকতাক আকৰ্ষিত কৰিব পৰাকৈ উৎকৃষ্ট সাহিত্যৰ যোগান ধৰিব পৰাটো অতিকে প্ৰয়োজনীয় এটা বিষয়। শিশু মানসিকতাৰ বাবে অতিশয় উপযোগী তথা প্ৰয়োজনীয় সাহিত্যসমূহকে 'শিশু-সাহিত্য' বুলি সাধাৰণীকৃত কৰি অসমীয়া ভাষাত এনে শিশু-সাহিত্যৰ ভেঁটি গাঁথনিৰ পৰা ক্ৰমবিকাশৰ পৰ্যায় সম্পৰ্কে এটি সম্যক ধাৰণা আলোচনা কৰিব বিচৰা হৈছে। **সাহিত্য বুলি ক'লে সাধাৰণতে বয়সৰ সীমা নিৰ্ধাৰণ কৰা নহয়; আকৌ শিশু অৱস্থাত ল'ৰাই হওক অথবা ছোৱালীয়ে হওক, মনস্তত্ত্বৰ ধাৰণাটোৰ বিশেষ পাৰ্থক্য দেখা নাযায় যদিও এটা কথা উলাই কৰি চলিব নোৱাৰি যে এগৰাকী নাৰী শৈশৱৰ দুৱাৰডলি পাৰ হৈ কৈশোৰ অতিক্ৰমি হে পূৰ্ণ যৌৱনপ্ৰাপ্ত অথবা প্ৰাপ্তবয়স্কৰ সীমাত উপনীত হয়। সেয়েহে প্ৰতিগৰাকী নাৰীয়ে এটা কথা অনুভৱ কৰিব পাৰে যে শৈশৱৰপৰা কৈশোৰলৈকে প্ৰত্যেকৰে মানসিকতাই**



**বিভিন্ন স্তৰৰ মাজেদিহে প্ৰকৃততে অগ্ৰসৰ হয়। একেই অনুভৱ পুৰুষ-শিশুৰ ক্ষেত্ৰতো প্ৰযোজ্য হয় যদিও সাধাৰণতে আমাৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত শিশু অৱস্থাৰেপৰা বহু অভিভাৱকে কন্যাসকলক কিছুমান নিয়ম-শৃংখলা, ৰীতি-নীতি-পৰম্পৰাৰ বিষয়ে অৱগত কৰাবলৈ যত্নপৰ হোৱা পৰিলক্ষিত হয়। ধৰ্ম তথা ভাষাৰ আলমত অদৃশ্য সূতাৰে বিভক্ত হৈ থকা সমাজখনত এনে প্ৰয়াসৰ তাৰতম্য থাকিলেও উদ্দেশ্য কিন্তু সকলোৰে একে। কন্যা শিশুসকলৰ মনবোৰ এনে নীতিজ্ঞানৰ আওতাত সোমাই পৰিবলৈ প্ৰকৃততে উপযুক্ত হয়নে নহয়—সেই বিষয়েও উপলব্ধি কৰিবলৈ অৱকাশ নোহোৱাকৈয়ে সময়ে সময়ে তেওঁলোকক এনে ধৰণৰ মানসিক নিষ্পেষণ কৰা দেখা যায়। তদুপৰি ফুল-তৰা-পখিলা খেদি ফুৰা বয়সতে অনেক কন্যা শিশু যৌন-নিৰ্যাতনৰ দৰে ঘৃণনীয় অভিসন্ধিৰ চিকাৰ হোৱা ঘটনাবোৰতো আছেই। এনে ধৰণৰ দিশসমূহ চালি-জাৰি চালে সাম্প্ৰতিক সময়তো আমাৰ সমাজখনত কন্যা শিশুৰ মনস্তত্ত্বৰ ভিন্নসুৰীতা পুৰুষ শিশুতকৈ পৃথক ধাৰণাৰে গঢ় লোৱা বিষয়টো নুই কৰিব নোৱাৰি।**

সকলো প্ৰকাৰৰ সাহিত্য শিশু মনস্তত্ত্বৰ বাবে উপযোগী কেতিয়াও হ'ব নোৱাৰে। খাদ্যাভ্যাসকে মুখ্য কৰি খেলা-ধূলা, বিদ্যায়তনিক দিশ, স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰলৈকে সকলো ক্ষেত্ৰতে অভিভাৱকৰ পৰিচালনাৰ ওপৰত নিৰ্ভৰশীল শিশুসকলৰ বাবে শক্তি আহৰণৰ ক্ষেত্ৰত সুষম খাদ্য যেনেকৈ প্ৰয়োজনীয়, ঠিক সেইদৰে অদূৰ ভৱিষ্যতে সম্যক জ্ঞান আহৰণৰ যোগেদি সফল ব্যক্তিত্বৰ স্তৰত উপনীত হ'ব পৰাকৈ তেওঁলোকৰ মানসিকতাৰ সৈতে একাত্ম হৈ পৰিব পৰা সু-সাহিত্যৰ চৰ্চাৰে মানসিক খাদ্য যোগান ধৰিব পৰাটোও সমানেই এটি প্ৰয়োজনীয় বিষয়।

অসমীয়া সাহিত্যৰ জগতখনত শিশু-সাহিত্যৰ বিভিন্ন দিশসমূহত পৰ্যাপ্ত সাহিত্যসৃষ্টিৰ পৰিসৰ কিছু সীমিত যদিও অতীজৰেপৰা বৰেণ্য সাহিত্যিকসকলৰ অধিকাংশই এই দিশত কম-বেছি পৰিমানে মনোযোগ দিয়া পৰিলক্ষিত হয়। এটা কথা নিশ্চিত যে সাহিত্যৰ বিভিন্ন শাখা-প্ৰশাখাৰ ভিতৰত শিশু-সাহিত্যৰ ক্ষেত্ৰতে জামজমকতা (তথাকথিত গ্লেমাৰ) ৰ প্ৰাধান্য কম হোৱাৰ লগতে এনে সাহিত্যৰ সমালোচনা তথা চৰ্চাৰ পৰিসৰো তুলনামূলকভাৱে কম হোৱাৰ পৰিপ্ৰেক্ষিতত পাছলৈ সাহিত্যসৃষ্টি কিছু স্তিমিত হৈ পৰাটো স্বাভাৱিক আৰু এই অহৈতুকী ত্ৰুটিৰপৰা বহুতো নমস্য সাহিত্যিকো যে নিশ্চয়কৈ সাৰি যোৱা নাই, সেই কথাটো তেখেতসকলৰ সাহিত্যৰাজিৰ ওপৰত বিস্তৃত আলোকপাত কৰিলেই সহজতে ধৰা পৰে। তত্ৰাচ এনে বৰেণ্য সাহিত্যিকসকলৰ শিশু মনস্তত্ত্বৰ সৈতে একাত্ম হ'ব পৰা আৰু অপৈণত বয়সৰ পাঠকসকলক সহজতে আকৃষ্ট কৰিব পৰা সুন্দৰ সাহিত্যবিশেষে অসমীয়া সাহিত্যৰ এই অপৰিহাৰ্য দিশটোৰ ভেটি টনকিয়াল কৰি থৈ যোৱা কথাষাৰো সমানে প্ৰযোজ্য।

এই লেখাটোত বিভিন্ন মনীষীসকলৰ অসমীয়া ভাষাত শিশু-সাহিত্য চৰ্চাৰ এটি সম্যক বিৰৰণৰ লগতে কন্যা শিশুৰ মনস্তত্ত্বৰ সৈতে ৰজিতা খুৱাই শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাৰ বিভিন্ন দিশসমূহ সাঙুৰি এটা সময়সাপেক্ষ বিশ্লেষণ আগ বঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**অসমীয়া সাহিত্যৰ পুৰোধা ব্যক্তিসকলৰ শিশু-সাহিত্যপ্ৰীতি**

এটা কথা অনস্বীকাৰ্য যে শিশুসকলৰ মানসিকতাক উদ্দেশ্য কৰি ৰচিত হোৱা সাধুকথা তথা আখ্যানসমূহ আৰু গীত-কবিতা ইত্যাদিবোৰ যুগ যুগ ধৰি অসমীয়া সাহিত্যৰ অবিচ্ছেদ্য অংগ হৈ আহিছে।

পৃথিৱীৰ বিভিন্ন ভাষাত সৃষ্টি হৈ মুখ বাগৰি অহা গীত-মাতৰ উপৰি সাধু, আখ্যান, উপাখ্যান, পঞ্চতন্ত্ৰ, হিতোপদেশ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদি লোকসাহিত্যতো অসমীয়া শিশু-সাহিত্য যে চহকী আছিল তাৰ কিছুমান উদাহৰণ পোৱা যায় বিশেষ উল্লেখনীয় কিছুমান শিশু-গ্ৰন্থৰ মাজেদি। বৈষ্ণৱ যুগৰ শ্ৰীধৰ কন্দলীৰ দ্বাৰা ৰচিত নিচুকনি গীতৰ পুথি 'কাণ-খোৱা', ড° বীৰেন্দ্ৰনাথ দত্তৰ দ্বাৰা সংগৃহীত গোৱালপৰীয়া নিচুকনি আৰু খেল-ধেমালিৰ গীতৰ সংগ্ৰহ 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ', পানীন্দ্ৰনাথ গগৈৰ 'ল'ৰা শিক্ষাৰ আগছোৱা', 'মাজছোৱা' আৰু 'শেষছোৱা' নামৰ পাঠ্যপুথিত সন্নিৱিষ্ট হোৱা শিশুমনৰ উপযোগী পদ্য আৰু প্ৰবাদসমূহ, দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাৰ দ্বাৰা ৰচিত 'উজু কবিতা', 'ফুল' আৰু 'ল'ৰা কবিতা'শীৰ্ষক কাব্যগ্ৰন্থকেইখন, দেৱেশ্বৰ চলিহাৰ 'ল'ৰা-সখি', আব্দুল মজিদৰ 'নিম্ন প্ৰাইমেৰী পাঠ' নামৰ পাঠ্যপুথি দুখন, বলদেৱ মহন্তৰ 'উজু পাঠ', আনন্দৰাম ঢেকীয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ', আনন্দ চন্দ্ৰ আগৰৱালাৰ 'কোমল পাঠ', 'শিশু পাঠ' আৰু 'জিলিঙনি', কুমুদেশ্বৰ বৰঠাকুৰৰ 'লাৱণ্যৰ আদিপাঠ' আৰু 'লাৱণ্যৰ দ্বিতীয় ভাগ', সত্যনাথ বৰাৰ 'সাৰথি', সৰ্বেশ্বৰ শৰ্মা কটকীৰ 'মুৰুলী', চন্দ্ৰধৰ বৰুৱাৰ 'নতুন পাঠ', 'উজু পাঠ' আৰু 'উজু সাহিত্য', কাশীনাথ বৰ্মনৰ 'অতুল পাঠমালা', মফিজুদ্দিন আহমদ হাজৰিকাৰ 'জ্ঞানমালিনী', ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'সাধুকথাৰ কুঁকি' আদি শিশু-গ্ৰন্থসমূহ অতি উৎকৃষ্ট তথা আকৰ্ষণীয় শিশু-সাহিত্যৰূপে সৰ্বজন সমাদৃত হৈছিল। উল্লিখিত গ্ৰন্থসমূহৰ ভিতৰত নীতিশিক্ষা, বুৰঞ্জী আৰু ভূগোলৰ পাঠ্যপুথি হিচাপে স্বীকৃত আনন্দৰাম ঢেকীয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ পুথিখনক আধুনিক অসমীয়া গদ্যৰ বিকাশৰ উৎকৃষ্ট দৃষ্টান্ত হিচাপেও অভিহিত হোৱাৰ বিষয়টোক আধাৰ হিচাপে লৈ একে আষাৰে ক'ব পাৰি যে অসমীয়া গদ্য সাহিত্যৰ ভেটি অসমীয়া শিশু-সাহিত্যৰ মাজেৰেহে প্ৰতিষ্ঠিত হৈছিল।

**সাধুকথাৰ জগতখনত এটি বিহংগম দৃষ্টি**

অতীজৰে পৰা অসমীয়া সমাজত মুখ বাগৰি আহি প্ৰচলিত হোৱা আৰু দুটামান নিজে ৰচনা কৰা ডেৰ কুৰি জনপ্ৰিয় সাধুৰ সংকলন, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি 'বুঢ়ী আইৰ সাধু'ৰ সাধুবোৰ, তেখেতৰ সাধু কোৱাৰ কৌশল, বুদ্ধিদীপ্ত সংলাপ, নাটকীয় পৰিস্থিতিৰ উদ্ভাৱন তথা হাস্য-ব্যংগৰ সমাহাৰেৰে শিশুৰ মানসিকতাক আকৰ্ষণ কৰিব পৰাৰ এক অদ্বিতীয় উদাহৰণস্বৰূপে সৰ্বতোকাললৈ অসমীয়া শিশু-সাহিত্যৰ জগতখনত ভোটা তৰা হৈ জিলিকি থাকিব। বেজবৰুৱাৰ 'ককাদেউতা আৰু নাতিল'ৰা', 'সাধুকথাৰ কুঁকি' আৰু 'জোনবিৰি' তথা গদ্য আৰু পদ্যত ৰচনা কৰা 'জুনুকা'ৰ উপৰি 'নোমল', 'পাচনি', 'লিতিকাই' আৰু 'চিকৰপতি-নিকৰপতি' আদি প্ৰহসনভংগীৰ নাটকেইখনো উল্লেখনীয় শিশু-সাহিত্যৰ শাৰীত ধৰিব পাৰি। **বিশেষভাৱে উল্লেখনীয় যে বেজবৰুৱাৰ 'মুক্তি' নামৰ গল্পটোৰ কাহিনী-বিন্যাসৰ সৈতে বিশেষ সাদৃশ্য পৰিলক্ষিত হয় আমীৰ খান অভিনীত জনপ্ৰিয় হিন্দী চিনেমা 'তাৰে জমীন পৰ'ৰ কাহিনীভাগৰ। শিশু-সাহিত্যৰ প্ৰকৃত চৰ্চাৰ অভাৱ, অৱহেলা তথা অনীহাৰ বাবেই আজিকোপতি 'মুক্তি' গল্পটো প্ৰাপ্য স্বীকৃতিৰ পৰা দুখ লগাকৈ বঞ্চিত হ'ল অথচ 'তাৰে জমীন পৰ' নামৰ শিশু-কথাছবিখনে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰাৰ লগতে দৰ্শক-সমালোচকৰ দৃষ্টি আকৰ্ষণেৰে সৰ্বজনচৰ্চিত হৈ পৰিবলৈকো সক্ষম হ'ল।**

সাধুকথাৰ মাজেৰে শিশু-সাহিত্যৰ জগতলৈ উল্লেখনীয় বৰঙণি আগ বঢ়োৱাসকলৰ ভিতৰত



তুলসী প্ৰসাদ দত্তৰ 'সাধুকথাৰ জোলোঙা', কুমুদেশ্বৰ বৰঠাকুৰৰ 'সাধুকথাৰ ভঁড়াল', চন্দ্ৰধৰ ৰাজখোৱাৰ 'পঞ্চকন্যা', মহেশ চন্দ্ৰ কটকীৰ 'বেতাল পঞ্চবিংশতি', 'গজমুকুতা', তাৰানাথ বৰপূজাৰীৰ 'মহাভাৰতৰ ৰহঘৰা', 'মহাভাৰতৰ মৌ-বিচনী, ৰোযেশ্বৰ শৰ্মাৰ 'ঈছপৰ সাধু', মিত্ৰদেৱ মহন্তৰ 'মৌ মহাভাৰত', বেণুধৰ শৰ্মাৰ 'মৰমৰ কাৰেং', 'ৰাংপতা' আৰু 'লাটুমণি', হৰিপ্ৰসাদ বৰুৱাৰ 'মইনা', অতুল চন্দ্ৰ হাজৰিকাৰ 'কথা-কীৰ্ত্তন', 'পুৰণি সাহিত্যৰ পাৰিজাত', 'মাণিকী মাধুৰী', 'অপেশ্বৰীৰ দেশ', 'দিগ্বীজয়ী', 'ৰুণুক-জুনুক', 'আগৰ দিন', 'হাঁহিচম্পা', 'গ্ৰীচৰ সাধু',আৰু 'ৰাণী হিমানী', প্ৰফুল্ল দত্ত গোস্বামীৰ 'বিলাতী হোজা', শশীপ্ৰভা দাসৰ 'ৰ'দালি এ ৰ'দ দে', অতুল চন্দ্ৰ বৰুৱাৰ 'ওলট-পালট', 'সন্ধিয়াৰ সাধু' আৰু 'মাজনিশাৰ সাধু', অণু বৰুৱাৰ 'সাধু সাধু সাধু', ৰাধিকা মোহন ভাগৱতীৰ 'এজন ৰজা আছিল', কাশীনাথ বৰ্মনৰ 'দেশ-বিদেশৰ সাধু', প্ৰসন্নলাল চৌধুৰীৰ 'আমাৰ দেশৰ সাধু', চৈয়দ আব্দুল মালিকৰ 'মুকলি মনৰ সাধু', ড° কালিনাথ শৰ্মাৰ 'ভালুকৰ ভুৰকালে', নৰেন্দ্ৰনাথ শৰ্মাৰ 'লাক-পাকুৰ-কুৰ', ড° লীলা গগৈৰ 'পোনাকণৰ সপোন', 'ৰংমনৰ কথা', আৰু 'সোণতৰা', প্ৰেমধৰ দত্তৰ 'ন-কথা', ভেকো-ভাওনা', আৰু 'সাজি কোৱা নাই', নৰকান্ত বৰুৱাৰ 'মাখনৰ কুকুৰা পোৱালি', মুক্তিনাথ বৰদলৈৰ 'তীৰ্থযাত্ৰীৰ সাধু', কেশৱানন্দ দেৱ গোস্বামীৰ 'ক'ব জানিলে কথা' আৰু 'নাহিবি জপনা দেই', আব্দুছ ছাত্তাৰৰ 'অকণি অকণি পোৱালমণি', পূৰ্ণ চন্দ্ৰ গোস্বামীৰ 'জিলিংখাপৰ সাধু', যতীন গোস্বামীৰ 'পিংপং বৰুৱাৰ মটৰ গাড়ী', নন্দ তালুকদাৰৰ 'তাহানিৰ সাধু', ডিম্বেশ্বৰ চলিহাৰ 'শিয়াল পণ্ডিত', প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ 'বুধিয়ক কোন', গোলোক চন্দ্ৰ দত্তৰ 'নিগনি কন্যাৰ দৰা', সত্যেন বৰকটকীৰ 'ল'ৰা-লুৰিৰ সাধু', ড° নবীন চন্দ্ৰ শৰ্মাৰ 'আইৰ মুখৰ সাধু', সুৰেন্দ্ৰ কুমাৰ দাসৰ 'গোপাল ভাড়ৰ সাধু' আৰু 'নিংনি ভাৰৱীয়াৰ সাধু', ভাৰতী বৰুৱাৰ 'যাদুৰ কথাৰে সাধু' নিৰুপমা বৰুৱাৰ 'আমাৰে মইনা শুব এ', এলি আহমেদৰ 'তৰাফুল', সদৌ অসম লেখিকা সন্থাৰ 'আইতাই সাধু কয়' ড° কৰবী ডেকা হাজৰিকাৰ 'প্ৰাচীন ভাৰতৰ আখ্যান' আৰু 'বেজবৰুৱাৰ সাধু', মিনতি হাজৰিকাৰ 'টুনটুনিৰ সাধু', কৈলাশ শৰ্মাৰ 'পূৰ্বাঞ্চলৰ সাধু' আৰু 'সাত ভনীৰ সাধু', প্ৰীতি মেধিৰ 'তিনি কুৰি দহটা বাৰে মিহলি সাধু' আৰু স্বৰ্ণ শইকীয়াৰ সম্পাদনাত 'মোনা ভৰাই ৰং আনিছোঁ' বিশেষভাৱে উল্লেখযোগ্য। এইসমূহৰ ভিতৰত ড° কৰবী ডেকা হাজৰিকাৰ 'বেজবৰুৱাৰ সাধু' নামৰ গ্ৰন্থখনিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা আৰু নাতি ল'ৰা'ৰ সাধুসমূহ একত্ৰিত কৰা হৈছে।

শিশুমনক সবাতোকৈ প্ৰভাৱিত কৰিব পৰা শিশু-সাহিত্যৰ সাহিত্যৰ বিভাগটোৱেই হৈছে 'সাধুকথা'। কোৱা বাহুল্য যে শিশুসকলক উদ্দেশ্য কৰিয়ে মূলতঃ সাধুকথাৰ সৃষ্টি হয়। অসমীয়া শিশু-সাহিত্যৰ জগতখনত আজিকোপতি যিমান সাধুকথাৰ সৃষ্টি হৈছে, সেইসমূহৰ ভিতৰত 'বুঢ়ী আইৰ সাধু'ৱে যি সুকীয়া, মৌলিক স্থান অধিকাৰ কৰি ল'লে, অন্য কোনো সাহিত্যিকৰ কোনো সৃষ্টিয়ে পুনৰাই সেই স্থান ল'বহি পৰা নাই। যুগ যুগ ধৰি এই সাধুসমূহ মুখ বাগৰি আহি আহি যেন অসমীয়া গ্ৰাম্য সমাজ-জীৱনত সেইসমূহে এক সুকীয়া প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। **ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে আমি যিমানেই উলাই কৰি চলিবলৈ চেষ্টা নকৰোঁ কিয়, এইখন সমাজতে এটা পৰ্যায়ৰ পাছৰপৰা কন্যা শিশুসকলৰ মানসিকতাৰ ওপৰত বিভিন্ন ধৰণৰ সামাজিক বাধ্যবাধকতাই পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে ক্ৰিয়া কৰে। 'বুঢ়ী আইৰ সাধু'ত সন্নিৱিষ্ট হোৱা তথা কন্যা শিশুৰ মনস্তত্ত্বৰ ওপৰত সৰ্বাধিক প্ৰভাৱ বিস্তাৰ কৰিব পৰা কেইটিমান**

**উল্লেখযোগ্য সাধুকথা হৈছে—'তেজীমলাৰ সাধু', 'তুলা আৰু তেজা', 'চম্পাৱতীৰ সাধু' আৰু 'চিলনীৰ জীয়েকৰ সাধু'।** উল্লিখিত সাধুকেইটাৰ ভিতৰত 'তেজীমলাৰ সাধু' শীৰ্ষক সাধুটোৰ বাদে বাকী আটাইকেউটা সাধুৰ কাহিনী-বিন্যাসত থকা এটা সামঞ্জস্য হৈছে বিবাহৰ পাছত এগৰাকী নাৰীৰ সামাজিক পৰিপূৰ্ণতাৰ বিষয়টো। অজগৰৰ ৰূপত অহা ৰাজকুমাৰে ধানৰখীয়া হৈ থকা চম্পাৱতীক বিয়া কৰাই লৈ যোৱাৰ পাছত স্বৰ্ণ আভূষণকে আদি কৰি নানা ঐশ্বৰ্যৰে তাইৰ জীৱনটো পৰিপূৰ্ণ কৰা, যাৰ ফলত ঈৰ্ষাৰ বশৱৰ্তী হৈ চম্পাৱতীৰ মাহীমাকে নিজ কন্যাক অন্য এটা বনৰীয়া অজগৰৰ সৈতে বিয়া পাতি দিয়াৰ ঘটনা; আকৌ এজনী চিলনীয়ে লোকচক্ষুৰ আঁৰত, বৰগছৰ খোৰোঙতে ডাঙৰ-দীঘল কৰা ধুনীয়া যুৱতীগৰাকীক এদিন ধনী সদাগৰে বিয়া কৰাই লৈ যোৱা, বিবাহৰ পাছত সতিনীহঁতে ঘৰুৱা কামৰ বাবে তাইক মানসিক অত্যাচাৰ কৰাৰ সময়ত তাইৰ মাক চিলনীয়ে তাইক সহায় কৰিবলৈ অহা; ঠিক সেইদৰে 'তুলা আৰু তেজা' গল্পটোতো বিবাহৰ পাছত তেজাৰ ঐশ্বৰ্য্য-বিভূতি দেখি মাহীমাকে বুদ্ধি কৰি নিজৰ জীয়েক তুলাক সেইজন জোঁৱায়েকলৈকে বিয়া দিবলৈ কৰা অভিসন্ধি...এইধৰণৰ কাহিনীয়ে শৈশৱৰেপৰা কন্যা এগৰাকীৰ মনত নিজৰ অজানিতেই বিবাহোত্তৰ নাৰী এগৰাকীৰ পূৰ্ণ প্ৰতিচ্ছবি এখন আঁকি থৈ যায়। 'তেজীমলাৰ সাধু'ত বৰ্ণিত হোৱা মাহীমাকৰ অত্যাচাৰ, তেজীমলাৰ প্ৰতি পিতৃৰ মৰম; একেধৰণে 'তুলা আৰু তেজা' অথবা 'চম্পাৱতীৰ সাধু'ত বৰ্ণিত হোৱা তদ্ৰূপ মাহীমাকৰ অত্যাচাৰৰ কাহিনী আৰু তাৰ আশাব্যঞ্জক পৰিণতিয়ে কন্যা শিশু এটিক শৈশৱ, কৈশোৰ, যৌৱন পাৰ হৈ নিজকে এগৰাকী পূৰ্ণাংগ নাৰী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাটো অনস্বীকাৰ্য। **তাহানিৰেপৰা আজিৰ এই পৰ্যায়লৈকে কন্যা শিশুৰ মানসিক উত্তৰণৰ দিশত এনে সাধুকথাই যি ভূমিকা গ্ৰহণ কৰি আহিছে অথবা কৰিব পৰাৰ থল আছে, সেয়া অন্য যিকোনো মাধ্যমে গ্ৰহণ কৰিব পৰা ভূমিকাত কৈ নিঃসন্দেহে শ্ৰেষ্ঠ তথা উপযুক্ত বুলি ভাবিব পাৰি।**

**অনূদিত শিশু-সাহিত্যত এভুমুকি**

'অৰুনোদই'ৰ সময়ৰেপৰা অসমীয়া শিশু-সাহিত্যৰ ক্ৰমবিকাশত অনূদিত সাহিত্যই অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা লৈ পৰৱৰ্তী সময়ত বিশিষ্ট সাহিত্যিকসকলৰ মনোগ্ৰাহী ভাষাৰ পৰিপূৰ্ণতাৰে পূৰ্ণাংগ ৰূপ ধাৰণ কৰে। স্বাধীনোত্তৰ কালতে সুৰেন্দ্ৰ মোহন দাসৰদ্বাৰা অনূদিত হৈ জনপ্ৰিয় হৈছিল 'টলষ্টয়ৰ সাধু'। তাৰ পাছতো প্ৰফুল্ল বৰুৱাৰ 'গ্ৰীচ দেশৰ সাধু', যতীন্দ্ৰনাথ গোস্বামীৰ 'মৌচাক', অতুল চন্দ্ৰ হাজৰিকাৰ 'এণ্ডাৰছনৰ সাধু', আজলিতৰা নেওগৰ 'আলিবাবা আৰু দুকুৰি ডকাইত', যজ্ঞেশ্বৰ শৰ্মাৰ 'গুলেস্তাৰ সাধু', জমিৰুদ্দিনৰ 'চীন দেশৰ কাহিনী', ৰঞ্জিতা বৰুৱাৰ 'চীন দেশৰ সাধু', প্ৰমোদ কাকতিৰ 'জাপানী সাধু', ড° লক্ষহীৰা দাসৰ 'দেশ-বিদেশৰ শিশু গল্প সংগ্ৰহ', শুচিব্ৰতা ৰায়চৌধুৰী আৰু ভৱগিৰি ৰায়চৌধুৰীৰ 'সোণালী পেৰা', নিৰুপমা ফুকনৰ 'কাশ্মীৰ দেশৰ সাধু', আৰু 'নেপালৰ সাধু', ড° জয়শ্ৰী গোস্বামী মহন্তৰ 'বিশ্বৰ শ্ৰেষ্ঠ সাধু', তোষপ্ৰভা কলিতাৰ 'কিমান যে সাধু', যোগেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'পাঁচোটা বিদেশী সাধু', প্ৰণীতা দেৱীৰ 'মান দেশৰ সাধু', 'ৰোমৰ সাধু' আৰু 'পৰীৰ দেশৰ সাধু', এম. আব্দুল মজিদ খানৰ 'দেশ-বিদেশৰ সাধু' আৰু ইৰাণৰ সাধু', সদা মৰলৰ 'ৰুচ দেশৰ সাধু', হৰিপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিৰ 'দূৰণিৰ সাধু' আৰু 'নানাৰঙী', ফণীন্দ্ৰনাথ গায়নৰ 'এছিয়া মহাদেশৰ সাধু', ৰীণা বৰুৱাৰ 'বিদেশী সাধুৰ কুঁকি', চিত্ৰভানুৰ 'ঈছপৰ সাধু' আদিয়ে অনূদিত শিশু-সাহিত্যৰ জগতলৈ উল্লেখযোগ্য বৰঙণি আগ বঢ়ায়। অন্যহাতে অসমীয়া শিশু-



সাহিত্য চালুকীয়া অৱস্থাত থকা কালতে অসম প্ৰকাশন পৰিষদৰ সচিবৰ আসন শুৱনি কৰি থকা চন্দ্ৰ প্ৰসাদ শইকীয়াই কেইবাখনো উল্লেখনীয় অনূদিত শিশু-গ্ৰন্থ প্ৰকাশ কৰি মহৎ ভূমিকা পালন কৰিলে। এইসমূহৰ ভিতৰত ড° মুকুন্দ মাধৱ শৰ্মাৰ 'হিতোপদেশ', যোগেন্দ্ৰনাৰায়ণ গোস্বামীৰ 'যশস্তিলকৰ কাহিনী', নিৰ্মল প্ৰভা বৰদলৈৰ 'কথাসৰিৎ সাগৰ', মহিম বৰাৰ 'বত্ৰিচ পুতলাৰ সাধু', লুই কেৰলৰ 'এলিচ ইন ৱণ্ডাৰলেণ্ড'ৰ প্ৰবীণা শইকীয়াই কৰা অসমীয়া অনুবাদ 'অজান দেশত এলিচ', আঁতোৱা দ্য চ এজুপিৰ 'লে পেটিট প্ৰিন্স'ৰ কেথেৰিণ উডছে কৰা ইংৰাজী অনুবাদ 'দা লিটল প্ৰিন্স'ৰ নিৰুপমা বৰগোহাঞিয়ে কৰা অসমীয়া অনুবাদ 'অকণমানি কোঁৱৰ', এন নছফৰ 'স্কুল বয়জ'ৰ নিশি বৰকটকীয়ে কৰা অনুবাদ 'শ্বিচকিন, মই আৰু বহুতো', ছাৰ আৰ্থাৰ কোনান ডয়ালৰ 'দা লষ্ট ৱৰ্ল্ড'ৰ ৰায়শ্যান শ্বাহে কৰা অসমীয়া অনুবাদ 'বিলুপ্ত জগত', ৰজাৰ লেন্সলীন গ্ৰীনৰ 'ৰবীন হুড'ৰ যোগেশ দাসে কৰা অসমীয়া অনুবাদ 'ৰবীন হুড', জিম কৰবেটৰ 'মেন ইটাৰ অৱ কুমায়ুন'ৰ বিৰাজ চৌধুৰীৰ অনুবাদ 'কুমায়ুনৰ মানুহ খোৱা বাঘ'ৰ লগতে 'ৰুদ্ৰপ্ৰয়াগৰ নাহৰফুটুকী' আৰু 'মন্দিৰৰ বাঘ' আদি হৈছে কেইখনমান প্ৰখ্যাত বিদেশী গ্ৰন্থৰ সাৱলীল অসমীয়া অনুবাদ। ১৯৩০ চনতে বিপিন চন্দ্ৰ বৰুৱাই 'মাৰ্চেণ্ট অৱ ভেনিচ'ৰ অসমীয়া অনুবাদ 'ভেনিচৰ সাউদ' প্ৰকাশ কৰি শিশু-সাহিত্যৰ মাজেৰে সকলো বয়সৰ পাঠক-পাঠিকাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। অন্যহাতে দস্যু সম্ৰাট ৰবীন হুডৰ কাহিনীৰে সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীৰ 'দস্যু সম্ৰাট' আৰু কালিকা লগা নিচা', মিখুৱেল ডি চাৰ্ভেনটিছৰ 'ডন কুইকচোট'ৰ মহেন্দ্ৰ বৰাই কৰা একে নামৰ উপন্যাস, ৰবাৰ্ট লুই ষ্টিভেনছনৰ 'মিষ্টিৰিয়াছ আইলেণ্ড'ৰ হাৰুণাৰ ৰছিদৰ অনুবাদ 'ৰত্নদ্বীপ', মেটাৰলিংকৰ 'ব্লু বাৰ্ড'ৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৰা সাৱলীল অনুবাদ 'নীলা চৰাই', গীতা উপাধ্যায়ৰ অনুবাদ গ্ৰন্থ 'এন ফ্ৰাংকৰ ডায়েৰী' আৰু বাসন্তী লস্কৰৰ দ্বাৰা অনূদিত 'ৰবিনছন ক্ৰুছো'ৰেও সকলো বয়সৰ পাঠক-পাঠিকাকে আমোদ দিব পাৰিছিল। ঠিক একেদৰে শিশু মানসিকতাক বিজ্ঞানৰ ৰহস্যাৱলীৰ সৈতে পৰিচয় কৰিব পৰাকৈ বহুকেইখন বিশ্ব-বিশ্ৰুত বিজ্ঞানভিত্তিক উপন্যাসৰো অসমীয়া অনুবাদ হৈছে। এইসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব বিচৰা কেইখনমান গ্ৰন্থ হৈছে এইচ জি ৱেলছৰ 'দা ইনভিজিবল মেন'ৰ হেমবালা দাসে কৰা অনুবাদ 'অদৃশ্য মানৱ', জুল ভাৰ্ণৰ 'এ জাৰ্ণি টু দা চেণ্টাৰ অৱ দা আৰ্থ' আৰু 'ফ্ৰম দা আৰ্থ টু দা মুন'ৰ অনিল কুমাৰ শৰ্মাই কৰা অনুবাদ ক্ৰমে 'ভূগৰ্ভ অভিযান' আৰু 'চন্দ্ৰলোকলৈ', জুল ভাৰ্ণৰে 'এৰাউণ্ড দা ৱৰ্ল্ড ইন এইটি ডেইজ' ৰ মহেন্দ্ৰ বৰুৱাই একে নাম দি কৰা অনুবাদ আৰু 'টুৱেণ্টি থাউজেণ্ড লীগছ আণ্ডাৰ দা ছি'ৰ 'সাগৰিকা' নামেৰে বিজয়কৃষ্ণ দেৱশৰ্মা আৰু কুলেন্দু পাঠকে কৰা অনুবাদ আৰু হেম শৰ্মা অনূদিত আনাতোলি মিত্যায়েভৰ 'গ্ৰিস্কা আৰু মহাকাশচাৰী'।

**উল্লিখিত অনূদিত শিশু-সাহিত্যসমূহৰ অধিকাংশতে শিশুৰ উপযোগীকৈ বৰ্ণিত হোৱা দেশ-বিদেশৰ নাৰীসকলৰ জীৱনশৈলীৰ ধাৰণাই আমাৰ সমাজৰ কন্যা শিশুসকলৰ মানসিক উত্তৰণত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। পৃথিৱীৰ ভিন্ন প্ৰান্তৰ দেশবিলাকত থকা আমোদ-প্ৰমোদৰ ব্যৱস্থা, খেল-ধেমালিৰ ভিন্নসুৰীতা, সমাজ-জীৱনত নাৰীৰ ভূমিকা ইত্যাদি দিশসমূহ কাহিনীৰ জৰিয়তে বৰ্ণিত হোৱা বাবে শিশুসকল সেইসমূহৰ সৈতে মানসিকভাৱে একাত্ম হৈ পৰিবলৈ সুযোগ পায়।**

**শিশু-উপন্যাসৰ সৃষ্টি আৰু পৰিপূৰ্ণতা**

শিশু-সাহিত্যৰ অন্যতম শাখা শিশু-উপন্যাসসমূহৰ ভিতৰত মৌলিক কাহিনী, সৰল বাক্যবিন্যাস তথা মনোগ্ৰাহী উপস্থাপনশৈলীৰে নৱৰূপ প্ৰদান কৰিলে 'এখুদ ককাইদেউ', 'সপোন কৰা' আৰু 'ন-আইতা'ৰ বেশত নৰকান্ত বৰুৱাই। তেখেতৰ 'শিয়ালী পালেগৈ ৰতনপুৰ', 'আখৰৰ জখলা' আৰু 'ভতুকাৰে ভূ'ৰে অসমীয়া শিশু-উপন্যাসৰ ভেটি গঢ়ি তুলিলে। পাছৰ সময়ছোৱাত প্ৰেম নাৰায়ণ দত্তৰ 'পোহৰৰ বাটত', চৈয়দ আব্দুল মালিকৰ 'এখন সোণালী দুৱাৰ', শশী শৰ্মাৰ 'মোৰ দেশ মানুহৰ দেশ', নীলিমা দত্তৰ 'মই আৰু আমি', লক্ষ্মীনাথ ফুকনৰ 'বাপুকণ', হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়', শান্তনু তামুলীৰ 'মানী বাণী আৰু এখন ফুলনি' আৰু ৰাধিকা মোহন ভাগৱতীৰ 'ফেঁহুজালি' হৈছে আনকেইখনমান উল্লেখনীয় শিশু-উপন্যাস। ড° ভবেন্দ্ৰ নাথ শইকীয়াই 'মৰমৰ দেউতা' নামৰ শিশু-উপন্যাসখনিৰে অসমীয়া শিশু-সাহিত্যৰ জগতখনত কৌতুহলপূৰ্ণ কাহিনীৰ সৰল বিন্যাস তথা আকৰ্ষণীয় উপস্থাপনশৈলীৰ সমাহাৰৰ সহায়ত বিশেষ আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হোৱাৰ লগতে শিশু-কিশোৰৰ মাজত অতি জনপ্ৰিয় হৈ পৰিছিল। ঠিক সেইদৰেই যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ 'পৃথিৱীৰ মৰম', যোগেন শৰ্মাৰ 'সূৰুয উঠা দেশৰ পিনে', 'এটি জোন জাক জাক তৰা', 'জলকুঁৱৰীৰ দেশত', 'সপোনৰ কুকুভা', আৰু 'আহ পখী আহ', সন্তোষ কুমাৰ কৰ্মকাৰৰ 'সোণটিৰ পৃথিৱী', প্ৰতিভা গোস্বামীৰ 'সোণতৰা চাপৰি', অৰূপা পটংগীয়া কলিতাৰ 'কাঁইটত কেতেকী', অচিন মোমাইদেউৰ 'ডেম পেহাৰ দূৰবীন', ভাৰতী বৰুৱাৰ 'সোণতকৈয়ো দামী' আৰু 'মিকুল নিক্‌লু পিন্‌চু পাব্‌লু, বন্দিতা ফুকনৰ 'ককাৰ জিমি', 'সোণটিহঁতৰ পিক্‌নিক্ আৰু 'বান আহিছিল' আদি উল্লেখযোগ্য শিশু-উপন্যাস।

শান্তনু তামূলীৰ 'মানী বাণী আৰু এখন ফুলনি' শীৰ্ষক শিশু-উপন্যাসখনিৰ 'মানী' চৰিত্ৰটোৰে সমসাময়িক যিকোনো এটি কন্যা শিশুৰ মানসিকতাক অতিকৈ প্ৰভাৱিত কৰিব পাৰে। ভায়েক বাণীৰ সৈতে নিজৰ ঘৰৰ চৌহদত এখন ফুলনি সৃষ্টি কৰাৰ যি সুন্দৰ প্ৰয়াস, সময়ত সেই ফুলনিখনেই আনি দিয়া নিৰ্মল আনন্দ—এনে বিষয়সমূহে কন্যা শিশু এটিক পৰিৱেশ সচেতনতাৰ প্ৰতি সজাগ কৰি তোলাৰ লগতে ফুলৰ ৰস বিচাৰি অহা মৌমাখি, পখিলাৰ সৈতে ওমলাৰ হেঁপাহ, চৌপাশৰ উষ্ণতা পৰিমাপৰ জ্ঞান, জন্মদিনত ঘৰৰ ফুলনিৰ ফুল উপহাৰ দিব পৰাৰ সুন্দৰ অনুভৱ ইত্যাদি বিভিন্ন বিষয়ৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰে।

**শিশু-আলোচনীৰ প্ৰকাশ আৰু বিকাশ—এটি নিৰৱধি ধাৰা**

১৮৮৮ খ্ৰীষ্টাব্দতে কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'ল'ৰাবন্ধু' নামৰ আলোচনীখনেই আছিল প্ৰথম অসমীয়া শিশু-আলোচনী। ১৯১৬-১৮ খ্ৰীষ্টাব্দত অতুল চন্দ্ৰ হাজৰিকা, শৰৎ চন্দ্ৰ বৰুৱা, চিৰাজুদ্দিন আহমেদ, কৃষ্ণকান্ত সন্দিকৈ আদি পণ্ডিত-সাহিত্যিকসকলৰ অৱদানেৰে সম্পৃক্ত হৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত প্ৰকাশ পোৱা দ্বিতীয়খন অসমীয়া শিশু- আলোচনী আছিল 'অকণ'। পাছলৈ খুব কম সময়ৰ বাবে প্ৰকাশিত হোৱা আনকেইখনমান শিশু-আলোচনী আছিল ৰঘুনাথ চৌধুৰীৰ সম্পাদনাত 'মইনা'(১৯২৩), মহাদেৱ শৰ্মাৰ সম্পাদনাত 'অৰুণ'(১৯২৭), তুলসী নাৰায়ণ শৰ্মাৰ সম্পাদনাত 'আমাৰ দেশ'(১৯৩২), হৰেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত 'পখিলা'(১৯৩৩), বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত পুনৰ 'অকণ'(১৯৩৩) আৰু 'ৰংঘৰ'(১৯৪৮), দীননাথ শৰ্মাৰ সম্পাদনাত 'পাৰিজাত'(১৯৪০) আৰু এম ইব্ৰাহিম আলিৰ সম্পাদনাত 'কাঁচিজোন'(১৯৫১)। ১৯৫৪ চনৰ পৰা সোতৰ বছৰ কাল ধৰি সমগ্ৰ অসমতে অনেক



ন-পুৰণি লেখক-লেখিকাৰ লেখনিসহ সগৌৰৱে চলি আছিল গৌৰীকান্ত তালুকদাৰৰ দ্বাৰা সম্পাদিত অসমীয়া শিশু-আলোচনী 'দীপক'। উল্লেখযোগ্য যে ১৯৬১ চনত নৰকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত শিশু-আলোচনী 'জোনবাই' প্ৰকাশ পোৱাৰ আগলৈকে অসমীয়া শিশু-আলোচনীসমূহৰ সৰহ ভাগ লেখাৰ মূল আধাৰ আছিল পৌৰাণিক কাহিনী, দেশ-বিদেশৰ সাধু, জ্ঞান-বিজ্ঞানৰ কথা আদি। ১৯৮২ চনতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱাৰে পৰা মাজতে কিছু বছৰ বিৰতিসহ বৰ্তমানলৈকে চলি থকা 'সঁফুৰা' নামৰ শিশু-আলোচনীখনে অসমীয়া শিশু-আলোচনীক অভিনৱত্ব প্ৰদান কৰিলে। অকণ অকণ শিশুহঁতৰ লেখনি তথা ছবি, শিশুৰ মনস্তত্ত্বৰ বাবে বিশেষ উপযোগী উপদেশমূলক সম্পাদকীয়, হাস্য-ব্যংগৰে পৰিপূৰ্ণ গল্প-উপন্যাস, অনুদিত কাহিনী, জ্ঞান-বিজ্ঞানৰ বতৰা, অকণিহঁতৰ দুষ্টালি ভৰা কাহিনী আদিৰে ভৰপূৰ হৈ প্ৰকাশ পোৱা 'সঁফুৰা' আলোচনীখনে অসমীয়া শিশু-আলোচনীক উচ্চ মাত্ৰা প্ৰদান কৰিছে। ১৯৮৪ চন আৰু ১৯৮৮ চনৰ পৰা নিয়মীয়াভাৱে প্ৰকাশ পাই থকা শান্তনু তামূলীৰ দ্বাৰা সম্পাদিত শিশু-আলোচনী ক্ৰমে 'মৌচাক' আৰু 'নতুন আৱিষ্কাৰ'ৰ এটি সমীক্ষাত্মক বিশ্লেষণ পাছলৈ আগ বঢ়োৱা হৈছে। উল্লেখযোগ্য যে হোমেন বৰগোহাঞিৰ সম্পাদনাত ১৯৯১-৯২ চনলৈকে কিশোৰসকলৰ বাবে 'কিশোৰ' নামৰ এখন সময়োপযোগী মনোৰম আলোচনী প্ৰকাশ হৈছিল।

**সংকলনেৰে পৰ্যাপ্তভাৱে সমৃদ্ধ হোৱা নাই অসমীয়া শিশু-সাহিত্য**

অসমীয়া ভাষাৰ প্ৰথমখন শিশু-সাহিত্য সংকলন হ'ল ১৯৪৬ চনত বাণী প্ৰকাশৰ দ্বাৰা প্ৰকাশিত 'বিহুৱান'। ১৯৬৩ চনত ৰত্ন ওজা আৰু বিমল নাথৰ যৌথ সম্পাদনাত প্ৰকাশিত হৈছিল আন এখন শিশু-সংকলন 'ৰং আহে পাখি মেলি'। অন্যহাতে ১৯৭৯ চনত গুৱাহাটীৰ শিশু কল্যাণ সমিতিৰ দ্বাৰা প্ৰকাশিত 'সোণ-পখিলী' আৰু ১৯৮৪ চনত নৰকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত কাব্য সংকলন 'মৰুৱা ফুল' বিশেষভাৱে উল্লেখনীয়। অসমীয়া শিশু-সাহিত্য সংকলনৰ ক্ষেত্ৰত ২০০৬ চনত 'বনলতা'ৰ পৰা প্ৰকাশ পোৱা 'ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু-সাহিত্য সমগ্ৰ' হৈছে এখন অনবদ্য শিশু-সাহিত্য সংকলন। কোৱা বাহুল্য যে অসমীয়া শিশু- সাহিত্যক সৰ্বতোকালৰ বাবে উৎকৃষ্ট মাত্ৰা প্ৰদান কৰি যোৱা তথা অসমীয়া সাহিত্যৰ অমূল্য সম্পদ বুলি বিবেচিত হ'ব পৰা ড° শইকীয়াৰ দ্বাৰা ৰচিত গল্প, উপন্যাস, অনাতাঁৰ নাটক, পদ্য আৰু চিঠিৰ আকাৰত আকাৰত লিখা উপদেশমূলক কথাবোৰে কেৱল শিশুসকলকে নহয়, জ্যেষ্ঠসকলকো সময়ে সময়ে আমোদৰ খোৰাক যোগাবলৈ সক্ষম হৈছিল। সংকলনখনিত ড° শইকীয়াৰ 'তোমালোকৰ ভাল হওক', 'শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট-মহাদুষ্ট', 'মৰম', 'মৰমৰ দেউতা' আৰু 'পদ্যৰ ধেমালি' শীৰ্ষক ইতিপূৰ্বে গ্ৰন্থাকাৰে প্ৰকাশ পোৱা সাহিত্যকেইখনৰ উপৰি 'ককাদেউতাৰ চিঠি' আৰু 'আশাকৰোঁ তোমালোক সকলো ভালে আছা'শীৰ্ষক লেখনিসমূহ সন্নিৱিষ্ট হৈছে। অসমীয়া শিশু-সাহিত্যক এক নতুনত্বৰ মাত্ৰা প্ৰদান কৰা ড° শইকীয়াই নিজৰ সম্পাদনাত প্ৰকাশ পোৱা 'সঁফুৰা' নামৰ শিশু আলোচনীখনত প্ৰকাশিত হোৱা শিশুসকলক উদ্দেশ্যি, শিশুসকলৰ মংগলৰ বাবে লিখা বিভিন্ন উপদেশমূলক কথাসমূহ 'তোমালোকৰ ভাল হওক' আৰু 'আশাকৰোঁ তোমালোক সকলো ভালে আছা'নামেৰে কিতাপাকাৰে প্ৰকাশ কৰি অসমীয়া শিশু-সাহিত্যৰ ভঁৰাললৈ সৰ্বতোকালৰ বাবে এক উৎকৃষ্ট বৰঙণি আগ বঢ়াই থৈ গৈছে। তদুপৰি ল'ৰালিকালৰ নিৰ্দোষ ধেমালিৰ আঁৰ লৈ বুদ্ধিমত্তাৰ পৰিচয় বহন কৰা 'শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট মহাদুষ্ট' আৰু 'মহাদুষ্টৰ দুষ্টবুদ্ধি' নামৰ কিতাপ দুখনো

অসমীয়া শিশু-সাহিত্যত এক ব্যতিক্ৰমী সমলৰূপে পৰিগণিত হয়।

**তিনিগৰাকী পুৰোধা ব্যক্তিৰ অহোপুৰুষাৰ্থক কৃতিত্বৰ চানেকী**

পূৰ্বতে উল্লেখ কৰা হৈছে যে অসমীয়া শিশু-সাহিত্যক প্ৰকৃতাৰ্থত নৱৰূপ প্ৰদান কৰিছিল 'এখুদ ককাইদেউ' নৱকান্ত বৰুৱাই। ১৯৫৬ চনতে প্ৰকাশ পোৱা তেখেতৰ 'শিয়ালী পালেগৈ ৰতনপুৰ' আৰু পাছলৈ আকাশবাণী যোগে প্ৰচাৰিত শিশু নাট সংকলন 'কেৰেলুৱাৰ ৰে'ল', 'মই টুনিয়ে টুনটুনালোঁ', 'বেলিফুল', 'মনত পৰাৰ শব্দ', 'কাগজ আৰু কলমৰ ৰণ' ইত্যাদিৰ কাহিনীসমূহ পঢ়ি অথবা চৰ্চাৰদ্বাৰা শিশুসকল কল্পনাৰ জগতত বিচৰণ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন বিষয়ৰ কথাৰ চলেৰে অকণিহঁতক জ্ঞানৰ পোহৰ দিয়া 'আখৰৰ জখলা', ভূতক ভয় নকৰা শিশুৰ কাহিনীৰে 'ভতুকাৰে ভূ' নামৰ শিশু উপন্যাস, শিশুৰ উপযোগীকৈ সৰল ভাষাত বিভিন্ন অনুশীলন, বানান আৰু উচ্চাৰণৰ লগতে অন্যান্য জ্ঞানসম্পৃক্ত 'ন-আইতা' আৰু শিশুমনক আমোদ দিব পৰা কবিতা পুথি 'ওমলা ঘৰৰ পুথি'কে ধৰি বিভিন্ন গীত-মাত-কথা ইত্যাদিসমূহ হৈছে তেখেতৰ শিশু-সাহিত্যৰ প্ৰতি থকা মাত্ৰাধিক প্ৰীতি তথা দুৰ্বলতাৰ আঁৰৰ দায়বদ্ধতাৰ পৰিচায়ক।

সংখ্যাত কম হ'লেও অসমীয়া শিশু-সাহিত্যৰ অন্য এজন চিৰনমস্য স্ৰষ্টা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিশু-সাহিত্যৰাজিয়ে অসমীয়া শিশু-সাহিত্য জগতখনত এখন সুকীয়া আসন দখল কৰি আহিছে। শিশুসকলৰ বাবে তেখেতৰদ্বাৰা ৰচিত মাথোঁ ১৫ টা গীত-কবিতাৰ আটাইকেউটাই অকণিহঁতক সদা-সৰ্বত্ৰ আপ্লুত কৰি আহিছে। শিশুমনক বিমল আনন্দ প্ৰদান কৰা দুখন শিশু-নাটিকা 'নিমাতী কন্যা' আৰু অসম্পূৰ্ণ হৈ ৰোৱা 'সোণপখিলী'ৰ উপৰি অন্য এক অপূৰ্ব সৃষ্টি হৈছে অন্য এখন অসম্পূৰ্ণ হৈ ৰোৱা শিশু-সাহিত্য 'জ্যোতি ৰামায়ণ'। মেটাৰলিংকৰ 'ব্লু বাৰ্ড'ৰ অসমীয়া ৰূপান্তৰ 'নীলা চৰাই' নামৰ চিৰ সেউজ সাধুটো এক প্ৰকাৰ শিশু-মানসিকতাৰ সৈতে একাত্ম হ'ব পৰা সৰ্বকালৰ বাবে সৰ্বোৎকৃষ্ট সাধু বুলি অভিহিত কৰিলেও হয়তো অত্যুক্তি কৰা নহ'ব। তেখেতৰ দ্বাৰা সৃষ্ট 'ঘোঁৰা ডাঙৰীয়া', 'নিমাতী আৰু ৰূপকোঁৱৰ' (অসম্পূৰ্ণ), আৰু 'জোনাকী ফুলনিৰ সোণালী পখিলা' (অসম্পূৰ্ণ) শীৰ্ষক সাধু তিনিটা, অসমৰ গছ-বিৰিখ, চৰাই-চিৰিকতিৰ অপূৰ্ব বিৱৰণ দাঙি ধৰা 'বাল্মীকিৰ বনত কবিতাৰ জন্ম' নামৰ পদ্যভাগ, অসমীয়া সাজ-পাৰ আৰু আ-অলংকাৰেৰে সজাই তোলা 'সীতা সয়ম্বৰ' আৰু শিশুৰ বাবে ৰচিত একমাত্ৰ গল্প 'সোণটিৰ অভিমান'—এই আটাইখিনি শিশু-সাহিত্য যুগ-যুগান্তৰৰ বাবে অজৰ-অমৰ হৈ ৰ'ব।

১৯৬৭চনত 'চিল চিল চিলা, বাগী চিল মিলা' নামৰ শিশু পুথিখনৰ জৰিয়তে শিশু-সাহিত্যত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱা অকণিহঁতৰ মাজত 'নীলা বাইদেউ' আৰু 'মৌকুঁৱৰী' নামেৰে পৰিচিত ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে অন্তৰ উজাৰি অসমীয়া শিশুসকলক দি যোৱা কেইখনমান উৎকৃষ্ট শিশু-সাহিত্য হৈছে ক্ৰমে 'অসমীয়া ওমলা গীত', 'কথা সৰিৎ সাগৰ', 'মন উৰণীয়া', 'সুৰীয়া মাত আৰু শালিকী ৰটৌ টৌ', 'ৰজা', 'বন্ধু', 'হায় নাৰিকলৰ পিঠা', 'গান শুনা ভূত', 'সেউজী-সেউজী', 'ধুনীয়া হাত', 'কাণ, নাক, হাত, ভৰি' ইত্যাদি। এইসমূহৰ উপৰি ভালেমান কবিতা, গীত, সাধু, গীতি-নাট আদিও তেখেতে শিশুসকলৰ বাবে ৰচনা কৰিছিল। শিশুৰ অপৈণত মনবোৰত এক অবুজ আমোদ তথা অনাবিল আনন্দৰ সৃষ্টিত অদ্বিতীয় আছিল তেখেতৰ দ্বাৰা সৃষ্ট গীত তথা কবিতাসমূহ। ভিন্নসুৰীতাৰ মাজতো ঐক্যৰ ডোলেৰে মনবোৰ বান্ধি



ৰাখিব পৰা মৌলিক গুণেৰে সম্পৃক্ত তথা বিদেশী সাধু, ইংৰাজী ৰাইমছ আৰু লোকসাধুৰ আৰ্হিত সৃষ্টি কৰা নিৰ্মলপ্ৰভা বৰদলৈৰ গীত, কবিতা আদিসমূহ স্বদেশৰ মাটি, বায়ু আৰু ভাষাৰ গোন্ধেৰে পৰিপূৰ্ণ হোৱাৰ লগতে এই সমূহৰ জৰিয়তে তেখেতৰ অন্তৰত শিশুসকলৰ, বিশেষকৈ কন্যা শিশুসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ লগত তাল মিলাই প্ৰকৃত ভাষাজ্ঞান বিকশিত কৰাব বিচৰাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰচেষ্টা বিৰাজমান হৈ থকা পৰিলক্ষিত হয়।

**অসমীয়া শিশু-সাহিত্যত কমিক্‌ছৰ প্ৰচলন**

শিশুসকলৰ কোমল মনবোৰক সহজে আকৰ্ষণ কৰিব পৰা মাধ্যমটো হৈছে কমিক্‌ছত থকা ৰং বিৰঙৰ ছবিৰ জৰিয়তে কাহিনী কোৱাৰ ধৰণ। অসমীয়া ভাষাত কমিক্‌ছৰ সৃষ্টি আৰু প্ৰকাশ অতি সীমিত হোৱাৰ মূল কাৰণ হৈছে মৌলিক চিন্তাধাৰা আৰু কমিক্‌ছধৰ্মী চিত্ৰাংকনৰ পাৰদৰ্শী চিত্ৰশিল্পী প্ৰাপ্তিৰ দীনতা। চিত্ৰশিল্পীৰ সৃষ্টিত বিকশিত হোৱা চৰিত্ৰাংকণ আৰু কাহিনীবিন্যাসৰ সামঞ্জস্যইহে কমিক্‌ছধৰ্মী কাহিনীক জনপ্ৰিয় কৰি তোলে। অপ্ৰিয় সত্য যে অসমীয়া ভাষাত এনে সাহিত্য সৃষ্টিৰ প্ৰচেষ্টাত ব্ৰতী হোৱা প্ৰকৃত শিল্পীৰ অভাৱ আজিকোপতি দূৰ হোৱা নাই। লগতে প্ৰকৃত পাৰদৰ্শিতাৰ অভাৱতে সৃষ্টি হোৱা এনে দুই-এখন মৌলিক কমিক্‌ছ কিন্তু প্ৰকৃতাৰ্থত সফল হ'ব পৰা নাই। অতি নিপুণ হাতৰ কাম আৰু এই বিষয়ত সিদ্ধহস্ত নহ'লে ব্যুৎপত্তি লাভ কৰাটো কঠিন। জীৱন সীমা তেনেই সীমিত আছিল যদিও অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথমখন কমিক্‌ছ আলোচনী আছিল পুলক গগৈৰ 'কাৰ্টুন'। অন্যহাতে প্ৰথমখন কমিক্‌ছ পুথি আছিল পুলক গগৈৰে 'আব্দুল হামিদ'। ১৯৮৩ চনত বয়স্ক পঢ়ুৱৈৰ বাবে প্ৰকাশিত 'লুইত কমিক্‌ছ'ৰ সমসাময়িকভাৱে প্ৰকাশিত হোৱা অধুনালুপ্ত আন তিনিখন কমিক্‌ছ আছিল 'কাজিৰঙা কমিক্‌ছ', 'ভাস্কৰ কমিক্‌ছ' আৰু টিংকল আলোচনীৰ গঢ়ত ৰূপ দিবলৈ চেষ্টা কৰা ৰঞ্জু হাজৰিকাৰদ্বাৰা সম্পাদিত 'কণ কণ'। ১৯৮৫ চনত অনন্ত পাই সম্পাদিত 'টিংকল' আৰু ১৯৮৭ চনত 'অমৰ চিত্ৰকথা' আৰু মডাৰ্ণ ক্লাছিক্‌ছৰ কমিক্‌ছৰ অসমীয়া সংস্কৰণ প্ৰকাশ পায়। সাম্প্ৰতিক সময়ত শিশুসকলৰ মাজত জনপ্ৰিয়তাৰ ধাৰা অব্যহত ৰাখিবলৈ সক্ষম হৈছে প্ৰণয় বৰদলৈৰদ্বাৰা সম্পাদিত অসমীয়া কমিক্‌ছ 'ৰংমন' আৰু নৱপ্ৰতীম দাসৰদ্বাৰা সম্পাদিত 'কণ কণ'।

কমিক্‌ছৰ জৰিয়তে কন্যা শিশু এটিক মানসিক উত্তৰণৰ জ্ঞান দিব পৰাৰ কৌশল অন্য যিকোনো সাহিত্যতকৈ ব্যতিক্ৰমী হয়। উদাহৰণ স্বৰূপে 'টিংকল' নামৰ কমিক্‌ছখনৰ এটা সংখ্যাত সংলাপবিহীনভাৱে কেৱল চিত্ৰৰ দ্বাৰাই বৰ্ণিত হোৱা এটি সৰু কাহিনীৰে বিষয়টো থোৰতে ব্যাখ্যা কৰিব বিচৰা হৈছে ঃ এজোপা আমগছৰ ডালৰপৰা ওলমি আছে পকি থকা আম। হাতেৰে ঢুকি নাপায়। দুটি সৰু ল'ৰা আহি জঁপিয়াই আম ছিঙিব বিচাৰিলে আৰু বিফল হৈ উভতি গ'ল। কিশোৰী দুগৰাকী আহি দেখিলে আমবোৰ হাতেৰে ঢুকি পোৱা অৱস্থাত নাই। গতিকে তেওঁলোকে গছজোপাৰ তললৈ এছটা শিল আনিলে। এখন তক্তাপোছ শিলছটাৰ ওপৰত দি ওমলা ঢেকীৰ দৰে সাজি ল'লে। তক্তাপোছখনৰ দুয়োমূৰে দুয়ো বহি দিয়াৰ পাছত এবাৰ এগৰাকী ওপৰলৈ উঠি গ'ল আৰু এটা আম ছিঙি আনিলে; পাছৰবাৰ আনগৰাকী ওপৰলৈ উঠি গৈ একেদৰেই আম ছিঙি অনাৰ পাছত আনন্দ মনেৰে দুয়ো ঘৰলৈ উভতি গ'ল। ঠিক এনে ধৰণেৰে চিত্ৰৰ যোগেদি দিব পৰা সুকৌশলী সম্যক জ্ঞানৰ প্ৰভাৱ সদায় ব্যতিক্ৰমী হোৱাৰ ফলত সেয়া শিশু-মনত চিৰস্থায়ী

হৈ পৰাৰ থল থাকে।

**অৱশ্যে চিন্তনীয়**

আলোচনা কৰা বিষয়সমূহৰ পৰা এটা কথা প্ৰতীয়মান হয় যে অতীজতে কেইজনমান মুষ্টিমেয় চিৰনমস্য সাহিত্যিকৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠিছিল অসমীয়া শিশু-সাহিত্যৰ ভেটি আৰু আজিকোপতি অন্য কেইজনমান মুষ্টিমেয় সাহিত্যিকৰ আশাশুধীয়া প্ৰচেষ্টাত অতি চালুকীয়া গতিৰে ধাৱমান হৈছে এনে সাহিত্যৰ ক্ৰমবিকাশৰ ধাৰা। অন্যহাতে শিশু-সাহিত্যত মনোনিৱেশ কৰিব বিচৰা অধিকাংশ সাহিত্যিকৰে আকৌ শিশু মনস্তত্ত্বৰ প্ৰকৃত চৰ্চাৰ জৰিয়তে তেওঁলোকৰ মানসিকতাৰ সৈতে একাত্ম হ'ব নোৱৰা গুণটোৰ বাবে বহুখিনি সাহিত্য জনপ্ৰিয় তথা আকৰ্ষণীয় পৰ্যায়লৈ নগৈ উপেক্ষিত হৈ থাকি এটা সময়ত বিলুপ্তিৰ পৰ্যায় পাইছেগৈ। এটা কথা অৱশ্যেই অনস্বীকাৰ্য যে সাম্প্ৰতিক সময়ত প্ৰকাশ পোৱা প্ৰায়বোৰ দৈনিক বাতৰি কাকতৰে সপ্তাহত এদিন অথবা সাপ্তাহিক বাতৰি কাকতসমূহৰো এটা পৃষ্ঠা শিশুসকলৰ বাবে সংৰক্ষিত কৰা হয়। এনে কাকতসমূহত শিশুসকলৰ বাবে প্ৰকাশিত লেখাসমূহত বানান তথা ভাষা প্ৰয়োগৰ ক্ষেত্ৰত সম্পাদকসকল অতিমাত্ৰা সচেতন হোৱাটো অতি প্ৰয়োজন যদিও বাস্তৱিকতে তেনে সচেতনতাৰ অভাৱ পৰিলক্ষিত হৈছে। শিশুসকলৰ অপৈণত মস্তিস্কই সচেতনতাৰ অভাৱত ঘটিব পৰা যিকোনো ভুল ধাৰণা এটা বাতৰি কাকতত প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিততে শুদ্ধ বুলি গ্ৰহণ কৰাৰ অতিমাত্ৰা সম্ভাৱনা থাকে। অন্যহাতে মাতৃভাষাৰ সাহিত্যৰ প্ৰতি শিশুসকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ অভিভাৱকসকলৰ প্ৰচেষ্টা, লেখাসমূহৰ মনোগ্ৰাহিতা তথা আকৰ্ষণ ক্ষমতা আৰু লেখকসকলৰ শিশু মনস্তত্ত্বৰ অধ্যয়নৰ প্ৰতি স্বাভাৱিক হাবিয়াস—এই প্ৰতিটো বিষয়ৰ সৈতে ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে বাতৰি কাকতসমূহৰ শিশু-সাহিত্যপৃষ্ঠাৰ জনপ্ৰিয়তাৰ দিশটো। বিশেষকৈ অভিভাৱকসকলৰ নিজ সন্তানক ইংৰাজী মাধ্যমত শিক্ষা প্ৰদান কৰাৰ প্ৰতি থকা মাত্ৰাধিক দুৰ্বলতায়ো শিশুসকলৰ মনবোৰত মাতৃভাষাৰ সাহিত্যৰ প্ৰতি অনীহাৰ ভাব সৃষ্টি কৰাৰ আশংকা থাকে। লেখক-পাঠকৰ এনে পাৰস্পৰিক সামঞ্জস্যৰ বিষয়টোৰ উপৰি বৰ্তমানৰ প্ৰভাৱশালী লেখকবৃন্দয়ো শিশু-সাহিত্যৰ সৃষ্টি তথা বিকাশৰ বাবে অধিক মনোনিবেশ কৰাৰ সময় সমাগত। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত তথাকথিত জনপ্ৰিয়তাতকৈ শিশু-সাহিত্যৰ প্ৰকৃত প্ৰয়োজনীয়তাক উপলব্ধি কৰি অধিক দায়বদ্ধতাৰ প্ৰতি সচেতন হৈ অগ্ৰসৰ হ'লেহে অসমীয়া ভাষাৰ শিশু-সাহিত্যই এই দিশত আগৰণুৱা ভাৰতবৰ্ষৰ অন্যান্য আঞ্চলিক ভাষাৰ শিশু-সাহিত্যৰ সৈতে ফেৰ মাৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিব পাৰিব।

**সামৰণি**

চৰ্চিত বিষয়সমূহৰপৰা পৰিলক্ষিত হয় যে অসমীয়া ভাষাত অতীজৰে পৰা আন্তৰিকতাৰে শিশু-সাহিত্যৰ চৰ্চা কৰি অহা সাহিত্যিকৰ সংখ্যা আঙুলিমূৰত লেখিব পৰা। ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন বঁটাবাহন প্ৰদানকে আদি কৰি যথোপযুক্ত সন্মান প্ৰদান কৰাৰ ক্ষেত্ৰতো শিশু-সাহিত্যিকসকল সাধাৰণতে তুলনামূলকভাৱে উপেক্ষিত হৈ পৰা যেন ভাব হয়। অথচ আমি পাহৰি যোৱাটো অনুচিত যে শিশুসকল হৈছে মানৱ-সম্পদ গঢ়াৰ মূল ভেটি তথা আধাৰস্বৰূপ। এটি কন্যা শিশু সময়ত এখন ঘৰৰ মূল চালিকাশক্তি হৈ পৰে যাৰ পৰিমাৰ্জিত সংস্কাৰেই এখন সমাজক সংশোধনৰ দিশলৈ লৈ যাব পৰাৰ ক্ষমতা বহন কৰে। অথবা আমি এনেকৈ ভাবিলেও ভুল নহ'ব যে এটি কন্যা শিশুৰ এখন সমাজক সঠিক দিশত পৰিচালিত কৰাব পৰাৰ অন্তৰ্নিহিত ক্ষমতা থাকে। এটা অট্টালিকা নিৰ্মাণত মূল ভেটিটোৱে যদি দুৰ্বল হয়, তেন্তে এসময়ত সি খহি পৰাটো নিশ্চিত। তেনেদৰেই শিশু-মনস্তত্ত্বৰ গভীৰ পৰ্যবেক্ষণৰ জৰিয়তে সু-সাহিত্যৰ সৃষ্টি কৰি তেওঁলোকৰ বয়সৰ বিভিন্ন স্তৰত তেনে সাহিত্যৰ প্ৰতি আকৰ্ষিত কৰিব পৰাটো অতিশয় প্ৰয়োজনীয় এটি বিষয়, যি পৰৱৰ্তী সময়ত সঠিক পথ নিৰ্দেশনাৰে শিশুসকলক জ্ঞানসম্পৃক্ত ভৱিষ্যতৰ দিশত অগ্ৰসৰ হোৱাত সহায়ক হয়।

**প্ৰসংগ পুথি**

অধিকাৰী, গগন চন্দ্ৰ ঃ 'মহাৰথী' স্ৰষ্টাৰ শিশু-সাহিত্য প্ৰীতি, গৰীয়সী, ডিচেম্বৰ, ২০০৬

আখতাৰ, মবিনা ঃ অসমত বিদেশী শিশু-সাহিত্য, গৰিমা, নৱেম্বৰ, ২০০৬

তামুলী, শান্তনু ঃ গোস্বামীদেৰৰ শিশু-সাহিত্য, সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামী জ্বঃ জীৱন আৰু পৰিক্ৰমা

তামুলী, শান্তনু ঃ অসমীয়া শিশু-সাহিত্য সমীক্ষা, মৌচাক প্ৰকাশন, ২০১০

দত্ত, বীৰেন্দ্ৰনাথ ঃ নৱকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ, ২০০৩

বৰমুদৈ, ড° আনন্দ ঃ শিশু-সাহিত্য আৰু বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', প্ৰজ্ঞা, ১৯৯৭

বৰকটকী, উপেন ঃ অসমীয়া শিশু-সাহিত্যৰ সংক্ষিপ্ত ইতিহাস, ২০০২

বৰা, প্ৰফুল্ল চন্দ্ৰ (মুখ্য সম্পাদক), আহমেদ ছালিম আলি (সম্পাদক) ঃ ঐতিহ্যঃ অসমীয়া সাহিত্য, হেৰিটেজ আসাম, ২০০৭

শইকীয়া, শান্তিছায়া ঃ শিশু-সাহিত্যৰ মেটমৰা ভঁৰালত, গৰিমা, নৱেম্বৰ, ২০০৬

হাজৰিকা, ড° কৰবী ডেকা ঃ অসমীয়া অনুবাদ সাহিত্য, প্ৰজ্ঞা, ১৯৯৭

# A Feministic Approach to the Poems of Mira Bai and Kamala Das : A Study

***Sukanta Ghosh***

**Abstract**

The 'pre' and 'post' Independence phases of Indian feminism are somehow categorized on the basis of some noticeable socio-political status of women in the country. Despite these convenient academic categories, there is something very substantial in literary world of female poets of India. The present paper places in a critical perspective the life and literary endeavours of a medieval poet, Mirabai and her modern counterpart Kamala Das. It attempts to reflect on their consciousness of self-identity with a refusal to the accepted mores of the society. The paper explores the struggle of a woman to express her own opinion in a patriarchal society through the creative writings of both Mirabai and Kamala Das.
**Key Words:** Equality, Expression, Feminism, Freedom, Individuality, Patriarchy, Self-identity

The history of feminism in India is commonly divided into three phases. The first phase is considered to be the mid-eighteenth century when some European colonists raised their voices against the social evils of '*sati*', child-marriage etc. The second phase is viewed as the emergence of women's organizations during Quit India Movement and the third phase begins after Independence which focuses on fair treatment of women at home and outside including political parity. Despite these three convenient academic divisions, there is something very substantial in literary world of female poets of India. A vista of the beautiful psychological images in the poetry of a medieval Indian woman, Mira Bai and her modern counterpart, Kamala Das reflect disobedient colours on the patriarchal canvas, still unnoticed or usually neglected in the legacy of Indian feminism.

Living in India some 500 years ago, Mirabai was quite a rebel, believing passionately in a woman's freedom to choose her own life's path and religion. Consequently, she suffered many punishments and hardships. Knowing how women still struggle with similar injustices,



it is not surprising that her story and poetry are still relevant today. She is the most celebrated of the women poets of medieval times. Several works like *Narsiji Ki Mahero*, *Gitagovinda Ka Tika*, *Ragagovinda*, *Garva-gita* and *Raga-Vihaga* are attributed to her. She is an example of a subjective poet: i.e. her own self is her raw material. She was the great poetess of the sixteenth century whose songs are among the best known in India. Born into a noble family, Mirabai was only 4 or 5 years old when her mother died. Moving in with her grandmother, the child became enthralled with and intensely devoted to Lord Krishna. At age of 16, by her uncle's arrangement, she was married to a prince, who died just three years later. She enraged her in-laws by openly disdaining wealth, refusing to worship the family deity, and defying their expectations to immolate herself as a *sati* on her husband's funeral pyre. Narrowly escaping attempts on her life by members of her husband's family, Mirabai went on to live the life she desired. She wandered among those of all castes as an ecstatic, singing and dancing in public temples, writing her poetry, and making pilgrimages in dedication of her life to the love of Lord *Krishna*. Soon she acted as a rebel, not hesitating to break the conventions and often ignored the rigid codes of behaviour set for the women by the society. This incurred the wrath of the family, especially of the new king. She says:

None dare come in my way
I go enchanted
Kicking aside the glories of my ancestors.

(*Mystic Songs of Meera:* 48) [1]

The above lines are deep and heart-rending. They depict the tenderness of a woman's heart and also its vigorous defiance of social norms. Apparently Rana wanted to put a stop to all this. After extended conflict with her in-laws, they reportedly attempted to poison her.

Why must I not hate your palace Rana?
You, sent me the cup of poison to kill
Lo, I drank it as the offering to my lord.

(*Mystic Songs of Meera:* 25)

Her true devotion towards Lord *Krishna* saved her and she was allowed to leave the palace. She reportedly spent her later years visiting places associated with *Krishna* and partaking in the good company of other devotees, until finally she went to *Dwarka*. She was absorbed into the image of *Krishna* there. Her poetry, her personality and her life became a shining example of devotion and her total surrender at the feet of *Girdhar* gave her immense popularity and everlasting appeal. Mirabai's devotional fervour not only led to the production of poetry of a highly emotive, lyrical and sensual nature, it also challenged many of the existing social values and traditions. By freely associating with *sadhus* and saints and expressing her ecstatic devotion to *Krishna*, Mira violated the existing social norms for which she was renounced by her family. The intensity of Mira's devotion which was expressed in her poetry

is free from any consideration of loss and gain. She defies the society and go beyond the social law and makes love the be-all and end-all of life.

Mirabai is at her best in giving expression to the women's deep sense of loneliness, even of being abandoned by their familes. In the absence of their husbands, women not only felt a deep sense of physical loneliness and longing but were also afraid that their husbands may have forgotten them or sought solace in the company of other women. Her poetry, devoted to Lord *Krishna* as her lover and husband and also the way of life she adopted brought social criticism. While Mirabai herself acted as a rebel, her basic attitude towards women's role in society was traditional. To some extent it shows how powerful was the tradition about woman's role and behaviour pattern in family and society. Yet Mirabai represents a voice of protest against it and suggests that these values need to be modified or applied in a more humane and liberal manner.

She was perhaps the most vigorous woman of medieval times who challenged her age as Kamala Das did in our times. Kamala Das is one of the leading poets in Indian Poetry in English Language. No doubt her poetry is English in language, but is Indian in sensibility and content. It is rooted in and stems from the Indian environment and reflects its moods. She has brought much credit to herself by virtue of her originality, novelty, daring and the courage of her beliefs and convictions. She is known internationally for her profoundly feminine, lyrical English poetry and at home for her short stories in Malayalam.

With the poet, Kamala Das, her private life, particularly under strain of psychological crises, becomes a major theme. Her creative sensitivity is strongly committed to her personality. She has dismantled the barrier between private and public self by baring her soul and herself in her literary works. She asserts, "When I write about other people, I do not feel fulfilled as a writer. I don't find my face floating above words..." All the three major volumes of Kamala Das's poems i.e. *Summer in Calcutta* (1965), *The Descendants* (1967) and *The Old Play House and Other Poems* (1973) refer to the revelations of herself. In all these volumes, there is a note of subjectivism. It takes us to the deepest emotions of a woman's inner being. The third volume of her poetry *The Old Play House and Other Poems* shows Kamala Das as a rebellious poet who is very much aware of the liberation of all women. She revolts against the male- dominated society. She is a dejected lover who is in search of a secure relationship. She is frustrated in her childhood as well as when she matures. She could not get the emotional stability. She gave a poetic shape to all her feelings and emotions.

There is protest, experiment and faith in the poetry of Kamala Das. She is in search for her identity of self. In this effort, she suffers from a mild nervous breakdown. She forgets all her misery, despair and grief. It is like an escape from her worries and anxieties. She writes in an article in *Blitz*:

Madness was the best escape for the unhappy girl that I was. It offered an escape more satisfying than that offered by drugs or psycho- analysis. It was invisible armour that I



wore to conceal my real self. Inside it, underneath the brave smiles and the braver talk, a little girl hid herself in the dark, weeping: Nobody could see her. [2]

Her first book, *Summer in Calcutta* was a promising start. She abandoned the certainties offered by an archaic, and somewhat sterile, aestheticism for an independence of mind and body at a time when Indian women poets were still expected to write about teenage girl fantasies, of eternal, bloodless and unrequited love. This collection is full of the images of love, sex, deprivation, fulfilment, separation and the death processes of the day to day life. It offers an example of her personal experience in life. Her subject matter mainly wanders around the place of woman in a male dominated society. She cannot be called a staunch feminist, because feminist philosophy declares independence from man while Kamala Das's woman exists with man. In her poetry, several faces of Eve are exhibited, woman as sweet heart, flirt, wife, mother, middle aged matron and above all woman as an untiring seeker of the nature of the psychological processes behind feminity and masculinity. There are many poems in her collection that are more forceful and integrated. *An Introduction* is one of them:

It is a piece of self-revelation:
Don't write in English, they said;
English is not your mother-tongue.
Why not leave me alone, critics, friends, visiting cousins,
Everyone of you? Why not let me speak in
Any language I like? The language I speak
Becomes mine, its distortions, its queernesses
All mine, mine alone.

(*Summer in Calcutta:* 59) [3]

Her rebellious attitude is depicted in the poem. In this short poem, Kamala Das has given us a self-portrait and the anatomy of her mind, recounting the major incidents of her life and the experiences which had affected her most till the time of her writing this poem. It is a poem of revolt against conventionalism and against the restraints which society has been imposing upon women. Kamala Das's feminism or her advocacy for the rights of women clearly appears here. Her rebellious attitude is evident when she starts wearing male dresses and moves around the male-dominated society. Her poetry has a special force and appeal for us primarily because of the honesty and truthfullness with which she asserts her right to exist as an individual with a distinctive identity and to be her authentic self even if this involves breaking the moulds of traditional ethics and propriety. Her poetry voices a protest against the restrictions of our society.

Being a realist, Kamala Das represents reality as it is. She is very honest in depicting the feelings of her heart. She is a rebel, who struggles for the cause of woman. In many poems, she describes woman's lust for love which is very passionate. In the poem *In Love* she says, "Now that I Love You curled like an old mongrel/My life lies, content/In you...."[4] (Summer *in Calcutta*: 30) She confesses her experience of love with astonishing candidness:

I asked for love, not knowing what else to ask
For, he drew a youth of sixteen into the
Bedroom and closed the door, He did not beat me
But my sad woman-body felt so beaten.
The weight of my breasts and womb crushed me.

(*Summer in Calcutta* : 59-60)

She feels herself all alone in the world. It is appropriate to say of her poems that whosoever touches these poems touches a woman. Her poetry depicts her own inner frustrations and challenge of the socio-moral laws prevalent then.

Kamala Das's poetry offers a poetic model of a feminine mind confronted by the male-dominated society of Southern India. It canters on sexual insufficiency for the gratification of woman in her. All her works of poetry reflect the confessional tone of feelings of such situations in her personal life. These situations quickly shift and assume new postures, new attitude of defence. Bruce King reflecting upon the works of Kamala Das says:

Writing is a means of creating a place in the world; the use of the personal voice and self-revelation are means of self-assertion. Das opened areas in which previously forbidden or ignored emotions could be expressed in ways which reflect the true voice of feeling; she showed how an Indian woman poet could create a space for herself in the public world. She brings a sense of locality in her poems...... Das's poems assume their location; create their space by being set in situations rather than by observing or alluding to their environment. [5]
In the poem *The Descendants* she describes the plight of all women. She talks of women's liberation. They are often hurt by their husbands though there is not any scar or bruise on the surface level. Even then they feel hurt emotionally; women regard themselves as nailed by their men. They are crucified like Jesus Christ. They are not actually crucified on the cross, but in soft beds and pillows. They are never redeemed of their plight. None comes to protect them. Kamala Das describes the plight of women:

We have lain in every weather
Nailed no, not
To crosses, but to soft beds and against
Softer forms

(*The Descendants* : 8)[6]

The poem *The Old Play House* is the finest lyric in the collection. The Play House is the poet's mind in which floating sensations, regrets and stray thoughts and memory are the actors which act their parts in the dark with all the lights shut out. The poem is the poet's protest against the domination of the male and the consequent dwarfing of the female. The woman is expected to play certain conventional roles and her own wishes and aspirations are not taken into account. It is evident from the poem that woman is still in the grip of slavery of man. She is still regarded as the second sex:



You called me wife,
I was taught to break saccharine into your
tea and
To offer at the right moment the vitamins
Cowering beneath your monstrous ego, I
Became a dwarf. I lost my will or reason
to all your
Questions I mumbled incoherent replies.
(*The Old Play House and Other Poems* : 11)[7]

In her short stories too, Kamala Das is concerned with the sad plight of woman. She exposes the hypocrisy of men, their possessiveness and obsession with the female body, their insensitivity to female sensibility.

Kamala Das is not recognized as a prose writer in comparison to her poetical achievements. She has also written a number of miscellaneous essays which, like her poems have made her a controversial figure because of the views which she has expressed in them. Kamala Das aims to jolt men and awaken them to how they exploit feminine chastity by denying them emotional bond when they sincerely long for.

Kamala Das and Mirabai are thus revolutionary poets who started the trend towards frankness and truthfullness in the treatment of a subject which was almost taboo and which women poets particularly hesitated to deal with. Both of them thus are trend setters and the trend started by them has now become almost the vogue. They criticized the tradition-bound conservative society which of course, was always harsh on their unconventional life style. One thing is sure: they are far ahead of their respective times in depicting their ideas, unconcerned about what others think of them. The emotive quality of their poems, their ability to provide social critique and the representation of self that crosses boundaries between the personal and public life have given their poetry a special flavour to be tasted.

**Works Cited**

Bruce King, *Modern Indian Poetry in English* (Delhi: Oxford University Press, Bombay, Calcutta, Madras, 1987) 152.
